# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ১৯/০৭/২০২১ সোমবাৰ

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১০১। শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী বিমল বৰা (শক্তিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় শক্তি মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে তেখেতে লিখিত উত্তৰত উল্লেখ কৰা মোৰ দলগাওঁ সমষ্টিত ১৫২খন ৰেভিনিউ ভিলেজত বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ হৈছে কেইবাটাও হাউচ হোল্ড বাকী আছে, কিন্তু মই জনাত মোৰ সমষ্টিত কেইবাখনো ৰেভিনিউ ভিলেজ বগৰীবাৰীত প্ৰায় ৫০০ হাউচ হোল্ড আছে, নদীৰ পাৰ নামেৰে ৰেভিনিউ ভিলেজত ১০০ হাউচ হোল্ড, ৰৌবাৰী চাপৰিত ৮০ খন হাউচ হোল্ডত এতিয়ালৈকে বৈদ্যুতিকৰণৰ বিধিৰ ব্যৱস্থা যোৱাই নাই, কিন্তু ইয়াত সম্পূৰ্ণ হোৱা বুলি কোৱা হৈছে। মই নিজে গৈ সেই গাওঁ বিলাকত চৰজমিন তদন্ত কৰিছিলো আৰু দেখিছিলো যে তাত বৈদ্যুতিকৰণৰ বিধি ব্যৱস্থা হোৱা নাই। সেয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো হয়তো আপুনি এই বিষয়ে অৱগত নহয় বা আপোনাক মিচ গাইড কৰিব পাৰে। গতিকে বিভাগৰ ফালৰ পৰা আপুনি দয়া কৰি শুদ্ধ উত্তৰটো লৈ সদনত জনাই দিলে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা (শক্তিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা সমগ্ৰ দেশতে বৈদ্যুতিকৰণৰ কিছু আঁচনি গ্ৰহণ কৰা হৈছিল আৰু অসমতো দ্বাদশ পৰিকল্পনাৰ অধীনত দীনদয়াল উপাধ্যায় গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি আৰু সৌভাগ্য আঁচনিৰ জৰিয়তে যি সমূহ গাওঁত এতিয়ালৈকে বৈদ্যুতিক সংযোগ হোৱা নাই, সেই গাওঁ সমূহত এই কাম কৰা হৈছিল আৰু ২০১১ চনৰ Socio Economic Caste Census জৰিয়তে যি সমূহ তথ্য বিভাগৰ হাতত আছিল সেই সংযোগ কৰা কামখিনি ইতিমধ্যে সম্পূৰ্ণ হৈছে, তথাপিও কিছু গাওঁৰ অংশ যিবিলাক Socio Economic Caste Census ত অন্তৰ্ভুক্ত নাছিল, সেই সমূহ গাওঁ থাকি গৈছে। দলগাওঁৰ বিধায়ক শ্ৰী মজিবুৰ ৰহমান ডাঙৰীয়াই উল্লেখ কৰিছে যে তেখেতৰ সমষ্টিত ১৫২ খন গাওঁ আছে, য'ত বৈদ্যুতিক সংযোগ ইতিমধ্যে হৈছে কিন্তু সম্পূৰ্ণকৈ সংযোগ হ'বলৈ এতিয়াও ১১ খন গাওঁ ৰৈ গৈছে । সেই গাওঁ সমূহ হৈছে গান্দা পুখুৰী, বেচিমাৰী, ৫ নং আৰিমাৰী, ৪ নং আৰিমাৰী, বৰঙ্গাবাৰী, ককালভাঙি যোগী গাওঁ, কেঁচু মাৰী নেপালী গাওঁ, ৰৌমাৰী, নিজ বৰুৱাঝাৰ, ২ নং মোল্লাপাৰা আৰু নগাজানি এই গাওঁ সমূহত এতিয়ালৈকে হাউচহোল্ডত কানকশ্যন দিবলৈ বাকী আছে ১৪০ ঘৰ মানুহ। এই ১৪০ ঘৰ মানুহক অনতিপলমে আমি বিদ্যুৎ সংযোগ দিম। সমগ্ৰ অসমতে এনেদৰে যি সমূহ ঘৰ বাদ পৰি গৈছিলে তাৰ কাৰণে অতিৰিক্ত ভাৱে ইতিমধ্যে আমি সৌভাগ্য আঁচনিৰ কাৰণে প্ৰাক্কলন প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছো। প্ৰায় ১৫০০ কোটি টকা ব্যয় সাপেক্ষে এই আঁচনিখন হ'ব। কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পালে আমি সমগ্ৰ অসমতে এই কাম কৰিম আৰু আপোনাৰ দলগাওঁ সমষ্টিটো যি ১১ খন গাওঁৰ ১৪০ ঘৰ মানুহ ৰৈ গৈছে, সেইসকলকো বৈদ্যুতিক সংযোগ দিয়া হ'ব।

**माननीय অধ্যক্ষ ঃ** Next supplementary.

**শ্ৰী মজিবুৰ ৰহমান (দলগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা অতি পৰিতাপৰ কথা যে মোৰ সমষ্টিত ২৫ টা মান ট্ৰেন্সফৰ্মাৰ আজি প্ৰায় ১ বছৰ ধৰি বিকল হৈ আছে আৰু ৩০ ৰ পৰা ৪০ টা মান ট্ৰেন্সফৰ্মাৰৰ ভল্টেজৰ ক্ষেত্ৰত কেৱল ৰিং টোহে জ্বলে, ৰাতি হ'লে ফেন নুঘূৰে। গতিকে মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক এইখিনি কম দিনৰ ভিতৰতে ঠিক কৰি দিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী বিমল বৰা (শক্তিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেন্সফৰ্মাৰৰ সমস্যাটো নাইকিয়া কৰিবৰ কাৰণে আমি ইতিমধ্যে উদ্যোগ গ্ৰহণ কৰিছো। অসমত প্ৰায় ৮০০০ মান ট্ৰেন্সফৰ্মাৰৰ প্ৰয়োজন আছে আৰু সেই ট্ৰেন্সফৰ্মাৰ সমূহ বিভিন্ন আঁচনিৰ জৰিয়তে প্ৰস্তাৱ আগবঢ়াইছো। প্ৰায় ১৫০০ মান ট্ৰেন্সফৰ্মাৰ এতিয়া আমাৰ হাতত মজুত আছে আৰু ৰিপায়েৰল কিছু সংখ্যক ট্ৰেন্সফৰ্মাৰ আমাৰ হাতত আছে আৰু নতুনকৈও প্ৰায় ৪০০০ মান ট্ৰেন্সফৰ্মাৰ ক্ৰয় কৰাৰ আমি চিন্তা কৰিছো। মই ভাৱো খুব কম সময়ৰ ভিতৰতে আমি এইখিনি কৰিবলৈ সক্ষম হ'ম আৰু দলগাওঁত আপোনাৰ যিটো সমস্যা আছে, তাতো এই আঁচনি সমূহৰ জৰিয়তে আমি ট্ৰেন্সফৰ্মাৰ সমূহ নতুনকৈ ৰিপায়াৰ কৰি হ'লেও বিজুলী যোগান ধৰিবৰ কাৰণে ভৱিষ্যতে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়া।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই দলগাওঁ সমষ্টিৰ ট্ৰেন্সফৰ্মাৰৰ ওপৰত কথাখিনি কৈছে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম যে, যেতিয়া গাঁৱত ট্ৰেন্সফৰ্মাৰ এটা বিকল হৈ যায়, সেই গাঁৱৰ গ্ৰাহক সকলে ট্ৰেন্সফৰ্মাৰটো পাবলৈ হ'লে দীঘলীয়া প্ৰচেচত মাহ-দিন ধৰি অফিচত যাব লগীয়া হয় গতিকে যি সকল গ্ৰাহকে বিদ্যুতৰ বিল নিয়মিতভাৱে আদায় দি আছে, সেই সমূহ গাঁৱত যদি ট্ৰেন্সফৰ্মাৰ বিকল হৈ যায় তেন্তে তেওঁলোকক অফিচত নোযোৱাকৈ অফিচৰ ফালৰ পৰা যাতে ট্ৰেন্সফৰ্মাৰ যোগান ধৰা হয়, তেনেকুৱা এটা ব্যৱস্থা মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৰিব নেকি? কিছু মুহূৰ্তত মন্ত্ৰী মহোদয়ক দেখিছো যে সচেতন ভাৱে ইলিক্ট্ৰিচিটি বিভাগৰ বিভিন্ন কামৰ জৰিয়তে সক্ৰিয় ভূমিকা পালন কৰি আছে। তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী বিমল বৰা (শক্তিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত আমাৰ চৰকাৰৰ কাৰ্য্যকালৰ সময়চোৱাৰ পৰা মই বিধায়ক হিচাপে ৫ টা বছৰ কাৰ্য্যনিৰ্ব্বাহ কৰিছিলো। আগতে যেনেদৰে ৬ - ৭ মাহ বা ১ বছৰ ৰবলগীয়া হয়, যোৱা ৫ টা বছৰ আমাৰ চৰকাৰখন যদি আপোনালোকে লক্ষ্য কৰে, শাসক-বিৰোধী সকলোৱে ট্ৰেন্সফৰ্মাৰ বিকল হোৱাৰ লগে লগে ১৫ দিনৰ ভিতৰত ট্ৰেন্সফৰ্মাৰটো দি আহিছে। এই কামৰ আমাৰ এতিয়াৰ চৰকাৰৰ দিনতো কোনো ব্যতিক্ৰম নহয়, কিন্তু এটা কথা আপোনালোক সকলোৱে অৱগত আৰু মই ভাৱো যে আমাৰ সকলো সন্মানীয় দায়িত্বশীল প্ৰতিনিধি সকলে এই ক্ষেত্ৰত বিশেষভাৱে মনোযোগ দিব লাগে যে কৰ'বাত যদি এটা ট্ৰেন্সফৰ্মাৰ বিকল হৈ যায়, তেতিয়াহ'লে সেই ট্ৰেন্সফৰ্মাৰৰ অধীনৰ সকলো বিলাক গ্ৰাহকৰ বিল সমূহ সম্পূৰ্ণভাৱে ক্লিয়াৰ আছে নে নাই সেইটো যাতে বিভাগে অলপ মান চোৱা-চিতা কৰে। দেখা যায় যে এটা ট্ৰেন্সফৰ্মাৰ ত যদি ৪০ ৰ পৰা ১০০ ঘৰ মানুহ থাকে, তাৰে প্ৰায় ৩০ ঘৰ মানুহেই বিগত দিনবোৰত বিল পৰিশোধ নকৰা দেখিবলৈ পোৱা গৈছিল। সেয়ে বিভাগৰ তৰফৰ পৰা কোৱা যায় যে ১০০ শতাংশ বিল পৰিশোধ কৰক আৰু ট্ৰেন্সফৰ্মাৰটো লৈ যাওঁক আৰু লগতে এইটো বিল আদায় কৰাৰ এটা প্ৰক্ৰিয়াও হয়। গতিকে ট্ৰেন্সফৰ্মাৰ বিকল হোৱাৰ ক্ষেত্ৰত ট্ৰেন্সফৰ্মাৰৰ লগতে মাচুল আদায়ৰ ক্ষেত্ৰতো বিভাগে যাতে এটা উদ্যোগ লয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১০৩, শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** পৰিপূৰক প্ৰশ্ন।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা যিকেইটা প্ৰশ্নৰ উত্তৰ পাইছোঁ মই পোনপ্ৰথমে মুখ্যমন্ত্ৰী মহোদয় ডাঙৰীয়াক ধন্যবাদ জনাবলৈ বিচাৰিছোঁ এই বেঞ্চৰ পৰা। যোৱা কেইটামান দিনত ড্ৰাগছ ইত্যাদিকে ধৰি বিভিন্ন ক্ষেত্ৰত পুলিচ বিভাগক যিদৰে এক্টিভ কৰি তুলি অসমক আগুৱাই লৈ যাবলৈ বিচাৰিছে মই মুখ্যমন্ত্ৰী মহোদয় ডাঙৰীয়ালৈ অনুৰোধ জনাইছোঁ যিকেইটা উত্তৰ ক, খ, গ, ঘ মই ইয়াত পাইছো, পুলিচৰ আধুনিকৰণৰ বিষয়টোৰ ওপৰতো মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইকেইটা দিন বহুত নতুন ডিক্লাইৰেচন কৰি আছে মই অনুৰোধ জনাইছো অলপ বিতংকৈ তেখেতে এইখিনি অলপ বুজি পোৱাকৈ কথাখিনি অলপ দাঙি ধৰিলে আমি ৰাইজৰ আগত আৰু বেছিকৈ স্পষ্ট হম।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী মহোদয়।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই কেইবাটাও প্ৰশ্ন ইয়াতে কৰিছে, ইয়াৰ ভিতৰত মই দুই এটা উত্তৰ দিব খুজিছো, এটা প্ৰশ্ন আহিছে যে অসম আৰক্ষীৰ কিমান থানা ভাড়া ঘৰত চলি আছে, আমি ইতিমধ্যে উত্তৰটো দিছোঁ যে অসম আৰক্ষীৰ ৯ খন আৰক্ষীথানা ভাড়া ঘৰত চলি আছে। তাৰোপৰি ১৮ খন আৰক্ষী চকী ৫ টা পেট্ৰ'ল পোষ্ট আৰু এটা পুলিচ হেডপোষ্ট ভাড়া ঘৰত চলি আছে। অধ্যক্ষ মহোদয়, এইবাৰ আমি সিদ্ধান্ত লৈছো যে মৈত্ৰী আঁচনিৰ অধিনত আমি গোটেইবিলাক থানা একেলগে হাতত লম আৰু গোটেইকেইখন থানাক যাতে আমি আধুনিকৰণ কৰিব পাৰো সেই প্ৰচেষ্টা এটা আমাৰ চলিছে। দ্বিতীয়তে থানা নিৰ্মাণৰ লগে লগে প্ৰত্যেক খন থানাৰ অ চি কে এখনকৈ গাড়ী দিয়াৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। য'ত গাড়ী নচলে তেনেকুৱা ঠাইত মটৰ চাইকেল দিয়া হ'ব। নদী আৰক্ষী থানা সমূহ সিমান্ত শাখাৰ পৰিবৰ্তে আমি ডি এফ ৰ অধীনত আনিবলৈ যত্ন কৰিছোঁ অৰ্থাৎ আৰক্ষী অধীক্ষকৰ অধীনত আহিব। এতিয়া নদী শাখা বুলি বেলেগ নাথাকিব Under an one SP there will be river police. অধ্যক্ষ মহোদয়, ইয়াৰোপৰিও আমি অ চি সকলক বছৰত এটা টকা দিব খুজিছোঁ যাতে তেখেত সকলৰ যিবিলাক কেতিয়াবা পোষ্টমৰ্টেম কৰাব লাগে, কেতিয়াবা কয়দীক থানাত ৰাখিব লাগে, কেতিয়াবা লৈ আহিব লাগে খোৱা লোৱা টেলিফোনৰ বিল এই গোটেইবিলাকৰ কাৰণে আমি বছৰত তেওঁলোকক ৩ লাখকৈ টকা দিব খুজিছোঁ। তাৰোপৰি গোটেইখিনি কাম যাতে কম্পিউটাৰত হয় তাৰ বাবে আমি তেওঁলোকক কম্পিউটাৰ দিয়াৰ ব্যৱস্থা কৰিছোঁ। জনসাধৰণৰ সেৱাৰ ফালৰ পৰা ৩ টা আমি দুই এদিনতে আমাৰ নটিফিকেচন ওলাব কালি আমি অ চি সকলৰ লগত দিয়া Minutes আমি চহী কৰিছোঁ। যদি এজন মানুহৰ মৃত্যু হয় মটৰ দুৰ্ঘটনাত তেতিয়া অ চি য়ে নিৰ্ধাৰিত কিমান দিনৰ ভিতৰত ৰিপোৰ্টো নিজে নিজে দিব লাগিব, পাচপোৰ্টৰ ওপৰত যদি আবেদন হয় তেতিয়াহলে পাচপোৰ্টখনৰ ৰিপ্লাইৰ কাৰণে আমি কিমান দিনৰ ভিতৰত পুলিচ ভেৰিফিকেচন দিব লাগিব, কোনোবা এজন ল'ৰাই যদি চাকৰি পাই চাকৰি পোৱাৰ কাৰণে পুলিচ ভেৰিফিকেচন হ'লে কিমান দিনত দিব লাগিব, অৰ্থাৎ সবৰে এটা নিৰ্দিষ্ট দিন বান্ধি দিয়া হ'ব, তাতকৈ ওপৰলৈকে যাতে যাব নোৱাৰে। অৰ্থাৎ আমি যদি কওঁ police verification will be completed within 10 days. আমি যিটো দিন ধৰি দিম সেই

দিনতে পুলিচ ভেৰিফিকেচন সম্পূৰ্ণ হ'ব লাগিব আৰু থানাৰ অ'চি য়ে ফোন কৰিব যে আপোনাৰ ভেৰিফিকেচন আমি পঠাই দিছোঁ। ঠিক সেইধৰণে আমি অ'চি কনফাৰেন্সত আমি নিয়ম বনাই লৈছো, যোৱা কালি Minutes খনত চহী কৰা হৈছে। এতিয়া আমি নটিফিকেচন বিলাক উলিয়াম। অধ্যক্ষ মহোদয়, ইয়াৰ লগত আৰু এটা প্ৰশ্ন আহিছিল যে অসম আৰক্ষীত কিমান পোষ্ট খালী আছে? আমি ইতিমধ্যে উত্তৰ দিছো যে অসম আৰক্ষীত আজিৰ দিনত আমাৰ ১৫৩১০ টা পদ খালী আছে। বাজেট বক্তৃতাত আমি কৈছো যে এই ১৫৩১০ টা পদ আমি খুব সোনকালে পূৰণ কৰিম। কভিড-১৯ ৰ কাৰণে পৰীক্ষা পতাত অসুবিধা হৈছে, অন্যহাতে আমি সাজু আছোঁ। ইয়াপোপৰিও আমি ১০ টা কামাণ্ডো বেটেলিয়ান বনাব গৈ আছো। তাৰ কাৰণে আমি মাটিবাৰী চাই আছো, প্ৰচেষ্টা আৰম্ভ হৈছে। এই কামাণ্ডো বেটেলিয়ান কেইটা হোৱাৰ লগে লগে প্ৰায় ১২ হাজাৰ অসম পুলিচত অতিৰিক্ত manpower আহিব। ইয়াৰ উপৰত আৰু এটা অকমান mid-term কাৰ্য্যসূচী লৈছো, সেইটো হৈছে investigation আৰু আইন শৃংখলা বিভাগ দু টা সলনি কৰাৰ কাৰণে। কাৰণ আন এটা প্ৰশ্নৰ উত্তৰত আপোনাক দিছোঁ, যে প্ৰায় এক লাখ গোচৰ নিস্পত্তি নোহোৱাকৈ আছে আৰু তাৰে ৪৭০৪ টা গোচৰ ১০ বছৰ পুৰণি। আমি তদন্ত কৰাৰ কাৰণে উপ পৰিদৰ্শকৰ পৰা আৰম্ভ কৰি বিষয়া সকল বেলেগ কৰি আমি পোষ্ট ক্ৰিয়েট কৰিম, যাতে তেওঁলোক আইন শৃংখলা বিভাগৰ লগত নাথাকে। ইয়াৰোপৰিও আমি পৰৱৰ্তী দুই তিনি মাহৰ ভিতৰত যিমানখিনি কৰ্মৰত এচ আই চাকৰিৰ পৰা নিৱিটি পাইছে, কিন্তু তেওঁলোক কাৰ্য্যক্ষম হৈ আছে তেওঁলোকক আমি চাকৰিত উভতাই আনিব খুজিছোঁ। যাতে তেওঁলোকে pending chargsheet বিলাক সম্পূৰ্ণ কৰি দিয়ে। আজি যেতিয়া মই এক লাখ গোচৰৰ কথা কৈছো এই এক লাখ গোচৰত এনেকুৱা গোচৰ বহুত হ'ব যে কেৱল ১৪৪ ধাৰা ভংগ কৰাৰে হয়তো গোচৰ পৰি আছে নিষ্পত্তি কৰি দিয়া হোৱা নাই। গতিকে আমি সেই planning টো লৈছো যাতে গোটেই গোচৰ বিলাক আমি নিষ্পত্তি কৰিব পাৰো। ইয়াৰোপৰিও আধুনিকৰণৰ দিশত আমাৰ টেকন'লজি যিটো cyber dome ব্যৱস্থা, চোচিয়েল নেটৱৰ্কক পৰ্য্যবেক্ষণ কৰা প্ৰৰোচনামূলক কথা হলে সোনকালে cyber dome ৰ জৰিয়তে চিনাক্তকৰণ কৰা আৰু সেই ব্যক্তিজনক মাতি আনি লগে লগে পোষ্টটো দিলিট কৰিববলৈ পৰামৰ্শ দিয়া বা তেওঁৰ গোটেই ঘটনাৰ implication টো বুজাই দিয়া cyber dome আমাৰ activity এটাও চলি আছে আৰু এই cyber dome ৰ ফলত আমি অসমত বহুত সৰু সৰু ঘটনা, যেনে গাঁৱৰ কোনোৱা এটা ল'ৰাই পোষ্ট দি দিয়ে, নাভাবাকৈ তাৰ পৰা কমিনিয়েল টেনচন হ'ব পাৰে, আন হ'ব পাৰে। এই গোটেই ঘটনাবোৰ এতিয়া ২৪ ঘন্টাই পৰ্য্যবেক্ষণ কৰো। তাক আমি লগে লগে ডিলিট কৰাবৰ কাৰণে অনুৰোধ কৰো বা আইন সন্মত আমি ব্যৱস্থা লওঁ, cyber dome ৰ কাম এটা খুব ধুনীয়াকৈ চলি আছে। ইয়াৰোপৰিও অসম আৰক্ষীত আমি আন কিছুমান অধুনিক গেজেট যাতে কোনোবা মিলিটেন্টৰ মোহমেন্ট হ'লে আমি জানিব পাৰো তেনেকুৱা ধৰণৰ প্ৰস্তাৱো এইবাৰ বাজেটত ৰখা হৈছে। সিমান্ত অঞ্চলত দ্ৰোণৰ ব্যৱহাৰৰ বাবে আমি সিদ্ধান্ত লৈছো। আমাৰ টিম এটা কেইদিনমানতে দিল্লীত যাব, দ্ৰোণ ব্যৱহাৰ কৰি, আমাৰ ধৰি লওঁক ওচৰৰ সিমান্ত অঞ্চলবিলাকত যিবিলাক no mans land ধৰণৰ হৈ থাকে পাহাৰ হৈ থাকে, আমি তাৰ ভিৰতৰ খৰৰ নাপাও কাজিৰঙাৰ খৰৰ, খুব হাই পাৱাৰ দ্ৰোণ ব্যৱহাৰ কৰাৰ কাৰণেও অসম আৰক্ষীয়ে আমাৰ সিদ্ধান্ত লোৱা হৈছে। অধ্যক্ষ মহোদয়, মই ভাৱো যে যোৱা কিছুদিনত আমি যি ধৰণৰ আধুনিকীকৰণেই হওক নিৰ্মাণেই হওক যি ব্যৱস্থা হাতত লৈছো ই বহুতখিনি আমাক ৰিজাল্ট দিব আৰু ফাইনেলি আমি এটা সিদ্ধান্ত লৈছো

যে পুলিচৰ housing satisfaction, আজি পুলিচৰ ক্ষেত্ৰত নেচ্‌নেল চেটিচফেকচন ৩৫ ৰ পৰা ৪০ শতাংশ। তাৰমানে মানুহৰ ইমান কোৱাৰ্টাৰ আছে। আমাৰ housing satisfaction অত্যান্ত কম। ১৫ ৰ পৰা ১৬ শতাংশ। অৰ্থাৎ কনিষ্টবল, বেটেলীয়ানৰ ল'ৰা বা কাৰোৰে কোৱাৰ্টাৰ নাই। হাউচিংত তেওঁলোক থাকিব নোৱাৰে। আমি পৰ্য্যাক্ৰমে housing satisfaction ও national level ত লৈ যাবলৈ প্ৰচেষ্টা চলাইছোঁ, যাতে সমষ্ট অসম আৰক্ষীক আধুনিকৰণ কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তেখেতৰ সদইচ্ছাৰ উত্তৰৰ কাৰণে তেখেতক ধন্যবাদ জনাইছোঁ আৰু আশা কৰিছোঁ শিপ্ৰতাৰে যাতে কামখিনি আগবাঢ়ি যায় আৰু আমাৰ শুভেচ্ছা সদায় লগত থাকিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই এই সুযোগতে দুটামান কথা কবলৈ বিচাৰিছোঁ। মুখ্যমন্ত্ৰী মহোদয় নিশ্চয় জ্ঞাত ভালকৈ ছয়গাও এখন পুচিল থানা আছে আৰু বহুত ডাঙৰ এৰিয়া এটা ছয়গাঁৱে কভাৰ কৰে। ছয়গাঁওৰ পৰা আগবাঢ়ি গৰৈমাৰী আৰু জুৰশিমলী ছয়াগাঁৰৰ আন্দাৰত আছে। মুখ্যমন্ত্ৰী মহোদয়, এই ছয়গাঁও থানা খনে গৰৈমাৰীত বিশেষ কিছু বিষয় লৈ বহুত বেছি ব্যস্ত থাকিব লগা হয়। যাৰকাৰণে যথেষ্ট বেছি প্ৰেচাৰ ছয়গাঁও থানাৰ ওপৰত পৰে। সেই কাৰণে ছয়াগাঁও থানাৰ ভাৰপ্ৰাপ্ত উপ পৰিদৰ্শক  আছে তাৰ ঠাইত  মই অনুৰোধ জনাইছো যাতে ইন্‌চপেক্টৰ অ চি কৰি দি আৰু গৰৈমাৰী থানা খনক চেপেৰেট কৰি ইনডিপেন্‌ডেন্ট কৰি দিয়া যায়, কাৰণ বহু মেটাৰ এনেকুৱা থাকে ছয়গাঁওৰ অ চি জন প্ৰায় গোটেই ৰাতি কেতিয়াবা গৰৈমাৰীতে থাকিব লগা হয়। গোটেই ৰাতি টোপনি মাৰিব নাপায়। লগেত মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ লগত আৰু এটা অনুৰোধ আছে, উকিয়াম বুলি পিকনিক ঠাই আছে সকলোৰে জানে। এই ঠাইখিনি ড্ৰীম, ড্ৰীল আৰু ড্ৰীমা এই তিনিখন নদীৰ সংগ্ৰাম স্থলী। তাত মেঘালয়ৰ দুখন জিলা আৰু কামৰূপ জিলাৰ সংগম স্থলী। মাননীয় মূখ্যমন্ত্ৰী মহোদয় জ্ঞাত যে তাত পিকনিকৰ ভাল পৰিবেশ থকাৰ সময়ত কমেও একহাজাৰলৈকে গাড়ী তালৈকে যায়। তাত এখন BOP স্থাপন কৰা হৈছে, সেইখন বকো থানাৰ পৰা control হয়। বকো থানাৰ পৰা উকিয়ামলৈ ২৭ কিলোমিটাৰ হয়। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে তাতো পৰ্যবেক্ষণ কৰি যদি কিবা এটা ব্যৱস্থা লয় আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে আমি কিছু থানা নতুনকৈ নিৰ্মাণ কৰিম। OP বিলাককো থানালৈকে উন্নীতকৰণ কৰিম। আমাৰ বিধায়কসকলে আৰক্ষী সঞ্চালক প্ৰধানক ইয়াৰ পৰামৰ্শবিলাক দিয়ক, কিন্তু আমাৰ গোটেই কথাটো হ'ল সকলোতে physically গৈ পুলিচি কৰাতকৈ আমি technology ব্যৱহাৰ কৰি কাম কৰিব পাৰিলে বেছি ভাল হ'ব। কিন্তু ছয়গাওঁ গৰৈমাৰী সমস্যাটো যথেষ্ট genuine, এই বিষয়তো মই আৰক্ষী সঞ্চালায়ক প্ৰধান মহোদয়ক ক'ম, তেওঁ বিচাৰ বিবেচনা কৰি ল'ব আৰু আন বিধায়ক সকলৰো যি genuine প্ৰস্তাৱ আছে, তেওঁলোকে আৰক্ষী সঞ্চালক প্ৰধান মহোদয়ক দিব পাৰে, আমি গোটেইখিনি বিচাৰ বিবেচনা কৰিম।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উকিয়ামৰ বিষয়তো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উকিয়ামৰ বিষয়তো কামৰূপ জিলাৰ SP ক অৱগত কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো।

**শ্ৰীদূৰ্গা দাস বড়ো (কলাইগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মূখ্যমন্ত্ৰী মহোদয় নিশ্চয় ধন্যবাদৰ পাত্ৰ আধুনীকৰণৰ ক্ষেত্ৰত। কিন্তু লগতে যিবিলাক Sub-division নতুনকৈ হৈছে, সেই Sub-division বিলাকত specially যিহেতু মহকুমালৈ উন্নত হ'ল, তাত out post যদি আছিল থানালৈ উন্নীত কৰাতো বিভাগৰ দায়িত্ব হ'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টি, ভেৰগাওঁ তাত মহকুমা হ'বলৈ আজি প্ৰায় **১০, ১৫** বছৰ হ'ল, কিন্তু তাত থানা নহ'ল।

দ্বিতীয়তে- মোৰ সমষ্টি কলাইগাঁৱত নামখোলা PP post আছে, এইটো Out Post লৈকে উন্নীত কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষঃ** মূখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই কেইটা মহকুমাৰ সদৰ স্থানত যাতে একোখনলৈ থানা হয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিম, সদনত আজিয়ে এইটো প্ৰতিশ্ৰুতি দিছো। Sub-division Out Post থকাৰ পিছত তাত থানা এখন নাথাকিলে, সেইটো ময়ো নাজানিছিলো, আচলতে হ'ব নালাগিছিল। গতিকে আজি কালিৰ ভিতৰতে ইয়াৰে এটা proposal লৈ আহক, দুই মাহৰ ভিতৰতে এইটো clear কৰি দিম।

ইয়াৰ উপৰিও মাননীয় সদস্য গৰাকীয়ে আন যিটো প্ৰস্তাৱ দিছে, মই আকৌ এবাৰ অনুৰোধ কৰিম আপুনি যাতে আৰক্ষী সঞ্চালক প্ৰধান মহোদয়ক এখন লিখিতি ভাৱে পঠাই দিলে হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নিজাম উদ্দিন আহমেদ।

**শ্ৰীনিজাম উদ্দিন আহমেদ (আলগাপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰক্ষী বিভাগতো গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগতো আমাৰ মূখ্যমন্ত্ৰী মহোদয়ে নিজে চাই। মোৰ সমষ্টিত দুখন থানা আলগাপুৰ আৰু পাঁচগ্ৰাম থানা আছে, দুয়োখন থানাৰে বিল্ডিং নাই আৰু OC ৰ quarter ও নাই। সেই quarter বিলাক যদি থানাৰ ওচৰত থাকে, তেতিয়া আমাৰ law and order ৰ problem solve হয়। এটা কথা হ'ল প্ৰত্যেকখন থানাত জেনেৰেটৰ ব্যৱস্থা কৰি দিব লাগে লগতে পৰ্য্যাপ্ত পানীৰো ব্যৱস্থা কৰি দিব লাগে। পাঁচগ্ৰাম থানাত আমি দিছো কিন্তু সেইটো পৰ্য্যাপ্ত হোৱা নাই। যিহেতু তেওঁলোকে **২৪** ঘন্টা duty কৰে, তেওঁলোকৰ কথাটো অলপ চাব লাগে। মই আপোনাৰ জৰিয়তে মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, থানা বিলাকৰ কাৰণে এইবাৰ এটাকৈ জেনেৰেটৰ কিনাৰ বাবে বাজেটত প্ৰস্তাৱ ৰখা হৈছে আৰু এই বছৰৰ শেষলৈকে OC বিলাকে এখন গাড়ী পাব, জেনেৰেটৰ পাব, computer পাব আৰু গোটেই থানা কেইখন মৈত্ৰী আচঁনিত বনাম। OP লৈকে এতিয়া আমি আহিব নোৱাৰো। কিন্তু থানা এশ শতাংশই হ'বই বিধান সভাৰ পিছতে মৈত্ৰী সমিতিৰ মিটিং হ'ব আৰু গোটেই কেইখন থানা মঞ্জুৰ কৰি দিম। মোৰ অনুৰোধ যাতে মাটি বাৰীখিনি আপোনালোকে চাই দিয়ে।

দ্বিতীয়তে আমাৰ মৈত্ৰী আঁচনিৰ ভৱন বিলাক নিৰ্মাণ কৰোতে আচলতে এজন OC আৰু তিনিজন SI থাকিব পৰা residential quarter বনাব লাগিছিল, তেওঁলোকে এইটো মিছ কৰিছে। এতিয়া আমি কৈছো এই বিষয়তো চাব লাগে কাৰণ OC আৰু SI থানাত থাকিলে, তেওঁলোকৰ কাৰণেও সুবিধা আৰু ৰাইজৰ কাৰণেও সুবিধা। সেই বিষয়তো মাটি সাপেক্ষে নতুনকৈ হাতত ল'বৰ কাৰণে চিন্তা কৰিছো। মই ভাবো এইটো ক্ষেত্ৰত আমি পাৰিম। যোৱা কেইদিনমান আগতে OC সকলৰ মিটিঙত কৈছো যে আমাৰ থানাত কিছুমান সৰু সৰু অসুবিধা থাকে, বহুত

সময়ত ইয়াৰ পৰা চোৰাতো সম্ভৱ নহয়। OC সকলক মই কৈছো যে আপোনালোকে approach কৰিব, এন ৰেগাই হওঁক, Finance Commission grant তে হওঁক বা MLA হওঁক, untied fund য়ে হওঁক, মৈত্ৰী থানা কেইখনৰ এতিয়া বহুত পূজিঁৰ প্ৰয়োজন নাই, কিন্তু OP আৰু petrol post কেইখনত যদি আপোনালোকে সহায় কৰি দিয়ে, তেতিয়া হ'লে ভাল হ'ব, যেতিয়ালৈকে আমি নতুন ঘৰ বনাব নোৱাৰো। থানাবিলাক আমি হাতত ল'ম। থানাৰ তলত বহুত কেইখন OP, PP থাকি গ'ল, তাতে যাতে আৰক্ষী লোকসকলক অলপ ভালকৈ থাকিব লাগে, তাৰ কাৰণে আপোনালোকে এটা ব্যৱস্থা হাতত ল'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমি CRPF ৰ লগতো কথা পাতিছো। আমাৰ CRPF ৰ জোৱান বিলাকে বিভিন্ন স্থানত খুব বেয়া অৱস্থাত থাকে। মই CRPF কৈছো যে আপোনালোকে list দিয়ক, আমি DC সকলক কৈ মাটি allot কৰি দিম, তেওঁলোকে নিজে এটা center বনাই ল'ব আৰু তেওঁলোকে center বনোৱা মানে কাষত সৰু চহৰৰ দৰে হৈ যায়। গতিকে এটা অৰ্ধসামাৰিক বাহিনীৰ লগতো তেনেকুৱা process এটা চলাই আছে। মই ভাবো যে এটা দুটা বছৰৰ ভিতৰত এই গোটেই ব্যৱস্থাটোৰ এটা ভাল পৰিৱৰ্তন এটা দেখা যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী গনেশ লিম্বু।

**শ্ৰীগণেশ কুমাৰ লিম্বু (বৰছলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বৰছলা থানখনৰ আশে-পাশে ওৰাং অভয়াৰণ্য আৰু বিস্তৃৰ্ণ চৰ অঞ্চল আছে। ইয়াৰ বাবে বাৰে বাৰে বিভিন্ন সময়ত বৰছলা থানাখনক পূণাঙ্গ থানালৈ ৰূপান্তৰ কৰাৰ প্ৰস্তাৱ আমাৰ ফালৰ পৰা পঠোৱা হৈছে। মই আপোনাৰ জৰিয়তে মূখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই থানাখন পূণাঙ্গ কৰাৰ ব্যৱস্থা লোৱা হৈছে নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বাজেটত কোৱাৰ দৰে ওৰাং অভয়াৰণ্যখন এইবাৰ সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত লৈছো। কাৰণ বহুত জন্তু-জানোৱাৰ তেওঁলোকে আৰু অলপ ঠাই পালে বিচৰণ কৰিবলৈ সুবিধা পাব। গতিকে ওৰাং অভয়াৰণ্যখন ধনশিৰী নদীৰ ফালে সম্প্ৰসাৰণ কৰাৰ বাবে সিদ্ধান্ত লৈছো। যেতিয়া এখন ডাঙৰ অভয়াৰণ্য হ'ব, তাতে থানা আদিৰো প্ৰয়োজন থাকিব। আপুনি আৰক্ষী সঞ্চালয়ক প্ৰধানক বিষয়টো জনাব, তেখেতে নিশ্চয় পৰীক্ষা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং **১০৫**। মাননীয় সদস্য শ্ৰীদূৰ্গা দাস বড়ো।

**শ্ৰীবিমল বৰা (ক্ৰীড়া মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীদূৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খেল' ইন্দিয়া হৈ গ'ল ইয়াত আৰু দিন তিনিদিন পিছত অলিম্পিক হ'ব আপোনালোকে সকলোৱে জানে। ক্ৰীড়ামন্ত্ৰী মহোদয়ে যিটো তথ্য ইয়াত দাঙি ধৰিছে যদিও elaborately দিয়া নাই, তথাপিও তেখেতে ইয়াত এটা হিচাপ দাঙি ধৰিছে। মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়া আৰু ক্ৰীড়ামন্ত্ৰী ডাঙৰীয়া দুয়োজনকে অনুৰোধ থাকিব যে আটাইতকৈ বেছি গ'ল্ড মেডেল মোৰ event তে আনিছিল যোৱা খেলুৱে ইন্দিয়াত, **৭** টা গ'ল্ড, এটা ছিলভাৰ আৰু তিনিটা ব্ৰঞ্জ আনিবলৈ সক্ষম হৈছিল আৰু সেইকাৰণে অসমৰ স্থান বহুত ওপৰলৈ আনিবলৈ সক্ষম হৈছিল। এতিয়া মোৰ প্ৰশ্ন হৈছে যে ক্ৰীড়ামন্ত্ৰী মহোদয়, আপোনালোকে দেখিছে বহু খেলুৱৈ National & International খেলিও, এতিয়া তেওঁলোকে বিভিন্ন ধৰণৰ সৰু সুৰা ব্যৱসায় কৰিছে, বহু বেয়া অৱস্থাত হাজিৰা কাম কৰি আছে বা ঠেলা চলাইছে। কিন্তু যিখিনি হুgenuine player কোনোবাই World Championship জিকিছে, Asian

Championship জিকিছে, Commanwealth Championship জিকিছে, এনেকুৱা ধৰণৰ খেলুৱৈ বহুতে বঞ্চিত হৈ আছে। মই এটা অনুৰোধ কৰিব খুজিছো এক লাখ চাকৰীৰ কিন্তু যিখিনি জেনুইন প্লেয়াৰ ,কোনোবাই ৱৰ্ল্ড চেম্পিয়ন শ্বিপ জিকিছে বা এছিয়ান চেম্পিয়নশ্বিপ, commonwealth championshipত জিকিছে , এনেকুৱা ধৰণৰ খেলুৱৈ বিলাকেও বহুত বঞ্চিত হৈ আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে এক লাখ চাকৰি দিব। ৩.২২ পাৰচেন্ট যদিও ৰিজাৰভেচন কৰি দিব নোৱাৰে। ৰিজাৰভেশ্যন এক্ট মতে, ৩.২৪ পাৰচেন্ট যিখিনি খেলুৱৈ ইন্টাৰনেশ্যনেল, অলিম্পিক, এছিয়ান গেমচ্ আৰু কমনৱেল্‌থ এই চাৰিটা পদক প্ৰাপ্ত তেওঁলোকৰ মাজৰ পৰা আনি চৰকাৰী চাকৰি দিব নাৱাৰে নেকি ? লগতে ফেঞ্চিঙৰ কবিতা দেৱীয়ে তিনি- চাৰিবাৰ ৱৰ্ল্ড চেম্পিয়নশ্বিপ খেলিছে, নেচনেল চেম্পিয়নশ্বিপ হৈছে লগতে গোল্ড মেডেলিষ্ট। মই অনুৰোধ কৰিম মাননীয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই ঘোষণা কৰিছিল, ক্ৰীড়া মন্ত্ৰীয়েও ঘোষণা কৰিছিল যে শিলচৰৰ ছোৱালী কবিতা দেৱীক এটা চাকৰি দিবৰ কাৰণে। গতিকে এতিয়াও কবিতা দেৱীয়ে খেলি আছে, এইবাৰ প্ৰথম বাৰৰ কাৰণে ফেঞ্চিং কোৱালিফাই হৈছে অলিম্পিকত এইবাৰ। মই অনুৰোধ কৰিম যে কবিতা দেৱীৰ কথাটো বিবেচনা কৰিব নেকি ?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত আমি দেখা পাওঁ যে বহুবিলাক নেচনেলত প্ৰাইজ পোৱা খেলুৱৈয়ে বৰ্তমান আৰ্থিক দৈন্যতাত ভুগিছে আৰু এই ধৰণৰ বাতৰি কাকতত ওলায় আৰু আমি য'ত যি কৰিব পাৰো আমি সহায় কৰো। কিন্তু বহুতবিলাক হয়তো বাদ পৰি যায়। প্ৰথম কথা হ'ল যে, এইবাৰ মই ক্ৰীড়া মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে বয়স যিয়েই নহওঁক কিয় নেচনেল যিসকলে আগতে পদক পালে ক'ম'ন ৱেল্‌থ, এছিয়ান গেমচ্ এইবোৰটো আছেই , নেচনেলটো যিকোনো বিভাগত যিধৰণে পদক পাইছে, তেওঁলোকক ক্ৰীড়া পেঞ্চন দি দিব লাগে, যাতে অন্ততঃ মাহত তেওঁলোকে কিবা এটা পুঁজি পাই থাকে। আজিৰ পৰা পিছত যিমান খেলুৱৈয়ে অলিম্পিক ৰিক'গনাইজ নেচনেলত, ব্ৰঞ্জ, চিলভাৰ আৰু গোল্ড পদক পায় তেওঁলোকক আমি এটা চাকৰি দি দিম। আমাৰ ইমান চাকৰি ওলাই থাকে তাৰ পৰা তেওঁলোকক কেইটামান চাকৰি দিয়াত সদনতো কাৰো আপত্তি নাই আৰু সমাজৰো আপত্তি নাই আৰু ই আমাৰ ক্ৰীড়াৰ এটা বাতাবৰণ এটা নিৰ্মাণ কৰিব। গতিকে according to the qulification, কিন্তু আগৰ stock টো আমি ল'ব নোৱাৰো। আগতে যি হৈ গ'ল হৈ গ'ল। আগৰ খেলুৱৈ খিনিক আমি sprots pension এইবাৰ দি দিম আৰু এই sprots pension টো পালে কিবা নহয় কিবা কৰি চলি থাকিব পাৰিব। বৰ্তমান ৮ হাজাৰ টকাকে পেনচন পাই আছে যদিও, এইটো আমি প্ৰয়োজন অনুসৰি ১০ হাজাৰ কৰি দিম। দুৰ্গা দাস বড়ো যিহেতু অলিম্পিক আন্দোলনৰ লগত জড়িত, গতিকে আপোনালোকে মোক এখন লিষ্ট দিয়ক যে অলিম্পিক ৰিক'গনাইজ গেমচ্‌ত নেচনেলৰ আগতে পদক পোৱা কিমানজনে ক্ৰীড়া পেঞ্চন পোৱা নাই। যদি সেই লিষ্টখন ১০০০ৰো হয় ,সেইখিনি মই একেলগে ক্লিয়াৰ কৰি দিম। যিমানখিনিয়ে নেচনেলচত পাইছে,কোনোবাই ফেঞ্চিঙত পাইছে, কোনোবাই হেণ্ডব'লত পাইছে but they must own a medal সেইবোৰ ব্ৰঞ্জৰেই হওঁক বা চিলভাৰেই হওঁক বা গোল্ডৰেই হওঁক সকলোখিনি মই ক্লিয়েৰ কৰি দিম। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অহাবাৰ নেচনেল গেমচ্ হ'ব পাৰে শ্বিলঙত বা গোৱাত । নেচনেল গেমচ্‌ত অসমৰ হৈ যিমানেই পদক পায়, অলিম্পিকত পদক পোৱা, এছিয়ান গেমচ্‌ত পদক পোৱা আৰু কমনৱেল্‌থত পদক পোৱা এই তিনিটা কেটেগ'ৰিয়ে ডাইৰেক্ট পাবই। ইয়াৰ উপৰিও নেচনেল গেমচ্‌ত যি সকলে অসমৰ হৈ পদক জিকিব আমি তেওঁলোকক একোটাকৈ চাকৰি দিয়াৰ দায়িত্ব

লৈছো। মোৰ এই প্ৰতিশ্ৰুতিটো আপোনালোকে নোট কৰি লব।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মই অসম চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে অসম চৰকাৰৰ এটা সিদ্ধান্ত আছিল যে প্ৰত্যেকখন জিলাৰ হেড্‌কোৱাৰ্টাৰত আপোনালোকে আধুনিক ক্ৰীড়া আন্তঃগাঁথনিৰ কথা উল্লেখ কৰিছে। সেইটো সমগ্ৰ অসমৰ যুৱ সমাজৰ কাৰণে কৰিছে চাৰ। আপোনালোকে at least যিখিনি অভিজ্ঞতা থকা মানুহ আছে, ex-player হ'ব পাৰে, International Player হ'ব পাৰে, organiser হ'ব পাৰে, আপোনালোকে তেওঁলোকক মাতি potential হিচাপে আন্তঃগাঁথনি কৰা উচিত। যত ধৰক আৰ্চাৰিৰ potentiality আছে, ফুটবলৰ আছে, হ'কিৰ আছে, বক্সিঙৰ আছে, আপোনালোকে যদি সেই জিলা সমূহক potential হিচাপে চিনাক্ত কৰি লয়, আপোনালোকে বনাই আছে, তাৰোপৰি মই জানো মই দেখিছো খেল বিভাগৰ তালিকাত লগাতকৈ বেছি ষ্টেডিয়াম, ক'ৰবাত তিনিকোটি, কৰবাত ১০ কোটি , কোনোবাই চিগ্‌নেচাৰ প্ৰজেক্টত, কোনোবাই খেলো ইণ্ডিয়াৰ ৩ কোটি টকা পায় অজস্ৰ ইনফ্ৰাষ্ট্ৰাকচাৰ আহিছে । গতিকে ক্ৰীড়ামন্ত্ৰী ডাঙৰীয়াক আজি মই এই প্ৰশ্নটোৰ জৰিয়তে অনুৰোধ কৰিছো যে আপুনি আইডেন্টিফাই কৰক, আইডেন্টিফাই কৰি ক'ত ক'ত কি গেমৰ ইনফ্ৰাষ্ট্ৰাকচাৰ কৰি আছে আপোনালোকে সেই জিলাসমূহক এডভাইচ কৰিলে আপোনালোকৰ ভাল খেলুৱৈ উলিওৱাত সহায় হ'ব, কৰিব নেকি?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মই বঢ়মপুৰলৈ গৈছিলো। আমি এখন ষ্টেডিয়াম বনাবৰ কাৰণে পুঁজি দিছিলো কিন্তু ষ্টেডিয়ামখন অৰ্ধনিৰ্মিত হৈ আছে। যোৱা বছৰ আমি ৫২খন ষ্টেডিয়াম চিগ্‌নেচাৰ প্ৰজেক্টত দিছিলো দহ কোটিকৈ যে ষ্টেডিয়ামবিলাক নিৰ্মাণ কৰক। কিন্তু প্ৰায়বোৰ ষ্টেডিয়ামৰে নিৰ্মাণ দুই, তিনি, চাৰি কোটি টকাত আছে। মই বিচাৰো যে এই ষ্টেডিয়ামখিনিৰ নিৰ্মাণ শীৰ্ষক বিধায়ক সকলে ঠিকাদাৰ সকলৰ লগটো কথা পাতক কাৰ ক'ত কি অসুবিধা আছে, গোটেইখিনি সমাহিত কৰি যি অসুবিধা আছে মই এবাৰতে ক্লিয়েৰ কৰি দিম। আমাৰ এই ৫২খন ষ্টেডিয়াম যদি সঁচা অৰ্থত নিৰ্মাণ হৈ উঠে দেখিবৰ কাৰণে বহুতখিনি ধুনীয়া লাগিব। দ্বিতীয়তে, মই বাকী যি সকল বিধায়ক আছে ,যি সকলে সেই সময়ত ৰাস্তা দিলে ষ্টেডিয়াম নিদিলে, তেওঁলোককো মই অনুৰোধ কৰিম যে আপোনালোকে লেণ্ড ফিলআপ নকৰা অৰ্থাৎ মাটি পুতিব গ'লে আৰু ষ্টেডিয়াম নহ'বগৈ। যাৰ সমষ্টিত ভাল মাটি আছে য'ত আমি নতুনকৈ ষ্টেডিয়াম নিৰ্মাণ কৰিব পাৰো অলিম্পিক চাইজত, তাৰে লিষ্ট এখন আপোনালোকে বিমল বৰাৰ হাতত দি দিয়ক।১২৬টা সমষ্টিতে এখন এখন ভাল অন্তঃত ষ্টেণ্ডাৰ্ড ষ্টেডিয়াম এখন হ'ব পাৰে। গতিকে যি কেইজন আমাৰ বিধায়কে আগতে চিগ্‌নেচাৰ স্কীমত ষ্টেডিয়াম লোৱা নাই, তেওঁলোকে এডিশ্যনেল চিগ্‌নেচাৰ স্কীম হিচাপে দি দিয়ক। কিন্তু এই বছৰত হ'ব বুলি মই নকও, এই পাঁচ বছৰত হ'ব। আমি প্ৰত্যেক বাজেটত ৫খন,১০খনকৈ লৈ লৈ আমি গৈ থাকিম। অধ্যক্ষ মহোদয়, তৃতীয়তে, আমাৰ আৰু এটা পৰিকল্পনা আছে যে ডিষ্ট্ৰিক্ট লেভেল স্পৰ্টচ কমপ্লেক্স। আজি নগাওঁত এখন ডাঙৰ ষ্টেডিয়াম আছে,যোৰহাটত ডাঙৰ ষ্টেডিয়াম আছে, লখিমপুৰত আমি এখন ষ্টেডিয়াম বনাই আছো, এখন ষ্টেডিয়াম আমি ডিব্ৰুগড়ত বনাই আছো। যিকেইখন জিলাত আমি ডাঙৰ ষ্টেডিয়াম বনাবপৰা নাই এতিয়াওঁ, তেনেকুৱা ডিষ্ট্ৰিক্ট স্পৰ্টচ কমপ্লেক্সৰ কাৰণেও আপোনালোকে ক্ৰীড়ামন্ত্ৰীক জনাই দিয়ক। ধৰক, এতিয়া বজালী নতুন জিলা হৈছে , তাত ডেফিনেটেলি নাই। আজি বহুতখিনি জিলাত,য'ত ডাঙৰ আমি ডিব্ৰুগড়ত বনাই আছো। যিকেইখন জিলাত আমি ডাঙৰ ষ্টেডিয়াম বনাবপৰা নাই এতিয়াওঁ, তেনেকুৱা ডিষ্ট্ৰিক্ট স্পৰ্টচ কমপ্লেক্সৰ কাৰণেও আপোনালোকে ক্ৰীড়ামন্ত্ৰীক

জনাই দিয়ক। ধৰক, এতিয়া বজালী নতুন জিলা হৈছে, তাত ডেফিনেটলি নাই। আজি বহুতখিনি জিলাত, য'ত ডাঙৰ ষ্টেডিয়াম বুলি কওঁতে যিটো বুজি পায় যে আমাৰ নগাওঁত ষ্টেডিয়াম আছে, যোৰহাটত আছে, তেজপুৰত আছে, ডিব্ৰুগড়ত আছে কিন্তু য'ত আমাৰ নাই সেই জিলাবিলাকৰ পৰাও আপোনালোকে এখন ডিষ্ট্ৰিক্ট লেভেল ষ্টেডিয়ামৰ কাৰণে আপোনালোকে প্ৰপ'জেল দিয়ক।

এতিয়া এই ধৰণৰ ষ্টেডিয়ামবিলাকৰ খৰচ ৫০ কোটি টকা মান আহে। আমাৰ অজন্তা নেওগ বাইদেউৰে তেখেতৰ কাৰ্য্যকালত যোৱা বাৰ গোলাঘাটত ভাল এখন ষ্টেডিয়াম বনাইছে। এনেকুৱা District Sports Complex এটাৰ কাৰণে আপোনালোকেও দিয়ক। যেনেকৈ বিশ্বনাথ চাৰিআলি নতুন জিলা হৈছে, আপোনালোকে দিয়ক আমি পৰ্য্যায়ক্ৰমে পাঁচ বছৰত এখন দুখনকৈ পৰ্য্যায়ক্ৰমে আগুৱাই লৈ গৈ থাকিম। যিহেতু এতিয়া সদনৰ এটা Advantage আছে যে আমি পাঁচ বছৰৰ কাৰণে আছো। গতিকে আজিয়েই ৰোড মেপখিনি বনাই ললে এইটো হৈ গ'ল। এইখিনি কৰাৰ পাছত যাৰ যাৰ সমষ্টিত ষ্টেডিয়াম হ'ল, আৰু যাৰ যাৰ হ'বগৈ তেওঁলোকে একোখন ভাল কমিটি form কৰক। তাতে যদি দুৰ্গা দাস বড়ো ডাঙৰীয়াই কোৱাৰ দৰে যে মোৰ সমষ্টিটোত মই ফুটবলত strong বনাম, মোৰ সমষ্টিটোত মই ভলীবলত strong বনাম, আমি Grant in aid এটা stadium committee ক দিয়াৰ ব্যৱস্থা কৰিম। আপোনালোকে একাডেমি এখন নিৰ্মাণ কৰিব পাৰে। বহুত বেছি আমি কৰিব নোৱাৰো, ১২৬ টা সমষ্টিত কোনোবাই ভলীবল লওঁক, কোনোবাই ফুটবল লওঁক। কোনোবাই ক্ৰিকেট লওঁক, আৰু বছৰত আমি যদি পাঁচ লাখ টকাও ষ্টেডিয়াম কমিটিক দিব পাৰো তেতিয়া বহুতখিনি আমাৰ আগুৱাই যাব। গতিকে আপোনালোকে প্ৰথম let us build the stadium, যাৰ হৈ গৈছে, কলিয়াবৰত প্ৰায় হোৱাৰ অৱস্থাত আছে। তাতে আমি পাঁচ লাখ টকা দি দিব পাৰিম। আপোনালোকে এটা discipline develop কৰক, হকী develop কৰক বা ফুটবল develop কৰক, বা ক্ৰিকেট develop কৰক। গতিকে এইখিনিক লৈ অহা দুই চাৰিদিনতে কেবিনেটত আজি মই কোৱা প্ৰশ্নৰ উত্তৰ গোটেইখিনি লৈ আমি detail কেবিনেট মেম'ৰেণ্ডাম আনিম। আপোনালোকে যদি মই কোৱাখিনি, আজি মই ফটক কৰি বড়ো ডাঙৰীয়াই প্ৰশ্নটো আনিব বুলি মই নাজানো, দেখি পাই ফট ক কৰি উঠিলো, কাৰণ নিজৰ নিজৰ বিভাগত ফাইল যায় মোৰ তাত নাহে। কিন্তু যদি ইয়াৰ ওপৰতো কিবা এডিশ্যন কৰিবলগীয়া আছে, আপোনালোকে পৰামৰ্শ দিব, যাতে comprehensive পলিচি এখন দুই চাৰিদিনত আমি অনুমোদন কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ-** শ্ৰী ফণীধৰ তালকদাৰ ।

**শ্ৰী ফণীধৰ তালকদাৰ (ভৱানীপুৰ ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেইখিনি কলেই, এতিয়া কথাটো হ'ল যোৱা বছৰেই আমাৰ বিধান সভাত এটা প্ৰস্তাৱ আছিল। প্ৰত্যেক চাব ডিভিজন, আৰু প্ৰত্যেক সমষ্টিতেই একোখনকৈ মিনি ষ্টেডিয়াম দিব, কিন্তু সেইখিনি হৈ নুঠিল আৰু অৱশেষত আজিৰ মুখ্যমন্ত্ৰী মহোদয়ে ২০১৭ চনতে, আমাৰ সমষ্টিত খৰ্গেশ্বৰ তালুকদাৰৰ নামত এখন মিনি ষ্টেডিয়াম হ'ব বুলি ঘোষণা কৰি আছিল । কিন্তু সেইটো আজিলৈকে হৈ নুঠিল এইখিনি কেতিয়া হৈ উঠিব, সেইখিনি মই আজি এই পবিত্ৰ সদনৰ জৰিয়তে ক্ৰীড়া মন্ত্ৰী মহোদয়ৰ পৰা সুধিব বিছাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** মাননীয় মন্ত্ৰী

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বিগত চৰকাৰৰ কাৰ্য্যকালত তেওঁৰ সমষ্টিত তেনেধৰণৰ ষ্টেডিয়াম নিৰ্মানৰ কথা আলোচনা হৈছিল। অসম আন্দোলনৰ **শ্বহীদ** খৰ্গেশ্বৰ তালুক

দাৰদেৰৰ সোঁৰৰণত নিৰ্মাণ কৰাৰ কথা আছে। ইতিমধ্যে আপুনি নিশ্চয় মোৰ লগত আলোচনা কৰিছে চাগে আগন্তুক দিনত আমি চৰকাৰৰ তৰফৰ পৰা উদ্যোগ গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ**- শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে মুখ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো, যে ক্ৰীড়াৰ ক্ষেত্ৰত তেখেতে যথেষ্ট ভূমিকা গ্ৰহণ কৰিছে। অলিম্পিকৰ সময়, আমাৰ সকলোৰে সৌভাগ্য যে অসমৰ গৌৰৱ সৰু পথাৰৰ জীয়ৰী লাভলীনা বৰগোঁহাই এইবাৰ অলিম্পিক খেলিবলৈ গৈছে, আমাৰ চৰকাৰৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে লাভলীনা বৰগোঁহাইক সাত লাখ টকাৰ অনুদানো দিছে। মই এই সদনৰ জৰিয়তে এটা অনুৰোধ জনাব বিচাৰো, যিহেতু প্ৰচুৰ সম্ভাৱনাৰ পাত্ৰী লাভলীনা বৰগোঁহাই অলিম্পিক খেলিবলৈ গৈছে। তেওঁক অনুপ্ৰানিত কৰিবৰ বাবে আমি আজি সদনে তেওঁৰ কাৰণে বিশেষ উৎসাহমুলক বক্তব্য যাতে আগবঢ়াব পাৰো আৰু মুখ্যমন্ত্ৰী মহোদয়কো অনুৰোধ জনাওঁ, এই কেইটা দিন, তিনি চাৰিটা দিন আছে, অহা ত্ৰিশ তাৰিখে লাভলীনা বৰগোঁহাইৰ খেল আছে। আমি যাতে এটা কেম্পেইন আৰম্ভ কৰো যিটো কেম্পেইনৰ জৰিয়তে সুন্দৰ পৰিবেশ সৃষ্টি হয়, আমি ব্যক্তিগতভাবে Go for glory, Lovelina শীৰ্ষক শ্ল'গানেৰে এক অভিযান আৰম্ভ কৰিছো। মই অনুৰোধ জনাইছো, যাতে campaign অভিযান আৰম্ভ কৰো, যি campaign অভিযানৰ দ্বাৰা অধিক উৎসাহিত হয় আৰু আমাৰ অসমৰ গৌৰৱ লাভলীনাই, আমাৰ কাৰণে সোণ কঢ়িয়াই আনে, এনে এক আঁচনি যাতে লয়, তাৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ**- মন্ত্ৰী মহোদয়,

**শ্ৰী বিমল বৰা (মন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ বিশ্ব এতিয়া ক্ৰীড়াময় হৈ আছে। টকিঅ' অলিম্পিকৰ বাতাবৰণে সকলোকে উৎসাহিত কৰি তুলিছে। খেলুৱৈসকলক উৎসাহিত কৰিবৰ কাৰণে আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াইয়ো তেখেত সকলৰ লগত বাৰ্তালাপেৰে তেওঁলোকক উৎজীৱিত কৰি তোলাৰ প্ৰয়াস কৰিছে। আৰু আজি পবিত্ৰ সদনত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই যি কেইটা কথা সমগ্ৰ অসমৰ ক্ৰীড়া জগতৰ উন্নয়নৰ কাৰণে ইতিমধ্যে সকলোকে অৱগত কৰিলে, ই নিশ্চয় আগন্তুক দিনত অসমৰ ক্ৰীড়া জগতখনত এক সফলতাৰ প্ৰথমডাল খুটি হিচাপে চিহ্নিত হৈ ৰব। কাৰণ আজি সদনৰ মজিয়াত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ভৱিষ্যতে অলিম্পিকেই হওঁক, কমনওৱেলথেই হওঁক, এছিয়ান গেমছেই হওঁক এইবিলাকতো আমাৰ sports policy অনুসৰি বিভিন্ন ধৰণেৰে খেলুৱৈসকলক উৎসাহিত কৰাৰ কথা লিপিবদ্ধ হৈ আছে। কিন্তু ইয়াৰ পিছৰ পৰা, আজিৰ দিনটোৰ পিছৰ পৰা নেশ্যনেল গেমছটো ব্ৰঞ্জ, চিলভাৰ আৰু গ'ল্ড পোৱাৰ লগে লগেই যদি এটা চৰকাৰী চাকৰি পোৱাৰ কথা ঘোষণা কৰিলে, মই ভাবো অসমৰ খেলুৱৈ সকলক ইয়ে নিশ্চয় আগন্তুক দিনত আৰু অনুপ্ৰেৰণা যোগাব। সেই কাৰণে শাসক বিৰোধী উভয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা বিশাল হাত চাপৰিৰে আমি আদৰণি জনাবৰ কাৰণে অনুৰোধ জনাইছো। sports pension ৰ কথা সম্পৰ্কিত তেখেতে যিটো মন্তব্য আগবঢ়ালে যে আমি ইতিমধ্যে পদক পোৱা লোক সকলক, মই অসমৰ সকলো ক্ৰীড়া সংগঠক আৰু বিভাগকো ইয়াৰ জৰিয়তে অনুৰোধ জনাইছো, অতি সোনকালে যাতে এই তালিকা আমাক দিয়ে, আৰু ৮ হাজাৰৰ পৰা ১০ হাজাৰ টকাৰ পেঞ্চনৰ কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে অৱগত কৰিছে, ই ভৱিষ্যত দিনত অসমত ক্ৰীড়াময় এক বাতাবৰণ নিৰ্মাণ কৰিবৰ বাবে, খেলুৱৈ সংগঠক সকলোকে উৎসাহিত কৰিব আৰু আজি আমাৰ মাননীয় বিধায়কসকলক যি দায়িত্ব অৰ্পণ

কৰিলে মই ভাবো আমি সকলোৱে একো একোগৰাকী প্ৰতিনিধি, জনতাৰ প্ৰতিনিধি। ভূপেন দাই কৈছে, যে এই পৃথিৱী এক ক্ৰীড়াঙ্গন, ক্ৰীড়া হ'ল শান্তিৰ প্ৰাঙ্গন। ক্ৰীড়া মাথো খেল ধেমালী নহয়, নহয় মাথো এক প্ৰতিযোগিতা। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ অসমত ড্ৰাগছৰ বিৰুদ্ধে যি যুদ্ধ অব্যাহত ৰাখিছে, তেখেতে যোৱা দুদিনত সমগ্ৰ অসমত ড্ৰাগছ নিৰ্মুলকৰণৰ কাৰণে আৰক্ষী প্ৰশাসনে জব্দ কৰা ড্ৰাগছসমূহ আজি যেনে ধৰণে সকলোৱে আগত ধংস কৰিছে।

( সদনত হুলস্থূল)

sports লগত ড্ৰাগছ জড়িত আছে। আপোনালোকে divert নকৰিব। আপোনালোকে উপৰুৱাকে নক'ব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা দিন বিলাকত ড্ৰাগছৰ বিৰুদ্ধে যিখিনি কাম কৰি আছে, তাৰ দ্বাৰা কোন লাভান্বিত ? সমাজখন। আপুনি সমাজৰ প্ৰতিনিধি, sports ৰ জৰিয়তে যদি আমি যুৱ প্ৰজন্মক খেল পথাৰলৈ নিব পাৰো,

(সদনত হুলস্থূল)

আজি খেলপথাৰৰ প্ৰাসংগিকতা ক'ৰ পৰা আহিল ? কাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ পুলিচ ব্যৱস্থাটোৰ জৰিয়তে, প্ৰশাসনৰ জৰিয়তে, এনেধৰণৰ দৃষ্টান্তমুলক পদক্ষেপ গ্ৰহণ কৰিছে। যুৱ সকলৰ মানসিক বিকাশৰ কাৰণে খেল পথাৰৰ বিকাশ কৰিব লাগিব। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে খেলৰ জৰিয়তে আগবাঢ়ি যোৱা। চৰকাৰৰ চাকৰি আপোনালোকে পাবৰ কাৰণে সক্ষম হওঁক। উৎসাহিত কৰাৰ এটা পৰিবেশ। গতিকে বিৰোধী কাৰণে, বিৰোধী কথা নক'ব আপোনালোকে। যিয়ে নহওঁক, এই খিনি কথা কৈ পুনৰবাৰ মুখ্যমন্ত্ৰী মহোদয়ক হাত চাপৰিৰে ধন্যবাদ জনাবৰ কা ৰণে মই অনুৰোধ জনালোঁ।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ইত্যাদি) ঃ** কিন্তু আজি সকলো কথা সামৰি ক্ৰীড়া জগতখনলৈ যি এটা সিদ্ধান্ত দিলে এই সিদ্ধান্তই অসমক বহুদূৰ এগেলগে আগবঢ়াই নিলে। মই অসমৰ এজন ক্ৰীড়া সংগঠক । গতিকে ক্ৰীড়া জগতখনক আগবঢ়াই নিয়া বাবে আজি মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত আমি সকলো কৃতজ্ঞ। যিহেতু দায়িত্ব লৈছে পুনৰবাৰ মই মোৰ ফালৰ পৰা বা সকলোৱে ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

.**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কওঁ- সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে আজি বা কালি লাভলিনাৰ নামত শুভেচ্ছা জনাই সদনে এটা প্ৰস্তাৱ গ্ৰহণ কৰিলে ভাল হ'ব। এটা ভাল মেচেজ যাব।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয় । এতিয়া কমলাক্ষ দে পুৰকায়স্থ -

**শ্ৰীকমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পৰ্টছ পেনশ্যনলৈ যিবোৰ কথা ক'লে মই তেখেতক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয় মই এটা কথা ক'বলগীয়া আছিল যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়াই ষ্টেডিয়ামৰ কথা ক'লে ২০১৭-১৮ চনৰ বাজেটত কৰিমগঞ্জৰ ষ্টেডিয়ামকে ধৰি অসমৰ ৫ টা ষ্টেডিয়ামত ফ্লাড লাইট লগোৱাৰ কাৰনে উদ্যোগ লোৱা হৈছিল। কিন্তু এইখিনি আজিলৈকে হোৱা নাই। ইতিমধ্যে কোম্পানী গৈছে, চাৰ্ভে হৈছে। মই অনুৰোধ জনাম যাতে সোনকালে হয় লগতে আৰু এটা কথা অৰূপ দাসে ফুটবল খেলিছিল, তেওঁক যাতে স্পৰ্টছ পেনশ্যন দিব পাৰি তাৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া

**শ্ৰীবিমল বৰা (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয় অসমৰ বহু

কেইখন ষ্টেডিয়ামত ফ্লাড লাইট লগোৱাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছিলে। যোৱাকালি যোৰহাটৰ ৰাইজেও যোৰহাট ষ্টেডিয়ামত ফ্লাড লাইট লগোৱাৰ বিষয়টো মোক সুধিছিল, কিন্তু মই অৱগত নাছিলো। যি হওক মই ডাইৰেক্টৰক সুধি গম পাইছো যে, যোৰহাট ষ্টেডিয়ামত ফ্লাড লাইট লগোৱাৰ বিভাগৰ প্ৰস্তাৱত আছে। গতিকে মই ভাবো যে আপুনি উল্লেখ কৰা ষ্টেডিয়ামখন যদি জড়িত হৈ আছে তেন্তে একেলগে হৈ যাব। এই বিষয়ে আপুনি মোৰ কাৰ্য্যালয়ত এবাৰ আহিব, মই চাই মেলি জনাম।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিমান মনত পৰে এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল ইছ্যু হৈ আছে। টেণ্ডাৰৰ কাম অলপ বাকী আছে। ক্ৰীড়া মন্ত্ৰীয়ে পি ডব্লিউ ডি বিল্ডিঙ ডিপাৰ্টমেন্টক আজিয়ে মাতি আনি টেণ্ডাৰখন উলিয়াব ক'লে হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেন্টৰী

**শ্ৰীপৃথ্বীৰাজ ৰাভা (তেজপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী মহোদয়ে সদনত মোৰ প্ৰশ্নৰ উত্তৰ দাখিল কৰিছে। মোৰ বেছি ক'ব লগা নাই- তেজপুৰত এখন উন্নতমানৰ ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ কথা কোৱা হৈছে। মোৰ জ্ঞাত যে সাধাৰণতে ক্ৰিকেট ষ্টেডিয়াম বা ক্ৰিকেটৰ বাবে যিখিনি ব্যৱস্থা লোৱা হয় সেইখিনি আসাম ক্ৰিকেট এচোচিয়েশ্যনে কৰে। কিন্তু মাটি আৱন্টনৰ ক্ষেত্ৰত চৰকাৰে বা নিৰ্দ্দিষ্ট জিলাৰ জি লা উপায়ুক্ত আৰু ৰাজহ বিভাগৰ বিষয়াসকলে সিদ্ধান্ত লয় ক'ত মাটি দিয়া হ'ব । মোৰ কথাটো হ'ল মোৰ সমষ্টিৰ য'তেই মাটি নিদিয়ক কিয় মাটিখিনি এনেকুৱা ঠাইত হ'ব লাগে যাতে আমাৰ ল'ৰা- ছোৱালীখিনি সেই ষ্টেডিয়ামলৈ সুচলৰূপে যাব পৰা ব্যৱস্থা থাকিব লাগে। মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে আসাম ক্ৰিকেট এচোচিয়েশ্যনে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ লগত বুজা বুজিৰ মাধ্যমত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধীনত এখন ক্ৰিকেট ষ্টেডিয়াম স্থাপন কৰিবলৈ যোজা চলাইছে বুলি মই জানিব পাৰিছো। যদি কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধীনত বা বিশ্ববিদ্যালয়খনৰ চৌহদৰ ভিতৰত ষ্টেডিয়ামখন নিৰ্মাণ কৰা হয় তেতিয়া হ'লে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে সেই ষ্টেডিয়ামখনত অনুশীলন বা খেলিবলৈ বিশ্ববিদ্যালয়ৰ বাহিৰৰ সাধাৰণ লৰা-ছোৱালীখিনিক খেলিবলৈ যাব বা অনুমতি দিবনে নাই? কাৰণ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ চৌহদত সাধাৰণ মানুহ বা ল'ৰা-ছোৱালীক সাধাৰণতে প্ৰৱেশ কৰিব দিয়া নহয়। গতিকে মই কৈছো যে ষ্টেডিয়ামখন হওক, সুচল ঠাইত হওঁক যাতে আমাৰ সাধাৰণ লৰা ছোৱালীখিনি সুন্দৰভাবে তাত খেলা ধুলা কৰি ক্ৰীড়া ক্ষেত্ৰত অসমৰ নাম ৰাখিব পাৰে। তেজপুৰৰ পৰাই মকিবুৰ ৰহমান, অনিল মেছ, ৰাজেশ বৰা ইত্যাদি বহু ভাল ক্ৰিকেট খেলুৱৈ ওলাইছে। গতিকে মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো বিভাগীয় মন্ত্ৰী মহোদয়ক তেজপুৰৰ য'তেই ষ্টেডিয়ামখন নবনাওঁক কিয় উন্নত মানৰ ষ্টেডিয়াম হ'ব লাগে আৰু সকলো ঠাইৰে সাধাৰণ লৰা ছোৱালী দিনে-ৰাতিয়ে তাত অনুশীনল আৰু খেলাৰ সুযোগ পাব লাগে। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ

**শ্ৰীবিমল বৰা (মন্ত্ৰী, ক্ৰীড়া ও যুৱকল্যাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পৃথ্বীৰাজ ৰাভা ডাঙৰীয়াই শোণিতপুৰ জিলাত এখন উন্নতমানৰ ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে নেকি এই কথাটো জানিব বিচাৰিছিল। মাননীয় অধ্যক্ষ মহোদয় এই বিষয়ে জনাব বিচাৰো যে, আমাৰ ক্ৰীড়া বিভাগৰ তৰফৰ পৰা ক্ৰিকেটক লৈ ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণ কৰাৰ বিশেষ উদ্যোগ লোৱাটো প্ৰচলিত ব্যৱস্থাত নপৰে। কিন্তু ক্ৰিকেট আজি সমগ্ৰ বিশ্বৰ ভিতৰতে এটা জনপ্ৰিয় খেল। অসমৰ বিহু খেলুৱৈয়ে ক্ৰিকেটত পাৰদৰ্শিতা দেখুৱালৈ সক্ষম হৈছে। আসাম ক্ৰিকেট

এচোচিয়েশ্যনৰ অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়াম এখন বৰ্ষাপাৰাত আছে য'ত বহুকেইখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল ইতিমধ্যে সফলভাবে অনুষ্ঠিত হৈ গৈছে। সেই কাৰণে অসমত ক্ৰিকেটৰ পৰিবেশ এটা সৃষ্টি কৰিব পৰা যায় নেকি বিগত দিনবিলাকত আমি অসম ক্ৰিকেট এচোচিয়েশ্যনৰ লগত এই বিষয়ে বিভিন্ন কথা আমি আলোচনা কৰিছিলো। তেওলোকৰ কি কি সমস্যা আছে আছে আৰু অসমত ক্ৰিকেটৰ বিকাশৰ বাবে কি উদ্যোগ গ্ৰহণ কৰিব পৰা যায় ইত্যাদি ইত্যাদি । তেওলোকে আমাক জনালে যে তেওঁলোকৰ যথেষ্ট পৰিমাণৰ পুঁজি আছে, কিন্তু বিভিন্ন জিলাত পৰ্য্যাপ্ত পৰিমানৰ তেওলোকৰ মাটি নাই। গতিকে চৰকাৰে মাটিৰ ব্যৱস্থা কৰি দিলে তেওঁলোকৰ পুঁজিৰ পৰাই সেই জিলাবিলাকত এখনকৈ ভাল ষ্টেডিয়াম তেওঁলোকে নিৰ্মাণ কৰিব। আমি কথাখিনি ভাল পালো, ক্ৰীড়াৰ উন্নতি আমিও বিচাৰো। তেওলোকে আগ্ৰহ প্ৰকাশ কৰিলে আৰু ৮ খন জিলাত পৰিকল্পনা কৰিলে যদি আমি মাটি দিও। সেই জিলাকেইখন হ'ল কৰিমগঞ্জ, শোনিতপুৰ, লক্ষিমপুৰ, শিৱসাগৰ, তিনিচুকীয়া, হাইলাকান্দি, ওদালগুৰি আৰু ডিব্ৰুগড়। চেন্ট্ৰেল ইউনিভাৰ্চিটীৰ কেম্পাচৰ বাহিৰেও তেওঁলোকে শোণিতপুৰ জিলাত বেলেগ মাটি চাবলৈ আমাক জনাইছিল । এইকেইখন জিলাৰ ৰাজহ বিভাগটো যিসকল অতিৰিক্ত উপায়ুক্তৰ হাতত দায়িত্ব ন্যস্ত কৰা আছে তেওঁলোকৰ লগত স্পৰ্টছৰ কমিশ্যনাৰ, ডাইৰেক্টৰ , এ চি এৰ সম্পাদক দেবজিত শইকীয়া ডাঙৰীয়া আৰু মই নিজে ভিডিঅ'কনফাৰেন্সিঙৰ জৰিয়তে আলোচনাত বহিছিলো । সন্মানীয় বিধায়ক ৰাভা ডাঙৰীয়াই উল্লেখ কৰা বিষয়টোৰ ক্ষেত্ৰত- ষ্টেডিয়ামৰ বাবে তেজপুৰতো মাটিৰ সন্ধান কৰি থকা হৈছে, যিখিনি মাটি চেন্ট্ৰেল ইউনিৰ্ভাচিটিৰ ভিতৰত নহয় বাহিৰত হ'ব। এইক্ষেত্ৰত মই বিধায়কগৰাকীৰ লগত কথা পাতিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, দ্বিতীয় চাপ্লিমেন্টৰী।

**শ্ৰীপৃথ্বীৰাজ ৰাভা (তেজপুৰ) ঃ** তেজপুৰৰ আশেপাশে মাটি বহুত আছে। তেজপুৰত বহু গোপছৰৰ মাটি আছে। গোপছৰৰ মাটিবিলাক সাধাৰণতে কোনো আঁচনি বা প্ৰকল্পত ব্যৱহাৰ কৰিব দিয়া নহয়। গোপছৰৰ মাটিটোত ষ্টেডিয়াম বা আন এনেধৰনৰ অনুষ্ঠান বা আঁচনিত লোৱাৰ বাবে যাতে ৰাজহ বিভাগে বিশেষভাবে অনুমোদন জনাব এই বিষয়টো মন্ত্ৰী মহোদয়ে ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি ব্যৱস্থা ল'বলৈ আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয় ব্যৱস্থা কৰিব। আপুনিও প্ৰপোছ কৰিব, আপুনিও চাব।

**শ্ৰীপৃথ্বীৰাজ ৰাভা (তেজপুৰ) ঃ** অধ্যক্ষ মহোদয়, এইখিনি কথা মই ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত নিশ্চয় আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সুমন হৰিপ্ৰিয়া

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। অসমৰ নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালী বিলাকে ভাল ফুটবল, ভলীবল, ক্ৰিকেট খেলে। গতিকে যিবিলাক ক্ৰীড়া একাডেমী গঠন কৰিব খুজিছে তাৰ দ্বাৰা আমি ক্ৰীড়াত উৎকৰ্ষ সাধনৰ লগতে তাৰ দ্বাৰা আমি লোকেল ল'ৰা- ছোৱালীখিনিৰ অভিভাৱকসকলক দিহা দিব পাৰিম। কিন্তু কথাটো হ'ল আমাৰ পৰ্য্যাপ্ত স্পৰ্টছ টিছাৰৰ প্ৰয়োজন আছে। গতিকে তেনেকুৱা প্ৰশিক্ষক দিয়াৰ বাবে কি ব্যৱস্থা লোৱা হ'ব আপোনাৰ জৰিয়তে ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আৰু এটা কথা হ'ল বহু স্কুলত যিহেতু স্পৰ্টছ টিছাৰৰ পদ খালি আছে, প্ৰখ্যাত খেলুৱৈসকল গীলবাৰ্টচন ছাংমা বা তেনেধৰনৰ ক্ৰীড়াবিদক আমি প্ৰশিক্ষক হিচাপে ল'ব পাৰো নেকি, বা আমি ভাল ট্ৰেইনাৰ সৃষ্টি কৰিব পাৰো নেকি এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা (মন্ত্ৰী, ক্ৰীড়া ও যুৱকল্যাণ) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয়া বিধায়িকা ডাঙৰীয়ানীয়ে এটা ভাল প্ৰশ্ন উত্থাপন কৰিছে যে আমি ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ লগত অধিক জড়িত কৰাৰ উদ্দেশ্যেৰে আমি ক্ৰীড়া শিক্ষক নিযুক্তি দিব লাগে। নিশ্চয় আমি শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক এই কথাখিনি অৱগত কৰিম। ইতিমধ্যে আমি ১৫৭ জন, বিভিন্ন বিদ্যালয়ত সংলগ্ন হৈ থকা যিসকলক আমি ফিজিকেল ইনষ্ট্ৰাক্টৰ বুলি কওঁ, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত এই সম্পৰ্কত আলোচনা হৈছে আৰু আমি সিদ্ধান্ত কৰিছো যে এই ফিজিকেল ইনষ্ট্ৰাক্টৰসকলক কেইবাখনো বিদ্যালয়ৰ লগত সংলগ্ন কৰি ক্লাষ্টাৰ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question hour is over. এতিয়া Item No.-2 কাৰ্য্যউপদেষ্টা সমিতিৰ প্ৰতিবেদন।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০** ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিৱেশনত **২০২১-২২** চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা আৰু দাবী মঞ্জুৰীৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ইংৰাজী ১৬ জুলাই, ২০২১ তাৰিখে আবেলি সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভা কক্ষত কাৰ্য্যউপদেষ্টা সমিতিৰ এখন সভা অনুষ্ঠিত হয়।

আজি ১৯ জুলাই ২০২১ আৰু ইং ২০ জুলাই, ২০২১ তাৰিখে ২০২১-২০২২ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা থকাৰ বাবে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মৰ অধীনত শূণ্যকালীন ঘণ্টা, নিয়ম ৫৪ আৰু নিয়ম ৩০১ আদি বিষয় সমূহ সদনৰ কাৰ্য্যসূচীত অন্তৰ্ভুক্ত নকৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে যদিও আজি ইং ১৯ জুলাই ২০২১ তাৰিখে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৫০ৰ অধীনত বিষয় এটি আলোচনাৰ বাবে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়।

সভাত আজি ইং ১৯ আৰু ২০ জুলাই, ২০২১ তাৰিখে সদনত বাজেটৰ ওপৰত সাধাৰণ আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯ জুলাই, ২০২১ তাৰিখে আবেলি ২.০০ বজাৰ পৰা সন্ধিয়া ৬.০০ বজালৈ আৰু ইং ২০ জুলাই ২০২১ তাৰিখে প্ৰশ্নোত্তৰ কাল শেষ হোৱাৰ লগে লগে আবেলি ২.৩০ বজালৈ সদনত বাজেটৰ ওপৰত সাধাৰণ আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল আৰু নিৰ্দ্দলীয় সদস্যক তলত দিয়া ধৰণে সময় আৱণ্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনেধৰণৰ ঃ-**

| | | |
|---|---|---|
| মুঠ সময় | | ৪৮০ মিনিট (৮ ঘণ্টা) |
| প্ৰতিগৰাকী সদস্যৰ বাবে | ঃ | ৪ মিনিট |
| (১) ভাৰতীয় জনতা পাৰ্টী | ঃ | ২৪০ মিনিট (বিত্তমন্ত্ৰীৰ উত্তৰৰ সৈতে) |
| (২) ভাৰতীয় জাতীয় কংগ্ৰেছ | ঃ | ১১২ মিনিট |
| (৩) অসম গণ পৰিষদ | ঃ | ৩৬ মিনিট |
| (৪) সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | ঃ | ৬৪ মিনিট |

(৫) ইউনাইটেড পিপলচ্ পাৰ্টী লিবাৰেল ঃ ২০ মিনিট

(৬) বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট ঃ ১২ মিনিট

(৭) কমিউনিষ্ট পাৰ্টী অফ ইণ্ডিয়া (মাৰ্ক্সিষ্ট) ঃ ৪ মিনিট

(৮) নিৰ্দ্দলীয় ঃ ৪ মিনিট

সভাত দাবী মঞ্জুৰী সমূহৰ ওপৰত বিশদভাৱে আলোচনা হোৱাৰ পিছত সমিতিয়ে সৰ্বসন্মতিক্ৰমে দাবী মঞ্জুৰীৰ বাবে নিম্নোল্লেখিত দাবী সমূহ অগ্ৰাধিকাৰ ভিত্তিত অহা ইং ৪, ৫ আৰু ৬ আগষ্ট, ২০২১ তাৰিখে সদনত আলোচনা কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰে।

| ক্ৰমিক নং | মঞ্জুৰী নং | দাবীৰ নাম | অগ্ৰাধিকাৰ ভিত্তিত নিৰ্দ্ধাৰিত নং |
|---|---|---|---|
| ১। | ২৯ | স্বাস্থ্য | ১ |
| ২। | ৭১আৰু ৬২ | শিক্ষা | ২ |
| ৩। | ৪৮ | কৃষি | ৩ |

এই তিনিটা বিষয়ত কাট মোশ্যন লোৱা হৈছে। আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে।

(সদনে প্ৰস্তাৱটো অনুমোদন জনায়)

আৰু আজি এটা ঘোষণা কৰিছো যে আজিৰ কাৰ্য্যসূচী যিহেতু কণ্টিনিউ আবেলি ৬.০০ বজালৈকে হ'ব। গতিকে ১.০০ বজাৰ পৰা দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা সন্মানীয় মন্ত্ৰী আৰু সদস্যসকলৰ বাবে ইয়াত কৰা হৈছে। গতিকে আবেলি ৬.০০ বজালৈকে আজি বাজেট আলোচনা চলিব।

**মাননীয় অধ্যক্ষ ঃ** Item No. 3. Rule 50 ৰ ওপৰত মই এতিয়া সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক, তেখেতে দিয়া শীৰ্ষ বিষয়টো মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসমত বসবাস কৰা মুছলমান, বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত পৰ্য্যাপ্ত শিক্ষানুষ্ঠান স্থাপন কৰি আৰু শিক্ষানুষ্ঠান সমূহত পৰ্য্যাপ্ত শিক্ষকৰ নিয়োগৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰ ঘটাই, বাল্যবিবাহ ৰোধ কৰি, স্বাস্থ্য-শিক্ষা-যাতায়ত আদি ক্ষেত্ৰ সমূহৰ ব্যাপক উন্নতি সাধন কৰি, চৰকাৰী আৰু বেচৰকাৰী খণ্ডত অন্ততঃ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত জনসংখ্যানুপাতে চাকৰিৰ ব্যৱস্থা কৰি, জন্ম নিৰোধক আহিলা সমূহৰ যোগান সুলভ কৰি আৰু কঠোৰ জন্ম-নিয়ন্ত্ৰন আইন প্ৰণয়নৰ যোগেদি বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত ক্ৰমবৰ্দ্ধমান জনসংখ্যা নিয়ন্ত্ৰন কৰা হওঁক"। এই বিষয়টো বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত মোক আজি উত্থাপন কৰিবলৈ বা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিবলৈ সু যোগ দিয়াৰ বাবে পোনপ্ৰথমে মই আপোনাক ধন্যবান জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ চৰকাৰ গঠন হোৱাৰ পাছত যোৱা দুই আঢ়ৈটা মাহত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কিছু বক্তব্যই মুছলমানৰ

মাজত জনসংখ্যাৰ বৃদ্ধিক লৈ উদ্বীগ্নতা আমি দেখা পাইছো আৰু তেখেতে এই জনসংখ্যা মুছলমান সকলৰ মাজত বিশেষকৈ চৰ-চাপৰিত বসসাস কৰা মুছলমান সকলৰ মাজত নিয়ন্ত্ৰনৰ পোষকতা কৰি এখ ন আইন অনাৰ কথাও কৈছে। যদিও তেখেতে বক্তব্য ৰাখোতে কিছু বোধহয় ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত ভাৱে কথা কৈছে। যেনে কামাখ্যা মন্দিৰ দখল কৰিব আদি। সেইবোৰলৈ মই নাযাও। মূল বিষয়টোৰ ওপৰত এটা বস্তু নিষ্ঠ আলোচনা মই কৰিবলৈ চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তব্য আৰম্ভ কৰাৰ আগতে মই সেই মুছলমান সমাজৰ এজন দায়িত্বশীল সদস্য হিচাপে, এজন দায়িত্বশীল ৰাইজৰ প্ৰতিনিধি হিচাপে হয় মই স্বীকাৰ কৰো যে অসমত চৰ-চাপৰিত বসবাস কৰা মুছলমান, যিসকলক আমি মিঞাঁ বুল সম্বোধন কৰো, সেই মিঞাঁ সম্প্ৰদায়টোৰ মাজত জনসংখ্যা বৃদ্ধিৰ হাৰ আমাৰ অনামুছলিম মানুহতকৈ বেছি। এই কথাটো মই স্বীকাৰ কৰিবলৈ অকনো দিদ্ধা নকৰো আৰু

**(মাননীয় অধ্যক্ষ মহোদয়ৰ আসনত মাননীয় উপাধ্যক্ষ মহোদয় ডাঃ মোমল ম'মিন উপবিষ্ট)**

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি দৰে উদ্বীগ্নতা প্ৰকাশ কৰিছে এই জনসংখ্যাক বৃদ্ধিক লৈ, এই সমাজৰ এজন দায়িত্বশীল নাগৰিক হিচাপে মোৰো একে সমান উদ্বগ্নতা, কাৰণ I believe in quality not in numbers. গতিকে মোৰো সমনানেই উদগ্নীনতা আছে। এই ক্ষেত্ৰত মাননীয় উপাধ্যক্ষ মহোদয়, যিধৰণে কথাবোৰ মিডিয়াত প্ৰকাশ কৰা হৈছে, যে মিঞাঁ মুছলমানৰ ইমান জনসংখ্যা বৃদ্ধি হৈ আছে যে, এদিন কামাখ্যা দখল কৰিব বা ইয়ে অন্য জাতি জনগোষ্ঠীক অভাৰ পাৱাৰ কৰিব, সংখ্যা গৰিষ্ঠ হ'ব। কথাবোৰ আচলতে বাস্তৱত কিমান। কিমানখিনি সত্য। মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে ২০২০ ডিচেম্বৰত প্ৰকাশ কৰা National Family Health Survey ৰ কিছু তথ্য, কিছু নাম্বৰ মই উ দ্বৃত কৰিব খুজিছো। ২০২০ চনৰ ডিচেম্বৰত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি Total Fertility rate among the Muslim women, তাৰমানে এগৰাকী মুছলমান মহিলাই কিমান ল'ৰা-ছোৱালী জন্ম দিয়াৰ সম্ভাৱনা। এইটো দেখুৱাইছে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে যে 2.4, এগৰাকী মুছলিম মহিলাই আজিৰ দিনত ২.৪ টা সন্তান জন্ম দিয়াৰ সম্ভাৱনা। আৰু অনা মুছলিম সকলৰ 1.6 The difference is .08. Yes, it is a big number 08. There is a difference between the total fertility rate of the Muslim Women and Non Muslim Women and there lies the concern of the Hon'ble Chief Minister and there lies the concern of myself. I am also equally concern. That this growth rate should come down. It should be at power. এতিয়া কথা হ'ল মাননীয় উপাধ্যক্ষ মহোদয় how the growth of Muslim is taking place during the last few decades? এইটো কথা আমি চাব লাগিব। আজিৰ পৰা ১৪ বছৰ আগতে, ২০০৫-০৬ চনত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে National Family Health Survey ত মুছলমান মহিলা সকলৰ total fertility rate 3.6 হিচাপে প্ৰকাশ কৰিছিল। বিগত ১৪ বছৰত এই মুছলমান মহিলাৰ total fertility rate- 2.4 লৈ কমি যায়, অৰ্থাৎ ইয়াৰ drop rate হ'ল 1.3 । একে সময়তে, আমি অসমৰ অনা-মুছলমান মহিলাৰ fertility rate চালে দেখিবলৈ পাওঁ যে ২০০৫ ৰ পৰা ২০১৯ বৰ্ষলৈ total fertility rate has dropped by only .04. It means there has been dramatic change, dramatic decline in the total fertility rate of Muslims. So, the infer-

ence is আমি যিদৰে ভাৱি আছো যে মুছলমানৰ জনসংখ্যা বাঢ়িয়েই আছে, সিহঁতে কামাখ্যা দখল কৰিব, কিবা দখল কৰিব, তেনে নহয়। মুছলমানৰ জনসংখ্যাৰ growth rate খুব drastically decline হৈ আছে। তথাপি, মই সন্মত যে এই 2.4 ৰ fertility rate টো কমি replacement level ত আহিব লাগে। Indiaৰ replacement level of fertility rate হ'ল -২.১ আৰু মুছলমানৰ ২.৪ । অৰ্থাৎ .০৩ আৰু কমিব লাগে। তেতিয়া গোটেই অসমৰ জনসংখ্যা আৰু নাবাঢ়িব। অসমৰ নিৰ্দিষ্ট living space, নিৰ্দিষ্ট মাটিকালি, নিৰ্দিষ্ট প্ৰান্তৰ সা-সুবিধা একেই থাকিব। So, every Member of this House should be concerned, should express their opinion unanimously that the growth rate of population should be at the replacement level of all communities in entire Assam. We will be satisfied if the fertility rate drops to 2.1, তেতিয়া আৰু আমাৰ জনসংখ্যা নাবাঢ়ে। ধৰা হওঁক, ২.১ হোৱালৈ আমাৰ জনসংখ্যা ৩.৫ কোটি হ'ব, তাৰ পিছত আৰু ই নাবাঢ়ে। ই Replacement level ত আহি যাব। ইয়াত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোৱা কেইটামান কথাৰ লগতে আৰু কেইটামান কথা শুনিছো যে চাহ-জনগোষ্ঠী, SC, OBCক বাদ দিব। সেইটো তেওঁলোকৰ কথা। কিন্তু, মই মুছলমান আৰু চৰচাপৰি অঞ্চলৰ সদস্য হিচাপে, অসমৰ এগৰাকী দায়বদ্ধ নাগৰিক হিচাপে সকলোৰে জনসংখ্যা নিয়ন্ত্ৰণ হোৱাটো মই বিচাৰো। মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে, আমাৰ জনসংখ্যাৰ ঘনত্ব কিদৰে বাঢ়ি গৈ আছে তাৰ এটা তথ্য দাঙি ধৰিব বিচাৰিছো। ১৯০১ চনৰ পৰা ১৯৭১চনলৈ অসমৰ per square kilometre density আছিল ৬১। ই সমগ্ৰ ভাৰতৰ average তকৈ কম আছিল। কিন্তু, ১৯৭১ চনৰ পিছৰ পৰাই আমাৰ জনসংখ্যা বাঢ়ি বাঢ়ি per square kilometre density হৈছে ৩৯৭ জন আৰু সমগ্ৰ ভাৰতৰ average হ'ল ৩৮২ জন। ১৯০১ চনত ভাৰতৰ average জনসংখ্যা আছিল ৭৭ জন আৰু অসমৰ আছিল ৪২ জন। আজি অনস্বীকাৰ্য্য হ'লেও Demographic পৰিৱৰ্তন হৈ হৈ অসমে ভাৰতৰ গড় জনসংখ্যাৰ level ও অতিক্ৰম কৰিছে। So, all the residents of Assam, all people loving Assam should be equally concerned about this growth rate of population in Assam . আজি যদি Tea Tribes, SC/ST সকলক বাদ দিয়ে তেতিয়া মই ভাৱো যে তেওঁলোকৰ সদস্যসকলেও এই কথাৰ বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব আৰু মই ইয়াত একো নকওঁ। কাৰণ মই অনুভৱ কৰো যে, মোৰ এই চৰ-চাপৰি বা মিঞা লোকসকলৰ বাবে living space is limited, their domain of opprotunity is limited. গতিকে, এনে ক্ষেত্ৰত মই বেছি প্ৰতিদ্বন্দী বনাই মোৰ সম্প্ৰদায়ৰ লোক সকলক বিপদত পেলোৱাটো মই নিবিচাৰো। মই এগৰাকী দায়বদ্ধ নাগৰিক হিচাপে বিচাৰো যে মুছলমানৰ ২.৪ ৰ total fertility rate টো কমি ২.১ হ'ব লাগে। মই এইটোও অনুভৱ কৰো যে সমগ্ৰ অসমৰ জনসংখ্যা replacement level ত আহিব লাগে। In this case, if the Hon'ble Members of Tea Tribes, OBC and SC/ST think for the betterment of the future of their community, they also want to be included within the Bill, then it is upto thier wisdom. I donot want to say anything.

উপাধ্যক্ষ মহোদয়, মই আৰু দুটামান কথা ক'ব বিচাৰিছো। Sir, the total fertility rate of Muslims is 2.4 above the replcement level of 2.1 and it is

higher than the Non-Muslims by .08 though the rate of decline is very sharp, very comfortable and very encouraging, এই rate ৩.৬ ৰ পৰা ২.৪ হৈ গ'ল, ১.৩ কমি গ'ল, অনা-মুছলমানৰ কমি মাত্ৰ .০৪ হ'ল। Still, why the total fertility rate of Muslims has not reached the replacement level? উপাধ্যক্ষ মহোদয়, মই কিছু আনুসংগিক তথ্য দিব বিচাৰিছো। ২০২০ চনত প্ৰকাশ কৰা National Family Health Survey ত আৰু কিছুমান তথ্য ওলাইছে। সেই তথ্য অনুসৰি, কাশ্মীৰত মুছলমান সকলেই সংখ্যাগৰিষ্ঠ। The growth rate of muslim population in Kashmir is the lowest among the nine states as per the data. Fertility rate of Muslims in Kashmir is now only 1.45 against the national average of 2.2.and the fertility rate of Hindus in Kashmir is 1.32%. তথ্যত প্ৰকাশ কৰা ৯ খন ৰাজ্যৰ ভিতৰত কাশ্মীৰত মুছলমানৰ total fertility rate বাকী ৮ খন ৰাজ্যৰ হিন্দুতকৈ আটাইতকৈ কম। Why do we see this aberration ? I would say it as aberration, as all over India, this trend is different and in Kashmir, it is different. This is because there has been huge socio-economic development in Kashmir. যাৰ বাবে আজি এইটো হৈছে। সমগ্ৰ ৯ খন ৰাজ্যৰ কেৰালা আৰু বিহাৰৰ বাদে বাকী ৭ খন ৰাজ্যৰ মুছলমানৰ total fertility rate হিন্দুতকৈ কম। একমাত্ৰ কেৰালা আৰু বিহাৰত মুছলমানৰ fertility rate টো বেছি কাৰণ বিহাৰখন আৰ্থ-সামাজিক ভাৱে পিছপৰা। তাত অকল মুছলমান মানুহৰে নহয় হিন্দু মানুহৰো fertility rate বেছি। বিহাৰৰ total fertility rate হ'ল ২.৯ আৰু সমগ্ৰ ভাৰতৰ average হ'ল ২.২., replacement level-২.১ আৰু অসমৰ মুছলমানৰ ২.৪। গতিকে, বিহাৰৰ total fertility rate সকলোতকৈ বেছি। আনহাতে, কেৰালা এখন যথেষ্ট উন্নত ৰাজ্য। তৎসত্ত্বেও তাত মুছলমানৰ fertility rate বেছি। কাৰণ, বাকী ৰাজ্যৰ মহিলাসকলে যদিও শিক্ষা লাভ কৰিছে, কেৰালাৰ মহিলাসকল শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছ পৰি আছে। This is the bitter truth. Sir, as per National Family Health Survey, irrespective of all religion, caste and creed all over India, the fertility rate of rural women is more than the urban women. It is because the rural women irrespective of caste, creed and religion are socio-economically backward compared to the urban women. That is the reason. Religion has nothing to do with the fertility rate,with the population growth.It is the Socio-economic development of the community.

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰে এজন সু-সন্তান ড০ ইলিয়াছ আলী, পদ্মশ্ৰী উপাধিৰে পুৰস্কৃত, তেখেতে এই ক্ষেত্ৰত চৰ-চাপৰিত মুছলমান লোক সকলৰ জনসংখ্যা ৰোধ কৰিবলৈ যথেষ্ট কাম কৰিছিল। যেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে জনসংখ্যা বিস্ফোৰণক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিলে তেতিয়া ড০ ইলিয়াছ আলী ডাঙৰীয়াই যিখিনি কথা কৈছিলে তাৰে দুটা শাৰী মই ক'ব বিচাৰিছো - Dr. Illias Ali who was honoured with the Padmashree Award in 2019 for his enormous contribution in population control for more than a decade said on friday that the State

Government has to focus on all round development including women's education as per priority for the people in char to carve what the Chief Minister called population explosion. তেওঁ আৰু কৈছে -Educate the girls to solve the problem, carve the child marriage, empower the people with economic opportunity as top most priority. Once it is done , the increase in population will be automatically controlled.

মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আজি যে এই চৰ-চাপৰিত বা তথাকথিত মিঞা মানুহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বেছি কি কাৰণে হৈছে তাৰ কিছুমান আৰ্থ সামাজিক তথ্য মই দাঙি ধৰিব খুজিছো। ২০০২- ২০০৩ চনত চৰ অঞ্চলত এটা পিয়ল হৈছিল। এই পিয়লত দেখা গৈছিল যে ২৪ লাখ ৯০ হাজাৰ মানুহৰ ভিতৰত শিক্ষিত হ'ল মাত্ৰ ৪ লাখ ৮০ হাজাৰ। এতিয়া বহুতে ক'ব যে মুছলমান লোক সকলে লৰা -ছোৱালীক স্কুলত নিদিয়ে, তাত চৰকাৰে কি কৰিব। That is not the reason.

মাননীয় উপাধ্যক্ষ মহোদয়, যদি আপুনি অনুমতি দিয়ে মই মোৰ জীৱনৰ এটা সৰু অভিজ্ঞতা ক'ব খুজিছো। ২০১১ চনত মই বিধায়ক নিৰ্বাচিত হৈছো। মোৰ বাঘবৰ সমষ্টিত চাপৰি পথাৰ নামৰ এটা চৰ আছে। কিন্তু মানুহে এইটোৰ নাম দিছে ৰাৱণৰ চৰ। কাৰণ এই চৰত শিক্ষা-দিক্ষাটো নাইয়েই, স্কুল নাই তাত মানুহে ইমান মৰামৰি-কটাকটি কৰে যে তাত বেলেগ চৰৰ মানুহে যাবলৈ ভয় কৰে। নিৰ্বাচিত হোৱাৰ পিছত বানপানীৰ সময়ত মই যেতিয়া তাত যাবলৈ ওলাইছিলো তেতিয়া মোৰ মনটো দুৰুদুৰু কৈ কঁপিছিল। মোৰ ভয় হৈছিল তেওঁলোকে কি বা দাবী দিয়ে আৰু সেইটো যদি মই ৫ বছৰত পূৰণ কৰিব নোৱাৰো তেতিয়া পিছৰবাৰ মই তাৈলে গলে মোকো মাৰিব নেকি? মই যেতিয়া দুপৰীয়া গৈ তাত উপস্থিত হৈছিলো, মই যোৱা খবৰ শুনি তাত ডেৰশ দুশ মানুহ জমা হৈছিলে। প্ৰায় ৫০-৬০ টা শিশু আছিল যিসকল স্কুল যাব লাগিছিল। কিন্তু উপাধ্যক্ষ মহোদয়, তেওঁলোকৰ reaction টো মোৰ মানস পটত চিৰদিনৰ বাবে স্মৃতি হৈ থাকিব। মই নাৱৰ পৰা নামি যেতিয়া তেওঁলোকক অভিবাদন কৰি সুধিলো যে আপোনালোকৰ আটাইতকৈ বেছি প্ৰয়োজন কোনটো? তেতিয়া তাত উপস্থিত থকা প্ৰায় ৫০-৬০ গৰাকী মহিলাই মতা মানুহখিনিক ক'বলৈ সুযোগ নিদি ক'লে যে চাৰ, আমাৰ লৰা-ছোৱালীখিনি ধ্বংস হৈ আছে, গতিকে আমাক স্কুল লাগে। আমাৰ প্ৰায় ৫০০ পৰিয়াল আৰু এখনো স্কুল নাই। এই ৰা ৱণৰ চৰৰ মানুহে যদি স্কুলৰ কথা ক'ব পাৰে , মহিলা সকলে যদি স্কুলৰ কথা ক'ব পাৰে তেনেহ'লে এইটো সত্য নহয় যে মুছলমান মানুহ স্কুলত যাব নুখোজে। মাননীয় উপাধ্যক্ষ মহোদয়, দুৰ্ভাগ্যৰশত আজিও তাত স্কুল দিব পৰা নাই মাত্ৰ এখন ব্যক্তিগত স্কুল হৈছে। মই চৰকাৰক বহুতবাৰ আবেদন কৰিছো, এতিয়াও এখন আবেদন চৰকাৰৰ বিবেচনাধীন হৈ আছে, আজি ২০ বছৰ ধৰি।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়াও ৰাৱণ বধ হোৱা নাই নেকি তাত?

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ**- এতিয়া নাই চাৰ। যি ৰাৱণৰ চৰৰ মানুহে শিক্ষাৰ কথা ক'ব পাৰে গতিকে তেওঁলোকক লৈ এই সদনত হঁহাটো উচিত নহ'ব। যি ৰাৱণৰ চৰৰ মহিলাই অন্য দাবী নকৰি স্কুলৰ কথা দাবী কৰিব পাৰে I feel that we should salute the people of Ravanar Char from this house. চাৰ, এই যে ২৪ লাখ ৯০ হাজাৰ মানুহৰ ভিতৰত শিক্ষিত হ'ল মাত্ৰ ৪ লাখ ৮০ হাজাৰ, demographer সকলে কৈছে যে - Population growth is inversely proportional to litteracy rate. The

more is the litteracy, the less will be the population growth. All round social economic development is inversely proportional to population growth. যিমানেই শিক্ষিতৰ হাৰ বাঢ়িব সিমানেই জনসংখ্যা কমিব। এই ২৪ লাখ মানুহৰ ২০ লাখ মানুহ কেনেকৈ নিৰক্ষৰ হ'ল? আমাৰ যিকেইটা চৰ আছে ১৪ খন জিলাত তাৰে যোৰহাট জিলাত মুঠ মানুহ হ'ল ২ লাখ ১৫ হাজাৰ আৰু তাত শিক্ষিতৰ হাৰ ৬০ শতাংশ। তেতিয়া মাজুলী যোৰহাট জিলাৰ ভিতৰত আছিল। আনহাতে ধুবুৰীত ৬ লাখ ৮৯ হাজাৰ জনসংখ্যা আৰু তাৰ শিক্ষিতৰ হাৰ মাত্ৰ ১৪.৪৬। বৰপেটা মাত্ৰ ১৭.৬৩। That is our position today.

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষিতৰ হাৰ যোৰহাটত কেনেকৈ বেছি হ'ল অৰু বৰপেটা, ধুবুৰীত কেনেকৈ কম হ'ল? আজি যদি চাওঁ যোৰহাটত জনসংখ্যা ২ লাখ ১৫ হাজাৰৰ বিপৰীতে ৪২৩ খন প্ৰাইমেৰী স্কুল আছে। ধুবুৰীত যোৰহাটতকৈও জনসংখ্যা তিনি গুণ বেছি, প্ৰায় ৬ লাখ ৮৯ হাজাৰ আৰু প্ৰাইমেৰী স্কুল আছে মাত্ৰ ৩১৫ খন। থাকিব লাগিছিল প্ৰায় ১২ শ খন। বৰপেটাত যোৰহাটতকৈ জনসংখ্যা প্ৰায় ৫০ হাজাৰতকৈও বেছি, ২ লাখ ৬৮ হাজাৰ তাত প্ৰাইমেৰী স্কুল আছে ২৮৮ খন। তেনেকৈ, এম ই স্কুল যোৰহাটত আছে ১৩৮ খন, ধুবুৰীত আছে ১১৬ খন আৰু বৰপেটাত আছে মাত্ৰ ৮০ খন। হাইস্কুল যোৰহাটৰ চৰত আছে ৯০ খন, ধুবুৰীত মাত্ৰ ৩৭ খন আৰু বৰপেটাত আছে মাত্ৰ ২৮ খন। একে অৱস্থা কলেজৰ আৰু অন্যান্য স্বাস্থ্য খণ্ডত। এই কথাখিনি যদি আমি গুৰুত্ব নিদিওঁ, মুখ্যমন্ত্ৰী মহোদয়ে উদ্বেগ প্ৰকাশ কৰিছে, আৰু মইও উদ্বিগ্ন। কিন্তু আমি তাৰকাৰণে real cause বোৰ দূৰ কৰিব লাগিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য,পূৰ্ব গুৱাহাটী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় বিধায়ক গৰাকীক বক্তব্যৰ মাজতে এটা কথা ক'ব খুজিছো যে আৰু এটা দিশ যদি আপুনি আপোনাৰ বক্তব্যৰ মাজত সাঙুৰি লয় সেইটো early marriage তেতিয়া বেছি ভাল হয়।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ-** I'm coming to that. That is a very important thing. মাননীয় উপাধ্যক্ষ মহোদয়, আজি এটা চৰকাৰী নিদেৰ্শনা আছে, আগতেও বহুবাৰ নিদেৰ্শনা দিছে, মই এটা চৰকাৰী নিদেৰ্শনা পঢ়ি দিছো - AAP 189/75/47 dated 2/4/77 -" Reflection of Sub Division wise Population Pattern in Government Employment. এই একেখন circular কে আকৌ recurrent কৰিছে in 1982 ত "Reiteration of Instruction of Population Pattern in Government Service".১৯৯১ ত আকৌ দিলে যে Sub Division আৰু District level ত atleast তৃতীয় আৰু চতুৰ্থ বৰ্গত Population Pattern ত চাকৰি দিব লাগে। তাৰ পিছত এখন আইন হ'ল। এই Secretariat ৰ পৰা circular যায় যে তৃতীয় আৰু চতুৰ্থ বৰ্গত তোমালোকে Population Pattern ত নিযুক্তি দিবা। কিন্তু এই Secretariat ত কেনেদৰে নিযুক্তি হৈছে তাৰে দুটামান উ দাহৰণ মই দিম। এটা unstarred Question 28 মতে ২০১৪ ৰ সেইবছৰ Secretariat ত তৃতীয় বৰ্গত Junior Administrative Assistant ত মুঠ নিযুক্তি হৈছিলে ১০০। মুছলমান নিযুক্তি হৈছিলে মাত্ৰ ৪ জন। অৰ্থাৎ ৪ শতাংশ, Class-III(Driver) ২৫ টা পোষ্টৰ ভিতৰত মুছলমান আবেদনকাৰীয়ে মাত্ৰ ১ জনে পাইছে অথচ প্ৰাইভেট যিমান ড্ৰাইভাৰ আছে সকলো বিলাক মুছলমান সম্প্ৰদায়ৰ, কিন্তু যেতিয়া চৰকাৰী চাকৰিৰ কথা আহে ২৫ জনৰ ভিতৰত মাত্ৰ এজনে পায়। মাননীয় উপাধ্যক্ষ মহোদয়, বৰপেটা জিলাত

বৰ্তমান ৭৪ শতাংশ জনসংখ্যাই হৈছে মুছলিম। ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজত মই ওপৰৰ পোষ্টৰ কথা বাদেই দিলো, পিয়ন-চকীদাৰ পদত ১৬ টা পোষ্টৰ ভিতৰত মুছলমান আবেদনকাৰী মাত্ৰ ১ জনে পাইছে অৰ্থাৎ ৬ শতাংশ য'ত ৭৪ শতাংশ জনসংখ্যাই হৈছে মুছলিম। ক্লিনাৰৰ ৯ টা পোষ্টৰ ভিতৰত মুছলমান আবেদনকাৰীৰ এজনেও পোৱা নাই, মুছলমান সম্প্ৰদায়ৰ মানুহ ক্লিনাৰৰ কাৰণেও যোগ্য নহয় নেকি? মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা ডাঙৰ সমস্যা হ'ল গৰাখহনীয়া। ২০০৮ চনৰ চৰকাৰী ৰেকৰ্ডমতে ৪ লাখ ২৭ হাজাৰ হেক্টৰ মাটিৰ প্ৰায় ৩০ লাখ বিঘা মাটি নদীৰ বুকুত জাহ গ'ল। চৰকাৰী তথ্যমতে ১ লাখ ৩০ হাজাৰ পৰিয়াল (এইটো বেছি হ'ব), ২৫৩৪ খন গাওঁ নদীৰ বুকুত জাহ গ'ল। গৰাখহনীয়াৰ ফলত তেওঁলোকৰ যিটো দুখৰ গাঁথা সেইয়া ভুক্তভোগী বা প্ৰত্যক্ষদৰ্শীয়েও ভালদৰে বুজিব। মোৰ সমষ্টিত এনেকুৱা গৰাখহনীয়াত ক্ষতিগ্ৰস্ত প্ৰায় ৩০ হাজাৰ পৰিয়াল আছে। ২০১০ চনৰ চৰকাৰী নিৰ্দ্দেশনা মতে allotment of land to the eligible river eroded families of char areas তাত কোৱা হৈছে যে চেয়াৰমেন, এ ডি চি, মেম্বাৰ-চেক্ৰেটাৰী, চাৰ্কোল অফিচাৰ, স্থানীয় বিধায়কৰ দ্বাৰা যিসকল মানুহ গৰাখহনীয়াত গৃহহীন হৈছে তেওঁলোকক সংস্থাপন দিব লাগে, কিন্তু আমি আজিলৈকে দিব পৰা নাই। আগতে বহুবাৰ প্ৰপোজেল দিয়াৰ পিছতো ডি চি অফিচৰ পৰা এপ্ৰোভেল নহয়, তাত হয়তো চাৰ্কোল অফিচাৰে প্ৰপোজেল নিদিয়ে বা এ ডি চি য়ে বিষয়টো এজেণ্ডাত নানে। কিছুদিন আগতে মুখ্যমন্ত্ৰী মহোদয়ে কোৱা শুনিছো যে বিধায়কে মাটি বিলাক দি দিব লাগে, কিন্তু চৰকাৰী সদিচ্ছা নহ'লে বিধায়কে দিব নোৱাৰে। আগতেতো অলপ দিছিলেই, কিন্তু মুখ্যমন্ত্ৰীয়ে এতিয়া বিধায়কৰ কাম নাই বুলি কৈছে। গতিকে এতিয়া কিমানখিনি এলোটমেণ্ট দিব সেইটো আমি নাজানো। যিয়েই নহওঁক, এই যে গৰাখহনীয়াত গৃহহীন হ'ল, মোৰ সমষ্টিৰ এটা জ্বলন্ত উদাহৰণ দিছো, তেওঁলোকে গৰাখহনীয়া হোৱা বাবে ঠাইৰ অভাৱৰ ফলত মথাউৰিত বাস কৰিব লগীয়া হয় আৰু বাৰিষা হোৱাৰ লগে লগে আমাৰ তাত একো কাম নথকাৰ কাৰণে সৰু সৰু ল'ৰা-ছোৱালীবোৰক লগত লৈ ইটা ভাটা বোৰত কাম কৰিবলৈ যায় আৰু এইদৰে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত ধ্বংস কৰি আছে। সৰু সৰু ল'ৰা-ছোৱালী লৈ গোটেই বাৰিষা কালতো তেওঁলোক ইটা ভাটাত থাকে আৰু খৰালি হ'লে নিজ ঠাইলৈ গুছি যায়। শিক্ষা ব্যৱস্থা একেবাৰে নষ্ট হৈ গৈছে গতিকে তেওঁলোক কেনেদৰে আগবাঢ়ি যাব। মই প্ৰথমতে কৈছো যে উপাধ্যক্ষ মহোদয়, I am equally concerned with the Hon'ble Chief Minister that this growth rate of Muslim should be cut তাৰবাবে কেইটামান বাস্তৱ পন্থা ল'ব লাগিব। প্ৰথমতে, পৰ্য্যাপ্ত স্কুল- শিক্ষক দিব লাগিব। মই ২০১১ চনত বিধায়ক হোৱাৰ সময়ত মোৰ তাত ৪০০ ছাত্ৰৰ বিপৰীতে এজন শিক্ষক আছিল, ৩০ খন স্কুলত জিৰ' শিক্ষক আছিল। এতিয়া বহুখিনি ভাল হৈছে কিন্তু পৰ্য্যাপ্ত স্কুলৰ , হাইস্কুল-হাইয়াৰ চেকেণ্ডাৰী স্কুলত শিক্ষকৰ বহুত অভাৱ আছে। উদাহৰণ স্বৰূপে মোৰ সমষ্টিৰ ভাতনাপাইতি পঞ্চায়তত ৩৫ হাজাৰ জনসংখ্যা আছে কিন্তু তাত এখনো হাইস্কুল নাই। চট'লা জিলা পৰিষদ তাত জনসংখ্যা প্ৰায় ৭০ হাজাৰ কিন্তু তাত এখনো কলেজ নাই। গতিকে শিক্ষানুষ্ঠানৰ, শিক্ষাৰ যি অভা ৰ এইটো যেতিয়ালৈকে দূৰ নহ'ব তেতিয়ালৈকে long term basis ত এই population control টো নহ'ব কাৰণ Education is said to be the best contraceptive. গতিকে উপাধ্যক্ষ মহোদয়, 1. Spread of Education, 2. Establishment of adequate schools 3. Appointment of adequate teachers and 4. Stop the early marriage of the

girl child which is the greatest melady in Muslim society. আইন আনক, আইন আনি দুটাতকৈ বেছি ল'ৰা-ছোৱালীৰ জন্ম দিয়াটো বন্ধ কৰক। যদি ১১ বছৰত বিয়া হৈ ৩০ বছৰত আইতা হয় কেনেকৈ জনসংখ্যা কমিব? মই বিধায়ক হোৱাৰ পিছৰ পৰা চেষ্টা কৰিছো যে ১৮ বছৰৰ তলৰ বয়সৰ কোনোবা ছোৱালীৰ যদি বিয়া হয় তেনেহ'লে সেই ছোৱালীজনীৰ মাক-বাপেক, ল'ৰাৰ মাক-বাপেকক এৰেষ্ট কৰিব লাগে, এই বিষয়ে মই ডি চি, এচ পি, চাৰ্কোল অফিচাৰ, থানাৰ অ চি ৰ লগত কথা পাতিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিওঁ ভাতনাপাইতিত ২০১৭ চনত এগৰাকী ১১ বছৰীয়া ছোৱালীক বিয়া দিবলৈ ওলোৱা খবৰ মই পালো। লগে লগে অ চি, এচ ডি চি, ডি চি, এচ পি ক জনালো কিন্তু বিয়া হৈ যোৱাৰ ১ সপ্তাহ পিছতহে এৰেষ্ট কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এই চৰকাৰৰ পৰা, মাননীয় মুখ্যমন্ত্ৰীৰ পৰা ঘোষণা বিচাৰিম যে কোনোবা জিলাত যদি ১৮ বছৰৰ তলৰ ছোৱালী বিয়া দিয়াৰ ঘটনা ঘটে তেতিয়াহ'লে সেই জিলাখনৰ ডি চি আৰু এচ পি ক নিলম্বিত কৰিব লাগে। যদিহে ছোৱালীৰ বাল্য বিবাহতো আমি বন্ধা কৰিব নোৱাৰো তেতিয়াহ'লে কিন্তু বাকী আইন কৰি কোনো লাভ নহ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আজি সৰ্ব্বশিক্ষা অভিযানৰ গাইড লাইন মতে চৰ অঞ্চলত ১০ হাজাৰ এল পি স্কুলৰ প্ৰয়োজন কিন্তু মাত্ৰ ১৮৫২ খন হে আছে, লাগে ৮,১৪৮ খন। মই যিমান ক'লেও এই ৫ বছৰত এই চৰকাৰখনে ৮১৪৮ খন এল পি স্কুল স্থাপন কৰিব নোৱাৰে আৰু আটাইখিনি পইচা চৰ অঞ্চলত দিলেও নহ'ব। এম ই স্কুলৰ প্ৰয়োজন ৫০০০, আছে মাত্ৰ ৫৭৪ খন, অৰ্থাৎ আৰু ৪৪২৬ খনৰ প্ৰয়োজন। মই মাত্ৰ দুটাহে ক'লো, চৰকাৰে হাজাৰ চেষ্টা কৰিলেও এই ৫ বছৰত নোৱাৰে। এই সকলোবিলাক চাব লাগিব। সিদিনাখন মই WAQF Board ৰ কথা কৈছিলো যে অন্ততঃ ১৫ টা মান commercially value থকা গুৱাহাটীৰ ৪ টা, ধুবুৰীৰ ২ টা, গোৱালপাৰাৰ ২ টা, তেজপুৰৰ ২ টা আৰু শিলচৰৰ ৫ টা WAQF সম্পত্তি যদি উদ্ধাৰ কৰে আৰু যদি commercially developed কৰে আৰু commercially developed কৰাৰ কাৰণে ৫-১০ হাজাৰ কোটি যি লাগে Central WAQF Council য়ে ইণ্টাৰেষ্ট ফ্ৰি লোন দিব, যাৰ বাবে চৰকাৰক এক পইচাও দিব নালাগে আৰু WAQF Board ৰ কোনো কৰ্মচাৰীক চৰকাৰে পইচা দিব নালাগে। মাইন'ৰিটি Board মোৰ মতে থাকিবই নালাগে এইটো উঠাই WAQF Board কৰক আৰু তাৰ সকলো দৰমহা এই WAQF property ৰ পোৱা আয়ৰ পৰা মেনেজ কৰিব পৰা যাব। দ্বিতীয়তে, শিক্ষাৰ ক্ষেত্ৰত, MSDP ৰ ক্ষেত্ৰত মই যোৱা বছৰৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল চৰকাৰক আপোনাৰ জৰিয়তে ধন্যবাদ জনাম যে তেওঁলোকে MSDP ৰ পৰা এটা ঐতিহাসিক কাম কৰিলে । ২১ খন মডেল ৰেচিডেঞ্চিয়েল স্কুল ৬৩০ কোটি টকাৰ আৰু ৯ খন women কলেজ, I think this step will go a long way in development of the minority Miyan in development of the Char-Chapari people. এনেকুৱা কাম আৰু কৰিব লগীয়া আছে। এই মডেল ৰেচিডেঞ্চিয়েল স্কুল প্ৰত্যেক জিলা পৰিষদ ভিত্তিত হ'ব লাগে আৰু তাত WAQF property ৰ পোৱা আয় ব্যৱহাৰ কৰক। MSDP ৰ টকা, সৰু সুৰা স্কীম বাদ দি অকল বোৰ্ডিং স্কুল কৰক। যোৱা বছৰৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল চৰকাৰে যিটো আৰম্ভ কৰিলে সেইটো কণ্টিনিউ কৰক। প্ৰত্যেক বছৰে ২০-১৫ খন কৈ মডেল ৰেচিডেঞ্চিয়েল স্কুল কৰক, অন্ততঃ যাতে হাইয়াৰ চেকেণ্ডাৰী লেভেললৈকে স্কুলীয়া শিক্ষাতো পায়। তেওঁলোকে ইটা ভাটালৈ যাওঁতে নিজৰ ল'ৰা-ছোৱালীখিনিক যাতে ৰেচিডেঞ্চিয়েল স্কুলত থৈ যাব পাৰিব। These are the realistic measures. যি

এই ব্যৱস্থাখিনি ললে ২০ বছৰ পিছত অন্তত ইয়াৰ ফল পোৱা যাব। কিন্তু যদি আমি ৰাজনীতি কৰিবলৈ কথাবোৰ কৈ থাকো ৰিজাল্ট নাপাম আমি। এই বাস্তৱ পন্থা লব লাগিব। হাজাৰ কঠোৰ আইন আনিলেও নহ'ব, যদি আমি বাল্যছোৱালী বিবাহ বন্ধ নকৰো। যদি আমি শিক্ষাত গুৰুত্ব নিদিওঁ। চৰকাৰে পইচা দিব নালাগে সংখ্যালঘুৰ কাৰণে যিখিনি পইচা আছে, এম এচ ডি পি ৰ পৰাই হওঁক বা ওৱাকাফ সম্পত্তিৰ পৰাই হওক তাৰ পৰাই দিয়ক না, তেতিয়াই এই communityটোৰ জনসংখ্যা ৰোধ হ'ব। আমাৰ এই যে অসম খনক ৫ খন ৰাজ্যৰ ভিতৰত লোৱাৰ কথা কৈছে It is simply imposible if we ignore 43 percent of its population. ৩৪ শতাংশ মানুহক অবজ্ঞা কৰো কেতিয়াও এই inclusive development নহয়, ভাৰতৰ ৫ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্যৰ দৰ্জা আমি কেতিয়াও নাপাওঁ। মাননীয় উপাধ্যক্ষ মহোদয়, আমি এই ৩৪ শতাংশ মানুহক অবজ্ঞা কৰি কেতিয়াও অসমে, আজি যে IMR, MMR আমি নিম্ন স্থান SDG Goal it is because there has been continous negligence towards this one third population of Assam and if we transparent no further we should stop it, মাননীয় উপাধ্যক্ষ মহোদয়, মই আশা কৰিম, হয় আইন আনক।

**মাননীয় উপাধ্যক্ষ ঃ** চমু কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** তাৰ লগতে এইকেইটা বস্তু এটা হ'ল শিক্ষাৰ প্ৰসাৰ, চোৰ্চ মই কলো MSDP ওৱাকফ সম্পত্তি চৰকাৰে যদি পাৰে দিয়ক, দ্বিতীয়তে, বাল্যবিবাহ কঠোৰ ভাৱে ৰোধ, ডি চি, এচ পি লৈ আজিয়ে মেচেজ যাব লাগে যে কোনোবা বিশেষকৈ মিঞা অধ্যুষিত জিলাত কোনোবা যদি ১৮ বছৰৰ তলত ছোৱালী বিয়া দিয়ে সেই ডি চি আৰু এচ পি ক চাচ্‌পেণ্ড কৰিব লাগে Let this message circulate down to the district. তৃতীয়তে, নিয়োগৰ ক্ষেত্ৰত আৰু আৰ্থসামাজিক ক্ষেত্ৰত অন্যায় নকৰি যিখিনি সৰু সৰু চাকৰি Grade iii, iv এইখিনিত যিখিনি পাৰে গুৰুত্ব দিয়ক। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, মিঞা জনসংখ্যা বৃদ্ধিকলৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে, ময়ো উদ্বিগ্ন, ভাল পাইছো মই, এই আচল ৰিয়েল পইন্টত ধৰিছে This should go down. কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, কাৰ্য্যক্ষেত্ৰত কিন্তু ওলোটাহে দেখা যায়। আজি এক কোটি ২৫ লাখ মানুহৰ বাজেট ধৰিলে মাত্ৰ ৭৭ কোটি টকা। ৬৫ টকা জনমুৰি আৰু ইয়াতে কৈছে আলাপ আলোচনা That too with a section of muslims. যি সকলৰ মাজত বৃদ্ধিৰ পৰিমান নাই, মানে আমি সেইটো ভাগ কৰিব নিবিচাৰো, মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে খিলঞ্জীয়া মুছলমান, তেওঁলোকৰ লগতে আলাপ আলোচনা, চৰৰ এই মিঞা খিনিৰ লগত কোনো আলাপ আলোচনা নহয়। এনে গালি পাৰিলে জনসংখ্যা কমি যাব নেকি? আইন কৰিলে জনসংখ্যা কমি যাব নেকি? বাংলাদেশী হলেটো বেলেগ কথা খেদি দিয়ক। যিহেতু নহয়, ৰাজনীতি কৰি থাকিব পাৰিম, মই ৰাজনীতিৰ উৰ্দ্ধত গৈছো, ৰাজনীতি হ'ব কিন্তু অসমখনৰ সামগ্ৰিক উন্নতি নহ'ব গতিকে We should rise up to the occasion and take realistic measures so that though there is no exploion of population but the growth rate of the population should come down and socio-economic development including literacy rates, curbing child marriage especially among the "Miyas" should be stopped. Thank you Sir.

**মাননীয় উপধ্যক্ষ ঃ** ধন্যবাদ। ভাল কথা কৈছে।

**শ্ৰীগনেশ কুমাৰ লিম্বু (বৰছলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়।

**মাননীয় উপধ্যক্ষ ঃ** কিবা আছিল, মই কবলৈ দিম।

**শ্ৰীগনেশ কুমাৰ লিম্বু (বৰছলা) ঃ** মই কব বিচাৰিছোঁ আমাৰ যি চৰ চাপৰিৰ বিষয়ে তেখেতে যি ধৰণে আগবঢ়াইছে মই ভাৰো আমি চৰ চাপৰিৰ উন্নয়নৰ বাবে যি বিলাক কথা ইতিমধ্যে তেখেতে কৈছে, আমি যদি জন্ম নিয়ন্ত্ৰনক আৰু শিক্ষাৰ লগত যদি আমি চাওঁ এক প্ৰকাৰে ভাৰিলে কথাটো যুক্তি সংগত। কিন্তু সকলো কথা তেনেকুৱাও নহয়। আজি যদি আমি চৰ চাপৰি চাওঁ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাক কবলৈ সময় দিম।

**শ্ৰীগনেশ কুমাৰ লিম্বু (বৰছলা)ঃ** মই অলপ স্পষ্টীকৰণ কৰি দিওঁ, মই দেখিছো যে নতুন নতুন চৰ চাপৰিত য'ত নেকি কোনো ব্যৱস্থাই নাই তাত বিভিন্ন ঠাইৰ পৰা মানুহৰ পৰিয়াল আহি বহে, মই কব খুজিছোঁ যিটো আমাৰ প্ৰৱনতা, অভিভাৱক সকলৰ প্ৰৱনতা যদি তেনেকুৱা থাকে য'ত নেকি টেম্পৰাৰী চৰ বিলাক থাকে তাত যদি বেলেগ ঠাইৰ পৰা পৰিয়াল আহি বহি যায় তাত শিক্ষাৰ প্ৰসাৰ এখন চৰকাৰে কেতিয়াও কৰিব নোৱাৰে। সেই কাৰণে আমি চৰত যদি ভালকৈ বিশ্লেষণ কৰিবলৈ যাও তেতিয়া এনেকুৱা নহয় যে চৰত আমি কিছুমান criteria উন্নত কৰিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** জানিছো আপোনাৰ কথাটো, যে প্ৰৱজনকাৰী মানুহ বিলাকৰ কাৰণে শিক্ষাটো ব্যৱস্থা কৰিব নোৱাৰি, সেইটো কব খুজিছেটো।

**শ্ৰীগনেশ কুমাৰ লিম্বু (বৰছলা)ঃ** স্থায়ী চৰ হ'ব পাৰে মোৰ সমষ্টিত যি চৰ আছে সেইবোৰ অস্থায়ী চৰ। তাত যদি আমি শিক্ষা, তাত যদি আমি ৰোড পি ডব্লিউ ডি, আমি কৰিবলৈ যাওঁ সেইটো সম্ভৱ নহয়। সাধাৰণতে তাত থকা মানুহ বিলাক পিছ পৰি থাকিব। মই কব খুজিছো অধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব, সময় দিম এইটো ভালকৈ কব আপুনি। তেখেতৰ কথাটো হৈছে যিবোৰ অস্থায়ী চৰত কৰবাত পানীৰ বাবে আহি বহিলে প্ৰৱজনকাৰী যিবোৰ মানুহ কষ্ট পায়ে হওঁক বা যিয়ে নহওঁক এই সকলৰ কাৰণে তাত শিক্ষা অনুস্থানটো বনোৱা বা ৰাস্তা-পদূলি বনোৱা সম্ভৱ নহয় বুলি কথা কৈছে, সেইটোৱে কথাটো। হয়, আমাৰ শ্বেৰমান আলী ডাঙৰীয়াই ভালদৰে বহুতখিনি কথা কৈছে আৰু আমাৰ ১০ গৰাকী ব্যক্তি আছে। তেখেতে এটা কথা কৈছে যে Education is the only way. যিটোৱে জনসংখ্যাটো কমাব, জনবিস্ফোৰণ যিটো অশিক্ষিততাৰ কাৰণে কিন্তু নিশ্চিতভাৱে যদি আপোনালোকে চাব যায় আন্দামান নিকোবৰ আইলেণ্ডত যি বিলাক ট্ৰাইবেল জনসংখ্যা আছে সিহঁতৰটো জনসংখ্যা কমি কমি গৈ আছে, শিক্ষা নাই তেখেত সকলৰ, উন্নতিকৰণ নাই, জংঘলত থাকে। কিয়? এইটোৰ কাৰণে আমি চাব লাগিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** বহু অশিক্ষিত মানুহ আছে, তেওঁলোক জন্ম নিয়ন্ত্ৰণ কৰিছে।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব, আপুনি বহুত কলে। এতিয়া আমিনুল ইছলাম, আপুনি ৮ মিনিট মানত শেষ কৰিলে ভাল হ'ব, বাকী কেইজনো আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ইয়াত এটা অতি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত ৰুল নং ৫০ ৰ অধীনত ইয়াত যিটো আলোচনা হৈ আছে, এই বিষয়টোক লৈ বিগত কিছু দিন ধৰি সংবাদ মাধ্যমত আৰু ৰাজনৈতিক মহলত ব্যাপক চৰ্চা হৈ আছে। বহুতে বিষয়টোক লৈ এটা জনগোষ্ঠীক গালি-গালাজ কৰে, বহুতে বহু পৰামৰ্শ দিয়ে এটা চৰ্চিত বিষয় আজি সদনত আহিছে আৰু এই ক্ষেত্ৰত মই দুটামান কথা কব বিচাৰিছোঁ, ইতিপূৰ্বে প্ৰস্তাৱক

শ্বেৰমান আলী ডাঙৰীয়াই কিছুমান তথ্যভিত্তিক কথা তেখেতে কলে আৰু আমি দেখিছো যে চৰ চাপৰিত যিসকল  লোক বসবাস কৰে আৰু নৈ পৰীয়া অঞ্চলত, এই কথাটো সকলোৱে জানে আমাৰ এই পবিত্ৰ সদনত দিয়া তথ্য মতে এটা কথা জানিছিলোঁ যে চৰ চাপৰিত শিক্ষিতৰ হাৰ ১৯ শতাংশ, এই পবিত্ৰ সদনত পূৰ্বতে চৰকাৰে দিয়া তথ্য মতে যে শতকৰা ১৯ শতাংশ যিটো সমগ্ৰ আমাৰ ৰাজ্যৰ শিক্ষিত হাৰতকৈ বহুত কম। আৰু এটা কথা কেইদিনমান আগতে এক সংবাদ মাধ্যমৰ আলোচনা চক্ৰত এই বিষয়টো লৈ এটা আলোচনা চক্ৰ হৈছিল য'ত আপোনালোক সকলোৱে জানে ড° ইলিয়াছ আলী চাহাব তেখেতে এই বিষয়টোত বহুত কাম কৰি আছে তেখেতক মই প্ৰশ্ন কৰিছিলোঁ যে, আপুনি যে এই জন্ম নিয়ন্ত্ৰণৰ কাম যিহেতু কৰি আছে, আপুনি চৰচাপৰিত গৈছে গ্ৰাম্য অঞ্চলত গৈছে পিছপৰা অঞ্চলত, চিটি বিলাকত আপুনি প্ৰগ্ৰেম কৰিছিলনে? যে গুৱাহাটী, বৰপেটা, নগাওঁ, ধুবুৰী, এনেকুৱা নগৰ বোৰত আপুনি প্ৰগ্ৰেম কৰে নেকি? নে নাই। কিন্তু এই চিটিৰ ভিতৰত যিসকল ধৰ্মীয় সংখ্যালঘু বা অন্যান্ন জনগোষ্ঠীৰ চিটিত যি সকল থাকে বিষয়া, চাকৰি কৰা, শিক্ষিত, প্ৰফেচাৰ, উচ্চ শিক্ষিত তেওঁলোকক আপুনি বুজাব লগীয়া হৈছিল নেকি? নে নাই হোৱা। তেওঁলোকটো ফেমিলি প্লেনিং কৰিছে, আপুনিটো কোনোদিন প্ৰগ্ৰেম কৰিব লগীয়া হোৱা নাই, তেওঁলোকৰ মাজত যাব লগা হোৱা নাই বুজাব লগীয়া হোৱা নাই, কিয়, তেওঁলোক যথেষ্ট উচ্চ শিক্ষিত তেওঁলোক নিজে সচেতন আৰু তাৰ লগত তেওঁলোক বিত্তীয় ভাৱে প্ৰতিষ্ঠিত, যাৰ কাৰণে তেওঁলোকৰ ওচৰত আপুনি কেতিয়াও কেম্পনিং কৰি তেওঁলোকক বুজাবলৈ সজাগতা কৰিব লগীয়া হোৱা নাই। যিটো অঞ্চলত আপুনি বাৰে বাৰে গৈ আছে তাত লাহে লাহে এটা পৰিবৰ্তন আহিছে, কিন্তু তাত বহুত প্ৰগ্ৰেম কৰিবলগীয়া হৈ আছে। বাৰে বাৰে যাব লগা হৈ আছে। গতিকে এই কথাটো আমি যদি অৱজ্ঞা কৰিব বিচাৰো যে শিক্ষাৰ এই ক্ষেত্ৰত সম্পৰ্ক নাই, বা অৰ্থনৈতিক যিটো অৱস্থা অৰ্থনৈতিক উন্নতিৰ লগত সম্পৰ্ক নাই এই কথাটো আমি উৰুৱাই দিলে নহ'ব। সকলোতকৈ ডাঙৰ কথাটো হ'ল এটা সমস্যা যদি হ'ল  এই সমস্যাটোক লৈ গালি গালাজ পাৰি সমালোচনা কৰি এটা জনগোষ্ঠীক টাৰ্গেত কৰি এইটোক লৈ বিবৃতি দি সংবাদ মাধ্যম উত্তাল কৰিলে সমস্যাটো সমাধান নহয়। আমি প্ৰথমতে Diagnosis কৰিব লাগিব। কোনোবা এজন যদি ঠাণ্ডাত বৰষুণত তিতিলে তেওঁৰ জ্বৰ হ'ল, জ্বৰ হোৱাত তেওঁক যদি মাক বাপেকে গালি পাৰে কিয় বৰষুণত তিতিলি, কিয় জ্বৰ হ'ল এতিয়া ভূগি থাক, হাজাৰ গালি পাৰিলেও তেওঁৰ জ্বৰ ভাল নহয়। তাক ডাক্তৰৰ ওচৰত নিব লাগিব বা ঔষধ খুৱাব লাগিব। গতিকে প্ৰথম কথা হ'ল আমি কেৱল এই ইচ্যু বিলাকক এটা ৰাজনৈতিক হাঠিয়াৰ কৰি ৰাখি, এইটোকলৈ ৰাজনীতি কৰাতকৈ আমি আন্তৰিকতাৰে যেতিয়া সমস্যাৰ প্ৰকৃত কাৰণ উদ্‌ভাৱন কৰি সমাধানৰ কৰাৰ কাৰণে কাম কৰিম, তেতিয়াহে মাত্ৰ সমাধানৰ পথ উলিয়াব পাৰে। নহলে কিন্তু এই সমস্যাটোক লৈ ৰাজনীতি হ'ব, চৰ্চা হ'ব,সংবাদ মাধ্যমত বাতৰি হ'ব, কিন্তু সমস্যাৰ সমাধান নহয়।

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই কেইটামান কথা কব বিচাৰিছো যে আজি চৰ-চাপৰিত যিসকল লোক বসবাস কৰে, সেই লোকৰ শিক্ষাৰ ক্ষেত্ৰত, স্বাস্থ্য খণ্ড হওঁক, নিযুক্তিৰ ক্ষেত্ৰত হওঁক, যোগাযোগ, যাতায়ত বৈদ্যুতিকৰণ আদি সকলো ক্ষেত্ৰত তেওঁলোক পিছপৰি পৰা। এইযে চৰ উন্নয়নৰ এটা বিভাগ আজিলৈকে খোলা হোৱা নাই, চৰ উন্নয়নৰ কাৰণে এটা বাজেট provision নাই,  কোনো Ministry নাই, Secretariat নাই। এই অসম বিধান সভাৰ পবিত্ৰ মজিয়াত মই কেইবাৰো resolution আনিছিলো যে সংখ্যালঘু উন্নয়নৰ পুঁজিৰ পৰা মাত্ৰ কেইটামান টকা দি, তাত ছাতি, চাইকেল কেইখনমান দি,  চৰৰ মানুহ শিক্ষিত

নহয়, তেওঁলোকৰ উন্নয়ন নহয়, তেওঁলোকৰ সৰ্বাঙ্গ সুন্দৰ কল্যাণকামী এখন সমাজ ব্যৱস্থা গঢ় লৈ নুঠে। আমাৰ দাবী আছিল যে সংখ্যালঘু উন্নয়ন বিভাগৰ পৰা কেইটামান টকা তাত দিয়াৰ যুক্তি নাই। কাৰণ তাত অকল সংখ্যালঘু মানুহ নাথাকে। মাজুলিৰ পৰা আৰম্ভ কৰি বিভিন্ন চৰ অঞ্চলত আপুনি দেখিব মিচিং জনগোষ্ঠীৰ লোকসকল আছে, নেপালীসম্প্ৰদায়ৰ লোকসকল আছে, অন্যান্য জনগোষ্ঠীৰ লোকো আছে। গতিকে সংখ্যালঘু উন্নয়ন বিভাগৰ পৰা কেইটামান টকা তাত দিয়াতকৈ চৰ উন্নয়নৰ এটা separate Ministry, separate Secretariat, separate Budget allocation এইটো resoluation কেইবাৰো আনিছো, দুৰ্ভাগ্যবশঃত এই পবিত্ৰ সদনত আলোচনা কৰাৰ সুবিধা নাপালো। গতিকে অতি গুৰুত্বসহকাৰে এই কামটো কৰা হয়, তাৰ কাৰণে চৰকাৰে planing কৰিলে, চৰ উন্নয়নৰ সৰ্বাঙ্গ সুন্দৰতাৰ সমগ্ৰ চেষ্টা গঢ় দিয়াৰ কাৰণে আমি সফল হম। আটাইতকৈ ডাঙৰ কথাটো হ'ল আমি এই লোকসকলক কেতিয়াও অন্তৰেৰে আপোন বুলি ভৱা নহয়। সদায় তেওঁলোকৰ বিৰুদ্ধে বিভিন্ন সময়ত সংবাদ মাধ্যমত কিছুমান বাতৰি প্ৰকাশিত কৰা হয় যে তাত জেহাদীৰ ঘাটি, সন্ত্ৰাসবাদী, উগ্ৰপন্থী, তেওঁলোক বিদেশী, অনুপ্ৰৱেশকাৰী, সন্দেহযুক্ত নাগৰিক, এনেধৰণৰ বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে তেওঁলোকক demoralize কৰি থকা হয়। তেওঁলোক যে আমাৰ দেশৰ নাগৰিক, আমাৰে পিছপৰা জনগোষ্ঠী, আমি তেওঁলোকক আগুৱাই আনিব লাগিব, আমাৰ level ত আনিব লাগিব, তেওঁলোকৰ কাৰণে আমি কিবা কৰিব লাগিব, এই মনোবৃত্তিৰে কাম কৰিব লাগিব।

অতি দুৰ্ভাগ্যৰে কৈছো মাননীয় উপাধ্যক্ষ মহোদয়, এইলোকসকলক আপুনি জানে যে তেওঁলোকক যেতিয়া আনিছিল বৃটিছে আৰু এই অসমখন **১৮৭২** চনৰ আগলৈকে এইখন আছিল Bengal state ত অন্তৰ্ভুক্ত। অসম নামৰ separate state নাছিল। যেতিয়া ৰাজধানী ঢাকা আছিল, তেতিয়া বৃটিছে কিছুমান জিলাৰ পৰা ইয়াত পৰিতপ্ত নৈ-পৰিয়া আৰু বৃহৎ অতব্য হাবি-বনানি কাটি grow more food আচঁনিৰ জৰিয়তে ইয়াত খেতি উৎপাদন কৰাৰ কাৰণে লোকসকলক আনিছিল, তেতিয়া একেখন Bengal state আছিল। **১৮৭২** চনৰ পৰা পিছত এইখন seperate unit হ'ল, যিটো census report 1951 চনত লিখা আছে যে In 1872 when Assam included in Bangal, Assam was constituted at Chief Commissioner Province তেতিয়া অসমখনক এটা মুখ্য আয়ুক্তৰ ৰাজ্যলৈ separate কৰা হৈছিল **১৮৭২** চনত। **১৮৭২** চনৰ পৰা **১৯০৫** চনলৈকে Chief Commissioner Province হিচাপে আছিল। তাৰ পিছত **১৯০৫** চনত আকৌ হুEastern Bangal Assam Province নামেৰে কৰা হৈছিল। **১৯১২** চনলৈকে Eastern Bangal Assam Province ত আছিল আৰু ৰাজধানী আছিল ঢাকা। তেতিয়াও বৃটিছে এখন জিলাৰ পৰা আন জিলালৈকে বহু শ্ৰমিকক নি তেওঁলোকে Grow more food আচঁনিৰ জৰিয়তে মানুহবিলাকক চৰ-চাপৰি, হাবি-বননি কাটি আনি তেওঁলোকক খেতি কৰিবলৈ দিছিল। একেসময়তে বৃটিছে তেওঁলোকক grow more tea আচঁনিৰ জৰিয়তে ঝাৰখণ্ড আৰু সেই অঞ্চলৰ পৰা চাহ বনুৱা লোক সকলক অনা হৈছিল। এই দুটা আচঁনিৰ জৰিয়তে তেওঁলোকক আনি কাম কৰাইছিল। **১৯১২** চনত অসমক আকৌ Eastern Bangal Assam Province ৰ পৰা separate unit কৰা হয় আৰু **১৯২১** চনত Montegue Chemsford সংস্কাৰৰ অধীনত অসমখনৰ আকৌ Governor Province কৰা হ'ল।

(সদনত হুলস্থুল)...

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি শ্বেৰমান আলি ডাঙৰীয়াই অনা বস্তুখিনিৰ ওপৰত কওঁক। আপোনাৰ সময় উকলি গৈছে, আপোনালোকৰ দলৰ কোনোৱাই যদি নকয়, আপোনাক অলপ সময় দিয়া হ'ব, নহ'লে সামৰণি কৰক।

**শ্ৰীআমিনুল ইছলাম (ধিং )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কম সময়তে সামৰণি কৰি আছো। এই মানুহসকলৰ কাৰণে all round development ৰ কাৰণে, কল্যানৰ কাৰণে, শিক্ষাৰ কাৰণে কাম কৰাতকৈ, গালি পাৰিলে সমস্যা সমাধান নহয়। গতিকে আমি আন্তৰিকতাৰে আগুৱাব লাগিব যে এই মানুহখিনিক কেনেকৈ শিক্ষাখণ্ডত, মাননীয় উপাধ্যক্ষ মহোদয় মই নিজেও বিধায়ক হোৱাৰ আগতে অসম সৰ্বশিক্ষা অভিযান মিছনত কাম কৰিছিলো। মই এটা ব্লকৰ particular কিছুমান চৰ অঞ্চলত survey কৰিছিলো। তাত criteria মতে ৫৪ খন স্কুল লাগে। মই সৰ্বশিক্ষা মিছনত report submit কৰিছিলো। তাত ৭ খন EGA য়ে center দিছিল আৰু বাকীখিনি কিন্তু দিয়া নাই। সেই ৭ খন EGA য়ে center এতিয়া LP school হ'ল আৰু যিটো ২০০৯ চনৰহ্লRight to Education Act. মতে প্ৰত্যেক এক কিলোমিটাৰত একোখনকৈ এল পি স্কুল, তিনি কিলোমিটাৰত Upper Primary School থাকিব লাগে। মোৰ সমষ্টিৰ চৰ অঞ্চলত দেখিছো এখন এল পি স্কুলৰ পৰা পিছৰ খন এল পি স্কুললৈ **১৩** কিলোমিটাৰ দূৰত। মাজত আৰু **১২** খন এল পি স্কুল থাকিব লাগিছিল। গতিকে Right to Education Act. পুৰামাত্ৰাই execute কৰা হয়, এইটো **১২** বছৰ হৈ গ'ল। এতিয়ালৈকে অসমত এনেকুৱা বহুত ঠাইত এই ধৰণৰ Act মতে কোনো স্কুল বহুৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে অসম চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যাতে Right to Education Act. মতে পৰ্য্যাপ্ত পৰিমানে স্কুলবিলাক স্থাপন কৰা হয়।

দ্বিতীয়তো কথা হ'ল এই চৰ অঞ্চলৰ মানুহখিনিক প্ৰায়ে নদীয়ে ভাঙে, এখন চৰ ভাঙি যোৱাৰ পিছত নতুন এখন চৰ পৰে, ইয়াৰ পৰা আকৌ তেওঁলোকে তাতে গৈ ঘৰ-বাৰী বনাই তালৈ যাব লাগে। মই এই পবিত্ৰ সদনত এবাৰ মই প্ৰস্তাৱ দিছিলো তাত Floating School চৰ এলেকাত দিয়াৰ কাৰণে। গতিকে যিকোনো প্ৰকাৰে আমাৰ এই পিছপৰা অঞ্চলটোক যাতে আগুৱাই আনিব পাৰো, মানুহখিনি aware হ'ব আৰু তেওঁলোকক আধুনিকধৰণৰ অংগ হিচাপে লৈ একেলগে অসমখনক উন্নত পথত আগুৱাই লৈ যাব পাৰিম, এইটোকে মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া।

**শ্ৰী মৃনাল শইকীয়া (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক ধন্যবাদ জনাম যে এটা অতি গুৰুত্বপূৰ্ণ বিষয় তেখেতে আমাৰ বিধান সভাত আলোচনা কৰাৰ বাবে উত্থাপন কৰিলে। আজি অসমতে নহয় গোটেই ভাৰতবৰ্ষতে যি জনসংখ্যাৰ প্ৰবল ধুমুহা বৈছে, যাৰফলত ভাৰতবৰ্ষত এটা জনসংখ্যাৰ বাবে সমস্যাৰ সৃষ্টি কৰিছে। অসমৰ জনসংখ্যাৰ মুল কাৰণ মই সংখ্যালঘু বুলি নকওঁ যে মুছলমান সকলৰ জনসংখ্যাৰ যি বৃদ্ধিৰ হাৰ, সেই কাৰণে অসমত আজি এটা ডাঙৰ সমস্যা হৈ পৰিছে। অসমত আজি মুছলমানাৰ জনসংখ্যা 2nd largest . ইয়াৰ পিছত কাশ্মীৰ, এইটো বহুত চিন্তা কৰিবলগীয়া বিষয়। আমাৰ মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই fertility rate এনেকুৱা কিছুমান উদাহৰণ দেখুৱাইছে, factually তেওঁ দেখুৱাইছে, তেওঁ এটা কথাত সন্তুষ্টি লৈছে যে fertility rate ৰ decrease ৰ যিটো হাৰ, যোৱা কেইবছৰ Non-Muslim ৰ বেছি আৰু মুছলমানসকলৰ ক'ম। কিন্তু মই

তেখেতক এটা কথা জনাব বিচাৰিছো যে আমাৰ Non-Muslim women তেওঁলোকৰ যদি fertility হাৰ আৰু কমি যায়, তেন্তে আমাৰ প্ৰতি পৰিয়ালত এটাও সন্তান থাকিব নালাগিব। তেতিয়াহে তেখেতে কোৱা কথাতো মিলিব। কাৰণ আগতেও আমাৰ fertility rate বেছি নাছিল, সেইকাৰণে এতিয়াও কম। মাজত যিটো gap, সেইটো আমাৰ মুছলমানসকলৰ দৰে বৃদ্ধি হোৱা নাই আৰু তেখেতে এটা কথাৰ পৰা ফালৰি কাটি গৈছে যে অসমত য'ত য'ত Non-Muslim Majority জিলা আছিল, সেইবিলাক অতি ক'ম দিনৰ ভিতৰত, যোৱা ৩০-৪০ বছৰৰ ভিতৰত এখন এখনকৈ মুছলমান Majority জিলা হ'বলৈ গৈ আছে। আজি অসমৰ ধুবুৰীত ৭৯.৬৭ % মুছলমানৰ জনসংখ্যা, গোৱালপাৰাত ৫৭.৫২% মুছলমানৰ জনসংখ্যা, কৰিমগঞ্জত ৫৬.৩৬% মুছলমানৰ জনসংখ্যা, বৰপেটা ৭০.৭৪%, নগাওঁ ৫৫.৩৬%, মৰিগাওঁ ৫২.৫৬%, বংগাইগাওঁ ৫০.২২%, দৰং ৬৪.৩৪%, হোজাই ৫৩.৬৫%, ছাউথ শালমৰা ৯৫.২%, হাইলাকাণ্ডি ৬০.৩%, Out of 35 District এই ১১খন জিলা হৈছে Muslim Majority জিলা। মই মানি নলওঁ যে কেৱল চৰ-চাপৰিতহে মুছলমানৰ জনসংখ্যা বেছি হৈছে। আজি নগাওঁ, হোজাই হৈছে Muslim Majority জিলা। ই মাইগ্ৰেচন হৈছেনে? শ্বেৰমান আলী ডাঙৰীয়াই কোৱাৰ দৰে শিক্ষা-দীক্ষা কম হোৱাৰ ফলত তেওঁলোকৰ জনসংখ্যা বৃদ্ধি হৈছে বা বাল্য বিবাহ হোৱাৰ ফলত হৈছে , সেই বিষয়ে মই অৱগত নহয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এদিন কামাখ্যাও দখল কৰিব, সেইটো এই কাৰণে কোৱা হৈছে যে- এই হাৰত যদি জনসংখ্যা বৃদ্ধি হয়, তেনেহ'লে তেনেকুৱা এটা পৰিৱেশ হোৱাৰ সম্ভাৱনা আছে। কাৰণ অলপ দিনৰ আগতে এটা কথা উত্থাপন কৰিছিল কোনোবাই আমাৰ শংকৰদেৱ কলাক্ষেত্ৰত লুঙি আৰু টুপী ৰাখিব লাগে। সেই কথাটোৰ দাবী এটা উত্থাপন হৈছিল। সেইকাৰণে এই কথাটোৱে আচলতে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে যে আমি আমাৰ শ্বেৰমান আলী ডাঙৰীয়াই কোৱাৰ দৰে কেৱল স্কুল পাতি তাত চাকৰি দি এই সমস্যাটো সমাধান কৰিব নোৱাৰি। এটা strict resolution ল'ব লাগিব। এই বিষয়টোৰ ওপৰত এইখন বিধানসভাত আজিৰ পৰা ১৫-২০ বছৰৰ আগতেই আলোচনা হ'ব লাগিছিল। আজি সংখ্যালঘু বুলি কয়, আজি ধুবুৰীত কোনোবাই যদি প্ৰশ্ন কৰে ইয়াত সংখ্যালঘুৰ সংখ্যা কিমান শতাংশ? পোনে পোনে ক'ব ৭৯.৬৭%। য'ত ৭৯.৬৭% জনসংখ্যা আছে, তাত কেনেকৈ সংখ্যালঘু হ'ব? ছাউথ শালমৰাত ৯৫.২%, সংখ্যালঘু মানে মুছলমান, এই শব্দটো আমাৰ সমাজৰপৰা, ৰাজ্যৰ পৰা, নাইকীয়া কৰিব লাগে । সংখ্যালঘুৰ যি উন্নয়নৰ আঁচনি, সেইখিনি আচলতে আমি উজনি অসমলৈ নিব লাগে। আজি মই যিকেইখন জিলাৰ কথা ক'লো তাত সংখ্যালঘু সকল কেনেকৈ মুছলমান হ'ব? সংখ্যালঘূৰ উন্নয়নৰ পুঁজি তেওঁলোকে কিয় পাব? তেওঁলোকতো তাত সংখ্যাগুৰু হ'ল। তাত যিবিলাক Non-Muslim আছে, তেওঁলোকেহে সেই সুবিধা পাব। আজি উজনি অসমত সকলো মুছলমান মানুহ, তেওঁলোক সংখ্যালঘু। সেই সুবিধা তেওঁলোকে পাব লাগিব। আজি সংখ্যালঘু আঁচনিৰ নামত যিমান আঁচনি আহে সকলো সংখ্যাগুৰু হৈ থকা মুছলমান সকলৰ তাত যায়। আজি উজনি অসমৰ সকলো মুছলমান, তেওঁলোক খিলঞ্জীয়া। সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অলপতে তেওঁলোকক লগত লৈ আলোচনা এটা কৰিছে আৰু নামনি আৰু মধ্য অসমত আমি অভিযোগ পাওঁ যে এখন Non-Muslim গাওঁ যদি চাৰিওফালে মুছলমান মানুহৰ গাঁও থকা ঠাইত থাকে, সেই গাওঁখনক বিভিন্ন প্ৰকাৰে pressurized কৰি সেই গাঁওৰ মানুহখিনিক লাহে লাহে তাৰ পৰা আঁতৰাই পঠোৱা হয়। সঁচা কথা । আজি ধিং, ৰূপহীহাটৰ বহু মানুহ আহি নগাওঁ বা বেলেগত মাটি কিনিছে, মাটি-বাৰি এৰি থৈ আহিছে। তেওঁলোকক ভিতৰোৱাকৈ

pressurized কৰা হয়। নামনি অসম আৰু মধ্য অসমত ইমান যে জনসংখ্যা বৃদ্ধি হ'ল, তাৰ পিছফালে হয়টো এটা চক্ৰান্ত থাকিব পাৰে, ষড়যন্ত্ৰও থাকিব পাৰে। Agenda আছে যে, অসমখনত মুছলমান জনসংখ্যা বৃদ্ধি কৰি এটা সময়ত মুছলমান ৰাজ্য হিচাপে ইয়াক ঘোষণা কৰা হ'ব। হয়টো বাংলাদেশত বহিও কোনোবাই ষড়যন্ত্ৰ ৰচনা কৰিব পাৰে নতুবা অসমৰ ভিতৰতো কোনোবাই ষড়যন্ত্ৰ কৰিব পাৰে। ইতিমধ্যে কোনো কোনো ঠাইত মোৰ চকু পৰিছে, এখন মুছলমান ৰাজ্য অসমত গঠন হ'ব পাৰে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কৈছে, Agenda আছে। Who has the Agenda? চৰকাৰে ব্যৱস্থা ল'ব লাগে। এই Agenda টো কাৰ্য্যক্ৰমণিকাৰ পৰা বাদ পৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি বহক। আপুনি কৈ থাকোতে কোনেও আপোনাক disturb কৰা নাই। আপুনি বহক, আপোনালোকৰ আৰু কবলগীয়া সদস্য আছে, কি ক'ব লাগে তেওঁক কৈ দিয়ক। আপুনি শিকদাৰ ডাঙৰীয়াক কৈ দিয়ক কি ক'বলগীয়া আছে। Continue .

**শ্ৰী মৃনাল শইকীয়া (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে grow more food, grow more food ৰ নামত বাহিৰৰ পৰা মানুহ আহি কৈছে যে তেখেতে খেতি-বাতি কৰিব দিছিল। সেইটো সময়ত অসমৰ প্ৰধান মন্ত্ৰী চৈয়দ চাদুল্লা আছিল, তেতিয়া তেখেতে এই grow more food আঁচনিটো লৈছিল আৰু এজন বৃটিছ চাহাবে কৈছিল যে, most probably তেতিয়া Election Commissioner, Census Superintendent এফ চি মোলান আছিল,তেখেতে কৈছিল যে এই grow more food আঁচনিৰ যোগেদি অসমৰ প্ৰধান মন্ত্ৰী চৈয়দ চাদুল্লাই অসমত grow more মুছলিম আঁচনিহে আচলতে ৰূপায়ণ কৰিছিল। এইটো মই কোৱা কথা নহয়। সেই একেজন মোলান চাহাবে, ১৯৩১ ত কৈছিল যেতিয়া তেওঁ Electrol Rule টো চাইছিল, যে অসমত এটা এনেকুৱা দিন আহিব যেতিয়া অকল শিৱসাগৰ জিলাৰ মানুহখিনিয়েহে নিজকে অসমীয়া বুলি ভাবিব আৰু বাকী বাহিৰৰ জিলাৰ মানুহে এখন বিদেশত থকা যেন অনুভৱ কৰিব। আজিৰ পৰা ৯০ বছৰ আগতে ১৯৩১ ত এনেকুৱা observation মানুহে কৰি গৈছে আৰু তাৰ ফল আমি লাহে লাহে ভুগি আজি ১১খন জিলাত Non-Hindu সকল সম্পূৰ্ণভাৱে সংখ্যালঘুত পৰিণত হ'ল। অথচ সংখ্যালঘু হিচাপে নাম লৈ আছে মুছলমান সকলে। সেইকাৰণে উজনি অসমত আমাৰ সংখ্যালঘু মুছলমান ভাই সকলক সংখ্যালঘুৰ যিটো status দিব লাগে আৰু নামনি আৰু মধ্য অসমৰ এইকেইখন জিলাত আমাৰ যিসকল Non-Muslim আছে, সেই সকলকহে আচলতে সংখ্যালঘুৰ status দিব লাগে। মই সেইটো ভাবো। জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰকৃততে এইটো হাতৰ পৰা ওলাই গৈছে। মই মানি নলওঁ যে এইটো কেৱল শিক্ষা নথকাৰ কাৰণেহে জনসংখ্যা বাঢ়ি আহিছে। আমিনুল ইছলাম ডাঙৰীয়াই কৈছে, আমাৰ শ্বেৰমান আলী ডাঙৰীয়াই কৈছে, যোৰহাটৰ চৰত এনেকুৱা ব্যৱস্থা, আজি ধুবুৰীৰ চৰত এনেকুৱা ব্যৱস্থা । শিৱসাগৰৰ চৰ আৰু ধুবুৰীৰ চৰৰ মাজত বহু পাৰ্থক্য আছে। আজি ৫০ চনৰ আগতে ধুবুৰী চৰত কিমান মানুহ আছিল ? একেই মানুহ যোৰহাটত আছিল। সেই কাৰণে যোৰহাটত স্কুল বাঢ়িল, ৰাস্তা-ঘাট বাঢ়িল, কিন্তু তাত যদি দৈনিক এখন এখন গাওঁ আহিল একেৰাতিতে হৈ যায়,ক'ৰবাৰ পৰা আহি তাত একেৰাতিতে কেনেকৈ এখন স্কুল বনাই দিব। সেই কাৰণে ইয়াৰ ভিতৰত জন্মৰ হাৰ যে দিনক দিনে বাঢ়ি গৈছে, অসমৰ জনসংখ্যা বাঢ়ি গৈছে। জিলাৰ পাছত জিলা মুছলিম মেজৰেটি জিলা হিচাপে গঠিত হৈ আছে। তাৰ পিছত মই ভাবো যে এটা গভীৰ সৰযন্ত্ৰ

থাকিব পাৰে , সেই কাৰণে চৰকাৰেও তাৰ ওপৰত এটা নজৰ দিব লাগে, চোকা দৃষ্টি ৰাখিব লাগে। এই এইখিনিকে কলো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ-** মন্ত্ৰী মহোদয়,

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব খুজিছো, তেখেতে কৈছে যে অসম নামৰ ৰাজ্য বঙ্গ বিভাজনৰ পাছতহে হৈছিল। উপাধ্যক্ষ ডাঙৰীয়া, আপুনি যদি ইয়াণ্ডাবু সন্ধিৰ বিষয়ে wikipedia বা google ত চাই বৃটিছ আৰু বাৰ্মিজ গভমেন্টৰ মাজত এখন চুক্তি হৈছিল। সেই চুক্তিখনত ১৮২৬ চনত অসম, মনিপুৰ ইলিগেলি বৃটিছক বাৰ্মিজে দি দিছিল। তেখেতে অসমৰ বুৰঞ্জীৰ বিষয়ে জানে নে নাজানে মই নাজানো। মই বুৰঞ্জী পঢ়িছিলো, মোৰ মনত পৰোতে অলপ উলিয়াই ললো। গোটেই অসম খন, হয়তো অসমখনৰ কোনোবা এটা অংশ কোচৰাজবংশীৰ বংশৰ ৰজাই শাসন কৰিছিল। কোনোবা এটা অংশ গুৱাহাটীলৈকে আহোম ৰাজত্ব আছিল। গতিকে অসমৰ অস্তিত্বআছিল। অসমৰ অস্তিত্ব নথকা, বংগ বিভাজনৰ পাছতহে নতুনকৈ অসম হোৱা এই কথাবিলাক কৈ অসমৰ ইতিহাস যাতে বিকৃত নকৰে এই সদনে তাৰ ওপৰত সিদ্ধান্ত লব লাগে। অসমৰ অস্তিত্বৰ কথা কব নেকি? এইখন অসমত থকা মানুহে, মই আকৌ কৈছো যে কেতিয়াৰ পৰা অসম বৃটিছৰ অধীনলৈ গ'ল ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পাছত। লগতে ইয়াণ্ডাবু সন্ধি বৃটিছ আৰু বাৰ্মাৰ মাজত হৈছিল। বাৰ্মিজ সকলে জবৰদস্তি অসমত তেওঁলোকৰ পজিশ্যন নাছিল, মনিপুৰত তেওঁলোকৰ পজিশ্যন নাছিল জবৰদস্তি বৃটিছক দি দিছিল। গতিকে অসমৰ অস্তিত্ব নথকা, বংগ বিভাজনৰ পাছতহে অসম হোৱা এই কথা বতৰা বিলাক ইতিহাস বিকৃত কৰা কথা। গতিকে তেনেকুৱা যাতে কথা নকয়,মই অনুৰোধ কৰিছো। আৰু এটা গুৰুত্বপূৰ্ণ কথা কম , শ্বেৰমান আলি ডাঙৰীয়াই খুব গুৰুত্বপূৰ্ণ আলোচনা আজি আনিছে। population control কৰিব লাগে। তাৰ কাৰণে শিক্ষাৰ ব্যৱস্থা দিব লাগে, আৰু বাল্য বিবাহ বন্ধ কৰিব লাগে। খুব গুৰুত্ব পূৰ্ণ কথা তেখেতে কৈছে, কিন্তু মই তেখেতক অনুৰোধ কৰিম, সকলোকে অনুৰোধ কৰিম বিশেষকৈ কোনেও যাতে মোৰ কথাটো বেলেগ দৃষ্টিভংগীৰে বা মিচ আণ্ডাৰষ্টেণ্ডিং নকৰে বিশেষকৈ সংখ্যলঘু সম্প্ৰদায়ৰ বা মুছলমান সম্প্ৰদায়ৰ যি সকল নেতৃবৃন্দ, তেখেত সকলে কিছুমান কাম কৰিব লাগে, মই এটা মাত্ৰ ক'ব খুজিছো। এগৰকী উৰ্দুভাষাৰ কবি মনোৱাৰ ৰাণা, উত্তৰ প্ৰদেশৰ বিখ্যাৎ উৰ্দু কবি। তেখেতে আজি ৪ দিন মানৰ আগত কৈছে, মুছলমান সকলে ৮ টা সন্তান জন্ম দিব লাগে কিবা কিবি কাৰণো কৈছে কিয় ৮ টা লাগে। তাৰে এজন অমুকত ঢুকাব এজন তমুকত মৰিব, আৰু বাকী ৪ জনে ঘৰ চলাব। গতিকে মই ক'ব খুজিছো এই কথা বিলাকে কিন্তু বিৰোপ পৰিবেশৰ সৃষ্টি কৰে। কেই দিন মান আগতে ফেচবুকত এগৰাকী ব্যক্তি, এগৰাকী মৌলানাই, তেনেকুৱা ধৰণৰ এগৰাকী ব্যক্তিয়ে, ব্যক্তি গৰাকী চতিয়াৰ। তেখেতে ফেচবুকত এটা সাক্ষাৎকাৰ দিছিল প্ৰকৃততে তেখেতে কিছুমান কথা ৰাইজক কৈছিল, কিয় মুছলমানসকলে জন্ম নিয়ন্ত্ৰণ কৰিব নালাগে। আজি সন্মানীয় সদস্যগৰাকীয়ে মুছলমানসকলে জন্ম নিয়ন্ত্ৰণ কৰিব লাগে বুলি কৈ আছে, কোনোবা এগৰাকী ৰাণা নামৰ বিখ্যাত কবিয়ে, আমৰ ইয়াৰে এগৰাকী ধৰ্মীয় নেতা যি সকলে, মুছলমানক জন্ম নিয়ন্ত্ৰণ নাই বুলি কয়, জন্ম নিয়ন্ত্ৰন পাপ বুলি কয়, ৮ টা সন্তান জন্ম দিব লাগে বুলি কয়, তেওঁলোকৰ বিৰুদ্ধে যাতে আপোনালোকে মাত মাতে মই আপোনালোকক অনুৰোধ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ-** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মই ইয়াত যিখিনি কৈছো, চেঞ্চাচ ৰিপৰ্ট ১৮৭২ ৰ পৰা, প্ৰত্যেক ১০ বছৰ মূৰে মূৰে ১৮৭২ ৰ পৰা ১৯৫১ লৈকে চেঞ্চাচ ৰিপৰ্টত

যিটো আছে সেইটো মই চাই চাই কৈছো। গোটেই তথ্য মোৰ লগত আছে।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয় মই আৰু এটা কথা সংযোগ কৰিব বিছাৰিছো। মাননীয় সদস্যসকলে কয়, বানপানী গড়াখহনীয়াৰ কাৰণে তেখেত সকল ক'ৰবাত ক'ৰবাত গুছি যায়। মই অস্বিকাৰ নকৰো, কিন্তু একেলগে যদি আমি চাপৰিৰ কথা কওঁ এই কেইদিন জলসম্পদ মন্ত্ৰী হিচাপে গোটেই অসম ঘূৰিলো, চাপৰি আৰু চৰ একেই। কিন্তু চাপৰিত যি সকল মানুহ, বানপানী হয় গড়াখহনীয়া হয়, তেওঁলোকে কিন্তু এনেকৈ মানুহৰ মাটি বা বনাঞ্চলৰ মাটি অধিগ্ৰহণ নকৰে। মই আকৌ কৈছো, অকল বানপানী আৰু গড়াখহনীয়াৰ কাৰণে, কোৱা হয় যে মানুহে বেলেগত গৈ বসবাস কৰে, মাটি অধিগ্ৰহণ কৰে, হাবি জংগল লৈ লয়। কেৱল তেনেকুৱা নহয়। কিছুমানে মাটি দখল কৰাৰ লোভত গৈ সেই কামটো এইখন অসমত কৰি আছে।

**মাননীয় উপাধ্যক্ষ ঃ-** ধন্যবাদ, শ্ৰী প্ৰদীপ হাজৰিকা

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ-** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ সন্মানীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই, আজি এটা অতি গুৰুত্বপুৰ্ণ বিষয় আমাৰ কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং ৰ অধীনত উত্থাপন কৰিছে। এইটো অতি দৰকাৰী বিষয়। মই তেখেতক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, মুছলিম শব্দটো মুছলমান আৰু মিঞা, এই শব্দটো আজি অলপ দিনৰ আগতে আমি দেখিছিলো যে এইটো ক'লেই কিছুমান মানুহ জাঙুৰ খাই উঠে। মিঞা বুলি ক'লে, বা বাংলাদেশী বুলি কলে, মুছলিম বুলি কলে, মই যিটো দেখিছিলো সেইটো কথা কৈছো। কিন্তু উপাধ্যক্ষ মহোদয় মই আপোনাক জনাব বিছাৰো, যে আমি শিৱসাগৰীয়া মানুহে আমি য'ত বাস কৰিছো, আমি সকলো মিলিয়েই বাস কৰিছো। আমাৰ তাত কোনেও এনেকুৱা শব্দ ব্যৱহাৰ নকৰে। এই শব্দবোৰ এতিয়া পশ্চিমফালৰ পৰা লাহে লাহে উজনিৰ ফালে গৈ আছে। উপাধ্যক্ষ মহোদয়, মুছলমান এতিয়া চৰ অঞ্চলতো আছে আৰু চৰ নথকা অঞ্চলতো আছে। বিভিন্ন ঠাইত আছে, যদি আপোনালোকে চাই, এই মুছলিম মানুহখিনি আমাৰ তাত যিখিনি গাওঁ আছে, সেই বিলাক আজি ক'ত যুগৰ পৰা মোগলৰ আক্ৰমণ যেতিয়া হৈছিল, যেতিয়া ইয়াত লাচিত বৰফুকনৰ মাজত ৰণ হৈছিল। সেই সময়ত এৰেষ্ট হোৱা বহুত মোগল সৈন্য, সেই সময়ত যিখিনি বন্দীহৈ আছিল, এই সৈন্য সকল ইয়াৰ পৰা ঘূৰি যোৱা নাছিল, ইয়াতে মিলি গৈছিল, ইয়াৰে ছোৱালী বিয়া কৰাইছিল। হিন্দু মানুহৰ ছোৱালী বিয়া কৰাইছিল. এতিয়া এই মানুখিনিৰ মাজত আমি তেনেকুৱা ধৰণৰ কোনো অসুবিধা দেখা নাই, আৰু পৰিয়াল পৰিকল্পনাৰ কথাটো দুটামান দিনৰ আগতেহে ওলোৱা কথা। সেই বিলাক গাঁও তেনেকে আছে। সেই বিলাক গাঁও এখনৰ ঠাইত ১০ খন গাঁওটো হোৱা নাই। এইখিনিতে মই এজন মানুহৰ কথা ক'ব বিচাৰিছো মই আগতে এবাৰ কৈছিলো ইয়াত । গনিৰুদ্দিন চাহ বুলি কয় তেখেতক। গনিৰুদ্দিন চাহ এজন প্ৰকৃত বাংলাদেশী মানুহ। তেওঁ নিজে কয় এইটো মই কোৱা কথা নহয়। তেওঁ কয় যে মই ১০০ শতাংশই বাংলাদেশী মানুহ। মোক এৰেষ্ট কৰি পথাই দিয়ে আৰু মই কিন্তু কিছুদিনৰ পিছত ইয়ালৈ ঘুৰি আহো। মোৰ কোনো ভাৰতীয় পুলিছে ইয়াৰ পৰা বাংলাদেশলৈ পঠাব নোৱাৰে, মোৰ ইয়াতেই মৃত্যু হ'ব। তেওঁ ইয়াৰে স্থানীয় ছোৱালী বিয়া পাতিলে। তেওঁৰ ল'ৰা-ছোৱালী আছে, পৰিয়াল আছে। এই গনিৰুদ্দিন চাহক ৩ বাৰ বাংলাদেশলৈ খেদি দিয়াৰ পাছতো ঘুৰি আহি ইয়াতেই হালোৱা টিঙতে মৰিলে। তেওঁৰ কিন্তু ঢেৰ ল'ৰা-ছোৱালী হোৱাতো আমি দেখা নাই। এখন গাওঁ হোৱাতো আমি দেখা নাই। জাক জাক পাতি মানুহ তেনেকুৱা হোৱা দেখা নাই আমি। সেই বিলাক হিন্দু সকলৰ সৈতে একে আছে। আজি আমাৰ শ্বেৰমান আলী ডাঙৰীয়াই যিটো হৈছে, মুছলমানৰ ফাৰটিলিটি ৰেট ২.৪ আছে

বুলি কৈছে।

হিন্দুৰ ফাৰ্টিলিটি ৰেট ১.৬ বুলি কৈছে। যদিও এইটো এটা পৰিসংখ্যা দিছে- আগতে আমাৰ কিছু মানুহৰ যেতিয়া ফেমিলি প্লেনিং কৰা নাই তেতিয়া ১১ টা ১৫ টা লৈকে ল'ৰা ছোৱালী আছিল। তেওঁলোক হিন্দু মানুহ। কিন্তু তেওলোক সু-স্বাস্থ্যবান আছিল পঢ়াশুনাও কৰিছিল ভালকৈ। কিন্তু এতিয়া যদি আমি চাওঁ যেতিয়ালৈক আমাৰ মাজত খোলাখুলি ভাবে আলোচনা কৰি চেটেল হোৱা এটা ব্যৱস্থা নকৰো তেতিয়ালৈ এই বিষয়টো কেতিয়াও মীমাংসা নহয়। আমি কওঁ বা মুছলিম ৰিপ্রেজেন্ট কৰা সকলে কওঁক, যিয়েই নকওক কিয় আমি ক'ব পাৰো যে পূৰ্ব বাংলাৰ পৰা আহিছে, বাংলাদেশৰ পৰা আহিছে, পুৰ পাকিস্তানৰ পৰা আহিছে। কোনোবাই যদি কয় নহয় এইটো কেতিয়াও সঁচা নহয়। কিন্তু মাইগ্রেশ্যন হৈছে। ৰিফিউজী আহিছে, এইবোৰ এদিনত হোৱা নহয়। উপাধ্যক্ষ ডাঙৰীয়া আপুনি জানে আমাৰ ইয়াতে ৰজা-মহাৰজা বিলাক আছিল। ত্রিপুৰাত ত্রিপুৰী ৰজা আছিল, ইয়াত নৰ নাৰায়ণ চিলাৰায় ৰজা আছিল, ইয়াত কামৰূপৰ ৰজা আছিল, ডিমাছা, চুতীয়া, চাৰিঙ্গীয়া, বৰাহী, চিংফৌ, খামতি আদি সকলোৰে ৰজা আছিল। এইবোৰ সৰু সৰু ৰাজ্য আছিল। এই ৰাজ্যবিলাক নাই বুলি জানো আমি কোনোবাই ইয়াত ক'ব পাৰিম। এই গোটেইবিলাক হিন্দু ধৰ্মৰ পৰিচালিত ৰজাৰে এই ৰাজ্যবিলাক আছিল। আনকি শ্রীহট্টলৈকে কামৰূপৰ সীমা আছিল। ভাৰতবৰ্ষত মুছলিম মানুহ কেতিয়া আহিছে আপুনি চাব পাৰে। কেতিয়া আহিছিল, ক'ত ক'ত সোমাইছে সেই সকলোবিলাক ৰেকৰ্ড আছে। তাৰ আগতে এইখন এখন হিন্দু ৰাষ্ট্ৰ আছিল। আজি যিটো সমস্যা হৈছে আমাৰ ইয়াত হৈছে। এই সমস্যাটো সমাধান ৰাজনৈতিকভাবে হ'ব লাগিছিল কাৰণ স্বাধীনতাৰ পিছৰ পৰাই ইয়াত যিসকলে শাসন কৰি গ'ল আৰু যিসকলে তেওঁলোকৰ ভোট লৈয়ে প্রতিনিধিত্ব কৰিছে, এই মানুহসকলক শিক্ষা দিয়াৰ ক্ষেত্ৰত, তেওঁলোকৰ জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত, স্বাস্থ্যজনিত ক্ষেত্ৰত চাবৰ বাবে এটা দীঘলীয়া সময় পাইছে। এতিয়া এই বিলাক সমস্যাই আজিও এই বিষয়বস্তুটো সাঙুৰি আছে। কেৱল মুছলমান সম্প্রদায়ৰ মানুহেই যে চৰ অঞ্চলত আছে এনে নহয়। মই বহু বিহাৰী মানুহকো দেখিছো। সুদূৰ শদিয়ালৈকে আছে । কিন্তু সেইবিলাকৰ মাজত সমস্যা হোৱা নাই। আমাৰ ইয়াত নেপালী সম্প্রদায়ৰ মানুহ আছে। শদিয়া, মাৰ্ঘেৰিটা সমষ্টি আদিৰ পৰা লৈ বিশ্বনাথ চাৰিআলিলৈকে আছে। কিন্তু তেওঁলোকৰ সমস্যা অহা নাই । আজি নৈৰ কাষত কেৱল ইছলাম ধৰ্মৰ মানুহ আছে এনে নহয় উপাধ্যক্ষ ডাঙৰীয়া, যুগে যুগে অসমৰ খিলঞ্জীয়া মানুহখিনি ইয়াত বসবাস কৰি আছে। উপাধ্যক্ষ মহোদয়, গৰাখহনীয়া কেৱল এটা কমিউনিটিৰ কাৰণে আহে নেকি? এইটো কেতিয়াও সত্য নহয়। আমি ব্ৰহ্মপুত্ৰৰ বহু খহনীয়া দেখিছো- আমাৰ এগৰাকী সন্মানীয় বিধায়কে ক'লে কিছুমান টেম্পৰাৰী চৰ আছে, সেইবিলাক আজি আছে কিন্তু কাইলৈ নাথাকে। সেই চৰটো পানীয়ে উটাই নিব সেইটো সকলোৱে জনা কথা। যিখিনি মৈমনচিঙিয়া মানুহ আছে সেইখিনি খুউৰ ভালকৈ জানে। এইটো মই কোৱা কথা নহয় মোৰ বন্ধু এগৰাকী-ৰূপহীৰ আব্দুল আজিজ তেখেতে নিজেই কৈছে। আজি আপুনি চাওঁক পাৰ্টিশ্যনৰ পিছত চিলেটখন পাকিস্থানত গ'ল। কিন্তু কৰিমগঞ্জৰ যিটো এতিয়া আছে সেইটো কিন্তু এইফালে থাকি গ'ল সেইখিনি চিলেটি মুছলিম মানুহ। তেওঁলোকৰ ভাষাটো চিলেটী ভাষা। কিন্তু মৈমনসিঙীয়া মানুহৰ ভাষাটো কিন্তু চিলেটী নহয়। ইয়াত আমাৰ এই সদনত সদস্যই কৈছে যে "মই যদি মৈমনসিঙীয়া ভাষা কওঁ তই বুজি পাবি জানো?" উপাধ্যক্ষ ডাঙৰীয়া ভাষাটো একে নহয়। সেই কাৰণে আজি ইয়াত বিশ্বত জনাজাত আন্দোলন এটা কৰিব লগা হ'ল কাৰণ আমাৰ আইডেন্টিটি নোহোৱা বুলি আমি ভয় খাইছো। শ্বেৰমান আলি ডাঙৰীয়াই কামাখ্যাৰ কথা কৈছে। কালিলৈ যদি গোটেই অসমখন

মুচলিম প্ৰধান হৈ যায় তেতিয়া আমাৰ ইয়াত বিয়া নাম, পাল নাম হ'বনে নাই, আমাৰ ইয়াত বৰসভা হ'বনে নাই? গুৰুজনাৰ বৰগীত পৰিবেশন হ'বনে নাই, গোৱালপৰীয়া, কামৰূপীয়া লোকগীতৰ লগতে যিমানবিলাক জাতি- জনজাতিৰ লোক নৃত্য আছে সেইবোৰ থাকিবনে নাই? এই সভা- সংস্কৃতিৰ লগত আমাৰ সমাজৰ কথা জড়িত আছে। এতিয়া ভয়টো কামাখ্যা নহয়, ভয়টো হৈছে ভাষা, কৃষ্টি, সংস্কৃতি ৰক্ষাৰ। সম্পূৰ্ণ জাতি-জনগোষ্ঠীৰ আইডেন্টিৰ কথা আছে, এনেই ইয়াত হুলস্থুল হোৱা নাই। এইটো ধেমালী কথা নহয়। ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত অহা মানুহখিনিক চিনাক্ত কৰি বিতৰণ কৰিব লাগে এই কথাটোত সকলোৰে এক হৈছিল। অসমৰ পৰা বিতৰণ কৰি ভাৰতবৰ্ষৰ অন্য ঠাইলৈ পঠিয়ায় বা বাংলাদেশৰ কোনোবা ঠাইলৈ পঠিয়ায় আমাৰ ক'বলগীয়া নাই। কিন্তু অসমখন এই সমস্যাৰ পৰা মুক্ত হ'ব লাগে । কিন্তু উপাধ্যক্ষ ডাঙৰীয়া সেই কথাটো এতিয়া হোৱা নাই। ইতিমধ্যে পাৰ্লিয়ামেন্টৰী এফেয়াৰচ্ মিনিষ্টাৰে কৈছে যে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হৈছিল, এই ইয়াণ্ডাবু সন্ধিৰ পিচতহে বৃটিছ অসমলৈ আহিছিল। তাৰ পিছতহে তেওলোকৰ শাসন ইয়াত আহিছে ,তাৰ আগতে অহা নাই। আৰু এটা কথা মই ডাঙি ধৰিব খুজিছো যে বখ্তিয়াৰ খিলিজিয়ে ১৯০৬ চনত তিৰ্ব্বত আক্ৰমণ কৰিবলৈ আহিছিল। অসমৰ ৰজাৰ তেওলোকে সহায় বিচাৰিছিল। কিন্তু কোনেও সহায় নকৰিলে। তিব্বতত তেওলোকে সাঘাতিক ধৰনে বিপদত পৰিছিল। তেওলোকৰ প্ৰায় বহু সংখ্যক সৈন্য সামন্ত মৰিছিল। মাত্ৰ ১০০ টা সৈন্য লৈ তেওঁ ইয়াৰ পৰা ঘুৰি গৈছে। বাংলাদেশত বৰ্তমান দিনাচপুৰত তেওঁৰ লগৰ এজনে তেওঁক হত্যা কৰিছিল। উপাধ্যক্ষ ডাঙৰীয়া, নালন্দা বিশ্ববিদ্যালয় বখতিয়াৰ খিল্জিয়ে ধ্বংস কৰিছিল। সেই বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীটো জ্বলিছে ১৮ দিন।

সমগ্ৰ বিশ্বত আদৰ্শ প্ৰতিষ্ঠা কৰা শিক্ষাৰ অনুষ্ঠান এখন সেই সময়ত সম্পূৰ্ণ ধ্বংস হৈছিল। এনে ধ্বংস আৰু আমি নিবিচাৰো। সেই কাৰণে মই আশা ৰাখিম এই বিষয়টোৰ যি ফেমিলি প্লেনিং হওঁক, আৰ্লি মেৰিজ হওঁক, মাইগ্ৰেটেড হওঁক এই গোটেই সমস্যাবিলাক সমাধানৰ কাৰণে এটা উমৈহতীয়া ইন্টিগ্ৰেটেড এপ্ৰোছৰ প্ৰয়োজন হ'ব। ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া ৰফিকুল ইছলাম ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনালো। সংক্ষেপে ক'ব, মিনিষ্টাৰৰ ৰিপ্লাই আছে।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা বহুতেই গুৰুত্বপূৰ্ণ বিষয় আজি ৰুল ৫০ ৰ আধাৰত সন্মানীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই আনিছে। আপুনি ইয়াত আলোচনাত ভাগ লোৱাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। বহুতেই গুৰুত্বপূৰ্ণ ইছ্যু এটা তেখেতে উত্থাপন কৰিছে আৰু আলোচনাখিনি ঠিকে-ঠাকে হৈ আছে। কিন্তু মাজত কিছুমান কথা-বাৰ্তাই আমাক কিছু আমনি দিছে। যিয়েই নহওক, আপুনি যদি এইখিনিত অলপ দৃষ্টি ৰাখে তেতিয়াহ'লে ভাল হ'ব। তেখেতৰ যিটো শব্দ আছিল অসমত বসবাস কৰা মুছলমান বিশেষকৈ চৰ-চাপৰি। আলটিমেটলি তেখেতে গোটেই মুছলিম কমিউনিটিৰ কথা ক'ব বিচাৰিছে। বিশেষভাৱে চৰ-চাপৰি। এই কথাখিনি ইয়াত শিক্ষানুষ্ঠানৰ পৰা আৰম্ভ কৰি চৰকাৰী যিখিনি সা-সুবিধা আমি পাব লাগে এইখিনি যদি দিয়া যায় তেতিয়া মানুহখিনি আগবাঢ়ি যাব আৰু বহু সমস্যাৰ সমাধান হ'ব। এই কথাখিনি তেখেতে উত্থাপন কৰিছে। শিক্ষাৰ ওপৰত মাননীয় উপাধ্যক্ষ মহোদয়, বহুখিনি ইয়াত কোৱা হৈছে। মাননীয় শিক্ষামন্ত্ৰী ইয়াত উপস্থিত আছে, এই অঞ্চলবিলাকত যিবিলাক স্কুল আছে , আজি আপোনালোকৰ বি জে পি চৰকাৰৰ ৫ বছৰ হ'ল মাত্ৰ। মই নকওঁ আপোনালোকে এই গোটেইখিনি কাম ৫ বছৰত কৰিব পাৰিব বা কিয় নকৰিলে তেনেকুৱা প্ৰশ্ন মই

নকৰো। এই কামখিনি যদি ৭০ বছৰৰ পৰা কিছু কিছু হৈ আহিলহেঁতেন, এইক্ষেত্ৰত হৈছে, হোৱা নাই বুলি মই নকওঁ। কিন্তু যেনেধৰণে হ'ব লাগিছিল তেনেধৰণে হোৱা নাই। যাৰ কাৰণে হয়তো আজি এই মানুহখিনি যিটো লিটাৰেচি ৰেটৰ কথা তেখেতে কৈছে ১৭-১৮ শতাংশ। এতিয়া যদি খুব বেছি লিটাৰেচি ৰেট ২৫ শতাংশ এই অঞ্চলবিলাকত হ'ব। গোটেই অসমত যদি আমি চাওঁ ৭৪-৭৫ শতাংশ। লিটাৰেচি এই গেপটো যদি আমি পূৰাব বিচাৰো তেতিয়াহ'লে আমি ইয়াত কনচেনট্ৰেশ্যন কৰিব লাগিব আৰু মানুহখিনিক উঠাই অনাৰ কাৰণে **১২৬** জন বিধায়কে পজিটিভলি চিন্তা কৰিব লাগিব। যিহেতু এইসকল অসমীয়া, ভাৰতীয় নাগৰিক। গতিকে যি কাৰণতেই নহওঁক তেখেতসকল পিছ পৰি আছে। এতিয়া যিহেতু সুবিধা আপোনালোকৰ আহিছে, মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰৰ যিসকল বৰমূৰীয়া আছে, মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি মই অনুৰোধ কৰিম যাতে এই অঞ্চলৰ প্ৰতি দৃষ্টি ৰাখে। হয়, স্কুল-কলেজ হৈছে কিন্তু আজি চৰ-চাপৰি অঞ্চলবিলাকত ১০০ বছৰ পূৰ্ণ কৰা স্কুল বিদ্যালয় আপুনি যদিবহুত কম পাব। আছে, অন্য অঞ্চলত যেনেকুৱা আছে তাতকৈ কম কিয়? ১০০ বছৰ পুৰণি বিদ্যালয় আছে কিন্তু বহুত কম সংখ্যাত। মানুহে প্ৰাইভেট স্কুল পাতিছে, জাতীয় বিদ্যালয় হৈছে, ভেঞ্চাৰ স্কুল বহুত সংখ্যক এই অঞ্চলবিলাকত হৈছে। কিছু প্ৰভিঞ্চিয়েলাইজ হৈছে, বহুত হোৱা নাই। বিশেষভাৱে এই চৰ-চাপৰি অঞ্চলবিলাকত জনগণে স্কুল পাতি দিছে। শিক্ষকসকলে ২৫ বছৰ বিনা বেতনে কাম কৰিছে। তাৰে কিছুমানৰ পোষ্ট হৈছে। বহুত সংখ্যক হোৱা নাই। মই ভাৱো এই কথাবিলাকো চিন্তা কৰাৰ প্ৰয়োজন আছে। শিক্ষা বিভাগৰ যিটো কৰ্ত্তন প্ৰস্তাৱ আছে তাত বিস্তাৰিত ভাৱে মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অৱগত কৰিম। আজিয়েই এই বিষয়ে মই নাহো। শিক্ষা, স্কুল-কলেজ এই অঞ্চলবিলাকত বা এই ল'ৰা-ছোৱালীবিলাকক উঠাই অনাৰ কাৰণে অলপ দৃষ্টি এই অঞ্চলবিলাকত দিব লাগে। Early Marriage ৰ কথা তেখেতে কৈছে। এটা জেনেৰেশ্যনো বাঢ়ি যায়। আমি অনেষ্টলি্ কথাখিনি স্বীকাৰ কৰি আছো। হয়, প্ৰবলেম আছে। অনেষ্টলি্ স্বীকাৰ নকৰিলে সমস্যা সমাধান নহয়। তেখেতে ১১ বছৰৰ কথা কৈছে। ১১ বছৰত কৰবাত দুই এটা ঘটনা ঘটিব পাৰে। হাৰিয়ানাতো ঘটে। আমাৰ অসমতো বেলেগ ট্ৰাইবৰ মাজত দুই এটা ঘটনা ঘটে। সেই বুলি ইমান খিনি নহয় যে **১১** বছৰত সকলোৰে বিয়া হৈ আছে। কিন্তু এইটো সঁচা যে ১৫, ১৬, ১৭ আৰু ১৮ বছৰ নহওঁতেই আগত বহুত হৈছে। এতিয়া যথেষ্ট কমিছে। এতিয়া ষ্টুডেন্ট ইউনিয়ন বিলাকে আমিও এৱাৰ কৰি আছো বা ঠিক এনেকুৱা ধৰণৰ আলোচনা-বিলোচনাৰ মাধ্যমেদি যথেষ্ট সংখ্যক কমিছে আৰু চৰকাৰেও চোকা দৃষ্টি ৰাখিব লাগে। আমি ও নিশ্চয় দৃষ্টি ৰাখিম যে ১৮ বছৰ সম্পূৰ্ণ নোহোৱাকৈ যাতে কোনো ছোৱালীৰ বিয়া নহয়। যেতিয়া এগৰাকী ছোৱালীৰ ১৫-১৬ বছৰত বিয়া হয় আৰু ১-২বছৰ পিছত যদি সন্তান জন্ম হয়, ৩০-৩২-৩৪বছৰ বয়সতে আকৌ এই ছোৱালীজনীৰ যিগৰাকী ছোৱালী হ'ল তাইৰ যদি চাইল্ড গাৰ্ল হয়, তাইৰ বিয়া হৈ গ'লে এটা সময়ত গৈ নানী হৈ যায়, দাদী হৈ যায় কম বয়সত। মাজত এটা জেনেৰেশ্যন আহি যায়। বাকী যদি অসমত আমি জেনেৰেল কাষ্ট কমিউনিটি দেখো, ২৫,২৮ আৰু ৩২ বছৰত যদি আমাৰ ছোৱালী বহুতৰ বিয়া হয়, ঠিক তেনেকৈ সন্তান হওঁতে ৩০-৩২ হ'লে সেইজনী ডাঙৰ হ'ব আকৌ ৩০, ৩২আৰু ৬০ বছৰ যেতিয়া হ'ব মাজত ইয়াত এটা জেনেৰেশ্যন হৈ যায় ইয়াত। এই জেনেৰেশ্যনত হোৱাৰ কাৰণে হয়তো জনসংখ্যা বাঢ়ি যায়। ইয়াৰ ওপৰত দৃষ্টি নকৰি যদি অকল দুটা সন্তান, দুটা সন্তান আমি কৰি থাকো দুটা সন্তান হওঁক। সৰ্বভাৰতীয় লেভেলত যদি সঁচাকৈয়ে এইটো সমস্যা। মাননীয় উপাধ্যক্ষ মহোদয়, অসম আমাৰ ৰাজ্য। অসমতকৈ ভাৰতবৰ্ষত ১৫ খন ৰাজ্য আছে য'ত জনসংখ্যা

গ্ৰ'থ ৰেট অসমতকৈ বেছি। আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচল অসমতকৈ গ্ৰ'থ ৰেট বহুত বেছি। আমাৰ ধুবুৰী; নগাওঁ, মৰিগাওঁ আৰু বৰপেটা মাইন'ৰিটী ড'মিনেটেড এৰিয়া য'ত বাকী এলেকাতকৈ কম্পেৰেটিভলি বেছি। আমি এই কথাটো স্বীকাৰ কৰিছো। কিন্তু ধুবুৰীতকৈ অৰুণাচলৰ গ্ৰ'থ ৰেট বহুত বেছি। মেঘালয়ৰ পপুলেশ্যন গ্ৰ'থ ৰেট ধুবুৰী, নগাওঁ, আৰু বৰপেটাতকৈ বহুত বেছি। অকল যে মুছলমানৰ বেছি তেনেকুৱা নহয়, ভাৰতবৰ্ষৰ বেলেগ ৰাজ্যত চালে আপুনি দেখিব যে বিহাৰ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰকে আদি কৰি ঝাৰখণ্ড এইবিলাক ৰাজ্য মই কৈছো যে আমাৰ চুবুৰীয়া ৪-৫খন ৰাজ্যলৈ ১৫খন ৰাজ্যৰ পপোলেশ্যন গ্ৰ'থ ৰেট অসমতকৈ বেছি। হয়, ইয়াৰ পিছতো যদি এইটো সমস্যা বুলি ভাৰে সকলোৱে মিলি-জুলি সমাধান কৰাৰ চেষ্টা কৰিব লাগে। পাৰ্লিয়ামেণ্টতো এটা বিল আহিব পাৰে 'ওৱান কাণ্ট্ৰি, ওৱান নেশ্যন'ৰ আলোচনা কৰা হয়। পাৰ্লিয়ামেণ্টত যদি এনকুৱাধৰণৰ বিল হয়, আলোচনা হয়, আমিও মতামত দিম গোটেই ভাৰতবৰ্ষত হওঁক। অসমতো যদি আপোনালোকে ভাৰে আলোচনা-বিলোচনা কৰি **১২৬** জন বিধায়কে যদি পজিটিভলি চিন্তা কৰে আনক। কিন্তু কিছুমান কমিউনিটিক বাদ দি কিছুমানক যদি বান্ধ এৰি দিয়ে তাত **১০-১২** জন হৈ থাকিব। তেতিয়াতো সমস্যা সমাধান নহয়। **১৯৭১** ৰ পিছৰ হিন্দু হোৱা হেতুকে আপুনি বাংলা দেশৰ পৰা আনিব, সুবিধা দিব। এতিয়াতো অভিযোগ উঠিছে যে কেন্দ্ৰীয় ৰাজ্যিক গৃহ মন্ত্ৰী তেখেতৰ জন্ম বাংলাদেশত বুলি। বাংলাদেশত ভোজ খাই আছে। তেখেতৰ জন্ম তাত হৈছে। ইউনিয়ন হোম মিনিষ্টাৰ হৈছে। যদি এইবিলাক কথা হৈ থাকে **১৯৭১** ৰ পিছৰ বিদেশী খিনি আনি আকোঁৱালি লৈ বুকুত তুলি আমি যদি লওঁ, জনসংখ্যা নিয়ন্ত্ৰণ নহয় মাননীয় উপাধ্যক্ষ মহোদয়। গতিকে এই সকলো কথা-বাৰ্তাবিলাক চিন্তা কৰিব লাগিব। শেষত এটা কথা মাননীয় মৃণাল শইকীয়া ডাঙৰীয়াই কৈছে যে গোৱালপাৰা, বৰপেটাৰ জনসংখ্যা আজি হাই হৈছে। যিটো আন ডিভাইডেট গোৱালপাৰা ডিষ্ট্ৰিক আছিল তেখেতে এই কথাটো জনা দৰকাৰ যে আজিৰ ধুবুৰী, বাগ্চা, কোকৰাঝাৰ এই গোটেইখিনি এৰিয়া লৈ বঙাইগাওঁ, গোৱালপাৰা ডিষ্ট্ৰিক আছিল। চিৰাঙৰে এটা পাৰ্ট। এতিয়া চিৰাঙৰ জনসংখ্যা গুচি গ'ল। কোকৰাঝাৰ বেলেগকৈ ওলাই গ'ল গোৱালপাৰাৰ পৰা। বঙাইগাওঁ যেতিয়া ওলাই গ'ল মানে হিন্দু অধ্যুষিত অঞ্চল যেতিয়া গুচি গ'ল, মুছলিম অধ্যুষিত অঞ্চল থাকিলে তাত জনসংখ্যা বাঢ়িবই। এই ফেক্টটো আপুনি কিয় নকয়? আমি **১২৬** জন মানুহ। পজিটিভলি এটা বিষয় আলোচনা হৈছে। এই কথাটো ক'ব লাগিব। গোৱালপাৰাৰ পৰা আজি বাগ্চা ওলাই গৈছে, চিৰাঙৰ এটা পাৰ্ট ওলাই গৈছে। বজালী আজি ওলাই গৈছে। গতিকে বৰপেটাৰ মুছলিম জনসংখ্যাতো বেছি দেখিবই। গতিকে এই কথা-বাৰ্তাবিলাক আমি সদনৰ পৰা গোটেই ভাৰতবৰ্ষত মিছ গাইড কৰিব নালাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে আজি যিখিনি মানুহৰ ডেভলেপমেণ্টৰ কথা আমি কৈ থাকো, অকল এইখিনিৰ কথা নকওঁ, চাহ বাগানৰ ল'ৰা-ছোৱালীৰ কথা আমি কওঁ। তাত বাগানৰ মালিক সকলে যি স্কুল পাতিছে যি দূৰৱস্থা সেই স্কুলবিলাকৰ। ভাল শিক্ষক তাত নাই। হয়, যোৱা বছৰ আপোনাৰ চৰকাৰে পদক্ষেপ লৈ কিছু স্কুল পাতিছে। ভাল পদক্ষেপ লৈছে। কিন্তু তাত আৰু কৰিব লাগে। মই নিজে প্ৰশ্ন কৰো আমাৰ বিধায়ক সকলেও কৰে যে আমাৰ অসমৰ বিভিন্ন ট্ৰাইবচৰ সামগ্ৰিক ডেভলপমেণ্টৰ কথা কওঁ তেতিয়া অকল মুছলমানৰ কথা আমি নকওঁ। কিন্তু আজিৰ এই চৰ-চাপৰিৰ মানুহখিনিৰ ডেৰ শ বছৰ আগত যদি নিজৰ ৰাষ্ট্ৰ, নিজৰ দেশত এখন জিলাৰ পৰা আন এখন জিলাত আহিছে সেই সকলক বিদেশী কোৱাৰ ধৃষ্টতা মই ভাৱো আমাৰ হ'ব নালাগে। একে সময়তে যদি ভাৰতবৰ্ষৰ চাহ বাগান অঞ্চলত বাস কৰাসকলক যদি ভাৰতৰ bonafied হ'ব পাৰে, চাহ বাগানৰ ভাইসকল যদিও আন

ডিভাইডেট বিহাৰ, ঝাৰখণ্ডৰ পৰা তেওঁলোক আহিছে তেখেতসকলকো কোনেও কোৱাৰ সাহস নকৰে। আজি চৰ-চাপৰিৰ এই মানুহ খিনিক সদায় বিদেশী, সদায় বাংলাদেশী বুলি কোৱা হয়। বাংলাদেশতো কালি জন্ম হ'ল। ১৯৭১ত বাংলাদেশৰ জন্ম। ১৯৪৭ ত পাকিস্তানৰ জন্ম। ইয়াৰ আগত পাকিস্তান নাছিল, বাংলাদেশ নাছিল। গোটেই ভাৰতবৰ্ষ আছিল। গতিকে আন অবিভক্ত ভাৰতবৰ্ষ নিজৰ দেশ, নিজৰ ৰাষ্ট্ৰ। আজি অসমত পাঞ্জাৱী ভাইসকল আছে। থাকিবই। আজি শিখ ভাইসকল আছে, জৈন সকল আছে, গুজৰাটী সম্প্ৰদায়ৰ লোকসকল আছে বিহাৰী সম্প্ৰদায়ৰ মানুহ অসমত আছে। সেইসকলক লৈ কিন্তু এনেকুৱাধৰণৰ বক্তব্য কৰা নহয়। কৰাৰ প্ৰয়োজনীয়ই নাই। তেখেতসকল ভাৰতীয়। তেখেতসকলৰ ৰাইট আছে। অসমত তেখেতসকল থাকিব পাৰে। কিন্তু এটা কমিউনিটীয়ে ডেৰশ বছৰ আগত আহি অসমক শস্য-শ্যামলা কৰাৰ ক্ষেত্ৰত, ভাৰত স্বাধীন কৰাৰ ক্ষেত্ৰত যিসকলে তেজ দিলে, যিসকলৰ পূৰ্ব্বপুৰুষ ডেৰ শ বছৰ আগত অহাৰ পিছতো নিজৰ ঘৰত আহিও তেখেতসকলক বাংলাদেশী বুলি কোৱাৰ প্ৰৱণতাটো বাদ দিব লাগিব। **১২৬** জন বিধায়ক আমি সকলোৱে মিলি-জুলি অসমৰ সকলো জাতি-জনগোষ্ঠীৰ চিন্তা কৰিব লাগিব। ওৱান টাইম পপোলেশ্যন বাদ দি অসমখন টপ ফাইভ ষ্টেট আমি ল'ব নোৱাৰো। সেইকাৰণে মই অনুৰোধ কৰিছো চৰকাৰৰ প্ৰতিনিধি হিচাপে আপোনাৰ যোগেদি সামগ্ৰিকভাৱে য'ত য'ত অসুবিধা আছে, এই কথা-বাৰ্তাখিনি চিন্তা কৰি যাতে ডেভেলপমেণ্টৰ কাম কৰা হয় আৰু এই জনগোষ্ঠীবিলাকৰ প্ৰতি যাতে লক্ষ্য ৰখা হয়। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মই এটা অনুৰোধ কৰিছো যে আপুনি ধুবুৰী জিলাৰ লগত অৰুণাচলৰ যিটো তুলনা কৰিছে Just compare the total popolation of Arunachal entire State and Dhuburi District. তেতিয়া আপুনি গম পাব যে কোনটোৰ ৰেট বাঢ়িছে, কেনেকুৱা population. ইয়াৰ পিছত আছে সন্মানীয় বিধায়ক অমিয় কুমাৰ ভূঞা ডাঙৰীয়া।

**শ্ৰী অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া)ঃ** উপাধ্যক্ষ মহোদয়, যোৱা দিনকেইটাত আমি সদনৰ সকলো আলোচনা নীৰৱে শুনি আহিছো আৰু সদনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সদনৰ শৃংখলা বজাই ৰাখিছো । আজি মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ যেতিয়া বক্তব্য ৰাখি আছিল তেতিয়া তেওঁলৈ আমাৰ ফালৰ পৰা হস্তক্ষেপ যোৱা নাছিল । আমি সন্মান সহকাৰে নীৰৱে শুনি আছো। এটা নিৰ্দ্দিষ্ট বিষয়ৰ ভিতৰত আলোচনা ৰাখিব লাগে বুলি আমি উঠি কোৱাৰ লগে লগে কেইজনমান সদস্যৰ যি প্ৰৱণতা সদনৰ মজিয়াত দেখিলো, সেয়া আচলতে হ'ব নালাগে । তেনে আচৰণ সকলো ঠাইতে প্ৰদৰ্শন কৰিবলৈ নৈতিক সাহস আমাৰ আছে । **১৯** শতিকাৰে পৰা অসমলৈ হৈ থকা অবৈধ অনুপ্ৰৱেশে ৰাজ্যখনৰ গোটেই জনসংখ্যাৰ গাঁথনিত কেনেধৰণে প্ৰভাৱ পেলাইছে সেই বিষয়ে আমি জানো । **১৯৬২** চনৰ আগত পৃথিৱীত যেতিয়া জনসংখ্যাৰ নীতিৰ বিষয়ে আলোচনা কৰা নাছিল, তেতিয়া ভাৰতে **১৯৬২** চনত জনসংখ্যাৰ নীতি আনিছিল আৰু **১৯৬৩** চনত স্বাস্থ্য নীতি আনিছিল । তাৰ পিছত, অসমত কিছুমান ধাৰ্মিক সংখ্যালঘু মানুহৰ মাজত জনসংখ্যা যি ধৰণে বৃদ্ধি হৈছে, সেই বৃদ্ধিয়ে আমাৰ ৰাজ্যখনৰ থলুৱা মানুহৰ পৰিচয়, সংস্কৃতি, খাদ্যৰ প্ৰতি কেনেদৰে ভাবুকি কঢ়িয়াই আনিছে, সেয়া আমি সকলোৱে দেখিছো। গতিকে, এতিয়া সময়ৰ আহ্বান যে এই জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ আমাৰ দৃষ্টিভংগী, চিন্তাধাৰা সলনি কৰিব লাগিব। অসম বিধান সভাৰ ১২৬ গৰাকী সদস্যৰ আসনত কোন কোন সদস্য সেই নিৰ্দ্দিষ্ট সম্প্ৰদায়ৰ পৰা প্ৰতিনিধি হৈ আহিছে, সেই কথাখিনিও মনত ৰাখিব লাগিব । কেৱল মাত্ৰ শিক্ষানুষ্ঠান পাতি শিক্ষাদান কৰিয়েই যে জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ একমাত্ৰ পথ হ'ব পাৰে সেই কথা আমি কেতিয়াও বিশ্বাস

নকৰো। অসমত আমি মাটি বিচাৰো, অসমত থাকিব বিচাৰো, আমি অসমীয়া বুলি কওঁ, কিন্তু অসমীয়া ভাষা-সংস্কৃতি, সাহিত্য আমি মনে প্ৰাণে আঁকোৱালি লৈছো নে নাই? আজি মাজুলীৰ কথা ইয়াত আলোচনা কৰা হৈছে ।এই মাজুলী আমাৰ পৰিচয়, ই আমাৰ ঐতিহ্য, সত্ৰীয়া-সংস্কৃতিৰ ই প্ৰাণকেন্দ্ৰ। কিন্তু অন্য চৰ অঞ্চলত আমি নামঘৰ পাতিছো নেকি ? সত্ৰ পাতিছো নেকি ? তাত বিয়া নাম আয়োজন কৰিছো নেকি? তাত বৰগীতৰ আখৰা কৰা হৈছে নেকি ইত্যাদি কথাবোৰ আমি গভীৰভাবে পৰ্য্যালোচনা কৰিব লাগিব। যি বিষয়ক লৈ অসম আন্দোলনত ৭৫৫ গৰাকী লোক আমাৰ মাজৰ পৰা গুছি গৈছে, আজি Guiness Book of World Record ত অসম আন্দোলনৰ কথা অন্তৰ্ভুক্ত হৈছে। সেইবোৰ অবাস্তৱ বা অপৈণত কথা নহয় ।গতিকে আমি যিসকল লোকে শিক্ষা-দীক্ষা লৈছো, যিসকল সমাজৰ এজন হিচাপে কাম কৰিবলৈ আহিছো, যোৱা দিনবোৰত যি ৰাজনৈতিক ভাৰ- আদৰ্শৰ প্ৰতিনিধি নাছিলো, তেনেবোৰ অঞ্চলত অনুষ্ঠান-প্ৰতিষ্ঠান পাতি জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ, তাৰ ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ কাম কৰিছিলো নে নাই ?এই অঞ্চলৰ নিৰক্ষৰ মানুহখিনিক স্বাক্ষৰ কৰিবলৈ অনাগত পাঁচ বছৰত আমাৰ পৰিকল্পনা আছে নে নাই ? তেনে অঞ্চলত কি অনুষ্ঠান পাতিবলৈ চিন্তা কৰা হৈছে ? সেই অঞ্চলৰ মানুহখিনিক লৈ এনে ধৰণৰ বিষয়ত তেওঁলোকৰ লগত আলোচনাত বহিছো নে নাই ? এই কথাবোৰ আমি গুৰুত্ব দিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, জনসংখ্যা নিয়ন্ত্ৰণ হ'বই লাগিব ।তাৰ বাবে কঠোৰ আইন প্ৰণয়ন হ'বই লাগিব, নহ'লে আমি ইয়াত বাচি থকাটো অসুবিধা হ'ব । আমাৰ পৰিচয় বচাই ৰাখিবলৈ আমাৰ অন্য এডোখৰ ভূমি নাই। এইডোখৰেই অসম নামৰ ৰাজ্য, এইডোখৰেই ভূ-খণ্ড। ইয়াত অসমৰ ভাষা, সাহিত্য, কৃষ্টি, ৰীতি-নীতি, সংস্কৃতি কঠোৰ ভাৱে প্ৰচলন কৰিম আৰু কাৰোবাৰ ওপৰত ইয়াৰ প্ৰভাৱো পেলাম। সেয়া কোনোবাই গ্ৰহণ কৰে বা নকৰে, তেওঁলোকৰ কথা। অসম কোন হয়, কেতিয়া হয়, ইয়াৰ ওপৰত কাৰো পৰা শিক্ষা ল'বলৈ আমি এই বিধান সভালৈ নিৰ্বাচিত হৈ অহা নাই। অসম কেতিয়া হয়, কি হয়, এইখিনি কথা আমি জানো। সংখ্যা থাকিলেই থিয় হৈ কাৰোবাক আক্ৰমণাত্মক ভাৱে প্ৰতিবাদ কৰা ইত্যাদি পৰিৱেশ এই মঞ্চৰ ভিতৰত কৰিব পাৰিব, অসমৰ আন ভৌগোলিক এলেকাত এনেকুৱা কৰিবলৈ চিন্তা কৰিব লাগিব। হিন্দু-মুছলমানৰ নামত সমাজখন ভাগ ভাগ কৰাৰ কথা আমাৰ মনলৈ অহাও নাই আৰু কোৱাও নাই। আমি খিলঞ্জীয়া মুছলমানৰ মাজত ডাঙৰ-দীঘল হৈছো। তেওঁলোকৰ ঘৰৰ সন্মুখত জন্ম হৈছো। ইয়াৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰিবলৈ, সমন্বয় কৰিবলৈ যোৱা দিনবোৰত পূৰ্ববংগীয় যি অগ্ৰাসী মুছলমান, যিখিনিয়ে অবৈধভাৱে অনুপ্ৰৱেশ কৰিছে, তেওঁলোকে ইয়াত কি কৰিছে?... (Interruption)..

**মাননীয় উপাধ্যক্ষঃ** আপুনি চমুৱাই আনক। সময় কম। মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া)ঃ** উপাধ্যক্ষ মহোদয়, আমাৰ যি ৰাষ্ট্ৰীয় জনসংখ্যা নীতি, যি নীতিৰ কথা পৃথিৱীৰ কোনো উন্নত দেশে ভৱা নাছিল, সেই নীতিৰ কথা আমাৰ ভাৰতে ভাবিছিল। সেইকাৰণেই ভাৰতক পূণ্য ভূমি, দেৱভূমি বুলি কোৱা হয়। অসমখন আমাৰ মা, আমাৰ মা জনীৰ ওপৰত কোনোবাই কথা কোৱা, আক্ৰমণ কৰা আমি কেতিয়াও সহ্য নকৰো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ।এতিয়া, মাননীয় বিধায়ক শ্ৰী লিম্বু ডাঙৰীয়া।আপুনি কিবা স্পষ্টীকৰণ দিব বিচাৰিছিল। এক মিনিটৰ ভিতৰত কৈ দিয়ক।

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰচলা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জনাইছো।

আচলতে, মোৰ সমষ্টিত যিহেতু চৰ অঞ্চল আছে, সেয়েহে মই নিজেও আমাৰ সন্মানীয় সদস্যগৰাকীয়ে কোৱা ধৰণে এই সমস্যাটো diagnose কৰিবলৈ চেষ্টা কৰিছো আৰু চিন্তা-চৰ্চাও কৰিছো। তেখেতে কৈছে যে- য'ত নতুনকৈ চৰ-চাপৰি আহিছে, তাত এখন স্কুলৰ ব্যৱস্থা কৰিব লাগে কিয়নো তাৰ লোকসকল অন্য এটা চৰ-চাপৰিৰ পৰা আহিছে। এইটো এটা সাংঘাটিক ভুল ধাৰণা। কিয়নো বৈজ্ঞানিক ভিত্তিত বা ব্যৱহাৰিক দিশত যদি আমি চাবলৈ যাওঁ, সেই অঞ্চলত যদি কোনো নতুন মানুহ আহি বহিছে, তেন্তে তেওঁলোকক শিক্ষা-দীক্ষা আগবঢ়োৱাটো কেতিয়াও সুবিধাজনক হ'ব নোৱাৰে। আমি এযাৰ কথা সদায় দেখিবলৈ পাওঁ যে- জনসংখ্যাৰ ক্ষেত্ৰত ডাক্তৰ, ইঞ্জিনীয়াৰ, প্ৰফেচাৰৰ লগত তুলনা কৰি দিয়ে। সমাজৰ যি ব্যৱস্থা, সমাজৰ উদ্যমী ব্যক্তি সকলৰ যি চিন্তা-চৰ্চা, সেই চিন্তা-চৰ্চাৰেও এখন সমাজ নিৰ্মাণ হয় আৰু ডাক্তৰ ইঞ্জিনীয়াৰেহে যে জন্ম নিয়ন্ত্ৰণ কৰিব পাৰে, অন্য লোকে নালাগে বা নোৱাৰে, এনে ধৰণৰ চিন্ত-চৰ্চা কৰা উচিত নহয় বুলি মই ভাবো। অলপ আগত, মন্ত্ৰী মহোদয়ে কৈ গৈছে যে তেওঁৰ সমষ্টিত বহু চৰাঞ্চল আছিল, য'ত অন্য জনগোষ্ঠীৰ মানুহ আছিল, বিশেষকৈ মোৰ সম্প্ৰদায়ৰ লোক আছিল। কিন্তু, আজি বিভিন্ন কাৰণত সেই অঞ্চলৰ পৰা সেই মানুহবোৰ নাইকিয়া হৈছে। মই এইটোও ক'ব পাৰো যে মোৰ সমষ্টিৰ বহু গাঁও চৰাঞ্চললৈ পৰিণত হৈছে, কিন্তু সেই গাঁৱৰ হাজাৰ হাজাৰ মানুহ কেতিয়াও সেই চৰাঞ্চলত গৈ থকা নাই। সেইকাৰণে, যিসকল লোক ভূমিহীন, তেওঁলোকেহে যে চৰাঞ্চলত আহিছে, তেনে নহয়। সেয়েহে, চৰাঞ্চলৰ ভালৰ কাৰণে আমি বহল দৃষ্টিৰে চাব লাগিব। এনে চৰাঞ্চলবোৰ খেতিলৈ ৰূপান্তৰ কৰি তাৰ লোকসকল যাতে তেনে এখন ঠাইলৈ নাহে য'ত শিক্ষা প্ৰদান কৰিব নোৱাৰি, য'ত চৰকাৰী সা-সুবিধা প্ৰদান কৰিব নোৱাৰি, এই ক্ষেত্ৰত যাতে চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো। ধন্যবাদ।

**माननीय উপাধ্যক্ষঃ** হয়, চৰকাৰে নিশ্চয় দৃষ্টিগোচৰ কৰিব। ধন্যবাদ।

আমিনুল ইছলাম (কনিষ্ঠ), আপুনি ডেৰ মিনিটৰ ভিতৰত কৈ শেষ কৰিব।

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত আমি এটা ভাল আলোচনা পাইছো। বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই আজি অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। আজি ৰাজনীতিৰ নিমিত্তে যি বোকা ছটিওৱা আৰম্ভ হৈছে, মই ভাৱো সেয়া আমাৰ বাবে ভাল লক্ষণ নহয়। আমি যদি সমস্যাবোৰক আমি সমস্যা হিচাপেই থাকিব দি, tug of war কৰি থাকো, তেন্তে অসমক সৰ্বাংগ ৰূপত উন্নয়ন কৰাৰ আমাৰ যি উদ্দেশ্য, সেইটো পূৰ্ণ নহ'ব। কেৱল যদি এটা বিশেষ সম্প্ৰদায়, অঞ্চল বা এলেকা অনুন্নত কৰি ৰাখিব বিচাৰো, তেন্তে অসমৰ কেতিয়াও উন্নতি নহ'ব। আমাৰ দেহৰ কোনো এটা অংশত যদি ৰোগ থাকে তেনেহ'লে গোটেই দেহটোৱেই ৰুগীয়া হৈ যায়, ঠিক তেনেকুৱা অৱস্থাই আমাৰ হ'ব। মই ব্যক্তিগত ভাৱে কাকো আক্ৰমণ কৰিব বিচৰা নাই। কিন্তু, আজি আমি দেখিছো যে কিছুমানে সংখ্যালঘুৰ ব্যাখ্যা বেলেগকৈ দিছে। Article 31, Article 350 (B) ত কোন লোকসকল সংখ্যালঘু হয় বা তেওঁলোকৰ privilege কি তাৰ ব্যাখ্যা আছে। সংখ্যালঘুৰ সংজ্ঞা আমি নতুনকৈ দিব নোৱাৰো। অসম চুক্তিৰ কথা Guiness Book of World Record ত আছে। অসম চুক্তিৰ বাবে যিসকল লোকক target কৰি বিদেশী বুলি হত্যা কৰা হৈছিল, তেওঁলোক বিদেশী বুলি চিনাক্ত হৈছে নে? সেই মানুহখিনিৰ বাবে কি কৰা হ'ল, তেওঁলোকৰ বাবে কিবা চিন্তা কৰা হ'ল নে?

**মাননীয় উপাধ্যক্ষঃ** আপুনি পইণ্টবোৰ কওক। অসম চুক্তিৰ বাবে বেলেগ এদিন আলোচনা কৰা হ'ব তেতিয়া আপুনি বিতৰ্কত অংশগ্ৰহণ কৰিব পাৰিব।

**মোঃ আমিনুল ইছলাম (মানকাচাৰ)ঃ** যিহেতু বিশ্ব-ব্ৰহ্মাণ্ডৰ কথা আলোচনা কৰা হৈছে, গতিকে অসমৰ কিছুমান জীৱন্ত সমস্যাৰ তুলি ধৰিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এক মিনিটত কৈ শেষ কৰক। মন্ত্ৰীয়ে উত্তৰ দিব লাগিব।

**মোঃ আমিনুল ইছলাম (মানকাচাৰ) ঃ** আজি মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে জনসংখ্যা বৃদ্ধি হৈছে। জনসংখ্যা বৃদ্ধি আমাৰ এটা সমস্যা। এইটো সমাধান কৰিব লাগে। কিন্তু সদনত নহয়। আজিৰ পৰা কেইমাহমান আগত জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত এজন মানুহে উচ্চতম ন্যায়ালয়ত কেচ কৰিছে। এই ক্ষেত্ৰত আমাৰ সকলোৰে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই Affidavit ত লিখিছে যে এই মুহূৰ্তত ভাৰতবৰ্ষত জনসংখ্যা ৰোধ কৰিব পৰা অৱস্থাত নাই। এতিয়া যদি আমি US ৰ জনসংখ্যা চাওঁ, 1.73 fertility rate.UK ত ১.৬৮ fertility rate আৰু ভাৰতবৰ্ষত ২.২২ fertility rate আৰু অসমত ২০১৮ৰ census মতে ২.৩ fertility rate ২০১৬ লৈকে। এতিয়া ভাৰতবৰ্ষত fertility rate যেনেদৰে কমি আহি আছে, ২০৩০ লৈকে অসমত হ'ব ১.৯। Father-Mother দুজনৰ পৰা দুজন নহয়, ১ জন আৰু আধা জন্ম হ'ব। ২০১৫ ত China has withdrawn one mother, one child policy.আজি পৃথিৱীৰ বহু দেশত incentive দিয়া হৈছে জনসংখ্যা বৃদ্ধি কৰিবৰ কাৰণে। সেই কথাবিলাকো আমি ৰাখিব লাগিব। আমি ইয়াত ইজনে সিজনক আক্ৰমণ কৰিলে সমস্যা সমাধান নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude.

**মোঃ আমিনুল ইছলাম (মানকাচাৰ) ঃ** শিক্ষাৰ ক্ষেত্ৰত মই দুটামান কথা ক'ম। চৰ অঞ্চলত বা মোৰ ধুবুৰী জিলাত আৰু দক্ষিণ শালমৰা, বৰপেটা জিলা আদিত যি সমূহ TET শিক্ষক দিয়া হ'ল সেই সময়ত শিক্ষামন্ত্ৰী ডাঙৰীয়া আৰু আজিৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে তেওঁলোকে Transfer ল'বলৈ হ'লে কমেও ১০ বছৰ service দিব লাগিব। কিন্তু আমি দেখিছো যে তাৰপৰা ৮০ শতাংশ শিক্ষক Transfer লৈ গুছি আহিল। সকলোতকৈ ডাঙৰ কথা হ'ল যে They have transferred with post. তেওঁৰ ঠাইত বেলেগ এজন শিক্ষক দিয়া হোৱা নাই। তেনেকুৱা হ'লে শিক্ষাৰ হাৰটো কেনেকৈ বৃদ্ধি হ'ব? অকল বোকা ছটিওৱাৰ খেল যদি আমি সদনত খেলি থাকো অসমৰ ৰাইজে আমাৰ হাঁহিব। এই সমস্যাবিলাক বহুত আলোচনা হৈছে আৰু আজিও যথেষ্টখিনি আলোচনা হ'ল। আমাৰ মাতৃভাষাটো বেলেগ, অসমীয়া হৈ গৈছে। ইমান বছৰ assimilation হৈ গল, এতিয়া তেওঁলোকক bifurcate কৰা হ'ব, seperate কৰা হ'ব, এনেকুৱা অৱস্থা হৈ থাকিলে অসমৰ উন্নতি নহয়। উপাধ্যক্ষ মহোদয়, এই বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ মই অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়ক শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই অতিকৈ এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আজি পবিত্ৰ বিধান সভাত কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত জন্ম নিয়ন্ত্ৰণৰ ওপৰত যি প্ৰস্তাৱ উত্থাপন কৰিছে আৰু তাৰ ওপৰত বিতংভাৱে শাসকীয় পক্ষ আৰু বিৰোধী পক্ষৰ সন্মানীয় সদস্য সকলে বিভিন্ন ধৰণৰ আলোচনা আগবঢ়াইছে। মোক এই বিষয়ত ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। সময় পোনপ্ৰথমে অলপ বেছি দিছিলে আৰু এতিয়া কমাই আনিছে। মোৰ কথাখিনি clear কৰিবলৈ মোক দুই চাৰি মিনিট সময় বঢ়াই দিবলৈ আপোনাক অনুৰোধ জনাইছো।

**माननीय উপাধ্যক্ষ ঃ** মই অপোনাক সম্পূৰ্ণ ৫ মিনিট সময় দিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সীমিত পৰিয়াল এজন ব্যক্তি, এখন ঘৰ, এটা সমাজ, এখন ৰাজ্য বা দেশখনৰ কাৰণে মঙ্গলজনক। এই কথাটো আমি সকলোৱে বিশ্বাস কৰো আৰু মইও ব্যক্তিগতভাৱে এইটো বিশ্বাস কৰো। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ৰাজ্যখনত জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত কিছু বক্তব্য আগবঢ়াইছিল। তাৰপৰা গোটেই ৰাজ্যখনৰ লগতে আমি বুজিব পাৰিছিলো যে তেখেতে জন্ম নিয়ন্ত্ৰণৰ পোষকতা কৰিছে। আজি শ্বেৰমান আলী ডাঙৰীয়াৰ বক্তব্যৰ ওপৰত বিভিন্ন বিধায়কে যিখিনি কথা কৈ গৈছে, মই সেই কথাখিনি পুনৰাই দোহাৰিব নিবিচাৰো। প্ৰতিটো কথাত পূৰ্ণ সমৰ্থন জনাই দুই চাৰিটা কথা আপোনাৰ জৰিয়তে সদনত উত্থাপন কৰিব বিচাৰিছো। ইয়াত শাসকীয় পক্ষৰ মাননীয় বিধায়ক শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া, মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়া আৰু সন্মানীয় শাসকীয় পক্ষৰ বিধায়কসকলে বিভিন্ন কথাই কৈ গৈছে। এই বিষয়টোত ৰাতিপুৱা যেতিয়া পবিত্ৰ বিধান সভাত প্ৰৱেশ কৰিছিলো, ভাৱিছিলো Rule-50 ৰ ওপৰত যি আলোচনা হ'ব এইটো এটা ঐতিহাসিক আলোচনা হ'ব আৰু ইয়াত কোনেও আমি ৰাজনীতি নকৰিম। ইয়াত আমি কোনো জাতি, ধৰ্ম, ভেদাভেদ, হিংসা আদিৰে কথা নক'ম। এই মনোভাৱ লৈ ৰাতিপুৱা পবিত্ৰ বিধান সভাত প্ৰৱেশ কৰিছিলো কিন্তু দুই চাৰিজন সন্মানীয় বিধায়কৰ কথাত কিছুমান কথা মনলৈ আহিছে। গতিকে মূল বিষয়লৈ যোৱাৰ আগতে মই এইখিনি কথা ক'বলৈ বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি মূল বিষয়টো কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মৃণাল শইকীয়া ডাঙৰীয়াই কৈছে যে জন্ম নিয়ন্ত্ৰণৰ হাৰ বেছি হৈ আছে, দুদিনমান পিছত দখল কৰিব। কেন্দ্ৰত বিজেপি ৰ চৰকাৰ। গৃহ বিভাগ আছে, ৰাজ্য চৰকাৰো বিজেপি ৰ আৰু ইয়াতো গৃহ বিভাগ আছে। শক্তিশালী এখন চৰকাৰ। দ্বিতীয়বাৰৰ বাবে অসমৰ ৰাইজে ৰায়দান দিছে। তাৰ পিছত কোনোবা আহি দখল কৰিব, মা কামাখ্যা মন্দিৰ কোনোবাই আহি দখল কৰিব, কোনোবা গাওঁ দখল কৰিব, এনেকুৱা কথা-বাৰ্তাবোৰ ক'লে কেতিয়াও আমাৰ সমস্যাবোৰ সমাধান নহয়। পিযুজ হাজৰিকা ডাঙৰীয়াই কৈছে -কোনোবা কবিয়ে কৈছে যে জন্ম নিয়ন্ত্ৰণ হ'ব নালাগে, কোনোবা ধৰ্ম গুৰুৱে কৈছে যে জন্ম নিয়ন্ত্ৰণ হ'ব নালাগে, কিন্তু আজি যিজনে প্ৰস্তাৱ আনিছে পবিত্ৰ বিধান সভাত তেওঁ কোনোবা মুছলমান মাতৃৰ গৰ্ভত জন্ম লোৱা সন্তানেহে আনিছে। প্ৰস্তাৱ আপোনালোকেহে আনিব লগিছিল। তেওঁ প্ৰস্তাৱটো আনিছে গতিকে আপোনালোকে সমৰ্থনহে জনাব লাগিছিল আৰু ধন্যবাদ জনাব লাগিছিল। কিন্তু তাৰ পৰিৱৰ্তে বক্ৰ পথেৰে পৰিচালনা কৰিব বিচাৰিছে। এজন সন্মানীয় সদস্যই এই বিষয়ে কৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি আন সদস্যৰ কথা বাদ দি আপোনাৰ Point টো কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ক'ব লাগিব। বিপথে পৰিচালিত কৰিবলৈ গলে আমি নিদিওঁ আৰু এজনে কৈছে যে বৰগীত থাকিব নে নাই, বিয়ানাম থাকিব নে নাই? (----সদনত হুলস্থুল----)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি আন সদস্যৰ কথা বাদ দি আপোনাৰ Point টো কওঁক। তেখেতসকলে তেখেতসকলৰ সময়ত ক'লে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে

ক'বলৈ বিচাৰিছো যে যিসকলক সন্দেহ কৰা হৈছে, যিসকলক আঙুলিয়াই দিয়া হৈছে, আজি তেওঁলোকে বৰগীত গাবলৈ শিকিছে। আজি তেওঁলোকৰ গাওঁত বিহু পাতিছে, বিয়ানাম তেওঁলোকে গাব পৰা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় শ্বেৰমান আলী ডাঙৰীয়াই যিখিনি কথা ইয়াত উত্থাপন কৰিছে, ৰাজনৈতিকভাৱে তাক সমাধান কৰিব নোৱাৰে। সঁচা অৰ্থত অসমত যদি জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে, আন্তৰিকতাৰে কৰিব লাগিব। গোটেই বিষয়খিনি ইয়াত উত্থাপন হৈছে আৰু তাৰ ওপৰত আন্তৰিকতাৰে আলোকপাত কৰি সমাধান কৰিব লাগিব। মই একমত যে Minority Board ইয়াতে হৈছে। Minority Board ৰ জৰিয়তে অসমত যোৱা সময়ছোৱাত কোনো এটা ভাল কাম হোৱা নাই। তাৰ জৰিয়তে কেবল কিছু আচঁনি লৈছে, হিতাধীকাৰী নিৰ্বাচন কৰিছে আৰু কিছু সুতা কম্বল বিতৰণ কৰিছে। তাৰ জৰিয়তে কোনো Minority Development হোৱা নাই। উপাধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু সদনত উপস্থিত নাই, তথাপিও মাননীয় মন্ত্ৰী মণ্ডলী সদনত উপস্থিত আছে, তেখেতসকলৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই প্ৰত্যাহ্বান জনাম যে এইখন অসমত ৬০ ৰ দশকৰ পিছত আজিৰ তাৰিখলৈকে যিখিনি সমস্যা, যিখিনি অভাৱ-অভিযোগ, যিখিনি ইচ্ছু লৈ ৰাজনীতি হৈছে, যিখিনি দাবী উত্থাপন হৈছে এই গোটেইবিলাক বিষয়ৰ সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া অৱগত। গতিকে মোৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান থাকিব ইয়াত যি দ্বি-ভোটাৰৰ সমস্যা, এন আৰ চি ৰ কাৰণে ইমানদিন দীঘলীয়া লাইন কৰি কষ্ট কৰি ভেৰিফিকেশ্যন দি ৰাতি-দিন এক কৰি বিভিন্ন অফিচত কাগজ-পত্ৰ সংগ্ৰহ কৰি এন আৰ চি ৰ পৰীক্ষাত অৱতীৰ্ণ হ'ল কিন্তু আজিও এন আৰ চি য়ে ইয়াত বৈধ্যতা পোৱা নাই। মাটিৰ পট্টা পোৱা নাই, এই সমস্যা বিলাকত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মন-কান দিব লাগিব। তেতিয়াহে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অসম ৰাজ্যখনো প্ৰতিষ্ঠিত হ'ব। আজি ইয়াত বহুতে তেওঁলোকৰ বক্তব্যত কৈছে যে অসমত মুছলমান ৰাজ্য প্ৰতিষ্ঠিত কৰিবৰ কাৰণে মুছলমান সকলে জনসংখ্যা বৃদ্ধি কৰিছে কিন্তু মই ক'ম এইটো অসত্য কথা। অৰ্থনীতিৰ কৰাল গ্ৰাসত যেতিয়া দুবেলা-দুমুঠি খাবলৈ নাপায়, এবেলা খাই আনবেলাৰ কথা চিন্তা কৰিব লাগে, ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ যেতিয়া কিতাপ-পত্ৰ, সাজপোচাকৰ যেতিয়া অভাৱ হয় তেতিয়া সেই পৰিয়ালে কেনেদৰে উপাৰ্জন বৃদ্ধি কৰিব পাৰি তাৰ কাৰণে দিনে-নিশাই চিন্তা কৰে। সেইবোৰ চিন্তাৰ মাজতে যেতিয়া পৰিয়ালত সন্তানৰ সংখ্যা বৃদ্ধি হয় তেতিয়া মই ও সুধিছিলো যে আপোনালোকৰ পৰিয়ালৰ সংখ্যা কিয় ইমান বেছি? তেওঁলোকে তেতিয়া উত্তৰ দিছিল যে আমি হ'লো দুখীয়া মানুহ, আমাৰ যদি ল'ৰা ৪ জন আৰু ছোৱালী ৪ জনী হয় তেতিয়াহ'লে খেতি পথাৰলৈ যাব পাৰিব, বিভিন্ন কাম বিচাৰি বিভিন্ন ঠাইলৈ যাব পাৰিব তেতিয়া এজনে যিমান পায় চাৰিজনে তাতকৈ বেছি পাব। তেতিয়া আমি ঘৰখন ভালদৰে চলাব পাৰিম। এইদৰে অৰ্থনীতিৰ কৰাল গ্ৰাসত পৰি এইখন অসমত সংখ্যালঘু দুখীয়া মুছলমান সকলে এটা সময়ত এনেকুৱা চিন্তা কৰিছিল যদিও সেই চিন্তা-চৰ্চাৰ পৰা আজি যিসকল মুছলমানৰ ওপৰত আজি অভিযোগ অনা হয়, বছৰ মাহ দিন ধৰি যিসকলক হিংসাৰ চকুৰে চোৱা হয়, যিসকলক অভিযুক্ত কৰা হয় তেওঁলোক আজি জন্ম নিয়ন্ত্ৰণৰ চিন্তা-চৰ্চালৈ আহিছে। আজি মই ইয়াত আইন প্ৰনয়ণ কৰাৰ ক্ষেত্ৰত পূৰ্ণ সমৰ্থন জনাইছো কিন্তু যদিও আইন প্ৰনয়ণ নকৰে আজি উপাধ্যক্ষ ডাঙৰীয়া এই পবিত্ৰ বিধান সভাত কৈছো যে ৮০ ৰ পৰা ৯০ দশকলৈ জন্ম নিয়ন্ত্ৰণৰ হাৰ মুছলমান সকলৰ মাজত যিমান আছিল ৯০ ৰ পৰা ২০০০ লৈ লাহে লাহে কমি আহিছে। ২০০০ চনৰ পৰা ২০১০ চনলৈ আৰু

২০১০ ৰ পৰা ২০২০ চনলৈ আৰু কমি আহিছে। ২০২০ ৰ পৰা ২০৩০-৪০ পৰ্য্যন্ত এইখন অসমত জন্ম নিয়ন্ত্ৰণ কৰিব লাগে বুলি কোনো আইনৰ দ্বাৰা পোষকতা নকৰিব কিন্তু তথাপি আমি কৈছো যে জন্ম নিয়ন্ত্ৰণৰ কাৰণে কঠোৰ আইন আনিব লাগে। অকল মুছলমান মানুহৰ ঘৰতেই ৩-৪ টা সন্তান, অনা-মুছলমানৰ ঘৰত নাই নেকি? এই কথাবিলাক যদি আমি লুকাই ৰাখো তেন্তে এইখন অসম আগুৱাই যোৱাৰ ক্ষেত্ৰত নিশ্চয়কৈ কৰ'বাত নহয় কৰ'বাত বাধাপ্ৰাপ্ত হ'ব লাগিব। আজিৰ তাৰিখত যদি আপুনি কোনোবা মুছলমান গাঁৱত গৈ কোনোবা এজন ব্যক্তিক যদি সোধে আপোনাৰ ল'ৰা-ছোৱালী কেইজন দুজন ল'ৰা-ছোৱালী থকা সকলে ক'ব কিন্তু দুজনতকৈ বেছি ল'ৰা-ছোৱালী থকা সকলে লাজ কৰিব। এই যে লাজ কৰিছে ইয়াৰ অৰ্থ হৈছে তেওঁলোকে জন্ম নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিছে। গতিকে চৰকাৰে সদিচ্ছাৰে এই ক্ষেত্ৰত আগুৱাই যাব লাগে, ৰাজনীতিৰ বোকা চটিওৱাৰ খেল খেলিব নালাগে..............

............................ (সদনত হুলস্থূল) ........................................................................

............ গতিকে স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াৰ সৱল নেতৃত্বত অসমত জনসংখ্যা নিয়ন্ত্ৰণৰ আইন পাচ হওঁক, অসমত জনসংখ্যা নিয়ন্ত্ৰণৰ আইন পাচ হোৱাৰ লগে লগে যিখিনি মৌলিক সমস্যা আছে সেইখিনিৰো সমাধান হওঁক তাৰপ্ৰতি আহ্বান জনাই এই পবিত্ৰ বিধান সভাত সকলোকে একেলগে এই জনসংখ্যা নিয়ন্ত্ৰণৰ আইনৰ পোষকতা কৰিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো। ধন্যবাদ।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাজতে কথা এটা ক'ব খুজিছো। মই যিখিনি কথা কৈছিলো সেইখিনি হিন্দু সদস্যৰ কাৰণে কোৱা নাই। Assamese Muslim feel that there is a threat to their identity due to Muslim migrant to the state and one measure to protect them entire interest. এইটো মই কোৱা কথা নহয়, মানুহৰ মনত কি ভয় আছে সেইটো জানি থোৱা টো ভাল।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াই ৰুল ৫০ ৰ অধীনত "অসমত বসবাস কৰা মুছলমান, বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত পৰ্য্যাপ্ত শিক্ষানুষ্ঠান স্থাপন কৰি আৰু শিক্ষানুষ্ঠান সমূহত পৰ্য্যাপ্ত শিক্ষকৰ নিয়োগৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰ ঘটাই, বাল্য বিবাহ ৰোধ কৰি, স্বাস্থ্য-শিক্ষা-যাতায়াত আদি ক্ষেত্ৰ সমূহৰ ব্যাপক উন্নতি সাধন কৰি, চৰকাৰী আৰু বেচৰকাৰী খণ্ডত অন্ততঃ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত জনসংখ্যানুপাতে চাকৰিৰ ব্যৱস্থা কৰি, জন্ম নিৰোধক আহিলা সমূহৰ যোগান সুলভ কৰি আৰু কঠোৰ জন্ম নিয়ন্ত্ৰণ আইন প্ৰনয়ণৰ যোগেদি বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত ক্ৰমবৰ্দ্ধমান জনসংখ্যা নিয়ন্ত্ৰণ কৰা হওঁক" বিষয়টো আনিছে। তাত বক্তব্য ৰাখিছে মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া, শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া, শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া, শ্ৰী ৰকিবুল ইছলাম ডাঙৰীয়া আৰু শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই। আপোনালোকে যিখিনি বক্তব্য ৰাখিলে মই সেইখিনি খুব গুৰুত্ব সহকাৰে শুনিছো আৰু এই ক্ষেত্ৰত প্ৰথমতে মই আপোনালোকক এটা কথা অনুৰোধ কৰি থওঁ যিহেতু কেইবাজনো মাননীয় সদস্যই মুখ্যমন্ত্ৰী মহোদয়ৰ কিছুমান কথা উল্লেখ কৰিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছে inclusive development. এই inclusive development ৰ অৰ্থ আপোনালোকে ভালদৰে বুজে গতিকে যেতিয়া inclusive development কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে তেওঁৰ কথাটো অনাহকত টানি আনিব নালাগে আৰু দ্বিতীয় কথাটো হৈছে আপুনি ক'লে যে অকল খিলঞ্জীয়াক মাতি আলাপ-আলোচনা কৰিলে এটা section বাদ দিলে ৩৪ শতাংশক বাদ দি এখন অসম নহয়, এইটো কথা কলে আপুনি। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই inclusive

development মানে এই ৩৪ শতাংশ বাদ দি inclusive development নহয়। সেইটো কথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টকৈ কৈছে । সেইদিনা মিটিংখনত যিখিনি আমি পাতিলো আপুনি কৈছে যে চৰ অঞ্চলৰ মানুহখিনিক মতা নাই, আমাৰ অন্যমানুহখিনিক মতা নাই আপুনি কেনেকৈ জানিলে যে মতা নাই? মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে মোক সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী হিচাপে চৰ চাপৰিত সকলোকে মাতি আৰু এখন এনেকুৱা আলাপ-আলোচনা আমি তেওঁলোকৰ লগতো কৰিম, মাননীয় মুখ্যমন্ত্ৰীৰ সেইটো নিৰ্দ্দেশ। আমি এচেমব্লি চলি থকা কাৰণে পৰা নাই। গতিকে হ'ব সেইখন। কাৰণ inclusive development ৰ কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে নহয়, গতিকে সেইখনো হ'ব। কিন্তু তাত কোনো ৰাজনৈতিক পাৰ্টিৰ মানুহ নাথাকিব। বিজেপিও নাথাকে, এজিপিও নাথাকে, কংগ্ৰেছো নাথাকে, এ আই ইউ ডি এফো নাথাকে, বি পি এলো নাথাকে কোনো ৰাজনৈতিক পাৰ্টিৰ মানুহ নাথাকিব তাত কেৱল অৰাজনৈতিক যিখিনি চৰ-চাপৰিৰ বুদ্ধিজীৱি, অভিজ্ঞ, বিজ্ঞ বা যাৰ সমাজ খনৰ প্ৰতি সহানুভূতি আছে তেনেকুৱা ব্যক্তি সকলক নিৰ্বাচিত কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক সেইদিনাই নিৰ্দ্দেশ দিছে যে মিটিংখন পাতিব লাগিব। গতিকে আপুনি কব লাগিছিল শ্বেৰমান আলী ডাঙৰীয়াই যে বাকী আমাৰ যিখিনি চৰ অঞ্চলৰ তেখেত সকলকো মাতি এখন মিটিং কৰা উচিত। আপুনি কব লাগিছিল যে সেইখন মিটিং পতাৰ কাৰণে আমি ভাল পাইছোঁ। আমাৰ খিনিকো মাতি এখন মিটিং পাতিব লাগিছিল, আপুনি কব লাগিছিল সেইটো। আপুনি কলে ওলোটাকৈ। আচলতে ওলোটাকৈ কথা কব নালাগে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** বাজেট ভাষণত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** শুনক, বুজি পাইছো বাজেট ভাষণত বুলি কথা নহয়, বাজেট ভাষণত কথাটো এইখন মিটিং হোৱা নাই কাৰণে বাজেটত অহা নাই। যদিহে চৰ-চাপৰিৰ মানুহখিনিৰ লগত আলাপ আলোচনা হৈ গ'ল হেতেন বাজেটও আহিল হয়, হয়নে। গতিকে সেই কাৰণে কি হয়, আমি যিহেতু ৰাজনীতি কৰো আমি ৰাজনীতিৰ খাতিৰত সকলো কথা ক'ব নালাগে। এইটো দিন আজি উকলি গ'ল বহুদিন আগতে। আজিৰ দিনটোত মাননীয় মুখ্যমন্ত্ৰীয়ে যিহেতুকে কৈছে যে inclusive development, inclusive development বুলি কোৱাৰ লগে লগে এই ৩৪ শতাংশ মানুহ, এইখিনি বাদ পৰিব নোৱাৰে। এতিয়া মই আপোনাৰ কথা এটা মনত পেলাই দিওঁ, আপুনি যোৱাবাৰ এই বিধান সভাত কৈছিল যে অসমৰ জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত ট্ৰাইবেল সকলৰ জনসংখ্যা বাঢ়িছে আৰু মুছলমানৰ কমিছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** এইটো কোৱা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** ৰ'ব, ৰ'ব, পিছদিনা মই উত্তৰ দিছো তেতিয়াৰ ৰেকৰ্ড চাব আপুনি, তেতিয়া মই পিছদিনা ২০১১ চনৰ চেনচাচ আনি দেখুৱাইছিলোঁ আৰু দেখুৱাই মই কথাখিনি ক'লো যে জনসংখ্যা আচলতে কাৰ বাঢ়িছে। সেইদিনাই তেতিয়াৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিবা এটা কাৰণত মোক মাতিছিল, তেতিয়া আপুনিও গৈছিল, তেতিয়া মুখ্যমন্ত্ৰীৰ আগত আপুনি কৈছিল যে অৱশ্যে মোৰ এই বিষয়টো ভুল হৈ গ'ল, কিন্তু আমাৰ ইয়াতে শিক্ষাৰ প্ৰসাৰটো বাঢ়িলে আমাৰ জন্ম নিয়ন্ত্ৰণটো হৈ যাব, আপুনি তেনেকৈ কৈছিল।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** উপাধ্যক্ষ মহোদয়, আপুনি ৰেকৰ্ড চাওঁক, যিটো ফেক্ট, ফেক্ট।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক, এনেকৈ নিয়ম নহয়।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** উপাধ্যক্ষ মহোদয়, মই কি কৈছো তাত আছে, মই সদায় যিটো fact. I can not deny the fact.

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি উত্তৰটো শুনক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** ৰ'ব, ৰ'ব, গতিকে এতিয়া কথা হ'ল কি, সেই কাৰণে আজিয়ে ক'লো আপোনাক ২০১১ ৰ চেনচাচ ৰিপোৰ্টখন আপুনি আনক আৰু আনি ধুবুৰী, বৰপেটা, গোৱালপাৰা, দৰং এই গোটেই অঞ্চলবিলাকত জনসংখ্যা কিমান বাঢ়িছে আৰু কাৰ্বিআংলং এন চি হিল্চত ট্ৰাইবেল এৰিয়াত কিমান বাঢ়িছে সেইটো চাব আপুনি। এতিয়া কথাটো হ'ল আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই এটা দীঘলীয়া বুৰঞ্জী কলে আপুনিও বিভিন্ন ঠাইৰ পৰিসংখ্যা ক'লে যে স্বাস্থ্য বিভাগৰ ৰিপোৰ্ট মতে সেই পৰিসংখ্যাটোৰ কথাটো আপুনিয়ে কলে, জন্ম নিয়ন্ত্ৰণ ০.৪ শতাংশ আমাৰ ন'ন মুছলিমৰ, মুছলিমৰ ১.৩৮ কমিল। গতিকে এইটো এটা ডাঙৰ কথা আপুনি দেখুৱাইছে, সেইটো কথা নহয়। স্বাস্থ্য মন্ত্ৰালয়ৰ ৰিপোৰ্টটো চেনচাচ ৰিপোৰ্ট নহয়, চেনচাচ ৰিপোৰ্টৰ ওপৰত আপুনি কথা ক'ব লাগিব। স্বাস্থ্য মন্ত্ৰালয় ভাৰত চৰকাৰে যিটো ৰিপোৰ্ট দিছে সেইটো চেনচাচ ৰিপোৰ্ট নহয়। গতিকে আপুনি Authenticity হলে চেনচাচ ৰিপোৰ্টত যাব লাগিব। আমাৰ যিটো জন্ম দিয়া কেপাচিটি এইটো কমিলেও বাঢ়িলেও কাৰ জনসংখ্যা কিমান বাঢ়িছে, কমিছে সেইটো চেনচাচ ৰিপোৰ্টে কব।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ চাৰ্ভেটো ভুল নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** সমাপ্ত কৰিব দিয়ক, আপুনি বহক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** শুদ্ধ, আপোনাক মই কৈ আছো যে স্বাস্থ্য মন্ত্ৰালয়ৰ কথাটো শুদ্ধ। স্বাস্থ্য মন্ত্ৰালয়ে কৈছে যে fertility rate non muslim ৰ ০.৪ শতাংশ কমিছে আপুনি কৈছে আৰু মুছলিমৰ ১.৩৮ শতাংশ কমিছে, তাৰমানে আপুনি কলে যে এইটো বৰ ডাঙৰ কথা। আপুনি কৈছে নহয় সদনে শুনি আছে নহয়, গতিকে এতিয়া স্বাস্থ্য বিভাগৰ এই যিটো ৰিপোৰ্ট এই ৰিপোৰ্টতো সত্য। এই সত্য ৰিপোৰ্টৰ ওপৰত আপুনি চেনচাচ ৰিপোৰ্টটো মিলাব লাগিব। চেনচাচ ৰিপোৰ্টটো মিলালে ধুবুৰীত কিমান জনসংখ্যা বাঢ়িল, গোৱালপাৰাত কিমান জনসংখ্যা বাঢ়িল, বৰপেটাত কিমান জনসংখ্যা বাঢ়িল, দৰঙত কিমান জনসংখ্যা বাঢ়িল, নগাওঁত কিমান জনসংখ্যা বাঢ়িল এতিয়া এই ৰেটটো আৰু এই চেনচাচ ৰিপোৰ্টটো মিলিব। সেইটো আপুনি চাব, মই আপোনাক অনুৰোধ কৰিলোঁ। আপুনি চাব, যিহেতুকে আপুনি কথা কৈ থাকে সদায়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত বক্তব্য দিয়ক, চৰকাৰে কি কৰিব কওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে এনেকুৱা কিয় কৰে? মাননীয় মন্ত্ৰীয়ে উত্তৰ দি আছে। অনুগ্ৰহ কৰি বহক। তেনেকৈ নহয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** গতিকে উপাধ্যক্ষ মহোদয়, আমাৰ যিহেতুকে বুৰঞ্জী আনিছে, গতিকে আজিৰ দিনটোত এটা কথাই আপোনালোকক কওঁ যে এইটো আজিৰ কথা নহয় আজি আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই যিখিনি কথা ইয়াতে দাঙি ধৰিছে এই গোটেই কথাখিনিৰ ক্ষেত্ৰত আজি মই এটা কথাকে কও যে অসম, বেঙ্গল, এইবিলাক কথাৰ বুৰঞ্জী আনিছে, গতিকে বুৰঞ্জী অনাৰ লগে লগে Grow more food ৰ কথা আপুনি কৈছে, যে আমি Grow more food ৰ কাৰণে এইখিনি আনিছিল। গতিকে আমি যদি বুৰঞ্জীৰ কথা কওঁ আমি বুৰঞ্জীৰ সেইটো কথাও ক'ব লাগিব, যে ইয়াতে যেতিয়া ১৯৩৫ ত চৰকাৰ চলিছিল তেতিয়া মৌলনা হাচানিৰ নেতৃত্বত যেতিয়া ইয়াতে মুছলিম লিগে এই যে Grow more food ৰ কাৰণে যি মানুহ আনিলে তেওঁলোকক লাইন চিচ্টেমৰ ভিতৰত ৰাখি এটা লাইনত এটা confineকৈ ৰাখিব বিচাৰিলে গতিকে মৌলনা হাচনিৰ আন্দোলনটোৱে সেই লাইন চিচটেম উঠাই দিলে আৰু দিয়াৰ ফলত চাৰিওফালে scattered হ'ল আৰু মৌলনা হাচানিৰ তেতিয়া শ্লোগান এটাই আছিল যে চল চল দৰং চল, জংঘল ভাঙিয়া মাটি।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** উপাধ্যক্ষ মহোদয়, স্বাধীনতাৰ আগৰ কথা বোৰ ক'লে লাভ

আছে নেকি ?

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি বহক, বহক। এইটো উত্তৰৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ দিব। এইটো সমাপ্ত কৰিব দিয়ক তাৰ পিছত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্তব্য দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** গতিকে আজিৰ এই জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত যিটো কথা শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে, গতিকে এই ক্ষেত্ৰত দেখা যায় যে চৰ অঞ্চল আৰু সংখ্যালঘু অধ্যুষিত অঞ্চলত আজি নিম্ন প্ৰাথমিক বিদ্যালয় আছে ১৮০৬ খন, উচ্চ প্ৰাথমিক বিদ্যালয় ২৪১ খন, উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে ৯৯ খন। মুঠ আছে ২১৮৮ খন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিম্ন প্ৰাথমিকত আছে ২,১০,০৯৫ জন আৰু উচ্চ প্ৰাথমিকত আছে ৫৪,৫৫৬ জন, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আছে ২৫,২০৭ জন। সৰ্বমুঠ আছে ২,৮০,৮৫৮ জন। শিক্ষকৰ সংখ্যা আছে ৫৩১৬ জন আৰু উচ্চ শিক্ষকৰ সংখ্যা আছে ১৫৭৭ জন, উচ্চতৰ মাধ্যমিক শিক্ষকৰ সংখ্যা আছে **১৩৭৯** জন। মুঠ শিক্ষকৰ সংখ্যা **৮২৭২** জন। ছাত্ৰ আৰু শিক্ষকৰ ৰেচিঅ' হ'ল **৩৪** নিম্ন এল পি স্কুলত, হাইস্কুলত ৰেচিঅ' **৩২** আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত আছে ৰেচিঅ' **৩৫**। আমাৰ ৰাজ্যৰ average হ'ল **২৫**। এতিয়া য'ত ছাত্ৰ-ছাত্ৰী কম আছে, আমি যদি সেইখিনি ঠিক কৰি দিওঁ, তেতিয়া আমাৰ state level ৰ অনুপাততো ঠিকে থাকিব। চৰ অঞ্চল আৰু অন্যান্য ঠাইত এইখিনি ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। তাৰ উপৰিও বিভিন্ন ঠাইত Kasturba Gandhi যিখন স্কুল সংখ্যালঘু অঞ্চলতে **৪৬** খন বৰ্তমান আছে আৰু তাত প্ৰায় **২৩৩০** গৰাকী মুছলমান ছাত্ৰ-ছাত্ৰীয়ে অধ্যায়ণ কৰে। তাৰ উপৰিও আমাৰ বিভিন্ন ঠাইত আগতে MSDP আছিল, আজি কালি প্ৰধানমন্ত্ৰী জনকল্যাণ আঁচনি হৈছে, তাৰ জৰিয়তে extra স্কুলৰ ৰূম, লেট্ৰিন, বাথৰূম, ছোৱালীৰ কমনৰুম আৰু বিভিন্ন infrastructure আজিৰ দিনটোত হৈছে। সংখ্যালঘু অধ্যুষিত অঞ্চলত আজি আদৰ্শ মহিলা বিদ্যালয় হৈছে। আদৰ্শ মহিলা বিদ্যালয় সোনাই, চেঙা, বটদ্ৰৱা, জলেশ্বৰ, মঙ্গলদৈ, কৰিমগঞ্জ, হাইলাকাণ্ডি, গোলোকগঞ্জ, বিলাসীপাৰা এই বিলাকত স্থাপন কৰিবলৈ লোৱা হৈছে। তাৰ উপৰিও আজি স্বাধীনতাৰ পিছত **২১** খন স্কুল সংখ্যালঘু অঞ্চলত, যিবিলাকে এশ বছৰ পাৰ কৰিলে, সেই স্কুলসমূহক বিশেষ পেকেজ দিয়া হ'ব। আমাৰ যিবিলাক এশ বছৰীয়া স্কুল যিসকলে এককোটি টকা grant পোৱা নাছিলে, Minority Development ৰ কাৰণে **৩০** কোটি **৪২** লাখ টকাকৈ আজি এইবিলাক স্কুলত পাবলৈ সক্ষম হৈছে।

স্বাস্থ্যখণ্ডত আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে তেখেত আগতে স্বাস্থ্যমন্ত্ৰী আছিলে তাতো বহুত কাম কৰা হৈছে। Minority Development Board আছে, তাত দুখীয়া মানুহক ইৰিক্সা দিয়া হৈছে to uplift rural economy। ৰাস্তাৰ ক্ষেত্ৰত যথেষ্টখিনি ৰাস্তা, দলং, আপোনালোকৰ অঞ্চলত হৈছে। আজিৰ দিনটোত এটা কথা মানিব, এই সম্পৰ্কত যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে inclusive development ৰ কথাটোত আমি সকলোৱে সমৰ্থন কৰিব লাগিব। আজি আমি জনসংখ্যা প্ৰতিৰোধৰ ক্ষেত্ৰত অকল আইন আনিলে নহ'ব। আমি সকলোৱে মিলি জনসংখ্যা প্ৰতিৰোধ কৰিব লাগিব। আপোনালোকে তাৰ অংশ হ'ব লাগিব, যাতে জনসংখ্যা বিস্ফোৰণ হৈ এই ৰাজ্যখন ভৰিষ্যতে বিপদত নপৰে। এই কথাখিনি সকলোৱে চাব লাগিব। যদি আমি ইয়াৰ অংশ হ'ব পাৰো, তেতিয়া হে আমি জনসংখ্যা প্ৰতিৰোধ কৰিব পাৰিম। সেইটো নকৰি আমি যদি কথাবিলাক ৰাজনৈতিকভাৱে আলোচনা কৰো তেতিয়া জনসংখ্যা প্ৰতিৰোধ কৰিব নোৱাৰো।

যিখিনি হুdevelopmental agenda আমাৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত লোৱা হ'ল মই তাৰে আপোনাক দিলো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই খিলঞ্জীয়া মানুহক মাতিছে, মোক ইতিমধ্যে তেখেতে নিৰ্দেশ দিছে যে চৰ অঞ্চল, বুদ্ধিজীৱি আৰু অন্যান্য সকলক মতাৰ কাৰণে, বিধান সভা চলি থকাৰ কাৰণে মাতিব পৰা নাই। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত দুষাৰ কব বিচাৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াক ধন্যবাদ দিছো যে তেখেতে এটা প্ৰস্তাৱ আনিছে বিধান সভাত Rule 50 অনুসৰি যে "অসমত বসবাস কৰা মুছলমান, বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত পৰ্য্যাপ্ত শিক্ষানুষ্ঠান স্থাপন কৰি আৰু শিক্ষানুষ্ঠান সমূহত পৰ্য্যাপ্ত শিক্ষকৰ নিয়োগৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰ ঘটাই, বাল্য বিবাহ ৰোধ কৰি, স্বাস্থ্য-শিক্ষা-যাতায়ত আদি ক্ষেত্ৰসমূহৰ ব্যাপক উন্নতি সাধন কৰি, চৰকাৰী আৰু বে-চৰকাৰী খণ্ডত অন্ততঃ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিত জনসংখ্যানুপাতে চাকৰিৰ ব্যৱস্থা কৰি, জন্ম নিৰোধক আহিলা সমূহৰ যোগান সুলভ কৰি আৰু কঠোৰ জন্ম নিয়ন্ত্ৰণ আইন প্ৰণয়নৰ যোগেদি বিশেষকৈ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলৰ মাজত ক্ৰমবৰ্দ্ধমান জনসংখ্যা নিয়ন্ত্ৰণ কৰা হওক।"

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এটা ক্লজৰ বাদে বাকী আমাৰ মানি লোৱাত কোনো আপত্তি নাই। চাকৰিতো জনসংখ্যাৰ মতে নহয়। Article 14 মতে as per merit হয়। সেইটোক বাদ দি বাকী কথা বিলাকত আমাৰ কোনো আপত্তি নাই। আমাৰ যিখন population policy এই সদনত আমি approve কৰিছো তাত এইখিনি কথাই precisely কোৱা হৈছে। আপোনালোকে আমাক জনাব ক'ত স্কুল লাগে, ক'ত কলেজ লাগে, ক'ত ৰাস্তা লাগে। আমি পুঁজি সাপেক্ষে নিশ্চয় বনাই দিম। যিটো খিলঞ্জীয়া মুছলমানক মতা আৰু নমতা কথাটো হ'ল যে আপোনালোকৰ ধৰ্ম মুছলমান সমাজৰ একে। সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত দুটা সম্প্ৰদায়ৰ মাজত পাৰ্থক্য আছে। এতিয়া হিন্দু গোটেই বিলাক একে। কিন্তু মৰাণক মই বেলেগকৈ মাতিম, মটকক বেলেগকৈ মাতিম, আহোমক বেলেগকৈ মাতিম, সেই কাৰণে আমি প্ৰয়োজন সাপেক্ষে যেতিয়া ধৰ্মৰ আলোচনা কৰিম, গোটেই বিলাকক আমি একেলগে মাতিম। ভাষা-সংস্কৃতিৰ যেতিয়া আলোচনা কৰিম, মাননীয় সদস্য ওয়াজেদ আলি চৌধুৰী ডাঙৰীয়াই নিজে কৈছিলে যে আমাক মিঞা মুছলমান বুলি কওঁক। গতিকে মিঞা মুছলমানখিনিক বেলেগকৈ মাতিব লাগিব, বঙ্গভাষী নকলেও। জাৰী জিকিৰত আজান ফকিৰ, শংকৰদেৱৰ কথা উল্লেখ আছে। আমাৰ বৰপেটা, ধুবুৰীত জাৰী জিকিৰৰ প্ৰয়োগ নহয়। আমাৰ অসমীয়া মুছলমানে স্বৰস্বতী পূজাতো যায়। সংস্কৃতি এটা সম্পূৰ্ণ বেলেগ। গতিকে সেই সংস্কৃতিৰ লগত যিটো মিঞা মুছলমান বুলি আপোনালোকে যাক কৈছে তাৰ ধৰ্মীয় সংস্কৃতিতো একে, কিন্তু অসমীয়া সংস্কৃতিতো সম্পূৰ্ণ বেলেগ। ইয়াৰ ওপৰত বহুত কিতাপ ওলাই গৈছে। ইলিয়াছ আলি ডাঙৰীয়া, নেজিবুৰ জামান সকলোৱে চিএৰি চিএৰি কৈছে যে আমাক তেওঁলোকৰ লগত নামাতিব। মিটিঙত তেওঁলোকে কৈছে যে তেওঁলোকৰ লগত আমাৰ ধৰ্মটো একে আৰু আল্লাৰ ক্ষেত্ৰত একে। কিন্তু ভাষা, সংস্কৃতিত আমি আপোনালোকৰ লগত একে। তেওঁলোকৰ লগত আমাৰ নিমিলে। তেওঁলোকৰ ভাষা, তেওঁলোকৰ গাঁওত যি পিন্ধে, তেওঁলোকে যি খায়, তেওঁলোকে যি কৰে, তাৰ লগত আমাৰ খোৱা-বোৱা, সংস্কৃতি সম্পূৰ্ণ বেলেগ। আমি পিঠা-লাৰু বনাও, আমাৰ গামোচাখন একেই, আমাৰ ইয়াত কোনো মাছৰ সম্পৰ্ক নাই, তেওঁলোকে মাছ মাৰে, তেওঁলোকৰ নাওঁৰ লগত সম্পৰ্ক, আমাৰ নাওঁৰ লগত কোনো সম্পৰ্ক নাই।

ইয়াৰ ওপৰতটো ৰিছাৰ্চ পেপাৰ ওলাই গৈছে। থলুৱা মুছলমান বুলি যাক কয়, খিলঞ্জীয়া বুলি কওঁক, অসমীয়া ভাষা-ভাষী মুছলমান বুলি কওঁক, যি কওঁক অসমত দুবিধ সংস্কৃতিকভাৱে, ধাৰ্মিকভাৱে একে। আমি হিন্দু নহয় জানো ? কিন্তু সেইবুলি চুতীয়াখিনিক মই বাহ্মণৰ লগত কেনেকৈ মাতিমঙ্গ কাৰণ আমাৰ ভাষা-সংস্কৃতিটো বেলেগ। আজি ডিমাচা মানুহখিনিক মই কলিতাৰ লগত কেনেকৈ মাতিমঙ্গ ডিমাচাৰ ভাষা-সংস্কৃতি বেলেগ, কলিতা মানুহৰ ভাষা-সংস্কৃতি বেলেগ। গতিকে ধৰ্ম আৰু ভাষা দুটা গাইডিং ফৰ্চ। ভাষাত ভিন্নতা আছে, ধৰ্মত একতা আছে। গতিকে যদি ধৰ্মীয় কথা আলোচনা কৰিবলৈ মাতো তেতিয়াহ'লে আমি নিশ্চয় একেলগে মাতিম। শ্বেৰমান ডাঙৰীয়া আৰু দুই-এজন মানুহে এইকেইদিন এই বিষয়ৰ ওপৰত বহুত আলাপ-আলোচনা কৰি আছে আৰু এই গোটেইবোৰ কথা মোৰ নজৰত আছে, নজৰৰ বাহিৰত নাই। যিবিলাক কথা আপোনালোকে ঘৰত পাতি আছে, আপোনালোকৰ তাত পতা মানুহে আকৌ মোকো কৈ আছে। গতিকে মই এই বিষয়ে সচেতন। কিন্তু ঘটনাটো হ'ল যে আমাৰ অসমীয়া মুছলমান মানুহখিনিৰ মনত এটা অস্তিত্বৰ সংকট আছে। তেওঁলোকৰ মাজৰ এজনো ইয়াত এম,এল,এ নাই, তেওঁলোক এম,এল,এ জিকিব নোৱাৰে। গতিকে সেই মানুহখিনিয়ে আজি এটা নিৰাপত্তাৰ অভাৱ ভোগ কৰিছে। আজি ছিৰাজ ভাইৰ যিটো ভাষা, ছাজু ভাইৰ যিটো ভাষা, জাৰিৰ হুছেইন আৰু ৰাজবিৰ হুছেইনৰ সেইটো ভাষা নহয়, সম্পূৰ্ণ বেলেগ। সেইকাৰণে আপোনালোকে এইটো মনত বেয়া নাভাবিব, তেওঁলোকক বেলেগ মাতিলে। কাৰণ আমি হিন্দু বুলি কাকো নামাতো, খৃষ্টিয়ান বুলি কাকো নামাতো, মুছলমান বুলি কাকো নামাতো। আমি কাক মাতো On the basis of their linguistic cultural identity. কাৰণ চৰকাৰেটো ধৰ্মৰ ওপৰত বৰ বেছি কথা নাপাতে। কিন্তু ধৰ্মীয় মঞ্চত আপোনালোক একেলগে, তাত মোৰ কোনো কথা নাই। কাৰণ আল্লাটো এজনেই। ৫ বজাত নামাজ তেওঁলোকেও পঢ়িব আপোনালোকেও পঢ়িব, সেইটো লৈ কোনো কথা নাই। কিন্তু তেখেতসকলে আমাক নিজেই কৈছে যে আমাৰ ভাষা-সংস্কৃতি সম্পূৰ্ণ বেলেগ। আপোনালোকে জিকিৰবোৰ শুনিবছোন। জিকিৰবিলাকত, সত্ৰ, বৈষ্ণৱ ধৰ্ম গোটেই এটা বেলেগ বস্তু, ইয়াৰ লগত কোনো নিমিলেই। গতিকে আপোনালোকে শুনিব, শুনিলে নিজেও শিক্ষালাভ কৰিব পাৰিব। কিন্তু আচল কথা এইটো নহয়, আচল কথাটো হ'ল জনসংখ্যা। দুই-এখন ইংৰাজী বাতৰি কাকতে এটা ভুল ধাৰণা দি আছে যে এন এফ এইচ এচ চাৰ্ভে। কথাটো হ'ল যে চেঞ্চাছ হৈছে অথেন্টিক ডকুমেন্টচ, কাৰণ এইটো হাউচ হাউচত যায়। এন এফ এইচ এচ চাৰ্ভেটো হৈছে চেম্পল চাৰ্ভে। চেম্পল চাৰ্ভে আৰু টোটেল চেঞ্চাছৰ বহুত বেছি পাৰ্থক্য আছে। ২০০১ ত যেতিয়া চেঞ্চাছ আছিল অসমত হিন্দু মানুহৰ গ্ৰোথ আছিল ১৬ পাৰচেন্ট আৰু মুছলমান মানুহৰ গ্ৰোথ আছিল ২৯ পাৰচেন্ট। কিন্তু ১৯৯১ চনত মুছলিম মানুহৰ গ্ৰোথ আছিল ৩৪ পাৰচেন্ট আৰু হিন্দু মানুহৰ গ্ৰোথ আছিল ১৯ পাৰচেন্ট। গতিকে ১৯৯১ চনৰ পৰা ২০০১ চনলৈ মুছলিম মানুহৰ জনসংখ্যা বেছ কমিছিলে। It has comedown from 34 to 29. কিন্তু ২০০১ৰ পৰা ২০১১চনত ইয়াৰ পাৰচেন্টেজ নকমিল।ফলত It remaind 29 %হ'ল।Times of India ই কেইদিনমান আগতেNFHS ৰ চাৰ্ভে লৈ এটা বাতৰি প্ৰকাশ কৰিছিল যে The same paper in 2016 has come out with a news that অসমৰ মুছলিম মানুহৰ growth highest in the country and it is 29%. ১৯৯১ চনৰ পৰা ২০০১ চনলৈ there was a declined আৰু মোৰ এবাৰ মনত আছে যে দিল্লীত এখন মিটিং হৈছিল, তাত সোণোৱাল ডাঙৰীয়া আৰু মোৰ মাজত যুক্তি হৈছিল। মই কৈছিলো যে অসমত মুছলিম মানুহৰ গ্ৰোথ কমিছে ৩৫ পাৰচেন্টৰ পৰা ২৯ পাৰচেন্টলৈ ।

হিন্দুতকৈ কম হ'ব পাৰে কিন্তু there was a declined . ২০০১ চন আৰু ২০১১ চনৰ চেঞ্চাছত it remained 29% হ'ল। নকমিলে, কিন্তু বঢ়াও নাই। It was remained static. হিন্দু ১৬ শতাংশৰ পৰা ১০ শতাংশলৈ নামি আহিলে। তাৰ মানে আপোনালোকে চিন্তা কৰক যে ২০০১ চনৰ পৰা ২০১১ চনত যদি ১০ বছৰত ১০ জন হিন্দু মানুহৰ জন্ম হৈছিল, তেতিয়াহ'লে সেই সময়ছোৱাত ২৯ জন মুছলিম মানুহৰ জন্ম হৈছিল। ইয়াৰ ফলত আপোনালোকে (প'লিটিক্সৰ কথা বাদ দিয়ক) দেখিব যে অসমত হিন্দু মানুহৰ লাইফ ষ্টাইলবোৰ ভাল হৈছে। সকলোৰে গাড়ী হৈছে, স্কুটাৰ হৈছে, লৰা-ছোৱালীবোৰ ডাক্তৰ হৈছে, বাহিৰত গৈছে, কাম কৰিছে। নিশ্চিতভাৱে জনসংখ্যা ১০ পাৰচেন্ট হোৱাৰ লগে লগে lifestyle has also improved. আজি হিন্দু মানুহবিলাকৰ মাজত যথেষ্ট উন্নতি হোৱা দেখা গৈছে। কিয়নো তেওঁলোকৰ ঘৰবোৰ দেখিলে গম পাই যে, এইটো ঘৰ হিন্দু মানুহৰ। কিয়নো তেওঁলোকৰ ঘৰৰ বাহিৰত এখন ধুনীয়া বাৰী আছে। কিন্তু ২৯ শতাংশ জন্ম লৈ আজি মুছলিম মানুহবোৰ কেইটামান সংকটত পৰিছে। এটা হ'ল বাঘবৰ, চেঙাত কিমান মানুহ ৰাখিব পাৰিব, জলেশ্বৰত কিমান মানুহ ৰাখিব পাৰিবঙ্গ সেইকাৰণে বৰ্তমান সময়ত আপোনালোকে দেখা পাব যে মুছলিম মানুহে খালী মাটি দেখিলে সোমাই যোৱাৰ এটা প্ৰৱণতা বাঢ়িছে out of compulsion. মানুহেটো ক'ৰবাত থাকিব লাগিব আৰু যাওতে ক'ত গৈছে, ফৰেষ্টত সোমাই গৈছে। ফৰেষ্টত সোমোৱাৰ লগে লগে conflict with law আৰম্ভ হৈছে। কাৰণ আইনে ফৰেষ্টত যাব দিব নোৱাৰে। যোৱা কিছু দিনত মুছলিম মানুহে কাম কৰিবলৈ কেৰেলা আদি ঠাইত যোৱাটো বাঢ়ি গৈছে। যোৱাকালি আমি ৯ গৰাকী মহিলাক ধৰি লৈ আহিছো। চাকৰি দিম বুলি লৈ গৈছিল আৰু তেওঁলোকক দেহ উপাৰ্জনকাৰী কামত ব্যৱহাৰ কৰিছিল। বিশেষকৈ আমাৰ নামনি অসম আৰু মধ্য অসমৰ মুছলিম মানুহখিনিয়ে এটা ডাঙৰ সামাজিক টেনচনত ৰখি আছে। জনসংখ্যা বাঢ়িছে বা নাই বঢ়া আমি এন এফ এইচ এছৰ চাৰ্ভেত যাব নালাগে। কালি যদি হাউছে কয় যে আমি টীম এটা গৈ চেঙা, বাঘবৰ, জনিয়া, জলেশ্বৰ আদি ঠাইবোৰ চাই আহিলে কথাটো ওলাই পৰিব, মই মাননীয় উপাধ্যক্ষ মহোদয়ক প্ৰস্তাৱ কৰিম যে আমাৰ সদনত বিশেষকৈ উজনিৰ সদস্যখিনিয়ে নামনি অসমৰ দৰিদ্ৰতাটো দেখা নাই আৰু নামনি অসমৰ সমাজৰ ভয়লগা চিত্ৰখনো দেখা নাই, সন্তাৰনাও দেখা নাই। মোৰ কংগ্ৰেছত থকা কাৰণে সৌভাগ্য হৈছিল এই ঠাইবিলাকত যোৱাৰ। অধ্যক্ষ মহোদয়, ১৮ বছৰ, ১৯ বছৰত তিনি-চাৰিটাকৈ সন্তান হোৱাটোতো অস্বীকাৰ কৰি লাভ নাই। এইটো জেনুইন কথা, লুকাই একো লাভ নাই। আমাৰ কোনোবাই আৰ্টিকল লিখি, এন এফ এইচ এছৰ ৰ চাৰ্ভে দেখুৱাই, চেঞ্চাছ দেখুৱাইটো লাভ নাই। কিন্তু At the same time you cannot blame the poor. দুখীয়া মানুহক আপুনি দোষী কৰিব নোৱাৰে যে তোমালোকে কিয় জন্ম দিছা? শ্বেৰমান ডাঙৰীয়াই এটা ভাল কথা কৈছে যে জন্ম নিয়ন্ত্ৰণ কৰিব খুজিলে তাত cooperative ক'ত পাব, তাত birth control device ক'ত আছে, চাব-চেন্টাৰ বিলাকত নাৰ্ছ নাই, এই বস্তুবোৰ ক'ত পাবঙ্গ যদি কাৰোবাৰ গৰ্ভপাত কৰিবলৈ হয় এইটো ইছলামে নকয়, তেওঁলোকৰ মাজত ধৰ্মীয় কথা এটা আহি পৰে conflict with law. গতিকে প্ৰচাৰ লাগিব, প্ৰসাৰ লাগিব। আটাইতকৈ ডাঙৰ কথা যে ছোৱালীখিনিক যদি আমি শিক্ষিত কৰিব পাৰো তেতিয়াহ'লে তেওঁলোকৰ বিয়াৰ কথাবোৰ নাহে, যদিহে ছোৱালীখিনি পঢ়ি গৈ থাকে। মই ভাৰো আমি maximum expansionত শিক্ষিত কৰিব লাগিব লগতে আমি স্বাস্থ্যৰ বিকাশৰ ক্ষেত্ৰটো গুৰুত্ব দিব লাগিব। ইয়াত কোনো ৰাজনীতি কৰাৰ কথা নাহে। নহ'লে কি হ'ব, আজি এইখন ফৰেষ্ট, কালি সেইখন ফৰেষ্ট, কালি গোলাঘাট, ডিব্ৰুগড় কাকো আপুনি ৰাখিব নোৱাৰে।

কাৰণ মানুহৰ লিভিং স্পেচ নোহোৱা হৈ গৈছে , মানুহ বাঢ়ি বাঢ়ি আহিছে। সেইকাৰণে মোৰ অনুৰোধ যে জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে মই যিখিনি কথা কৈছো, সেইখিনি আপোনালোকে প'লিটিক্সৰ পৰা ডিলিট কৰি দিয়ক, কাৰণ I have seen the poverty. মই মানুহৰ দৰিদ্ৰতা দেখিছো। এতিয়া মই আচৰিত হওঁ যে জনসংখ্যাৰ কথা ক'লে ইয়াক প্ৰতিবাদ কৰিবলগীয়া কি আছেঙ্গ নাই হোৱা বুলিটো কৈ লাভ নাই, হোৱাটো হয়েই। এতিয়া আৰু কোনেও হৈ থকাটোও নিবিচাৰে। আজি যদি সদনত গোটেই মুছলমানক বিশ্বাস কৰা বিধায়ক সকলক আমি চাওঁ, সকলোৰেটো সন্তান কম, দুই-তিনি বা চাৰিটা। এইটো কথা ক'ব গ'লে হিমন্ত বিশ্ব শৰ্মাৰ দেউতাকৰ ইমান সন্তান আছিল, এই ই-ল'জিকেল কথাবিলাক কোৱাৰ কোনো লাভ নাই। যদি মোৰ দেউতাৰ ৬৯ বছৰত ৫টা ল'ৰা আছিলে, তেতিয়াহ'লে আপোনালোকৰ দেউতাৰ ৬৯ বছৰত কিমান ল'ৰা আছিল? কাৰণ I have seen the poverty. মই মানুহৰ দৰিদ্ৰতা দেখিছো। এতিয়া মই আচৰিত হওঁযে মই জনসংখ্যাৰ কথা ক'লে ইয়াত প্ৰতিবাদ কৰিবলগীয়া কি আছে? নাই হোৱা বুলি ক'লেতো লাভ নাই হোৱাটো হয়েইতো। এতিয়া আৰু কোনেও হৈ থকাতো নিবিচাৰে আৰু আজি যদি হাউচত আমাৰ গোটেই মুছলমানক বিশ্বাস কৰা বিধায়কসকলক আমি চাওঁ সকলোৰেটো সন্তান কম, ২টা, ৩টা, ৪টা। কিন্তু এইটো ক'বলৈ গ'লে হিমন্ত বিশ্ব শৰ্মাৰ দেউতাকৰ ইমান সন্তান আছিল। এই illogical কথা বিলাককৈ এইটো কৈ কোনো লাভ নাই, যদি মোৰ দেউতাৰ ১৯৬৯ চনত ৫টা ল'ৰা আছিল, আপোনালোকৰ দেউতাকৰ ১৯৬৯ চনত কেইটা ল'ৰা আছিল, এইটো ২টা ৩টা ক্ৰিকেট টীম হৈ যাব। গতিকে এই কথাবিলাক কোৱাৰ কোনো অৰ্থ নাই। এই কথাবিলাক হৈছে যে proportionately সেই সময়ত গেপটো ১০০ আছিল, আজিৰ গেপটো নামি ২৯ আৰু ১০, ১৯ শতাংশ হৈছে। ইয়াৰ যদি আকৌ ৫, ৬ শতাংশ কমাই দিব পাৰো, everybody will have a decent life, সেইকাৰণে মই ভাবো on this issue কংগ্ৰেছ, এআইইউডিএফ আৰু বিজেপিৰ মাজত কাৰো পাৰ্থক্য নাই। কিন্তু কোনোবাই ক'ব পাৰে ৮ টা ল'ৰা জন্ম দিয়ক, যদি আজমল ফাউণ্ডেশ্যনে ৮ টা ল'ৰাৰে স্ক'লাৰশ্বিপ দিয়ে মোৰ কোনো অসুবিধা নাই। কিন্তু দিবটো নোৱাৰে, কোনেও দিব নোৱাৰে। ডেৰকোটি মানুহক স্ক'লাৰশ্বিপ দিয়াটো সম্ভৱ নেকি? ডেৰকোটি মানুহক চাকৰি দিয়াটো সম্ভৱ নেকি? ডেৰ কোটি মানুহক হেল্থত দিয়া সম্ভৱ নেকি? কোনে দিব লাগিব? It has to be by Government.কোনোবাই সহায় কৰিব পাৰে চৰকাৰৰ প্ৰচেষ্টাত। ৯ খন আমি কলেজ দিছো, মই বিচাৰো যে আৰু ১০, ১৫ খন কলেজ আমাৰ চৰ অঞ্চলত হ'ব লাগে। financial inclusion হ'ব লাগে, আত্ম সহায়ক গোট হ'ব লাগে। মহিলা সকলক কামত লগাব লাগে আৰু শ্বেৰমান আলি ডাঙৰীয়াই কোৱাৰ দৰে, বিবাহৰ বয়সটো আমি বঢ়াব লাগে। গতিকে মই নাভাবো যে শ্বেৰমান আলি ডাঙৰীয়া আৰু চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ মাজত ইয়াত বিতৰ্ক হোৱাৰ কোনো কথা নাই। I am very happy that আপুনি যিখিনি liberal মানুহখিনিয়ে বুজি পোৱা নাই দিল্লীত, আপুনি এই কথাখিনি কৈছে। আমি হাউচে আজি শ্বেৰমান আলি ডাঙৰীয়াক ধন্যবাদ দিব লাগিব, তেওঁ আজি এখন সঁচা প্ৰতিচ্ছবি ইয়াত দাঙি ধৰিছে আৰু it has come from you মই ক'লে মোক ক'ব যে মোৰ কিবা ৰাজনৈতিক স্বাৰ্থ আছে বা আপুনি কৈছে, কংগ্ৰেছৰ পৰা কৈছে, আজি আমাৰ দিল্লীত জয়ৰাম ৰমেশ ডাঙৰীয়াই গৱেষণা কৰি আছে, মোক দিল্লীৰ পৰা মেইল পঠাইছে। কিবা MFSS আদি ইয়াত মানুহ বঢ়াটো কিবা চাৰ্ভে লাগে নেকি? আমাৰ চকুৰ আগত বৰপেটা মেডিকেল কলেজত কেতিয়াবা ১ ঘন্টা ঠিয় হলেই দেখিব নাৰ্চ গৈছে আহিছে, নাৰ্চ গৈছে আহিছে। এইটো বাস্তৱ, ইয়াত কোনো আৰু চাৰ্ভে

নালাগে। মই নিজে পগলা হৈ যাওঁ, মই তাতে ৰখি থাকো, নাৰ্চৰ ঘাম ওলাই যায়। এইটোৱে হৈছে বাস্তৱিকতা। এই বাস্তৱিকতাটো কোনোৱে নিবিচাৰে। কোনোবাই বিচাৰিব নেকি? দৰিদ্ৰতাক লৈ কোনোবাই ৰাজনীতি কৰিব নেকি? এইবোৰ মোৰ ভোট। এইবোৰ ভোটৰ কাৰণে জন্ম হয়, এই ভোট আজিহে, যোৱা কালিলৈকেতো কংগ্ৰেছত থাকোতে আমিয়েই কান্দি আছিলো। মুছলিম মানুহে আমাক ভোট নিদিয়ে, এআইইউডিএফক ভোট দিয়ে। সদায়তো আমাৰ ভোট হৈ নাথাকে, আৰু সমষ্টিত এজনেহে জিকিব বাকীবোৰৰ কাৰণেটো এইটো ভোট নহয়। হৰাও টো মানুহ আছে, আজি কিমান ভেঞ্চাৰ এমএলএ দৌৰি আছে, হয় নে নহয়? গতিকে এইটো টো সকলোৰে কাৰণে ভোট নহয়। লটাৰী এজনৰ খুলিব, তাৰ কাৰণে ডেৰ কোটি মানুহৰ জন্ম হ'ব নেকি? এইটোটো কোনো কথা নহয়। সেই কাৰণে মই ভাবো যে ইয়াৰ এটা বাস্তৱিক সমাধান আমাক লাগে। চাকৰিৰ ক্ষেত্ৰত অসম চৰকাৰে অলপ disincentive policy এটা ৰাখিছে। আজি পঞ্চায়ত ইলেকশ্যনত আমি ৰাখিছো, কিন্তু এইবোৰ নতুন নহয়। মধ্যপ্ৰদেশৰ কংগ্ৰেছ চৰকাৰে এইবোৰ আগতে কৰি গৈছে। ৰাজস্থানে আগতে কৰিছে, কিন্তু যাতায়ত ভাল কৰা, স্কুল কৰা, কলেজ কৰা, আমাৰ financial inclusion কৰা এই বিলাক আমাৰ দায়িত্ব আৰু অহা ৫ বছৰত definitely আমি এই কামবিলাক কৰিব লাগিব। মই আমাৰ উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিম যে আমাৰ ইয়াতে এটা ডিভাইড আছে, যেতিয়া আমি ধুবুৰীৰ বিধায়ক খিনিয়ে কথা কওঁ, তেতিয়া ডিব্ৰুগড়ৰ বিধায়কখিনিয়ে অলপ কম বুজি পায়। ডিব্ৰুগড়, তিনিচুকীয়াৰ বিধায়ক সকলে ধুবুৰীৰ কথা কলে বেয়া পায় । দুখন অদ্ভুত বেলেগ সমাজ আকাশৰ পৰাও চালে আপোনালোকে গম পাব যে ঘৰ, ঘৰ, ঘৰ, ঘৰ আকৌ উজনিত আমি ঘৰে নাপাওঁ, ইটো ঘৰৰ পিছত গৈ সিটো ঘৰ। অসমৰ ভিতৰতে দুখন অসম হৈ আছে। সেই কাৰণে মই ভাবো যে ৭ দিনৰ এটা study টুৰ হ'ব লাগে যে মধ্য আৰু নামনিৰ বিধায়ক সকলে ৭ দিন ডিব্ৰুগড় তিনিচুকীয়াত থাকক। তেতিয়া বুজি পাব যে কম পৰিয়াল হোৱা মানুহবোৰ কিমান সুখত আছে আৰু ডিব্ৰুগড়, তিনিচুকীয়াৰ বিধায়কখিনিয়ে অলপমান বাঘবৰ, জনিয়া, দক্ষিণ শালমাৰাত যাওঁক। তেতিয়া আমি বুজি পাম যে , কিমান প্ৰয়োজন শিক্ষাৰ বিকাশ কৰা, স্বাস্থ্যৰ বিকাশ কৰা কিমান প্ৰয়োজনীয়তা আছে। মই অধ্যক্ষ ডাঙৰীয়াৰ লগত আলোচনা কৰি এই বিষয়ত ব্যৱস্থা ল'ম। আৰু মই ভাবো যে this is a very good suggestion, except চৰকাৰী-বেচৰকাৰী খণ্ডৰ ৩য়, ৪ৰ্থ জনসংখ্যা অনুপাতে চাকৰিৰ ব্যৱস্থা কৰি, এই লাইন দুটা কাটি দিলে, I think this resolution can be accepted by the House as a guidance to the Government ইয়াত টো কোনো আপত্তি নাই। বহুত বহুত ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খুব objective ভাবে যিটো উত্তৰ দিছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো, মই যিটো উদ্দেশ্য লৈ আজি এই প্ৰশ্নৰ অৱতাৰণা কৰিছিলো । হাউচত অলপ মন্তব্য ইফাল-সিফাল হলেওঁ ultimately আমাৰ leader of the House যিটো উত্তৰ দিলে, it is realy satisfactory. মই মাত্ৰ দুটা কথা মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ কথাৰ লগত যোগ দিব খুজিছো। এটা হ'ল MSDP ৰ যিখিনি টকা, এই টকাৰে সৰু-সুৰা স্কীম নলৈ, ছাতি, ই ৰিক্সা বাদ দিয়ক, সেইবোৰ বাদ দি যিটো model residential school আপোনালোকে আৰম্ভ কৰিছে, সেই ধৰণৰ প্ৰত্যেকটো অঞ্চলত model residential school কৰক, স্বাস্থ্যত এই টকাখিনি খৰচ কৰক। ডাঙৰ ডাঙৰ স্কীম লওঁক। It is my request ২য়তে এটা আছে, যিটো girls child

marriage ৰ যিটো বন্ধৰ কথা একদম strictly বন্ধ কৰক মই আজি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আপুনি এটা মেচেজ পঠিয়াব লাগে প্ৰত্যেকজন ডিচি, এচপি ক specially in the lower Assam, Minority dominated areas, যে বৰপেটাত যদি ১৮ বছৰৰ তলৰ কোনোবা ছোৱালীৰ বিয়া হয়, তেতিয়াহ'লে ডি চি, এচ পি চাচপেণ্ড হ'ব। that should be done. যিটো জন্ম নিৰোধক আহিলা, এই আহিলা খিনি আমাৰ অন্ততঃ আশাকৰ্মী আছে, অংগনবাদী কৰ্মী আছে, তেওঁলোকৰ যোগেদি গাঁৱে গাঁৱে প্ৰতিটো মহিলাই পাই যাওঁক। আপুনি ভাল উপলব্ধি কৰিছে, It should be preventive. বহুত মহিলা আজিও এনেকুৱা আছে, যি সকলে নাজানে বা ফাৰ্মাচিত গৈ বহুত পুৰুষ আছে, খুজিবলৈ লাজ পায়। গতিকে আমাৰ আশাকৰ্মী, অংগনবাদী কৰ্মী , হেল্পাৰ, তেওঁলোকৰ যোগেদি Birth control measures, contraceptive should be sent to every lady. Next, যদি সম্ভৱ হয়, এই marriage ৰ বয়সটো ১৮ ৰ পৰা ২০ কৰক আৰু মিনিমাম হায়াৰ ছেকেণ্ডাৰী পাছ কৰিব লাগিব। It should be the minimum qualification for marriage of a girl child তেতিয়াহ'লে অসমখন অহা ১০ বছৰত এটা পৰিবৰ্তন হ'ব।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ক মই আদৰণি জনাইছো লগতে বহু দিনৰ মুৰত এনেকুৱা এটা ডিবেট আমি শুনা পালো। study tour ৰ কথাটো যিটো আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কলে, সেইটো আমি আদৰণি জনাইছো। এইটো হ'ব লাগে, কিন্তু তাৰ আগতে যিটো এটা পৰিৱেশ হৈছিল, ভাষা-সংস্কৃতি লৈ কিছুমান কথা বতৰা হৈছিল, কিন্তু

**মাননীয় উপাধ্যক্ষ ঃ-** এইটোৰ ওপৰত ডিবেট হ'ব নালাগে। মুখ্যমন্ত্ৰী মহোদয়ে ইমান ধুনীয়াকৈ উত্তৰ দিয়াৰ পাছত ডিবেট হ'ব নালাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, এইবাৰ আমি বাজেটত লিখো, লিখো বুলি নিলিখিলো, in fact লিখাৰ পাছত last moment ত আমি কাটি দিলো, যে অলপমান আমি ভাবিলো যে, আমাৰ ভাল কামবিলাকে নহ'ল সেইটো কথাই দিল্লীত ওলালহেতেন, বেলেগ নোলালহেতেন। আমি আশা কৰ্মী ধৰণৰ আৰু এটা ওৱৰ্কাৰ সৃষ্টি কৰিব খুজিছো যিবিলাক ১০ হাজাৰ আমি মহিলাক minority গাৰত এডিশ্যনেল আশা কৰ্মী দিব খুজিছো, তেওঁলোকৰ অকল কাম হ'ব contraceptive available কৰোৱা। মই এই প্ৰজেক্টটো ৩-৪ মাহ পাছত কম নহলে এইটো কথা কলে গোটেই বাজেটখনত এইটোৱেই ওলালহেতেন বেলেগ নোলালহেতেন আৰু মানুহে গোটেই কথাটো পলিটিকেলি চায়। গতিকে মই ভাবিছিলো, পিছত লাহে ধীৰে এইটো আনিম। আমি ১ হাজাৰ পপুলেশ্যন আৰ্মিও কৰিব খুজিছো, ১ হাজাৰ চৰ চাপৰিৰ মুছলিম ল'ৰাক আমি এই কামটোতে নিয়োগ কৰিবৰ কাৰণে খুজিছো। মেৰেজৰ বিষয়টো আমাৰ বিবেচনাধীন হৈ আছে। আটাইতকৈ ডাঙৰ কথা এই আউচত যদি আমি লাহে লাহে বুজি পাও যে পপুলেশ্যন কনট্ৰ'ল কৰাই মোৰ নো কি লাভ হ'ব। মানুহ কমিলেও ভোট দিব, ২০ বছৰ পিছতহে ভোট দিবগৈ। অসমৰ প্ৰেক্ষাপটত it is not enty muslim, this is enty proverty গতিকে এই কথাটো আমি অনুভৱ কৰিব লাগে। ২০-২৫ বছৰ পিছত এনেও মুছলিম মানুহৰ জনসংখ্যা কমি যাব। কোনে এনেকৈ চলাব পাৰিব, নোৱাৰিব- আমি প্ৰচেচটো অলপ expedite কৰিব লাগিব। যাতে অসমখন ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ মাজত এখন হ'ব পাৰে। মই শ্বেৰমান আলি ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু যদি আমি হাউচত যদি কিবা এটা আণ্ডাৰষ্টেণ্ডিঙৰ ইছ্যু

আছিলে সেইটো একচুৱেলী অকল হাউচত নহয়, দিল্লীতো ভাবে এইটো, পলিটিক্সৰ কাৰণে আমি এইবোৰ কথা কওঁ পাতো বুলি । কিন্তু মই ভাবো যে আজি অন্তত হাউচে এটা ডাইৰেকশ্যন পাব। এণ্ড ইন ডেইচ টু কাম- আমি এই ধৰণে যাব পাৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** খুব সুন্দৰ, আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা সুন্দৰ প্ৰপোজেল দিছে। আপাৰ আসাম আৰু লোৱাৰ আসামৰ সন্মানীয় বিধায়কক লৈ এটা ৭ দিনীয়া ট্যুৰৰ কথা কৈছে- এইটো আমি গুৰুত্ব সহকাৰে ল'ম আৰু এটা কথা কৰিব পাৰিনেকি আমি চাব লাগে- যে কমিউনিটি মেডিচিন বা হিষ্টৰী ষ্টুডেন্টৰ এটা ৰিচাৰ্চ মেটেৰিয়েল কৰি তেখেতসকলক ষ্টাডি কৰিবৰ বাবে এই কমিউনিটিত যদি আমি কৰিব পাৰো । কমিউনিটি মেডিচিন ডিপাৰ্টমেন্ট বা হিষ্টৰীৰ পৰা ষ্টাডি কৰাৰ বাবে আমাৰ বিধান সভাৰ পৰা যদি স্পঞ্চৰ কৰিব পৰা যায় তেনেকুৱা ট'পিকবিলাক । এই বিলাকৰ ওপৰত ষ্টাডি কৰিবলৈ এইটো এটা গুড আইডিয়া। মুখ্যমন্ত্ৰী মহোদয়ৰ যিটো প্ৰপোজেল it is a very good . --- এতিয়া আমাৰ লাঞ্চ ৰেডী হৈছে -সকলোৱে লাঞ্চ গ্ৰহণ কৰিব।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** উপাধ্যক্ষ মহোদয়, ৰিজোলুশ্যনটো পাছ কৰাৰ কথা আছে। মই অলপ এমেণ্ডমেন্ট আনিব লাগিব। যিহেতু এমেণ্ডমেণ্ড আনিলে মুখ্যমন্ত্ৰী মহোদয়ে পাছ কৰিব বুলি কৈছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, হাউচত 'চৰকাৰী- বেচৰকাৰী' এই লাইনকেইটা ড্ৰপ কৰাই অহাকালি কোনোবা এটা সময়ত আমি without debate আমি পাছ কৰাই ল'ম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া লান্স আছে, লান্সৰ পিচত ২ বাজি ১৫ মিনিটত আমি আকৌ মিলিত হ'ম।

সদনৰ কাৰ্য্যক্ৰমণিকা (First Half ) - দিনৰ ১.৩০ বজাত সমাপ্ত হয়।

**ইংৰাজী ১৯-০৭-২০২১ তাৰিখৰ সদনৰ দ্বিতীয় ছোৱাৰ কাৰ্য্যক্ৰমণিকা বিয়লি ২.১৫ বজাত অনুষ্ঠিত হয়।**

**মাননীয় উপাধ্যক্ষৰ সদনত প্ৰবেশঃ**

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া বাজেটৰ ওপৰত সাধাৰণ আলোচনা। সময় বিলাক কাক কিমান দিয়া হৈছে ইতিমধ্যে অধ্যক্ষ মহোদয়ে কৈ দিছে। আপোনালোকে চাই মেলি সন্মানীয় সদস্যসকলক ক'বলৈ ক'ব। মইও মাজে মাজে আপোনালোকক মনত পেলাই দিম। এতিয়া মই বিৰোধী দলৰ দলপতি ডাঙৰীয়াক ভাষণ ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ জুলাই তাৰিখে বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে উত্থাপন কৰা বাজেটৰ ওপৰত যি আলোচনা, তাত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়া বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। চৰকাৰ বা বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যদিও এই বাজেটখনক উন্নয়নমুখী বুলি অভিহিত কৰিছে এই বাজেটখনক বাহিৰে ৰঙচঙীয়া ভিতৰে কোৱা ভাতুৰী বুলি ক'ব পৰা যায়। ক'ভিদ সৃষ্ট পৰিবেশত অৰ্থনৈতিক স্থিৰতা, মুদ্ৰাস্ফিতী, নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সময়ত সময়ত সাধাৰণ ৰাইজক সকাহ দিব পৰাকৈ এই বাজেটখনত আমি বিশেষ তথ্য বিচাৰি পোৱা নাই। তদুপৰি এনে জটিল পৰিস্থিতিত শিক্ষা আৰু স্বাস্থ্য, কৃষি, পশুপালন আদি ক্ষেত্ৰত গুৰুত্ব আৰোপ নকৰাটো অতি দুখজনক। মহোদয় ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগ আৰু প্ৰাক্তন আই এ এছ বিষয়া সুভাষ দাস সমিতিক

ৰাজ্যৰ অৰ্থনীতি পুনৰ্জীবিত কৰিবৰ বাবে অসম চৰকাৰে দুখন প্ৰতিবেদন দাখিল কৰিবলৈ দিছিল। এই প্ৰতিবেদনসমূহত কৃষি দপ্তৰ, হস্ততাত, শিল্প উদ্যোগৰ বিকাশৰ আঁচনি লোৱাৰ লগতে পশুধন দুগ্ধ সামগ্ৰী উৎপাদক আৰু অন্যান্যসকলৰ বাবেও , ক্ষুদ্ৰ উদ্যোগীসকলৰ বাবেও বিভিন্ন আঁচনি লোৱাৰ বাবে গ্ৰহণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল কিন্তু ২০২১-২২ চনৰ বাজেটখনত এইসমূহ শিতানত বিশেষ গুৰুত্ব দিয়া দেখা নাই। ৰাজ্যৰ হস্ততাঁত শিপিনীসকলও এই সময়ছোৱাত নিজৰ পৰিয়ালৰ আৰ্থিক স্বচ্ছলতা বঢ়াবলৈ বহু কাম কৰাৰ অৱকাশ আছিল। কিন্তু এই ক্ষেত্ৰত শিপিনীসকল বা পশুপালকসকলৰ বাবেও যেনেদৰনে ৰেহাই মুল্যত খাদ্য সামগ্ৰী দিয়াৰ ব্যৱস্থা কৰিব পৰা গ'লহেতেন । হাট বজাৰত ঘুৰি ফুৰি যিসকলে পৰিয়াল ভৰন-পোষণ দি আছে তেওঁলোকে এই লকডাউনত হোৱা পৰিবেশৰ বাবে মাহেকীয়া কিছু আৰ্থিক সকাহ দিয়াৰ বাবে যেনেকুৱা কিছু ব্যৱস্থা কৰিব পৰা গ'লহেঁতেন বা ক্ষুদ্ৰ ব্যৱসায়ীসকল যিসকলে গ্ৰাম্যঞ্চলত বা নগৰ অঞ্চলত ঘৰ ভাৰা কৰি ব্যাৱসায়ী কৰি নিজৰ লগতে পৰিয়াল পোহ পাল দিছে সেইসকলৰ বাবে বিজুলী ৰেহাই , ঘৰভাৰা আংশিক ৰেহাই ইত্যাদি দিয়াৰ ব্যৱস্থা কৰা হ'লে নিশ্চয় বৰ্ত্তমান পৰিস্থিতিত অসমৰ স্বনিয়োজিতসকলে লাভান্বিত হ'লহেতেঁন। টুৰিজিম চেক্টৰটো অসমৰ কাৰণে যথেষ্ঠ গুৰুত্বপূৰ্ণ । যোৱা বছৰটোত লকডাউন আৰু অন্যান্য কাৰণত প্ৰায় দুই বছৰ কাল ধৰি এই ব্যৱসায়ত জৰিতসকলোৰো পানীত হাঁহ নচৰা হৈছে। তেনেক্ষেত্ৰত যোৱা সময়ছোৱাত যদিও এটা ' সঞ্জিৱনী' নামৰ, এই আঁচনি বিশেষ সফল হোৱা বুলি ক'ব নোৱাৰি। যিহেতু ইয়াত লোন দিবলৈ কোৱা হৈছিল কিন্তু তেওলোকৰ যিহেতু ব্যাৱসায় নাই গতিকে লোন লৈ তেওলোক ধৰুৱা হ'বলৈ ইচ্ছুক নাছিল। সেই বাবে তেখেতসকলক আৰ্থিক অনুদান দিয়াৰ বাবে চিন্তা কৰা হ'লে এটা অন্যতম ঘৰুৱা উদ্যোগৰ লগত জড়িতসকল বাছি থাকিল হেতেঁন। কিন্তু কৃষি আৰু আনুসংগিক বিষয়ৰ শোচনীয় অৱস্থাই জনমুৰী আয় হ্ৰাসৰ অন্যতম কাৰণ বুলি ঠাৰৰ কৰা হৈছে। কৃষিৰ ক্ষেত্ৰত ২০১৯-২০ বৰ্ষত সমৃদ্ধিৰ হাৰ ২.৩ শতাংশ কৃষি বা অনুসংগিক ক্ষেত্ৰত ঘৰুৱা উৎপাদন ১৯ শতাংশৰ পৰা ১৫ শতাংশলৈ হ্ৰাস পাইছে। শস্যৰ বৃদ্ধিৰ হাৰ মাত্ৰ ১.৮ শতাংশ আৰু পশুধনৰ বৃদ্ধিৰ হাৰ ০.৬৯ শতাংশ। কিন্তু ২০২১ বৰ্ষৰ এই বাজেটখনত কৃষি ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিয়া আমি দেখা নাই। কৃষি শিতানত পূৰ্ব্বৰ তুলনাত ধনৰ পৰিমান কম কৰাহে দেখা গৈছে। পূৰ্বতে কোৱা হৈছিল অসমত দুটা বা তিনিটা খেতি প্ৰতিজন কৃষকে কৰিব পৰাকৈ বিভিন্ন আছনি গ্ৰহণ কৰা হ'ব। কিন্তু এই বাজেটত তেনে আঁচনি ৰূপায়ন আমি দেখা নাই। কৃষকৰ সমস্যা, উন্নত বীজ, জলসিঞ্চন আদি সেইবিলাকৰ ক্ষেত্ৰতো যেনেধৰণৰ পুঁজি ব্যয় কৰাৰ কথা প্ৰস্তাৱ হ'ব লাগিছিল সেইখিনিও ইয়াত দেখা পোৱা নাযায়। বৰ্তমান সময়ত দেখা গৈছে যে, বহু কৃষকে বজাৰ নাপাই তেওঁলোকৰ সামগ্ৰী নষ্ট কৰিব লগা পৰিবেশ সেই কথাটো আজি দুই বছৰ ধৰি হৈ আছে। কিন্তু এই ক্ষেত্ৰত চৰকাৰী হস্তক্ষেপো আমি দেখা নাই। ৰাজ্যখনত বৰ্তমান নিবনুৱা সমস্যাটো অতি ভয়াবহ আৰু এই কথা আমি সকলোৱে জানো। চৰকাৰে সেই গতিকে প্ৰতিশ্ৰুতি দিছে, এক লাখ চাকৰি দিবলৈ। কিন্তু ই নিশ্চিত ভাৱে এপাচি শাকত এটা জালুকৰ নিচিনা আৰু চৰকাৰে যি কমিটি গঠন কৰি দিলে, এই কমিটিখনে দেখা গৈছে আজি কিছুদিন পূৰ্বে আমাৰ একলাখ চাকৰি ইতিমধ্যে খালী আছে বুলি কোৱা হৈছিল আৰু যোৱা বাজেটত কোৱা হৈছিল এই একলাখ চাকৰি এসপ্তাহৰ ভিতৰত বিভাগৰ পৰা এপ্ৰোভেল বিচাৰিলে দিয়া হ'ব। কিন্তু সেইখিনি দিয়া নহ'ল আৰু এতিয়া নতুনকৈ যিখিনি পদ সৃষ্টি হ'ব তাত পুৰণা কিছুমান পদ বিভিন্ন বিভাগত কৰ্তন কৰা হৈছে আৰু এই কৰ্তন কৰোতে নিশ্চিতভাৱে লক্ষ্য কৰিব লাগিছিল যিখিনি ৰাইজৰ লগত জড়িত বিভাগ সেইখিখিনিত কৰ্তন কৰা

হৈছে নেকি। কিন্তু এতিয়া দেখা গৈছে যে, বহুত ৰাইজৰ লগত জড়িত বিভাগৰো পদ সৃষ্টি কৰাৰ পৰিৱৰ্ত্তে কৰ্তন কৰি অন্য কেতবোৰ বিভাগত পদ দিয়া হৈছে। সেইগতিকে এই বাজেটত ৰাজ্যৰ নিবনুৱা সকলৰ বাবেও খুব এটা উৎসাহজনক প্ৰস্তাৱ আমি পোৱা নাই। ৰাজ্যৰ আইন শৃংখলা আৰু দুৰ্য্যোগৰ সময়ত অসমৰ গৃহৰক্ষী বাহিনীৰ ভূমিকা শলাগীবলগীয়া। আজি কিছুদিন পূৰ্বে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ড্ৰাগছ অভিযুক্তক কৰায়ত্ত কৰাৰ লগতে এজন গৃহৰক্ষী জোৱানক অসম আৰক্ষী সেৱাত নিয়োগ কৰিছে। সেই এটা অতি প্ৰশংসনীয় কাম। যোৱাবহুদিন ধৰি অসমৰ হোম গাৰ্ড সকলে পুলিচৰ লগত সমানে আমাৰ বিভিন্ন দুৰ্য্যোগ আৰু আইন শৃংখলাৰ দায়িত্বত কাম কৰি থকাৰ বাবে তেখেতসকলৰ মাননী বৃদ্ধি কৰাৰ বা বে চৰকাৰৰ ওচৰত দাবী জনাই আহিছে। অসমৰ বাদ দি অন্যকেতবোৰ ৰাজ্যত তেখেতসকলৰ যি মাহেকীয়া মাননী সেইখিনি ২০ ৰ পৰা ২৫ হাজাৰ টকাৰ ওপৰত বুলি ইতিমধ্যে গম পোৱা গৈছে। মই আশা ৰাখো অসমৰো গৃহ বিভাগৰ যি পুঁজি আৱণ্টন ইয়াৰ কিছু বৃদ্ধি কৰি এই গৃহৰক্ষী সকলকো অসমৰ অন্য ৰাজ্যত যেনেকৈ গৃহৰক্ষী সকলক অধিক পাৰিশ্ৰমিক দিয়া হয়, তেনেকুৱা এটা ব্যৱস্থা কৰিব আৰু নতুনকৈ যিমান বিলাক বেটেলিয়ন আৰক্ষীৰ মকৰল কৰা হ'ব তাতো তেওঁলোকৰ বাবে এটা **কোটাৰ** ব্যৱস্থা কৰিব। মহোদয়, ৰাজ্যৰ বিভিন্ন বিভাগত বহুদিন ধৰি শিক্ষা, গড়কাপ্তানী, জনস্বাস্থ্যকৰী, পঞ্চায়ত আদি বিভিন্ন বিভাগত বহু কৰ্মচাৰী বিনা বেতন, ঠিকা ভিত্তিক অথবা নিৰ্ধাৰিত বেতনত নিযুক্ত হৈ আছে। সেই সকলৰ বহুদিনীয়া সেৱাৰ কথাটো উপলব্ধি কৰি নতুনকৈ হ'বলগীয়া পদসমূহত তেখেতসকলকো যাতে বিবেচনা কৰা হয়, এই কথা মই যিহেতু বাজেট প্ৰস্তাৱত নাই মই উনুকিয়াই দিছো। ঠিক তেনেকৈ বিদ্যালয় সমূহতো ঠিকা ভিত্তিক কৰ্মচাৰী বহু নাই আৰু সেই গতিকে বহু বিদ্যালয়ত এজনীয়া শিক্ষক হৈ আছে। যাৰ ফলত উন্নত মানদণ্ডৰ শিক্ষা গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধা হৈ আছে। যি সময়ত Digital India, Digital Assam ৰ কথা কোৱা হৈছে, সেইখিনি সময়ত কিন্তু এতিয়াও বহুত ঠিকাভিত্তিক নিয়োজিত কম্পিউটাৰ শিক্ষকে কাম কৰি আছে। চৰকাৰে এইবাৰ ক'ভিড পৰিস্থিতিৰ বাবে মোকাবিলা কৰিবলৈ মোবাইল ফোনৰ কথা কৈছে। কিন্তু মোবাইল ফোন দিয়াৰ পূৰ্বে ইয়াৰ কেনেকুৱা প্ৰভাৱ পৰিব পাৰে যিহেতু নতুন নতুন বহুতো তথ্য ওলাইছে যাৰ যোগেদি শিশুৰ যি স্বাভাৱিক প্ৰক্ৰিয়া য'ত নিজৰ মানসিক বৃদ্ধি প্ৰক্ৰিয়া ইয়াত বিৰূপ প্ৰভাৱ পৰিব নেকি? **এই** কথাখিনি চাই ইয়াত মোবাইলৰ পৰিৱৰ্ত্তে অন্য কিবা ডিভাইচ আনিব পাৰে নেকি যিটোত limited excess থাকিব এনেকুৱা ধৰণৰ পৰামৰ্শ এটাও মই চৰকাৰক আগবঢ়াব বিচাৰিছো। ইয়াৰ উপৰিও যিহেতু ২০১৬ চনৰ এটা তথ্য আছিল ভাৰতবৰ্ষৰ মাত্ৰ শতকৰা ২৫ শতাংশ পৰিয়ালতহে ইণ্টাৰনেটৰ ব্যৱস্থা আছে। তেনেক্ষেত্ৰত এই ব্যৱস্থাটো মাত্ৰ কেতবোৰ ঠিকাদাৰক চাপ্লাই দিয়াৰ ব্যৱসায় হ'ব নে প্ৰকৃততে কামত আহিব। সেই কথাখিনিও পুংখানুপুংখ ৰূপে বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো আৰু কোন শিতানৰ পৰা এইখিনি দিয়া হ'ব এইখনিও স্পষ্ট কৰিবলৈ অনুৰোধ জনাইছো। এটা ভাল খবৰ যে, অসমত আৰু প্ৰায় পাঁচখন মান নতুন মেডিকেল কলেজ আৰু ইঞ্জীনিয়াৰিং কলেজৰ প্ৰস্তাৱ ৰখা হৈছে। তাৰ বাবে এইবাৰ ১৬ কোটিকৈ টকা দিয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ বাবে এটা নিৰ্দিষ্ট time frame হ'লে ভাল আৰু যিহেতু এখন মেডিকেল কলেজৰ বাবে চাৰিশৰ পৰা পাঁচশ কোটি টকা লাগে। সেইগতিকে আমি তিনিবছৰত সম্পূৰ্ণ কৰিম নে চাৰি বছৰত সম্পূৰ্ণ কৰিম এই কথাখিনি চাই সেই ১৬ কোটি টকাৰ পৰিৱৰ্ত্তে প্ৰথম বছৰতে এশ ডেৰশ কোটি টকাকৈ আবেদন দিবলৈ মই অনুৰোধ জনাইছো। ভাৰতৰ অসমক শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত অন্তৰ্ভূক্তিৰ কথা মাননীয় মুখ্য

মন্ত্ৰী মহোদয়ে ইয়াৰ পূৰ্বে বহুবাৰ উল্লেখ কৰিছে। কিন্তু উদ্যোগিক খণ্ডৰ বিকাশৰ অবিহনে এইখিনি সম্ভৱ নহয়। মহাৰাষ্ট্ৰ, তামিলনাডু, কৰ্ণাটক, হাৰিয়ানা আদি ৰাজ্যত ঘৰুৱা উৎপাদন আৰু নিয়োগৰ ক্ষেত্ৰত উদ্যোগৰ অধিক অৰিহনা যোগাই আহিছে। আমাৰ অসমৰ ক্ষেত্ৰত শেহতীয়াকৈ মৰাপাটৰ উদ্যোগ যিটো আছে, সেইটো অহা আগষ্ট মাহৰ ভিতৰত পুনৰ কাৰ্য্যক্ষম কৰিব বুলি কোৱা হৈছে। কিন্তু আজি বহু বছৰ ধৰি চৰকাৰে প্ৰতিশ্ৰুতি দি থকা দুয়োটা কাগজ কলৰ ক্ষেত্ৰত এই বাজেট প্ৰস্তাৱত কোনো কথা আমি নাপালো। যিটো যোৱা সময় ছোৱাত মুখ্যমন্ত্ৰী, প্ৰধান মন্ত্ৰী আদি সকলোৱে কৈছিল যে, এই উদ্যোগ কেইটা যিহেতু ইয়াৰ কাগজৰ ডিমাণ্ডো আছে, আমি থলুৱাভাৱে আত্মনিৰ্ভৰ ভাৰত কৰিব পাৰো। সেই গতিকে এই উদ্যোগ কেইটাক আমি কেনেকৈ পুনৰজীৱিত কৰিব পাৰো, ইয়াৰ যিসকল কৰ্মচাৰী আজি প্ৰায় পাঁচ বছৰ ধৰি দৰমহা পোৱা নাই তেওঁলোকক কেনেকৈ সকাহ দিব পাৰো। এই ক্ষেত্ৰত কিছু চিন্তা কৰি আমাৰ উদ্যোগ বিভাগৰ যি প্ৰস্তাৱ তাক আৰু অধিক পুঁজি আৱণ্টনৰ বাবে অনুৰোধ জনাইছো। যি ৰাজ্যিক ৰূপান্তৰৰ আয়োগ, এই আয়োগে অসমৰ দুটা থলুৱা শিল্প বৰপেটা আটচবাজী আৰু সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগো যোৱা জানুৱাৰী মাহত পৰিদৰ্শন কৰিছিল আৰু তেতিয়া চৰকাৰক প্ৰস্তাৱ দিছিল এইকেইটা পুনৰ জীৱিত কৰিবলৈ। মই আশা ৰাখো যে অসম চৰকাৰে যিহেতু চিটা আয়েগখন গঠন কৰিছে, এই আয়োগৰ পৰামৰ্শ অনুসৰি থলুৱা উদ্যোগৰ যাতে এটা লাভজনক ব্যৱসায় হ'ব পাৰে তাৰবাবে যেনেধৰণৰ সহায় আগবঢ়াব লাগে আগবঢ়াম। অনুৰূপ ধৰণৰ চিপাঝাৰত এখন ফাৰ্মাচিউটিকেল পাৰ্ক স্থাপন কৰাৰ কথা বাজেটত প্ৰস্তাৱিত হৈছিল। কিন্তু এই পাৰ্কখনৰো কোনো কাম হোৱা নাই। আৰু বৰ্তমানৰ ক'ভিড পৰিস্থিতিত আমাৰ চৰকাৰী ভাবেও বহু ঔষধ কিনিবলগা হয়, সেইগতিকে যদি ফাৰ্মাচিউটিকেল পাৰ্ক এখন হয়, তাত নিশ্চিতভাৱে বহু থলুৱা উদ্যোগীয়ে সুবিধা পাব আৰু চৰকাৰী চাপ্লাই কৰিব পাৰিব। সেই গতিকে এই প্ৰস্তাৱটোও যাতে এই বাজেটত অন্তভূৰ্ক্তি কৰি কাম আগবঢ়াব পাৰে সেইকথাও মই দৃষ্টিগোচৰ কৰিলো। মহোদয়, আটাইতকৈ বেছিকৈ যিকেইটা খণ্ডত কাম কৰিলে নিয়োগ বৃদ্ধি হয় সেইকেইটা হ'ল কনষ্ট্ৰাকশ্যন, গৃহ নিৰ্মাণ, পৰ্য্যটন, স্বাস্থ্য আদি। কিন্তু এই গোটেইকেইটা বিভাগৰ ক্ষেত্ৰত পুঁজি আৱণ্টন বা কেনেধৰণে এইখিনিক সন্তোষজনক ভাৱে আগুৱাই নিব পাৰিব, সেই কথা নাই আৰু সেই গতিকে অসমৰ যি গৃহ নিৰ্মাণৰ এটা সন্থা আছে, তেখেত সকলেও বাজেটখনৰ ওপৰত খুব ভাল মন্তব্য এতিয়াও দিয়া নাই। ২০১৯-২০ চনৰ বাজেটখন মহোদয়, আমি যদি চাওঁ, বহুখিনি অকল কাকততে সীমাবদ্ধ থাকিল। ইয়াত বহুতখিনি ঘোষণা কৰা হৈছিল কিন্তু এই ঘোষণাবিলাক তেনেকৈ কাৰ্য্যকৰী হোৱা দেখা নাপালো। ২০১৯-২০, ২০-২১চনত প্ৰায় চাৰে ছয় লাখকৈ নৱম দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ইউনিৰ্ফম দিয়াৰ কথা আছিল সেইখিনি নহ'ল, মাইনৰিটি বিভাগৰ ছাত্ৰীৰ নামত স্কলাৰশ্বিপ দিয়াৰ কথা আছিল, সেইখিনিও হোৱা নাছিল. প্ৰায় এহেজাৰখন বিদ্যালয়ত একলাখ টকা সামগ্ৰী দিয়াৰ কথা আছিল, দুই লাখ পঁচিশ হাজাৰ গৰাকী নৱম দশম শ্ৰেণী চাইকেল প্ৰদান কৰাৰ কথা আছিল। Tele education Virtual class room আচঁনিত আঢ়ৈশ খন বিদ্যালয়ক সামৰি লোৱাৰ কথা আছিল। ঠিক তেনেকৈ সপ্তধাৰা আঁচনিত ৰাজ্যত প্ৰায় ৪০০ খন বিদ্যালয় সামৰি লোৱাৰ কথা আছিল । বহুত স্কুলত যিহেতু ডেস্ক-বেঞ্চ নাই তাৰ বাবে এটা বিশেষ আঁচনি ঘোষণা কৰা হৈছিল । সেইখিনিও যোৱা সময়ত নহ'ল, গতিকে বাজেটত হোৱা ঘোষণাবোৰ যাতে তেনে নহয়, তাৰ বাবে চৰকাৰে যাতে যাৱতীয় ব্যৱস্থা লয় । সেয়া মোৰ অনুৰোধ । বিগত বাজেটৰ বহু আঁচনিৰ ActionTaken Report দিছে । সেয়া দেখিলে গম পোৱা যায় যে সেইখিনি ৰূপায়ণ হোৱা নাছিল । এই ক্ষেত্ৰত

২০১৯-২০ বা ২০২০-২১ ৰ বাজেটত যি ActionTaken Report আমাক দিছে, তাত দেখিবলৈ পোৱা গৈছে যে বাজেটত ঘোষিত বহুখিনি কাম ৰূপায়ণ কৰিব পৰা নাই । মহোদয়, নিবনুৱা সমস্যা, অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি আদি বিশেষ গুৰুত্বপূৰ্ণ বিষয়বোৰ এই বাজেটত নাই । পূৰ্বতে price stability fund থাকিব বুলি কোৱা হৈছিল, যাৰ দ্বাৰা বজাৰত খাদ্য আৰু যোগান বিভাগে হস্তক্ষেপ কৰি যাতে মূল্য বৃদ্ধি নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখিব । কিন্তু এই বিষয়টোত যোৱা সময়ছোৱাত আলোচনা হোৱাৰ পিছতো, ইয়াৰ দ্বাৰা ৰাইজ কিদৰে উপকৃত হৈছে, সেই বিষয়েও উল্লেখ কৰা নাই । যোৱা বাজেটত ইয়াৰ বাবে পুঁজি আৱণ্টন কৰা হৈছিল । যি সকল মহিলাই মাইক্ৰফাইনেন্সৰ পৰা ঋণ লৈছিল, তেওঁলোকৰ সকলো ঋণ মাফ কৰা হ'ব বুলি চৰকাৰে নিৰ্বাচনৰ পূৰ্বতে ঘোষণা কৰিছিল । কিন্তু এই ঋণ এতিয়া ৩ টা ভাগত বিভক্ত কৰিছে । ইয়াৰ দ্বাৰা কাক সকাহ দিব বিচাৰিছে, সেই কথাটো মই স্পষ্ট ভাবে ধৰিব পৰা নাই । যিসমূহ অনুষ্ঠানে ঋণ দিছিল, তেওঁলোকে প্ৰকৃততে Reserve Bank of India ৰ নিয়ম ভংগ কৰিছিল, তেওঁলোকক শাস্তি বিহাৰ বিপৰীতে তেওঁলোকে সকাহ পোৱাকৈ subsidy দিয়াৰ ব্যৱস্থাটো কিমান দূৰ যুক্তিসংগত সেই কথাটো পুনৰবাৰ বিবেচনা কৰিবলৈ চৰকাৰক অনুৰোধ কৰিছো, কাৰণ মাইক্ৰফাইনেন্স ইনষ্টিটিউটবোৰৰ নিৰ্দ্দিষ্ট গাইডলাইন আছে আৰু সেই গাইডলাইন অনুসৰি দুটাতকৈ অধিক মাইক্ৰফাইনেন্স ইনষ্টিটিউটৰ পৰা কোনো ব্যক্তিয়ে ঋণ ল'ব নোৱাৰে । এই নিৰ্দেশনা উলংঘা কৰি তেওঁলোকে কেনেকৈ অসমত মহিলা সকলক সৰ্বস্বান্ত কৰাৰ প্ৰক্ৰিয়া চলাইছিল, সেই কথাটো নিশ্চিত ভাবে তদন্তৰ বিষয় । আমাৰ যি আইন অনা হৈছিল, সেই আইনখনো তাৎক্ষণিক ভাবে কাৰ্যকৰী কৰা হ'ব বুলি কৈছিল । Deputy Commssioner ৰ ওচৰত লাইচেন্স ল'ব লগা কথা আছিল, কিন্তু এই কামখিনিও যোৱা সময়ছোৱাত কিমান আগবাঢ়িলে এই কথাখিনিও চিন্তা কৰিবলগীয়া । কিয়নো প্ৰায় ৭৫০০ কোটি টকা মাইক্ৰফাইনেন্সৰ ঋণৰ বাবে অসম চৰকাৰে দিব লাগিব বুলি ইয়াত কোৱা হৈছে । পূৰ্বৰ চৰকাৰৰ দিনত বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি আছিল আৰু এইবাৰ মিশ্যন ব্ৰহ্মপুত্ৰৰ কথা কোৱা হৈছে, কিন্তু ইয়াত কোনো দীৰ্ঘম্যাদী বিজ্ঞানসন্মত মেগা প্ৰজেক্টৰ কথা উল্লেখ কৰা নাই । জলসম্পদ বিভাগে ২০১৯-২০ চনতো পুঁজিৰ অভাৱৰ বাবে মথাউৰিৰ মেৰামতি কৰিব পৰা নাছিল । এই কথা এই বিধান সভাৰ মজিয়াত প্ৰশ্নোত্তৰ শিতানত উত্থাপন কৰা হৈছিল । সেয়েহে ৮৯৩ কোটি টকাৰ যি আৱণ্টন কৰা হৈছে সেই পুঁজি যথেষ্ট কম । গতিকে, এই পুঁজিৰ মূল্য বৃদ্ধি কৰি বান আৰু গড়াখহনীয়াৰ পৰা যাতে ৰক্ষা পাব পাৰো তাৰ বাবে বিশেষ আঁচনি চৰকাৰে বাজেটৰ সময়ত ঘোষণা কৰিবলৈ মই অনুৰোধ জনাইছিলো । ৰাজহৰ ক্ষেত্ৰত আৱকাৰী বিভাগৰ কথা কোৱা হৈছে যে তেওঁলোকে যথেষ্ট ভাল কৰিছে আৰু আৱকাৰী ৰাজহ নিশ্চিত ভাবে অসমত সুৰা বিক্ৰী বৃদ্ধি হোৱাৰ বাবেই হৈছে । অন্যান্য ক্ষেত্ৰত tax collection, negative তে আছে । একমাত্ৰ ৰাজহ আৰু বিদ্যুৎৰ ক্ষেত্ৰত ৰাজহ বৃদ্ধি পাইছে । কিন্তু সুৰাৰ পৰা পোৱা ৰাজহে অদূৰ ভৱিষ্যতে ৰাইজক আৰু ৰোগীয়া কৰিব নেকি ? যাৰ ফলত আমাৰ সামাজিক ব্যয়ো বৃদ্ধি হ'ব নেকি ? এই কথাখিনি আমি চাবলগীয়া। কিয়নো দুদিনমান আগত Lancet International ত এটা তথ্য ওলাইছে যে ভাৰতবৰ্ষত অত্যাধিক সুৰাপানৰ বাবে ৬২০০০ লোক কেন্সাৰত আক্ৰান্ত হৈছে । সুৰাৰ পৰা আৰু অধিক ৰাজহ লৈ ৰাজ্যৰ অন্যান্য কাম কৰাৰ কথা কৈছে, গতিকে এই ক্ষেত্ৰত চৰকাৰে কিছু কথা চিন্তা কৰা উচিত । ৰাজ্যৰ ৮০৫ খন বাগিছাত খোৱাপানীৰ যোগান, জল-জীৱন মিশ্যন আঁচনিৰ বাবে ধন্যবাদ জনাইছো । কিন্তু, পূৰ্বৰ ১২০ কোটিৰ পৰিবৰ্তে এইবাৰ ৮১ কোটি

টকা আৱণ্টন কৰা হৈছে আৰু ইয়াৰ ফলত যি কেতবোৰ আঁচনি চলি আছিল যেনে ‘দয়াল দাস পানিকাৰ আঁচনি’, যাৰ অধীনত নিবনুৱা চাহ জনগোষ্ঠীৰ শিক্ষিত যুৱক-যৱতী সকলক আৰ্থিক অনুদান দিয়া হয়, এইখিনি যোৱা সময়ছোৱাত **২৫** হাজাৰৰ পৰিবৰ্তে হ্ৰাস কৰা হৈছে । জি এন এম স্কলাৰশ্বিপ হ্ৰাস কৰা হৈছিল । গতিকে বৰ্তমানৰ পৰিস্থিতিত এই মাত্ৰা হ্ৰাস নকৰি অধিক লোকক সাঙুৰি লব পাৰি আৰু তাৰ বাবে **৮১** কোটিৰ পৰিবৰ্তে আৰু অধিক কৰিবলৈ মই প্ৰস্তাৱ আগবঢ়াইছো । মহোদয়, অসম চুক্তি আখৰে আখৰে ৰূপায়ণ কৰিব বুলি ঘোষণা কৰাৰ পিছত অসম চুক্তিৰ ৰূপায়ণ বিভাগৰ কাম-কাজৰ ক্ষেত্ৰত পুঁজি আৱণ্টন আৰু ইয়াত কি কি কৰা হ’ব সেই ক্ষেত্ৰত এই বাজেটত বিশেষ একো তথ্য নোপোৱাটোৱে চৰকাৰখনে যে অসম চুক্তিৰ প্ৰতি বিশেষ গুৰুত্ব দিব বিচৰা নাই, কথাখিনি স্পষ্ট হৈছে । সেয়েহে অসম চুক্তিৰ অধীনস্থ বি ভাগত আৰু কি কি কাম কৰা হ’ব, লগতে পুঁজি আৱণ্টন দিয়াৰ বাবে কি কৰিব পৰা যায়, এইখিনিৰ ক্ষেত্ৰত চৰকাৰক বাজেটত অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনাইছো। মহোদয়, বাজেটত বহুখিনি আঁচনিৰ কথা ধাৰ্য কৰা হৈছে । বাজেটত মুঠ ৰাজহ **৮৮.৯৭৯** কোটি টকা আহৰণ কৰা হ’ব বুলি কৈছে । ইয়াৰ বাবে বিভিন্ন শিতানৰ পৰা পাবলগীয়া টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া আঁচনিৰ অধীনত ৰাজ্যৰ নিজস্ব ৰাজহ, ৰাজ্যৰ নিজৰ কৰ কাটলৰ অন্যথা পোৱা বিভিন্ন নন-টেক্স ৰেভিনিউ কেন্দ্ৰীয় চৰকাৰৰ চেণ্ট্ৰেল টেক্সৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা অনুদান । কেন্দ্ৰীয় চৰকাৰৰ পৰা **২০,৪১৪** কোটি টকা কেন্দ্ৰীয় কৰৰ অংশ হিচাপে পোৱা হ’ব বুলি কোৱা হৈছে । পূৰ্বৰ বাজেটত **২৬০০০** কোটি টকা পোৱা হ’ব বুলি অনুমান কৰা হৈছিল কিন্তু আমি প্ৰায় **১৭২৩০** কোটি টকাহে পাইছো । গতিকে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া পুঁজিৰ অংশৰ ওপৰত নিৰ্ভৰ কৰি যদি আমি বাজেটখনৰ কথা চিন্তা কৰো, তেতিয়াহলে আমি কিমানখিনি সফল হ’ব পাৰিম, এই কথাটো নিশ্চিতভাবে চিন্তা কৰিব লাগিব । যোৱা সময়ত আমাৰ জি এচ টি **৫%** কম হৈছিল । Sale Tax বা Vat, যান-বাহনৰ কৰো **১৪%** কম পোৱা গৈছিল । বিদ্যুৎৰ পৰা ৰাজহ **৩২** শতাংশ আৰু আৱকাৰী ৰাজহ **৭-১ %** বেছি পোৱা গৈছিল । সেয়েহে, যি পৰিমাণৰ ৰাজহ দেখুওৱা হৈছিল, সেইখিনি সংগ্ৰহ হোৱা নাছিল । গতিকে যোৱা সময়ছোৱাত কাম কৰাৰ বাবে যি পুঁজি ধাৰ্য্য কৰা হৈছিল, তাতকৈ **২৫ %** ৰ পৰা **৩০ %** পুঁজি **২০১৬** চনৰ পৰা কমকৈ ব্যয় কৰি আহিছো আৰু সেই অনুপাতে বাজেটত দিয়া প্ৰস্তাৱো কমকৈ ৰূপায়ণ হৈ আহিছে । সেই অনুপাতে বাজেটত দিয়া প্ৰস্তাৱো কমকৈ ৰূপায়ণ হৈ আহিছে । **২০১৯-২০** আৰু **২০২০-২১** চনত অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া বিভিন্ন শিতানৰ পুঁজি এতিয়ালৈকে সম্পূৰ্ণ আদায় পোৱা নাই । গতিকে বাজেটৰ আকাৰে বৃদ্ধি কৰিলেও ব্যয় কৰিব পাৰিব লাগিব । কিন্তু পূৰ্বৰ চৰকাৰে এই বাজেটৰ ব্যয় সম্পূৰ্ণ কৰিব পৰা নাই । যোৱা বাজেটৰ প্ৰায় **৩৫০০০** কোটি টকা আজি কেইদিনমান আগলৈকে ব্যয় হোৱা নাই যিটো প্ৰস্তাৱিত ব্যয়ৰ **৭০%** তকৈও কম । সেয়েহে, আগন্তুক সময়ত যাতে এখন আমি সম্পূৰ্ণ অসমৰ স্বাৰ্থত ব্যয় কৰিব পৰা বিভিন্ন আঁচনি, যাৰ দ্বাৰা ঘৰুৱা উৎপাদন আৰু বৃদ্ধি হয় আৰু বৰ্তমানৰ সময়ত অসমৰ জনগনক যাতে সকলো দিশতে আগুৱাই নিব পাৰি, তেনেধৰণৰ আঁচনি এই বাজেটৰ যোগেৰে পাম বুলি আশা ৰাখিছো । আমাৰ যিখিনি পৰামৰ্শ সেইখিনি চৰকাৰে চিন্তা কৰি যাতে সংশোধন কৰে তাৰ অনুৰোধ জনালো । লগতে SUHRID নামৰ আঁচনিখন যোৱা পাঁচ বছৰত ঘোষণা কৰা হৈছিল, যাৰ যোগেৰে প্ৰতি গৰাকী বিধায়কে তেওঁলোকৰ সমষ্টিৰ দুখীয়া ছাত্ৰ-ছাত্ৰী আৰু ৰুগীয়াক আৰ্থিকভাবে সকাহ দিব পাৰিছিল, কিন্তু এই আঁচনিখন এইবাৰ বন্ধ কৰি দিব বুলি শুনিছো । সাধাৰণ ৰাইজৰ স্বাৰ্থত এনেধৰণৰ আঁচনি বন্ধ নকৰি ইয়াৰ বাবে আৰু

অধিক পুঁজি যাতে বৃদ্ধি কৰে, তাৰ বাবে চৰকাৰৰ দৃষ্টিগোচৰ কৰি মোৰ বক্তব্য সামৰিছো । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** পদ্ম হাজৰিকা ডাঙৰীয়া।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** উপাধ্যক্ষ ডাঙৰীয়া, যোৱা **১৬** তাৰিখে অসমৰ প্ৰথমগৰাকী মহিলা বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যিখন বাজেট এই পবিত্ৰ সদনত উপস্থাপন কৰিলে, সেইখন এখন অতি সুন্দৰ বাজেট আৰু ইয়াৰ বাবে তেখেতলৈ আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ বিশেষ ভাবে ধন্যবাদ জ্ঞাপন কৰিছো। এই বাজেটত ৰাজ্যখনৰ জনসাধাৰণৰ সকলো শ্ৰেণীৰ মানুহৰ উন্নয়নৰ বাবে, সমস্যা সমাধানৰ বাবে যিখিনি উপস্থাপন কৰিছে, সেই কথাখিনি যদি ক'বলৈ যোৱা যায় তেন্তে মোৰ হয়তো দুঘণ্টাতকৈও বেছি সময় লাগিব । বাজেটৰ ওপৰত বিৰোধী দলপতি ডাঙৰীয়াই তেওঁৰ বক্তব্যত যি শংকা প্ৰকাশ কৰিছে যে, বাজেটৰ আকাৰ যদি ডাঙৰ হয়, তেন্তে তাৰ ব্যয়ো সেইমতে হ'ব লাগিব। যদি আমি ২০১৫-১৬ চনত চাওঁ তেতিয়া ব্যয় হৈছিল ৬৩ শতাংশ আৰু ২০১৬-১৭ চনত চাওঁ তেতিয়া ব্যয় হৈছিল ৭৩ শতাংশ, বাজেটৰ আকাৰো ডাঙৰ হৈছে। ২০১৭-১৮ চনত চাওঁ তেতিয়া ব্যয় হৈছিল ৭৬ শতাংশ আৰু ২০১৮-১৯ চনত তেতিয়া ব্যয় হৈছিল ৭৯ শতাংশ আৰু ২০১৯-২০ চনত যদি চাওঁ তেতিয়া ব্যয় হৈছিল ৮২ শতাংশৰ ওপৰত। গতিকে বাজেটৰ আকাৰে ডাঙৰ নহয়, জনসাধাৰণৰ কল্যাণৰ কাৰণে কাম কাজখিনি হোৱাৰ বাবে ব্যয় বৃদ্ধি হৈছে। বিত্তীয় শৃংখলা অনাৰ ক্ষেত্ৰত তেতিয়াৰ বিত্ত মন্ত্ৰীৰ দায়িত্বত থকা বা সেই সময়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেনেধৰণে পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া সফল হৈছিল। কিন্তু আমি যদি ২০০১ চনৰ পৰা চাওঁ তেখেতক মই নিজকে হিচাপ নিকাচ কৰি চাবলৈ অনুৰোধ জনাওঁ। কাৰণ এইখন বিধান সভাত মইও আছিলো। গতিকে আমাৰ এই চৰকাৰে জনসাধাৰণৰ কল্যাণৰ কাৰণে বাস্তৱ সন্মত চিন্তাৰে যিখিনি প্ৰস্তুত কৰিছে এই কাৰ্য্যকৰী ব্যৱস্থাটোত ব্যয় কেনেদৰে কৰিব তাৰ চিন্তাৰ প্ৰতিফলন বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট বক্তব্যত ৰাখিছে। আমি যোৱা দিন বিলাকত দেখা পাইছো যে PW বিভাগক সংস্কাৰ কৰিবৰ কাৰণে যেতিয়া নতুন এক আঁচনিৰে আন্তঃগাথনি প্ৰস্তুত কৰিছিল তেতিয়া বহুতে সন্দেহ কৰিছিল কিন্তু আমি দেখা পালো যে PW বিভাগৰ এনেধৰণে আন্তঃগাথনি হ'ল যে সমষ্টিভিত্তিত SDO, Engineer দি এনেধৰণে তৰান্বিত কৰিলে কাম-কাজৰ যাৰ ফলত আজি PW বিভাগ সফল বিভাগ। জনসাধাৰণ সন্তুষ্ট হোৱা এটা বিভাগ। বিগত চৰকাৰৰ দিনৰ এইটো এটা ডাঙৰ সফলতা। গতিকে এনেধৰণেই আমাৰ বিভাগ সমূহক সজাই পৰাই তুলিবৰ কাৰণে, বাজেট বক্তব্যত এই কথা প্ৰকাশ পাইছে, এক দূৰদৰ্শী পদক্ষেপ গ্ৰহণ কৰিছে। মই এটা মাত্ৰ উদাহৰণ দিবলৈ বিচাৰো। আন্তঃৰাজ্যিক সীমাৰ যিটো বিবাদ এইখন পবিত্ৰ সদনত মই মাজে-মাজে কৰি আহিছো। এই বিবাদ দূৰ কৰিবৰ কাৰণে যদি আমি দূৰদৃষ্টিৰে পৰিকল্পনা ল'লোহেঁতেন ৫০ বছৰতকৈও অধিক কাল শাসনত থকা কংগ্ৰেছ চৰকাৰে তেতিয়াহ'লে হয়তো আমি আজি এনেকুৱা ধৰণৰ পৰিস্থিতিৰ সন্মুখীন নহলোহেঁতেন। এতিয়া যিটো কামাণ্ডো বেটেলিয়ান এই সীমান্তত গঠন কৰিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত লৈছে, বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ বাজেট বক্তব্যত এই কথাটো প্ৰতিফলন হৈছে এইটো দুৰদৰ্শী চিন্তা বুলি মোৰ অনুভৱ। য'ত আন আন ৰাজ্য যেনে- অৰুণাচলেই হওঁক বা নাগালেণ্ডে হওঁক বা মিজোৰামেই হওঁক তেওঁলোক আগবাঢ়ি আহিছে। সীমান্তত তেওঁলোকে উন্নয়নমূলক কাম কৰি সজাই পৰাই লৈছে। কিন্তু আমাৰ সীমান্তত চৰকাৰীভাৱে কোনো ৰখীয়াও নাই, কাম-কাজো নাই। সীমান্ত উন্মুক্ত হৈ আছে। গতিকে সীমান্তত কামাণ্ডো বেটেলিয়ান গঠন কৰাটো এক দূৰদৃষ্টিৰে কৰিছে এইকাৰণেই যাতে সীমান্ত সুৰক্ষিত হৈ থাকে। বিভিন্ন ধৰণৰ নহ'বলগীয়া কাম সীমান্তত হ'ব নোৱাৰিব। গতিকে

এই চিন্তাক আমি সকলোৱে আদৰণি জনোৱা উচিত আৰু তাৰ কাৰণে যদি আৰু বেছি ধনৰ প্ৰয়োজন সেইখিনি লোৱাটো উচিত। ৰাজ্যখনৰ যিটো ভয়ঙ্কৰ পৰিস্থিতি ক'ভিড-১৯ ৰ কাৰণে সৃষ্টি হৈছে এনেকুৱা পৰিস্থিতি আমি জন্মৰ পৰাই দেখা বা শুনা নাই। আজি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যচৰকাৰ এই পৰিস্থিতিৰ মুখামুখি হৈছে। আজি আমাৰ ৰাজ্য চৰকাৰে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে, আমাৰ কৰ্মচাৰীয়ে এমাহৰ দৰমহাৰ চিন্তা কৰিবলগীয়া হোৱা নাই। কিন্তু যদি আমি অন্যান্য ৰাজ্যত চাওঁ দেখিম ৰাজস্থানত কি হৈছে, মধ্যপ্ৰদেশত কি হৈছে? কেনেকৈ কৰ্মচাৰীসকলৰ দৰমহা কৰ্তন হৈছে। আমাৰ চৰকাৰখনে খুব কষ্ট কৰি কৰ্মচাৰীসকলে কষ্ট নোপোৱাকৈ ব্যৱস্থা লৈছে। যোৱাকালি আমাৰ অভিভাৱক মন্ত্ৰী পিযুজ হাজৰিকা বিশ্বনাথ চাৰিআলিত যেতিয়া গৈছে তেওঁ যেতিয়া ক'ভিডত বিধৱা হোৱা মহিলাৰ হাতত ২.৫ লাখ টকাৰ চেক তুলি দিছে আৰু যিবিলাকৰ মৃত্যু হৈছে তেওঁলোকক ১ লাখ টকা, বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰা বা তেওঁলোকক টোপোলা দিয়া এই ধৰণৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিছে। গতিকে এই ক'ভডৰ যুঁজখনত আমি জয়ী হ'মেই। তাৰকাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই, আমাৰ স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াতো ঘূৰি ঘূৰি ক্ষীনাই গৈছে, বা অভিভাৱক মন্ত্ৰী সকলোৱে যিদৰে কষ্ট কৰিছে আমাৰ বিধায়কসকলে যিদৰে কষ্ট কৰিছে, বিৰোধী দলৰ বিধায়কসকলকো আমি আহ্বান জনাইছো যাতে তেওঁলোকে যিমান পাৰে সহযোগিতা আগবঢ়ায়। এই ক'ভিড যুঁজখনত আমি জয়ী হ'বই লাগিব।

আজি বানমুক্ত অসম কৰাৰ ক্ষেত্ৰত, drugs মুক্ত অসম কৰাৰ ক্ষেত্ৰত, পুলিচৰ মনোবল বৃদ্ধি কৰিবৰ কাৰণে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে এই কথাবিলাক আমি স্বীকৃতি দিয়াৰ প্ৰয়োজন আছে। গতিকে সকলো দিশতে শ্ৰমিকৰ কাৰণে, কৃষকৰ কাৰণে, কৰ্মচাৰীৰ কাৰণে গৰ্ভৱতী মহিলাৰ কাৰণে, শিশুৰ কাৰণে ব্যৱস্থা হাতত লৈছে। অঙ্গনবাড়ী কেন্দ্ৰত ২৫ লাখ টকাকৈ দিয়াৰ কথা অমাৰ আগৰ চৰকাৰখনে চিন্তা কৰিব পাৰিছিল জানো? ২৫ লাখ টকা শিশু সকলৰ পুষ্টিকৰ খাদ্য আৰু অঙ্গনবাড়ী কেন্দ্ৰ সমূহৰ আন্তঃগাথনিৰ কাৰণে দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে এনে বহু কথা আছে মই এতিয়া সেই কথাবিলাককৈলে নাযাওঁ। চৰকাৰে বাকী থকা কাম এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বা চৰকাৰে গুৰুত্ব দি থকা দেখা পাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যতো সেই কথা দেখা পাইছো যে আমি এটা বিপ্লৱ কৰিবৰ কাৰণে উৎসাহ দিয়াৰ পদক্ষেপ এই বাজেটত প্ৰতিফলন হৈছে। আমি ১ লাখ নিবনুৱাক চাকৰি দিম কিন্তু ২৫ লাখ নিবনুৱাই কি কৰিব? বহিঃৰাজ্যত গৈ হাবুডুবু খোৱা এই নিবনুৱা সকলক সংস্থাপিত কৰিবৰ কাৰণে, উৎপাদন আৰু নিয়োগ কৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছো। আমি যদি দুগ্ধ, মাছ, মাংস উৎপাদন কৰো তেতিয়াহ'লে আমাৰ যুৱক-যুৱতীসকল নিয়োজিত হ'ব। দিনে দিনে বহিঃৰাজ্যলৈ গৈ থকা টকাবিলাক শ্ৰীৰামপুৰ গেটতে বন্ধ হ'ব। বহিঃৰাজ্যলৈ আমাৰ যি কোটি কোটি টকা গৈ আছে সেইখিনি ৰাখিবৰ কাৰণে আৰু গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিবৰ কাৰণে, আমাৰ বজাৰ দখল কৰিবৰ কাৰণে, পথাৰত কাম কৰাৰ পৰিৱেশ ৰচনা কৰিবৰ কাৰণে চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে। দুগ্ধ উৎপাদন কৰিবৰ কাৰণে বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যিখিনি বীৰ গাই অনাৰ কথা কৈছে এই সম্পৰ্কত আমি কিছু অধ্যয়ণ কৰিছো আৰু দেখিছো যে Milk-2 আৰু Milk-1.Milk-2 আমাৰ ঘৰুৱা গাইৰ দ্বাৰা উৎপাদিত আৰু Milk-1জাৰ্চী গাইৰ দ্বাৰা উৎপাদিত। ইয়াত ৫ টা বেমাৰ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা নাই। কিন্তু Milk-2 produce কৰিবৰ কাৰণে যিখিনি ৫ হাজাৰ গাই অনাৰ কথা বাজেট বক্তব্যত কৈছে ই এক শুভ ইঙ্গিত দিছে। Milk-2 ত ৫ টা বেমাৰক প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে। এই গাখীৰ produce কৰিবৰ কাৰণে দুগ্ধ সমৱায় সমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ

পদক্ষেপ গ্ৰহণ কৰিছে। সংগঠিত ৰূপত দুগ্ধ বিপ্লৱ কৰিবৰ কাৰণে যি চিন্তাৰ প্ৰতিফলন হৈছে ৫ শতাংশহে সংগঠিত ভাৱে দুগ্ধ বিপ্লৱ কৰিছে। 95% এই Unorganized sector ত। এই সমূহক organized কৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছে, মাছ-মাংস, গাখীৰ উৎপাদন কৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিছে। কিছুমান নেতিবাচক কথাও প্ৰচাৰ হৈছে যে সকলো মাইকী গৰু হৈ যাব নেকি? এইটো হয়তো ৫০ হাজাৰ গাইৰ কাৰণে চিন্তা কৰিছে। গাখীৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে যিটো পদক্ষেপ গ্ৰহণ কৰিছে এই ক্ষেত্ৰত আমি সকলোৱে দিহা পৰামৰ্শ আৰু সহযোগিতা আগবঢ়াব লাগে। মই বাস্তৱ ক্ষেত্ৰত যিখিনি দেখা পাইছো, আমি আজি ৫ বছৰমান লাগি আছো দুগ্ধ বিপ্লৱত। আমি যেতিয়া লৰা বিলাকক বুজাই মেলি গাখীৰ উৎপাদন কৰি বজাৰলৈ পঠিয়াইছো ঠাট্টা কৰা কিছুমান মানুহ ওলায়। কয় যে বি জে পি চৰকাৰে গোৱালহে বনালে নেকি তহঁতক? চাকৰি নিদি তহঁতক এই কামতহে লগালে নেকি? তেতিয়া লৰাবোৰ অলপ হতাশ হয়। এনেকুৱা ধৰণৰ যিবিলাক নেতিবাচক কথা হৈ আছে সেই সমূহ নোহোৱা কৰিবৰ কাৰণে সকলোৰে দায়িত্ব আছে। নহ'লে অসমখন আমি যিটো ভাৱি আছো সেইখন অসম হৈ নাথাকিব। গ্ৰাম্য অৰ্থনীতি যদি আমি শক্তিশালী কৰিব নোৱাৰো তেতিয়াহ'লে ইয়াত আন্দোলনৰ নামত এনেধৰণৰ অসামাজিক কাৰ্য্য হৈ থাকিব। নানান ধৰণৰ অশান্তিকৰ কাৰ্য্য ইয়াত হৈ থাকিব। বহিঃ ৰাজ্যত হাবু-ডাবু খাই থকা আমাৰ ল'ৰা-ছোৱালী সকলৰ কান্দোন আমি কোনে শুনিম? তেওঁলোকৰ হতাশাৰ সেই কথাবিলাক হৃদয়ঙ্গম কৰি তেওঁলোকক অৰ্থনৈতিক ভাৱে স্বচ্ছল কৰিবৰ কাৰণে এই চৰকাৰে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে এই পদক্ষেপ আমি প্ৰত্যেকেই উপলব্ধি কৰি কাম কৰাৰ প্ৰয়োজন আছে। আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে তেখেতৰ বাজেটৰ বক্তব্যত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ এযাৰি পংক্তি উল্লেখ কৰিছে -

"আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম
সকলো আছিল, সকলো আছে
দুগুণো নলওঁ গম"

সেই সময় আছিল কংগ্ৰেছ চৰকাৰৰ দিনৰ। আজি সময়ৰ আহ্বানত ড০ ভূপেন হাজৰিকা দেৱৰ -

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব"

এইটোৱে সময় আজিৰ। সেই সময়চোৱাত আমি ৰাজনীতিৰ উৰ্দ্ধত থাকি আমাৰ যুৱক-যুৱতী সকলক সংস্থাপিত কৰি উৎপাদন মুখী যাত্ৰাত আগবাঢ়ি যাব লাগিব আৰু তাৰকাৰণে মই বিশেষ ভাৱে আহ্বান জনাইছো যে মাছ, মাংস, গাখীৰ আমি উৎপাদন কৰিব লাগিব। কৃষি কৰ্মৰ জৰিয়তে আমি যিখিনি উৎপাদন কৰিব পাৰো আমাৰ যুৱ সকলে কাম কৰিবলৈ লাজ নকৰাৰ পৰিবেশ কৰি কৰ্ম সংস্কৃতিৰ জৰিয়তে আমাৰ গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰি কৃষকক উপযুক্ত মৰ্য্যদা দি গো-পালনৰ জৰিয়তে নিজে আত্মনিৰ্ভৰশীল হ'বলৈ বিচৰা যুৱক জনক হতাশ নকৰাকে প্ৰকৃত সন্মান, মান-মৰ্য্যদা দি অসমৰ অৰ্থনৈতিক ভেটি শক্তিশালী কৰিবৰ কাৰণে আমি কাম কৰিব লাগিব আৰু সেই পৰিবেশ গঢ়িবৰ কাৰণে আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ বাজেট বক্তব্যত এই

কথা প্ৰকাশ পাইছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চিন্তা, কথা তেওঁৰ বক্তব্যৰ জৰিয়তে প্ৰকাশ পাইছে। আমি সৰ্বাঙ্গীন উন্নতিৰ কাৰণে, নিবনুৱা সকলৰ কৰ্ম সংস্থাপনৰ কাৰণে, দেশৰ ৫ খন ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰিবৰ কাৰণে কৰ্মৰ জৰিয়তে আমি আগবাঢ়িব লাগিব অন্যথা কিন্তু আমাৰ গত্যন্তৰ নাই। এই সঁচা উপলব্ধি কৰিবৰ কাৰণে মই প্ৰত্যেককে অনুৰোধ জনাইছো যে আপোনালোকে অন্ততঃ এই সময়ৰ আহ্বান, শক্তিশালী পদক্ষেপক আদৰনি জনাওঁক। আপোনালোকে সুদূৰ প্ৰসাৰী প্ৰভাৱ থকা যিবিলাক পৰিকল্পনা লৈছে সেইবিলাকত সঁহাৰি আগবঢ়াওক। বিৰোধী দলপতি ডাঙৰীয়াই যিখিনি গঠনমূলক কথা কৈছে সেইখিনি নিশ্চয় আমাৰ চৰকাৰে গ্ৰহণ কৰিব। আজি ময়ো বিত্তমন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰো যে তেওঁ সকলো দিশেই সামৰি লৈছে তাৰে ভিতৰত এটা দিশ হৈছে হাতী-মানুহৰ সংঘাত। বনৰীয়া হাতীৰ গঁচকত বহু মানুহৰ মৃত্যু হৈছে আৰু সেই মৃত্যু হোৱা মানুহৰ পৰিয়ালক সকাহ দিবৰ কাৰণে আমি কিবা এটা কৰিব পাৰো নেকি? এতিয়ালৈকে ৫০ জনতকৈও অধিক মানুহৰ হাতীৰ গঁচকত প্ৰাণ গৈছে গতিকে সেই সকলৰ পৰিয়ালৰ কাৰণে কিবা কৰিব পাৰি নেকি? যিয়েই নহওঁক এখন সমৃদ্ধিশালী অসম গঢ়িবৰ কাৰণে আমি যি দলৰ পৰাই নাহো কিয় আমি সকলোৱে দায়বদ্ধ হ'ব লাগিব। এতিয়া ২৪ ঘণ্টাই মুখ্যমন্ত্ৰীৰ কাৰ্য্যালয় খোলা থাকে, অভিভাৱক মন্ত্ৰী সকলে বহুত কষ্ট কৰিছে আৰু বিধায়ক সকলো কাম-কাজৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়িছে। গৰুখুটি প্ৰজেক্টটোৰ কাৰণে যিবিলাক নেতিবাচক কথা প্ৰচাৰ হৈছে সেইটো আচলতে হ'ব নালাগে। ৯ কোটি ৬০ লাখ টকা তাত উৎপাদনৰ কাৰণে দিছে উচ্ছেদৰ কাৰণে দিয়া নাই। তাত পৰি থকা মাটিখিনিত, ১৬ খন ফাৰ্ম ত খেতিবাতি কৰি, তাত গো-পালক অনাই গৰুখুটিৰ পৰা গৰু-ম'হ অনাৰ, গাহৰি পালন, মুৰ্গী পালন, ছাগলী পালনৰ কথা চিন্তা কৰিছে আৰু আমাক দায়িত্ব অৰ্পণ কৰিছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক তাত গৈ বন্দুক-বাৰুদ লৈ গৈ উচ্ছেদ কৰিবৰ কাৰণে দায়িত্ব অৰ্পণ কৰা নাই। গতিকে এইটো এটা নেতিবাচক প্ৰচাৰ কৰিছে কিন্তু এনেকুৱা নেতিবাচক প্ৰচাৰে আমাক বাধা দিব নোৱাৰে। আমি অহা বুধবাৰে তাত ভূমি পূঁজন কৰিম আৰু কাম-কাজত হাত দিম। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ঘোষণা কৰিছে যে অ'ৰগেনিক বস্তু গুৱাহটীৰ বজাৰত পাব। আমি কষ্ট কৰিম, চেষ্টা কৰিম, তাত ৰাতি থাকি হ'লেও আমি কাম কৰি অৰগেনিক বস্তু আমি গুৱাহাটীৰ বজাৰত উলিয়াবলৈ চেষ্টা কৰিম। তাৰ আমি গাখীৰ উৎপাদন কৰি পুষ্টিকৰ খাদ্য দিবলৈ আৰু ভেল্যু এডিশ্যন কৰি আৰু গো-পালকক আৰু অধিক লাভ দিবৰ বাবে সেই গাখীৰৰ পৰা দৈ, ক্ৰীম, পনিৰ, বাটাৰ, ঘিউ, ৰসগোল্লা, লালমোহন সকলো তৈয়াৰ কৰি আমি তাত এটা বিপ্লৱ আৰম্ভ কৰিম। এইটো হৈছে আমাৰ চৰকাৰৰ লক্ষ্য। আমাৰ চৰকাৰে এই বাজেটৰ জৰিয়তে এনে ধৰণৰ চিন্তা বিলাক কৰি আপোনালোকৰ হাতত আগবঢ়াইছে। গতিকে এগৰাকী অসমৰ যুৱক হিচাপে আমি সকলোৱে আমাৰ ৰাজ্যখনৰ হতাশা দূৰ কৰিবৰ কাৰণে আমি ৰাজনীতিত বোকা চটিওঁৱা-চটি এই কথাবিলাক এৰি অসমৰ সামগ্ৰিক উন্নয়নৰ কাৰণে অসমৰ নিবনুৱা যুৱক-যুৱতী সকলক আমি সংস্থাপিত কৰিবৰ কাৰণে সকলোৱে একেলগে কাম কৰো আহক, এখন সমৃদ্ধিশালী অসম গঢ়ো আহক। আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ এই চৰকাৰখনে আৰু আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে যি বাজেট উপস্থাপন কৰিছে সেই লক্ষ্যৰে আমি সকলোৱে একেলগে কাম কৰো আহক এই আহ্বানেৰে মই উপাধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া এআইইউডিএফ দলৰ সন্মানীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ২০২১-২২ বিত্তীয়

বৰ্ষৰ যি বাজেট অসমৰ প্ৰথম গৰাকী মহিলা বিত্তমন্ত্ৰীয়ে উত্থাপন কৰিলে তাৰবাবে মই তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। এই বাজেটে অসমবাসীৰ কাৰণে কিমান আশা-ভৰসা, প্ৰত্যাহ্বান, প্ৰতিশ্ৰুতি বা হতাশা কঢ়িয়াই আনিলে সেই সম্পৰ্কে সম্যক আলোচনা কৰিব বিচাৰিছো। এইখন বাজেটত আমি দেখা পাইছো ১,০৭,৩১৭ কোটি ৫৪ লাখ টকাৰ প্ৰস্তাৱ দাঙি ধৰা হৈছে। বাজেটৰ ৰেভিনিউ একাউণ্টত ৮৮,৯৭৯ কোটি টকা আৰু কেপিটেল একাউণ্টত ১৮,৩৩৮ কোটি টকাৰ প্ৰস্তাৱ দাঙি ধৰা হৈছে আৰু অতি আশ্বৰ্যজনক ভাৱে ৫৬৪ কোটি ২০ লাখ টকাৰ ঘাটি বাজেট মাত্ৰ দেখুওৱা হৈছে। কিন্তু এটা কথা আমি দেখিবলৈ নাপালো উপাধ্যক্ষ মহোদয়, কেইদিনমান আগতে যি "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2021" সদনত উত্থাপন কৰা হ'ল সেই বিলত আমি দেখিবলৈ পাইছো যে জি এচ টি ৪ শতাংশলৈকে ঋণ লোৱাৰ সদনৰ অনুমতি বিচাৰি বিত্তমন্ত্ৰীয়ে বিল দাখিল কৰিছে, এতিয়ালৈকে পাচ হোৱা নাই। সম্ভৱত অহা আগষ্ট মাহত এই বিল পাচ হ'ব। যোৱাবাৰো যেতিয়া এই "The Assam Fiscal Responsibility and Budget Management (Amendment) Bill, 2021" ত ০.২ শতাংশ আৰু ০.২৫ শতাংশকৈ দুবাৰ বৃদ্ধি কৰা হৈছিল যে আমাৰ বাহিৰৰ পৰা যিটো ধৰ্মীয় কেপাচিটি, তেতিয়াই আমি আপত্তি কৰিছিলোঁ যে আমাৰ অসমখন ইমান ধাৰত পোত গৈ আছে, আকৌ যদি আৰু অতিৰিক্ত ধাৰৰ বোজা আমি বহন কৰো, আমাৰ আজি জন্ম হোৱা শিশুটোৰ মূৰত কিমান টকা ধাৰৰ বোজা লৈ জন্ম হ'ব, তাৰ পিছত তদানীন্তন বিত্ত মন্ত্ৰী আৰু বৰ্তমান মুখ্যমন্ত্ৰী মহোদয়ে আশ্বাস দিছিল যে এইখিনি হায়েষ্ট কেপাচিটিত আমি FRBM বিলটো আনিলো, ইয়াৰ পিছত আমি আৰু ল'বলগীয়া নহয়। তাৰ পিছত আমি সদনত পাঠ কৰি দিছিলো যোৱা বছৰ। এইবোৰ কথা গ'ল পুনৰ FRBM bill, 2021 উত্থাপন কৰা হৈছে আৰু এইবাৰ প্ৰথম ৩.৫০ শতাংশ, আকৌ যোগ ০.৫০ শতাংশ মুঠ ৪.০০ শতাংশ ধাৰ লোৱাৰ কেপাচিটি বিচাৰি আকৌ বিল উত্থাপন কৰিছে। এতিয়া কথা হ'ল এই যে ইমান ধাৰ আমি লৈ গৈ আছো, আমি সদনত এইটো অনুমতি দিম বিল আগষ্ট মাহত পাছ হৈ যাব। আমি ইমান ধাৰ লোৱাৰ অনুমতি দিম। কিন্তু ধাৰৰ বোজা ইমান বঢ়াই লৈ গৈ আছো, এই ধাৰৰ বোজাৰ পৰা অসমক উদ্ধাৰ কৰাৰ এক বাস্তৱ সন্মত প্ৰতিশ্ৰুতি কিন্তু বাজেটত প্ৰত্যক্ষ নহ'ল সভাপতি ডাঙৰীয়া। এই বাজেটত কেইটামান ভাল কথা আছে সেইখিনি আমি স্বীকাৰ কৰো, বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ জনাম। ইয়াত আছে যেনেকৈ ১০০০ টা স্বাস্থ্য উপকেন্দ্ৰক হস্পিটাললৈ ৰূপান্তৰ কৰা হ'ব, অতি ভাল এটা বতৰা যাৰ কাৰণে আমি বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াতে আমি দেখিছো খিলঞ্জীয়া জনগোষ্ঠী সমূহৰ ঐতিহ্য সংস্কৃতি সংৰক্ষণৰ বাবে এটা বিভাগ খুলি তাৰ কাৰণেও পুঁজি ধাৰ্য কৰা হৈছে, ইয়াত আমি দেখিছো ক্ষুদ্ৰ ব্যৱসায় আৰু কাৰুশিল্পী সকললৈ বিশেষ সাহায্যৰ প্ৰভিজন দিছে, এইকেইটা ভাল দিশ, আমি বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। কিন্তু আৰু কিছু কথাই আমাক হতাশো কৰিছে, সভাপতি মহোদয়, ইয়াত এটা কথা কোৱা হৈছে যে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি এই বাৰ বাজেটত এক লাখ লোকক চাকৰি প্ৰদান কৰাৰ এটা প্ৰস্তাৱ অনা হৈছে আৰু আমি দেখা পাইছোঁ, কেইদিনমান পূৰ্বে বিত্তমন্ত্ৰী মহোদয়াক সভাপতি হিচাপে লৈ এখন কমিটি গঠন কৰা হৈছে আৰু এই এক লাখ চাকৰি ক'ত ক'ত দিব, বিভিন্ন বিভাগৰ পৰা খালী পদৰ লিষ্ট লোৱা হৈছে, পবিত্ৰ সদনত এক লাখ ৭ হাজাৰ বিভিন্ন বিভাগত খালী হৈ থকা পদৰ তালিকাও দিয়া হৈছে আৰু তাত এক লাখ চাকৰি দিয়া হ'ব বুলি কৈছে। কিন্তু এটা কথা আমি যদি কওঁ এইটো চাকৰি চৰকাৰে দি থকা নাই। আগতে খালী হৈ থকা পদ যোৱা চৰকাৰে

পূৰণ কৰিব পৰা নাছিল, অলপ দেৰিকৈ পূৰণ কৰি আছে। নিৰ্বাচনৰ যিটো প্ৰতিশ্ৰুতি আছিল যে এক লাখ চাকৰি দিয়া হ'ব আমি ভাৱিছিলো, অসমৰ ৰাইজে ভাৱিছিল যে হয়তো এক লাখ পোষ্ট ক্ৰিয়েট কৰিব আৰু এক লাখ নতুন নিবনুৱাক চাকৰি দিয়াৰ চৰকাৰে এটা ব্যৱস্থা ল'ব। এতিয়া দেখো নতুন পোষ্ট ক্ৰিয়েচনৰ কথা নাই, সেই যোৱা ৫ বছৰতে ফিলাপ কৰিব নোৱাৰিলে, খালী হৈ থকা পদ বিলাক যিটো ৩ বছৰ বা ৫ বছৰ আগত ফিলাপ কৰিব লাগিছিল এই ক্ষেত্ৰত দেৰীকৈহে ফিলাপ কৰি আছে। ইয়াত কোন বিভাগত কিমান পদ খালী হৈ আছে লিষ্টখন বিচাৰি আনিছে আৰু খালী পোষ্টৰ তালিকাখন দি দিলে। সেই ৩ বছৰ বা ৫ বছৰ আগতে ফিলাপ নকৰি দেৰীকৈহে ফিলাপ কৰি আছে। কিন্তু আমি ভাৱিছিলো নিৱনুৱাক সংস্থাপন দিয়াৰ কাৰণে ইয়াত প্ৰতিশ্ৰুতি দিয়া হ'ব বা পোষ্ট ক্ৰিয়েত কৰা হ'ব, সেইটো কিন্তু কৰা হোৱা নাই। সভাপতি ডাঙৰীয়া, কাৰণ এইটো কৰিব লগীয়া হ'লে আমি কিছুমান বাস্তৱ সন্মত পদক্ষেপ ল'ব লাগিলেহেঁতেন আৰু সেইটো কৰিব গ'লে আজি জাগীৰোড পেপাৰ মিল, পাছগ্ৰাম কাগজ কল আৰু অসমৰ যি ১৩ টা বৃহৎ উদ্যোগ আজি মৃত্যুমুখত পৰিল, সেইকেইটা পুনৰুজ্জীৱিত কৰাৰ কাৰণে ১৯-০৭-২০২১ বাজেটত প্ৰভিজন ৰাখিলে তেতিয়াহে তাত পোষ্ট ক্ৰিয়েট হ'লহেঁতেন আৰু নিবনুৱা সকলক সংস্থাপন দিব পাৰিলে হয়। য'ত পোষ্ট ক্ৰিয়েট কৰিব পৰা যাব, য'ত নিৱনুৱা সংস্থাপন দিব পৰা যাব, তেনেধৰণৰ কোনো আন্তঃগাঠনি উন্নয়ন, মৃত উদ্যোগক পুনৰ উজ্জি বিত কৰা বা অৰ্ধমৃত বিলাকক ৰিভাইট কৰা এনে ধৰণৰ কোনো প্ৰতিশ্ৰুতি বাজেটত কিন্তু আমাৰ চকুত নপৰিল। এতিয়া এক লাখ পদ মানে সেই পুৰণি খালী পদহে দিয়া হ'ব। গতিকে সেইটো কৰিব পাৰিলেহেঁতেন যদিহে আন্তঃগাঁঠনি উন্নয়নৰ কাৰণে মৃত উদ্যোগবোৰ পুনৰুজ্জীৱিত কাৰণে এই চৰকাৰে পদক্ষেপ ল'লেহেঁতেন। সভাপতি ডাঙৰীয়া আৰু এটা কথাত আমি আচৰিত হলো, বাজেট বক্তব্যত বিত্তমন্ত্ৰী মহোদয়াই এটা কথা কৈছে যে অৰুণোদয়টো এটা বৃহৎ আঁচনি, যিটো বাজেটত অন্তৰ্ভুক্ত কৰিছে। যোৱা ৫ বছৰ আগৰ বাজেটতে।

(একেলগে বহুকেইজন সদস্যই কয়)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** সদনত আহিলে যেনেকৈ কথা কোৱা যোগ্যতা লাগে, শুনাৰ যোগ্যতাও লাগে। শুনাৰ যোগ্যতাটো বেছি দৰকাৰ। এতিয়া এই কথাটো অৰুণোদয় আঁচনিখনত কিমান লাখ দিয়া হ'ব, ৮৩০ টকাৰ পৰা এক হাজাৰ টকা কৰা হ'ব, গোটেইখিনি ভাল কথা। এতিয়া কথা হ'ল আৰু তাতে কৰা হৈছে অৰুণোদয় যিয়ে পাব তাৰ ঘৰত অৰুণোদয় Logo লগাব লাগিব। এই যে শিকলি ডাল লগাই দিয়া হ'ল, যে তোমালোকক আমাৰ চৰকাৰে অৰুণোদয় দিছে গতিকে তোমালোক আমাৰ অধীনস্থ হৈ গ'লা, এই Logo লগাই, তোমালোকক মোহৰ মাৰি দিলো। মানে তেওঁলোকক, ইয়াত ৰাজনৈতিক বেনিফিটটো কেনেকৈ হয় সভাপতি মহোদয় চাওঁক।

(একেলগে বহুকেইজন সদস্যই কয়)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** বিত্তমন্ত্ৰী মহোদয়াই উত্তৰ দিবই, আপোনালোক সকলোৱে যদি দি থাকে বিত্তমন্ত্ৰী মহোদয়াই কি উত্তৰ দিব? মোৰ কথাখিনি ক'ব দিয়ক। এতিয়া কথা হ'ল এই যে অৰুণোদয়ৰ Logo লগোৱা হ'ল সেইটো শিকলি ডাল লগাই দিয়া হ'ল যে তোমালোকক অৰুণোদয় দিছো আৰু তোমালোক ইনডাইৰেকলি কিন্তু আমাৰ বহতীয়া হৈ গ'লা। আমাৰ কাৰ্য্যকৰ্তাই লগো চাই চাই তোমালোকৰ ঘৰত যাব। কাৰ কাৰ ঘৰত অৰুণোদয়ৰ Logoলগোৱা আছে গৈ তোমালোক আমাৰ হৈ থাকিব লাগিব অহা ইলেক্চনত। মুঠৰ ওপৰত চিনাক্তকৰণ কৰি

সিহঁতক কিন্তু শিকলি ডাল লগাই দিয়া হ'ল।

(একেলগে বহুকেইজন সদস্যই কয়)

**সভাপতি (শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা) ঃ** অনুগ্ৰহ কৰি মনে মনে থাকক।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** আগে পিছে আৰু বহুত আঁচনি এনেকুৱা হয় আৰু এইবিলাকৰটো Logo লগোৱাৰ কোনোদিন ব্যৱস্থা নাছিল, সেইটো চিনাক্তকৰণ কৰাৰ ইমান দৰকাৰটো কিয় হ'ল? মানে পৰৱৰ্তী পঞ্চায়ত নিৰ্বাচনৰ কাৰণে নে এম পি ইলেক্চনৰ কাৰণে? মানে দৰকাৰটো ক'ত ফলিব? কথাবিলাক ভাৰি চাব লাগিব। তাৰ লগতে আৰু এটা কথা চাওঁক এই অৰুণোদয়ৰ ৮৩০ ৰ পৰা এক হাজাৰ কৰা হৈছে, ১৭০ টকা বঢ়াইছে। ইফালে মিঠাতেলৰ বঢ়াই দিছে ১৪০ টকা, পেট্ৰ'ল, ডিজেল, পিয়াজ অন্যান্যবোৰটো আছেই। মানে ১৭০ টকা বঢ়ালে অৰুণোদয়ত আৰু এই পৰিয়ালটোৱে মাহটোত যিমান বজাৰ কৰিলেহেঁতেন, সেই বজাৰৰ মূল্য ৫ হাজাৰ টকা বঢ়াই দিলে। মানে যিমান টকাৰ বজাৰত তেওঁ চলি গ'লহেঁতেন, এক মাহত এতিয়া ৫ হাজাৰ টকা বেছিকৈ ভৰিব লাগিব। ইফালে বঢ়াইছে ১৭০ টকা। চাওঁক খেলটো কেনেধৰণৰ ? খেলটো কিমান এটা পৰিকল্পিত কথাটো কিন্তু বুজি পাই যাব। তাৰ লগতে আৰু এটা কথা অৰুন্ধতি স্বৰ্ণ আঁচনি যিখন আছিল সেইটোটো ৫ বছৰ আগৰ পৰা প্ৰত্যেক বাজেটত আহি আছে, বিগত ২০১৯-২০ ৰ পৰা ২০২০-২১ লৈকে ১০০ কো দিব নোৱাৰিলে। এইবাৰ দেখুৱাইছে ২ বছৰত ৭-৮ হাজাৰ মানক দিয়া হ'ল আৰু কিন্তু এইটো যিমান বজাই থকা হৈছিল কিন্তু coverage টো বহুত কম হৈছে। মানে এনেকৈ বহুত আঁচনিৰ নাম দি বেলেগ বেলেগ কৰিব পৰা যায়, কিন্তু এখন আঁচনিয়ে কিমান মানুহক সামৰি লৈছে সেই কথাবিলাক চাব লাগিব। তাৰ পিছত আৰু এটা কথা ইয়াত চাওঁক, আমি দেখিছো কভিড-১৯ৰ বাবে যিটো বৰ্তমান বিধ্বস্ত অৰ্থনীতি, এই বিধ্বস্ত অৰ্থনীতিত বৰ্তমান দেখা গ'ল যে মধ্যবিত্ত পৰিয়াল বিলাক, শ্ৰমিক সকল, ক্ষুদ্ৰ যিসকল ব্যৱসায়ী দোকানী তেওঁলোকৰ যিটো অৱস্থা, এই অৱস্থাৰ পৰা তেওঁলোকক সকাহ দিয়াৰ কাৰণে কিন্তু কোনো বাস্তৱ সন্মত পদক্ষেপ গ্ৰহণ কৰা দেখিবলৈ নাপালো। মানুহ ইমান বিপদত পৰিছে বহুত মানুহে আমাক মেছেজ দিয়ে ভাল সম্ভ্ৰান্ত পৰিয়ালৰ, যে চাৰ, আমি খাবলৈ অসুবিধা পাইছোঁ, পাৰে যদি একাউন্টত কিবা দিয়ক। লাজত ক'ব নোৱাৰে সমাজত, মানে এনেকুৱা অৱস্থা হৈছে। গতিকে এই সংক্ৰান্তত ইভেন বহুত যিবিলাক কন্টেইনমেন্ট জ'ন কৰা হৈছিল, এই কন্টেইনমেন্ট জ'ন বিলাকত তেওঁলোকক ২ হাজাৰ টকাৰ সামগ্ৰী ২৪ ঘন্টাৰ ভিতৰত দিয়াৰ কথা আছিল। বহুতৰ কন্টেইনমেন্ট জ'ন পাৰ হৈ মাহ পাৰ হৈ গ'ল এতিয়ালৈকে এক টকাও পোৱা নাই। গতিকে এইবিলাকত যদি কন্ট্ৰোলিঙটো ভালকৈ নাথাকে গতিকে কভিডৰ যিটো পৰিস্থিতি, এই পৰিস্থিতিত কিন্তু অনাগত দিনত মানুহৰ এটা ভয়াৱহ প্ৰতিচ্ছবি আমাৰ চকুৰ আগলৈ আহিব। গতিকে সভাপতি ডাঙৰীয়া, এই কথা বিলাক আমি এই বাজেট সংক্ৰান্তত।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** সভাপতি ডাঙৰীয়া, মই এটা কথা ক'ব খুজিছো, যদি ক'ৰবাত পোৱা নাই সেইটো বিশেষভাৱে কওঁক। তেতিয়া চৰকাৰে নিশ্চয় ব্যৱস্থা ল'ব। অসমত যদি তেনেকৈ কোৱা বুলি কয় এইটো এটা বেয়া বাৰ্তা যাব। কাৰণ আমি নিজেই চাই আছো, আমাৰ নিজৰ সমষ্টিত হওঁক বা আমাৰ নিজৰ নিজৰ জিলাবোৰতে হওঁক তাত তেনেকুৱা অসুবিধা হোৱা নাই। গতিকে ক'ৰবাত যদি আছে, তেখেতৰ সমষ্টিত ইমান ক'ভিড নাই।

**সভাপতি (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা) ঃ** কন্টেইমেন্ট জ'নত পইচা দিয়া নহয়।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** কন্টেইমেন্ট জ'ন তেখেতৰ সমষ্টিত একেবাৰে নাই। আছে যদি কম,

স্পেচিফিক দিলে ব্যৱস্থা ল'ম। Generalize নকৰিব, বেয়া বাৰ্তা দিব নাপায়।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** সভাপতি ডাঙৰীয়া, এটা কথা চাওঁক এই বাজেট খনত গৰাখহনীয়া প্ৰতিৰোধ অসমৰ আটাইতকৈ ডাঙৰ জলন্ত সমস্যা। গড়াখহনীয়াত এতিয়ালৈকে অসমত **৩,৩০০** গাঁৱৰ আধা গৈছে বাকী **২৬ শ** মান সম্পূৰ্ণৰূপে নিচিন্ত হৈ গ'ল আৰু মানুহবিলাক ভূমিহীন আৰু গৃহহীন হৈ আছে। এইটো এটা never ending problem create কৰিছে, মানুহবিলাক অনাই বনাই ঘুৰি আছে, কৰবাত চৰকাৰী ভূমিত গৈ বেদখল কৰিছে। গতিকে এইয়ে সমস্যাটো হৈ আছে, আজি Water Resource Department ত মাত্ৰ **৮৯৩** কোটি টকা দিয়া হ'ল, মথাউৰিতে বেছি ভাগ যাব আৰু বিভাগৰ অন্যান্য আছে। মই কৈছো যে এই বিভাগতোত পইচা আৰু দিব লাগিছিল। গড়াখহনীয়া অসমত কেইটামান ভয়ানক ঠাই আছে য'ত অতি সোনকালে premanent nature ৰ কাম নকৰিলে অতি ভয়াবহ পৰিস্থিতি হ'ব। কিছুদিন পিছত ধিং টাউন, মৰিগাওঁ টাউনলৈকে ভাবুকি সৃষ্টি হৈ আছে, এনেকুৱা এটা অৱস্থা আহি গ'ল। গতিকে আমি দেখিছো এই কথাটো বাজেটত খুব বেছি গুৰুত্ব দিয়া হোৱা নাই।

সভাপতি ডাঙৰীয়া, চাহ জনগোষ্ঠীৰ কাৰণে এক কোটি টকা ধাৰ্য কৰা হৈছে। অসমত সংখ্যালঘু উন্নয়নৰ কাৰণে, সংখ্যালঘু কেৱল মুছলিমে নহয়, পাৰ্চিয়েন, খ্ৰীষ্টান, বুদ্ধিশ, জৈন মিলাই য'ত প্ৰায় ডেৰ কোটি জনসংখ্যা আছে, ধৰা হৈছে **৭৭** কোটি টকা। যিটো যোৱা **২০১৮-১৯** বৰ্ষৰ বাজেটত **২৫০** কোটি টকা আছিলে। যিখন বাজেটতে এই অসমৰ ডেৰ কোটি জনসাধাৰণৰ উন্নয়নৰ কাৰণে মাত্ৰ **৭৭** কোটি টকা ধাৰ্য কৰে, সেইখন বাজেটক আমি কেনেকৈ কল্যাণকামী বাজেট বুলি কম। যিখনে বাজেটে গড়াখহনীয়া সমস্যা সমাধানৰ কাৰণে বাস্তৱসন্মত এটা প্ৰতিশ্ৰুতি দাঙি ধৰিব নোৱাৰে। তাক কেনেকৈ আদৰ্শ, সুস্থিৰ বাজেট বুলি কম, যিখন বাজেটে অসমৰ মৃত উদ্যোগ বিলাক পুৰণজীৱিত কৰাৰ প্ৰতিশ্ৰুতি দিব পৰা নাই। সেই বাজেটখনক আমি কেনেকৈ অসমৰ আশাৰ ৰেঙণি বুলি কম। যিখন বাজেটে অসমৰ চৰ-চাপৰি অঞ্চলৰ লোকক মাটি পট্টা সুৰক্ষা দিয়াৰ কাৰণে এটা শব্দ লিখা নাই। তাক কেনেকৈ আমি অসমৰ কাৰণে এটা inclusive budget বুলি কম। মাননীয় সভাপতি মহোদয়, এখন বাজেট কল্যাণকামী বাজেট নহয়, জনমুখী বাজেট নহয়। এইখন বাজেট হ'ল এখন উৎকৃষ্ট সাহিত্য। য'ত দেখিছো এই বাজেট বক্তব্যত আমাৰ কেইবাগৰাকী কবি সাহিত্যিকৰ উদ্ধৃতি বিলাক দিয়া হৈছে, খুব ধুনীয়াকৈ সজাই শব্দ বাক্য গাঁথনি আৰু কথাবিলাক উৎকৃষ্ট সাহিত্য হৈছে। আৰ্থিকভাৱে যিমানে অসমত অৱকাশ দিয়াৰ কথা নাথাকক সাহিত্যিক মূল্যবোধ কিন্তু আছে। তাৰ কাৰণে মই বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাইছো যে আমাৰ এটা উৎকৃষ্ট অৰ্থনৈতিক প্ৰতিশ্ৰুতি দিব নোৱাৰিলেও, উৎকৃষ্ট সাহিত্যৰ উপহাৰ দিছে।

মাননীয় সভাপতি ডাঙৰীয়া, আপোনাক আৰু এটা কথা ক'ব বিচাৰিছো বাজেটতো কোৱা হয় যে budget is an anticipated estimation only। সেইটো আমি জানো যে anticipated estimation যে এই বছৰত সদনত প্ৰস্তাৱ ৰাখিলো যে আমি ইমান টকা দি এনেকৈ চলাই লৈ যাব বিচাৰিছো। কিন্তু সেই estimation ত যদি কিছুমান কথা আমি পৰিকল্পনাই নকৰো, হয়তো এশ শতাংশ লক্ষ্য উপনীত নহ'বও পাৰো, **৮০** শতাংশ, **৯০** শতাংশ হ'লেও যথেষ্ট। কিন্তু estimation যদি আমি কিছুমান কথা ignore কৰো, তাত zero percentage কামো নহ'ব। এই বাজেটত কিছুমান অতি জ্বলন্ত সমস্যা ভয়াবহ ভাৱে ignore কৰা হৈছে।

সভাপতি ডাঙৰীয়া, ইয়াত আৰু এটা কথা পৰ্য্যটনৰ বিকাশৰ কাৰণে যিটো সম্ভাৱনীয়তা আছিল, আজিলৈকে দেখা পাইছো যে কেৰেলাত, মধ্যপ্ৰদেশ পৰ্য্যটনৰ কিমান বিকাশ হৈছে।

সমগ্ৰ ভাৰতবৰ্ষত তাত আটাইতকৈ বেছি লাভ হয় পৰ্য্যটনত। কেৰেলা মধ্যপ্ৰদেশতকৈ অসমত পৰ্য্যটনৰ সম্ভৱনতা বেছি। অসমত যিটো প্ৰাকৃতিক পৰিবেশ ইয়াত আমাৰ ব্ৰহ্মপুত্ৰ বেছ উমানন্দ পাহাৰক ধুনীয়া কৰিলে পৰ্য্যটনৰ ক্ষেত্ৰত ভাল আছিল। বাহিৰৰ ৰাজ্যৰ পৰা বিধায়কসকল আহিলে আমাক লগ পালে সোধে ইয়াত ক'ত ফুৰিব পৰা ঠাই আছে এক-দুই ঘন্টাত ঘূৰি আহিব পৰা। আমি তেওঁলোকক একো ক'বই নোৱাৰো, কাৰণ সকলোবোৰ দূৰত আছে, ওচৰত এনেকুৱা একো নাই, যিটো চাই পেলাই তেওঁলোকে সন্তুষ্ট হ'ব। মাননীয় সভাপতি ডাঙৰীয়া, আপোনাৰ চাগে মনত আছে প্ৰত্যেক বাজেট অধিবেশনত মই ব্ৰহ্মপুত্ৰ বেজ পৰ্য্যটনৰ ক্ষেত্ৰত উন্নয়নৰ কথা কৈ থাকে যাতে বাহিৰৰ বিধায়কসকল আহিলে আমি দেখুৱাব পাৰো আৰু অন্যান্য ক্ষেত্ৰতো অসমত পাহাৰ কেন্দ্ৰীক, নদী কেন্দ্ৰীক আৰু অভয়াৰণ্য কেন্দ্ৰীক পৰ্য্যটনৰ অলপ কেলকুলেচন ভালকৈ কৰো, বহু পৰ্য্যটক আহিব, কিন্তু আমি সামন্য অৱহেলা কৰাৰ কাৰণে অসমত সেই পৰ্য্যটনৰ আন্তঃগাঁথনি নিৰ্মাণ কৰিব পৰা নাই।

তাৰ পিছত, মাননীয় সভাপতি মহোদয়, আৰু এটা কথা হ'ল বৈদ্যুতিকৰণৰ ক্ষেত্ৰত শক্তিমন্ত্ৰী মহোদয়ে toll free number ও দিছে, ২০১৬ চনত যেতিয়া চৰকাৰ আহে তেতিয়া ২৪ ঘন্টা বিদ্যুৎ যোগানৰ প্ৰতিশ্ৰুতি দি চৰকাৰ আহিছিল। কিন্তু দেখা গ'ল যে আমাৰ গাওঁ অঞ্চলত বিদ্যুৎ নাযায় আহে হে। তাৰ মানে সুবিধা লগা হৈ যায় কেতিয়া আহিছিল, অহাতোহে খবৰ, যোৱাতো খবৰ নহয়। এনেকুৱা ধৰণৰ কথা যিটো ২০১৬ চনৰ কোৱা হৈছিল 24 x 7 বিদ্যুতৰ প্ৰতিশ্ৰুতি আছিল, এতিয়ালৈকে সেইটো কৰিব পৰা হোৱা নাই। আটাইতকৈ ডাঙৰ কথাতো হ'ল যে অসমক শক্তিখণ্ডত এতিয়ালৈকে স্বাৱলম্বী হ'ব পৰা নাই। আমি বহিঃৰাজ্যৰ পৰা যিমান দিনলৈকে নিৰ্ভৰশীল হৈ থাকিম আৰু তাৰ যিমান outstanding দিবলৈ বাকী আছে আৰু দিবলৈ কিয় বাকী আছে, আমাৰ অসমতে বিভিন্ন বিভাগত যেনে DGP অফিচতে যদি ৭ কোটি টকাৰ অধিক থাকে, বিভিন্ন বিভাগৰ কোটি কোটি টকা যদি দিবলৈ বাকী থাকে, কেতিয়াবা বহিঃৰাজ্যই supply বন্ধ কৰি দিয়ে, তেওঁলোকেও কেইবাশ কোটি টকা পাবলৈ থাকে। মানে এই সমস্যাটো কেতিয়াও সমাধান নহব, যেতিয়ালৈকে আমি এশ শতাংশ self sufficient হ'ম, স্বাৱলম্বী হ'ব পাৰিম। গতিকে এই বাজেটত আমি বিচাৰিছিলো যে শক্তিখণ্ডত অসমক বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী কৰিব পৰা কিবা প্ৰতিশ্ৰুতি আছে নেকি? কিন্তু বাজেটত তেনেকুৱা বাস্তৱসন্মত প্ৰতিশ্ৰুতি একো দেখা নাপালো।

মাননীয় সভাপতি মহোদয়, জলসিঞ্চন বিভাগ। এই বিভাগত যিমান কৰ্মচাৰী ৰাখি প্লেন কৰি পানী পথাৰত দিয়া হয়, কেইদিনমান আগতে আমাৰ হ্লEstimate committee ৰ এখন মিটিঙত মাননীয় সভাপতি, মাননীয় সদস্য প্ৰশান্ত ফুকন ডাঙৰীয়াই এটা কথা কৈছিলে যে জলসিঞ্চন বিভাগৰ এনেকুৱা অৱস্থা হৈছে যে এক লিটাৰ পানী পথাৰত দিবলৈ ৭৫ হাজাৰ টকা আমাৰ চৰকাৰে খৰছ কৰি আছে। তাৰমানে এক লিটাৰ পানী পথাৰত দিবলৈ ৭৫ হাজাৰ টকা খৰছ কৰিব লাগে, এই বিভাগটোৰ দৰকাৰ নাই, সভাপতি মহোদয়। কাৰণ ইয়াত গোটেই কৰ্মচাৰীৰ দৰমহা, অফিচ, establishment, গাড়ী আৰু বিভাগটো চলাই সচাঁ অৰ্থাৎ খৰছতো তেনেকুৱাই হ'ব যে এক লিটাৰ পানী পথাৰত লবলৈ ৭৫ হাজাৰ টকা খৰছ হৈছে। Estimate committee ৰ নিৰীক্ষণ আছিলে যে এনেকুৱা এটা বিভাগ পুহি ৰখাতকৈ এই বিভাগতো কৃষি বিভাগৰ লগত merge হৈ যাওঁক। merge কৰি দি কৃষি বিভাগৰ লগত কিবা কৰি লব। এনেকৈ পুহি পেলাই এক লিটাৰৰ কাৰণে ৭৫ হাজাৰ টকা খৰছ কৰি কৃষকৰ কোনো কাম নহ'ব, এইটো আমাৰ ৰাজকোষৰ

পৰা এটা অপচয় হৈ আছে। গতিকে কথাবিলাক ভাবিব লাগিব যাতে বিভাগ পুহি ৰাখি দৰমহা দি তাৰ দ্বাৰা জনসাধাৰণৰ উপকাৰ কিমান হ'ব। কৃষি বিভাগক সকাহ দিয়াৰ কাৰণে বিভিন্ন আঁচনি সমূহ অনা হ'ল যদিও আঁচনিসমূহত বহুতো কেলেংকাৰীৰ উদ্ভৱ হ'ল। উক্ত আঁচনি সমূহ বিশেষকৈ "P.M. Kissan", "মুখ্যমন্ত্ৰীৰ সা-সজুলি" আদি আঁচনিসমূহত উত্তৰ প্ৰদেশ, ৰাজস্থান আদি ৰাজ্যৰ Bank Account ত সোমোৱাই দিয়া হ'ল, ফলত আমাৰ থলুৱা কৃষকসকল প্ৰকৃত সুবিধা লাভ কৰাৰ পৰা বঞ্চিত হ'ব লগা হ'ল। এই Beneficiary সকলৰ নাম ক'ৰ পৰা আহিল আৰু তেখেতসকলৰ নামবিলাক কোনে Introduce কৰিলে? এতিয়া অসমৰ প্ৰকৃত কৃষকে যদি এই অঁচনি সমূহৰ সুবিধা বিলাক লাভ কৰিবলৈ সক্ষম নহয়, তেখেত সকলে যদি Minimum Support Price টোৱেই নাপায়, তেতিয়া হলে কৃষকসকলে কিয় আৰু কেনেদৰে শস্য/ফচল উৎপাদন কৰিব?

মাননীয় সভাপতি মহোদয়, দুৰ্ভাগ্যজনক কথাটো হ'ল যে যোৱাবাৰৰ পবিত্ৰ বিধান সভাত মই P.M. Kissan আদি আঁচনিসমূহত হৈ থকা কেলেংকাৰীৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছিলো আৰু চৰকাৰে এইটো স্বীকাৰো কৰিছিল আৰু উত্তৰো দিছিল যে - আমি এইটো গম পাইছো, আমি তদন্ত কৰি আছো আৰু এই বিলাক Clear কৰিম। তাৰ পাচত চৰকাৰে তদন্তৰ খাতিৰত P.M. Kissan Scheme ৰ Beneficiary সকলৰ Bank Account সমূহ জমা কৰিব কোৱা হ'ল আৰু তদন্তৰ অন্তত দেখা গল যে প্ৰকৃত যি সকল কৃষকৰ নিজা মাটি আদিও আছিল তেওঁলাকৰ Bank Account ত টকা নোসোমাল, কিন্তু আজিৰ পৰা প্ৰায় দুমাহ মানৰ আগতে যি বিলাক Fake Account আছিল সেই বিলাকতহে টকাটো সোমাল। বিভাগীয় মন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰাৰ পাছত আৰু তদন্ত কৰাৰ পাছত কথাটো এনেকুৱাহে হ'লগৈ।

গতিকে সভাপতি মহোদয়, কৃষি বিভাগটো যদি এনেকুৱা এটা অৱস্থাত চলে তেতিয়াহ'লে আমাৰ অসমৰ কৃষকসকল কিদৰে লাভান্বিত হ'ব, অসমৰ কৃষিখণ্ডৰ অৱস্থা কি দৰে উন্নত হ'ব আৰু আমি অসম খনক স্বাৱলম্বীতাৰ পথত কি দৰে আগুৱাই লৈ যাম? সভাপতি মহোদয়, এইটো বৰ দুৰ্ভাগ্যজনক বিষয়। সেইবাবে এই বিষয়টো মই আপোনাৰ জড়িয়তে সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আমাৰ বিৰোধী দলৰ দলপতি মহোদয়ে কৈছিল যে - পৰিকল্পনা বিভাগত থকা Transportation ব্যৱস্থাটো বন্ধ কৰি দিব লাগে বুলি। কিন্তু মই ভাৱো এইটো বন্ধ নকৰি একেবাৰে দুখীয়া Beneficiary ৰ বাবে ৰাখি থ'ব লাগে। বিশেষকৈ দুখীয়া ছাত্ৰ-ছাত্ৰী আৰু দুখীয়া জটিল ৰোগীৰ বাবে এই ব্যৱস্থাটো ৰাখিব লাগে, কিয়নো কিছুমান ৰোগীয়ে এই পইছাটো লৈহে চিকিৎসা গ্ৰহণ কৰিব পাৰে। যিহেতুকে D.C. Office ত এই কাম খিনি কৰোতে অলপ সময় লয়, সেয়েহে কিছুমান Beneficiary এ এনে এটা ভাৰত বা আশাত কেতিয়াবা প্ৰথমতেই চিকিৎসাটো গ্ৰহণ কৰি লয় যে পাছত টকাটো পালে সেই ধাৰটো পৰিশোধ কৰি দিব। । গতিকে এই ব্যৱস্থাটো এটা অতি কল্যাণকাৰী ব্যৱস্থা আৰু এইটো বন্ধ কৰিব নালাগে। আনহাতে "অটল অমৃত" যোজনাই যিখিনি ৰোগীক সামৰি নলয়, সেই কৰ্কট ৰোগীসকলৰ সুবিধাৰ কাৰণেও এই ব্যৱস্থাটো ৰাখিব লাগে। আগতে মুখ্যমন্ত্ৰীৰ সহায্য পুঁজিৰ পৰা কৰ্কট ৰোগীৰ সমুদায় চিকিৎসা ব্যয় বহন কৰা হৈছিল। মই ভাৱো এই ব্যৱস্থাটো ৰাখিব লাগে তেতিয়া অটল অমৃত যোজনাই সামৰি নোলোৱা ৰোগী খিনিয়ে এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হ'ব। সভাপতি মহোদয়, স্বাস্থ্য শিতানত মোৰ আৰু কিছু কবলগীয়া আছে, যিহেতুকে যোৱা সময়ত স্বাস্থ্য খণ্ডত এটা ডাঙৰ বিপ্লৱৰ সূচনা কৰা হৈছিল আৰু এই

বিপ্লৱত আমাৰ ইমানেই উন্নতি সাধন কৰা হ'ল যে নীতি আয়োগে উন্নয়নৰ যিখন তালিকা প্ৰকাশ কৰিলে তাত আমাৰ অসমে একেবাৰে তলত অৰ্থাৎ ২৮ নং স্থানহে দখল কৰিবলৈ সক্ষম হ'ল। গতিকে সভাপতি মহোদয়, স্বাস্থ্য খণ্ডত আমাৰ অৱস্থাটো অলপ উন্নত কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়।

তাৰ পাছত P.D.S. ৰ অধীনত সুলভ মূল্যৰ খোৱা বস্তু যোগান আৰু বিতৰণৰ ব্যৱস্থা কৰা হৈছিল। তাত একোটা একোটা সমবায় সমিতিয়ে প্ৰায় ২৫/২৮ লাখ টকাকৈ এতিয়াও পাবলৈ বাকী আছে। বহু বছৰ ধৰি এই সমবায় সমিতি বিলাকৰ পইছা অনাদায় হৈ আছে অৰ্থাৎ এতিয়াও পাবলৈ বাকী আছে। বাজেটত যি ৫ লাখ টকা দিয়া হ'ব বুলি উল্লেখ কৰিছে, সেইটো হয়তো প্ৰত্যক্ষভাৱে বিভাগলৈ যাব, সমবায় সমিতিবিলাকে যে সেই টকাটো পাব তাৰ কোনো স্পষ্ট উল্লেখ বাজেটখনত নাই।

পৰিবেশ আৰু বন বিভাগৰ ক্ষেত্ৰত দেখিবলৈ পালো যে যোৱা ৫ বছৰত অসমৰ ইতিহাসত আটাইতকৈ বেছি সংখ্যক প্ৰায় ৬০০ ত কৈও বেছি গঁড় নিধন কৰা হৈছে। (সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়, তাৰ লগে লগে মাননীয় সভাপতি মহোদয়ে বিধান সভাৰ মাননীয় সদস্য সকলক মনে মনে থাকিবলৈ অনুৰোধ জনায়) মই ক'বলৈ বিচাৰিছো যে - বাজেটত যিহেতুকে পৰিবেশ আৰু বন বিভাগত পুঁজি দি অহা হৈছে গতিকে আমাৰ বন বিভাগৰ বনৰক্ষী আৰু পশুচিকিৎসকৰ Team বিলাকো উন্নত হ'ব লাগে, কাৰণ আমাৰ আপুৰোগীয়া সম্পদসমূহ কমি গলে আমাৰো বেয়া লাগে। এই কথাটোলৈ আমাৰ বিত্ত মন্ত্ৰী মহোদয়াৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

মাননীয় সভাপতি ডাঙৰীয়া, এইবাৰৰ বাজেটখনৰ আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল - এইবাৰৰ বাজেটখনত আগতে নোহোৱা কিছু *................* বিষয় অন্তৰ্ভূক্ত হোৱা দেখা পালো। ইয়াত "গৰুখুঁটি" নামৰ এটা প্ৰকল্প লোৱা হৈছে। এই "গৰুখুঁটি" প্ৰকল্পৰ আধাৰত দৰং জিলাত প্ৰায় ৭৭ হাজাৰ বিঘা মাটি বেদখলমুক্ত কৰি তাত N.G.O. ৰ যোগেদি কিছুমান Farm গঠন কৰা হ'ব। মোৰ কথাটো হ'ল, ইতিমধ্যে তাত যিসকল লোক আছে তেখেতসকলে বিগত ৬০/৭০ বছৰ ধৰি কৃষিকৰ্ম কৰি আছে। বিগত ৫০ বছৰত তাত ৪৪ খন বিদ্যালয়, ৩৮ খন অংগনবাড়ী কেন্দ্ৰ, হস্পিতাল, ডাকঘৰ, উপকেন্দ্ৰ আদি গঢ় লৈ উঠিছে আৰু এইসকল লোক তাত বিগত ৬০/৭০ বছৰ ধৰি বসবাস কৰি থকা বাবেহে বিগত ৫০ বছৰত এই অনুষ্ঠান-প্ৰতিষ্ঠান বিলাক গঢ় লৈ উঠিল। তাৰোপৰি তাত বেদখল কৰি বসবাস কৰি থকা লোক সকলে সেই মাটিখিনি এনেয়ে পেলাই থোৱা নাই, তেওঁলোকে তাত শস্য উৎপাদনৰ লগতে অন্যান্য কৃষিকৰ্ম কৰি আহিছে আৰু সেই উৎপাদিত সামগ্ৰী খাৰুপেটীয়া বজাৰৰ দ্বাৰা সমগ্ৰ অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত যোগান ধৰা হয়। বৰ্তমানৰ চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে কেৱল মাত্ৰ এটা চক্ৰক সন্তুষ্ট কৰাৰ কাৰণে উক্ত মাটিৰ সৎব্যৱহাৰ কৰি থকা কৃষকসকলক তাৰ পৰা উচ্ছেদ কৰি কিছুমান Farm ক দিয়াৰ বাবে ব্যৱস্থা কৰিছে। এই বাজেটখনত খুব কৌশলপূৰ্ণভাৱে "খিলঞ্জীয়া" শব্দ প্ৰয়োগ কৰা হৈছে আৰু "খিলঞ্জীয়া" Farm ক দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। "খিলঞ্জীয়া" Farm ক দিয়াৰ নামত কৃষিকৰ্ম কৰি মাটিৰ সৎব্যৱহাৰ কৰি থকা মানুহখিনিক উচ্ছেদ কৰি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু সভাপতি মহোদয়, আজিলৈকে কিন্তু "খিলঞ্জীয়া" বা অ- "অখিলঞ্জীয়া" ৰ এতিয়াও সংজ্ঞা নিৰূপণ কৰা হোৱা নাই।

সভাপতি মহোদয়, আজি ৰাতিপুৱাও মই এটা ব্যৱস্থাপনাত কৈছিলো যে - ব্ৰিটিছ ৰাজত্ব কালত অবিভক্ত অসম বা ভাৰতৰ যিসকল মানুহ আগতে অহা-যোৱা কৰিছিল তেখেত সকলে

*Expunged as ordered by the Chair*

ভবা নাছিল যে দেশখন এনেদৰে বিভাজন হৈ যাব আৰু এটা International Boundary ৰ কথা আহি যাব।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, কিছুমান কথা সদনৰ পৰা কোৱা উচিত নহয়, বিশেষকৈ সন্মানীয় সদস্য এজনে এনেদৰে বক্তব্য ৰখাটো উচিত নহয়, নহ'লে সদনৰ পৰা এটা বেয়া Message যাব। তেখেতে বাজেট বক্তব্যত এই কথাখিনি কৈছে, মোৰ বাজেট বক্তব্যতো এইখিনি কথা ডাঙি ধৰিছিলো। গতিকে বাহিৰত উচ্ছেদৰ নামত কৰা সাম্প্ৰদায়িকতা কৰা আদি বেয়া Message গৈয়ে আছে। মাননীয় সদস্যৰ মুখেৰে এনেকুৱা Message যোৱাটো উচিত নহয়। ( বিধায়ক আমিনুল ইছলামক উদ্দেশ্যি ঃ আপুনি যে তাত ৪৪ খন বিদ্যালয়, হস্পিতাল, কলেজৰ কথা কৈছে, এইবিলাক আপুনি দেখুৱাব পাৰিব ? আপুনি যি বিলাক কথা ইয়াত কৈ আছে, এনেকৈ কোৱাটো উচিত নহয়। তাত ৪৪ খন এল পি স্কুল আপুনি দেখুৱাব পাৰিব ? তাত হস্পিতেল, কলেজ আপুনি দেখুৱাব পাৰিব ? যিবিলাক কথা আপুনি কৈ আছে, সেই কথাবিলাক আপুনি এনেকৈ কৈ থকাটো উচিত নহয়, তেনেকুৱা লক্ষ্যৰে তাত যোৱা নাই নহয়। তাত ১৬ খন ফাৰ্মৰ লগত আমি কি কথা পাতিছো, আমাৰ information আছে। তাত আমি জানো যে কোন জিলাৰ পৰা গৈ, বেলেগ ঠাইৰ পৰা গৈ, খেতি বাতি কৰি কি কৰি আছে, সেই খবৰ আছে। গতিকে যিবিলাক সাম্প্ৰদায়িকতাৰ ৰূপ দি যিবিলাক কথা ক'বলৈ গৈছে। আপোনালোকৰ বিধায়ক ছিৰাজ উদ্দিন আজমল ডাঙৰীয়াৰ পৰা অলপ আপুনি শিকক। যোৱাকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাল কাম এটা কৰিবলৈ যাওতে, তেওঁ সহযোগ কৰিছে। ভাল কাম এটা কৰিবলৈ যাওঁতে, কৰ্ম সংস্কৃতি গঢ়িবলৈ যাওঁতে, উৎপাদনমুখী যাত্ৰা কৰিবলৈ যাওঁতে, আপুনি এনেকুৱা Negative কথাৰে আমাক বাধা দিব নোৱাৰে।

( সদনত হুলস্থূল হয়)

**মাননীয় উপাধ্যক্ষ ঃ-** যিখিনি contagious word, expunge কৰিব লাগে বুলি আমি উদ্যোগ গ্ৰহণ কৰিম।

**শ্ৰী মতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিছাৰিছো, মাননীয় বিধায়কগৰাকীয়ে যিটো কথা ক'লে যে মই বাজেটত *.................* প্ৰস্তাৱ ৰাখিছো, সেইটো expunge কৰিব লাগে উপাধ্যক্ষ মহোদয়। মই বিত্তমন্ত্ৰী হিচাপে কোনো *................* প্ৰস্তাৱ ৰখা নাই।

**মাননীয় উপাধ্যক্ষ ঃ-** হয়, এই শব্দটো expunge কৰিব লাগে।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ-** আপোনলোকে দেখুৱাব পাৰিব, দেখুৱাওক আপোনালোকে দেশখনত 9th Addition ত hearing দিছে, শোণিতপুৰ জিলাৰ ডিচিয়ে কিমান মানুহৰ ৫০ বছৰহে ৰেকৰ্ড দেখুৱাই, দেখুৱাওকচোন। পাৰিব দেখুৱাব ? সেই গৰুখুটি অঞ্চলত ?

(সদনত হুলস্থূল হয়)

**মাননীয় উপাধ্যক্ষ ঃ-** আমিনুল ইছলাম ডাঙৰীয়া, You are a good orator. আপুনি ভালকৈ কথা কৈ আছে। কিছুমান বস্তু, যিবিলাক দৰকাৰ নাই, সেইবিলাক আপুনি নোকোৱাকৈ বক্তব্যটো ৰাখক। ভাল কথা হ'ব, মেচেজ ও যাব, এই সদনৰ পৰা আপোনাৰ ইমেজটো আৰু ভাল হ'ব লাগে। যিখিনি বাইদেউৱে কৈছে, সাম্প্ৰদায়িক শব্দটো expunge কৰিব।

**শ্ৰী পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্যক মই এটা কথাই অনুৰোধ কৰিম, গৰুখুঁটিৰ প্ৰকল্পটো কেতিয়াও *.............* নহয়। শব্দটো উঠাই ল'ব

*Expunged as ordered by the Chair*

লাগে।

(সদনত হুলস্থূল হয়)

**মাননীয় উপাধ্যক্ষ ঃ-** ইতিমধ্যে এই শব্দটো expunge কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ-** মই এটা অনুৰোধ কৰিম, আপুনি পাৰিলে এটা সৰ্ব্বদলীয় সঁজাতি দল সদনৰ পৰা গঠন কৰি দিয়ক ।আমি একেলগে যাম, গৈ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিম। what is the reality? যিটো কথা মই গৰুখুঁটিৰ প্ৰকল্পৰ ক্ষেত্ৰত কৈ আছো। তাত প্ৰকৃততে কি হৈ আছে, ওলাই যাব। ৰিপৰ্ট আমি জমা দিম।

**মাননীয় উপাধ্যক্ষ ঃ-** খেতি কৰি আছে, খেতিটো হ'ব দিয়ক, একেলগে খাব যাম।

(সদনত হুলস্থূল হয়)

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ-** উপাধ্যক্ষ মহোদয়, মই কৈ আছিলো ইয়াতো যিসকলে ভালদৰে এটা মাটি সদ ব্যৱহাৰ কৰি কৃষি কৰ্ম কৰি আছে, কৃষি কৰ্ম কৰা মানুহখিনিক যদি আমি কওঁ যে তোমালোকক খেদি আমি ইয়াত বেলেগ কিবা কৰিম, কথাটো অলপ এনেকুৱা ধৰণৰ হৈ গ'ল। সেই মানুহখিনি কিমান দিনলৈকে একচনীয়া পট্টা দিয়া আছিল? কোনে কাৰ পৰা মাটি কিনি লৈছিল? কোন মানুহে তেওঁলোকক গাঁৱলীয়া দলিলত মাটি বিক্ৰী কৰিছিল, সকলো ৰেৰ্কড আমি পাইছো। তথ্যবিলাক সকলো চাইছো। আচলতে এই বিষয়টো এটা controversial উপাধ্যক্ষ মহোদয়, তাত যিহেতু আমিও গৈছো, পদ্ম হাজৰিকা ডাঙৰীয়াও তাত গৈছে। মানুহৰ তথ্য-পাতি চাই আমি যিটো বুজিলো, তেখেতেও বুজিছে। তেওঁলোকে হয়তো বেলেগ বুজিছে। কিন্তু আমি ভাবিছো বাজেটত এই কথাটো এনেকৈ আনি controversial issue টোৰ মানুখিনিক খিলঞ্জীয়া নহয় বুলি কৈ আছে। মই যদি কওঁ, মানুহ একেখন অসমত যেতিয়া একেখন অখণ্ড ভাৰতৰ।

**মাননীয় উপাধ্যক্ষ ঃ-** খিলঞ্জীয়া নহয়, কোনেও বুলি কোৱা নাই. বাজেটত ক'তো খিলঞ্জীয়া নাই। আপুনি বহক।

( সদনত হুলস্থূল হয়)

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, ডিবেটটো বেলেগ ফালে গৈ আছে। বাজেটৰ ওপৰত আলোচনা আছিল। ইমান ধুনীয়া এখন বাজেট, ক'ত এতিয়া বেলেগ এটা ফালে গৈ আছে?

**মাননীয় উপাধ্যক্ষ ঃ-** ভাল ভাল কথাবিলাক কওঁক বাজেটৰ।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ-** বাজেটত লিখা আছে যে তাত এই মাটিখিনি বেদখলমুক্ত কৰি খিলঞ্জীয়া মানুহক দিয়া হ'ব।

(সদনত হুলস্থূল হয়)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি এনেকৈ ভাল ভাল কথা বাজেটত ক'বৰ কাৰণে ক'ব নোৱাৰে । মই ভাবো যে আমি বাজেটক সমালোচনা কৰিম। অকল ভালবিলাক কিয় ক'ম?

**মাননীয় উপাধ্যক্ষ ঃ-** মই ভাল কথা ক'ব দিয়াটো একো বেয়া কথা নহয়।

(সদনত হুলস্থূল হয়)

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া) ঃ-**মাননীয় উপাধ্যক্ষ মহোদয়, তাত কি আমি ইছলাম ধৰ্মৰ মানুহৰ লগত কথা পতা নাই? তাত আমাৰ লগত সহযোগ কৰা নাই? তাত যুৱকসকল একত্ৰিত হৈ সহযোগ কৰিবলৈ অহা নাই? ইছলাম ধৰ্মৰ যুৱকসকলে? সাম্প্ৰদায়িকতাৰ বীজ সিঁচি বেয়া মেচেজ

নিদিব।

(সদনত হুলস্থুল হয়)

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)ঃ**-माননীয় উপাধ্যক্ষ মহোদয়, খিলঞ্জীয়া বুলি শব্দটো কওঁতে, তেওঁ আপত্তি কৰিবলগীয়া ক'ত? আপোনালোক খিলঞ্জীয়া নহয় নেকি? খিলঞ্জীয়া বুলি কলে আপোনালোকে কিয় বেয়া পায়, মানে আপোনালোকে কয় যে আমি বিদেশী। হয় নে নহয় কওঁক। আপোনালোক বিদেশী, আমি তেনেকৈয়ে মানিম। আমি খিলঞ্জীয়াৰ কথা যেতিয়া কৈছো, আপোনালোকে বেয়া পাব লগা ক'ত আছে? আপোনালোকে ক'ব যে আমিও খিলঞ্জীয়া , আমাকো লাগে। আপোনালোক বিদেশী বুলি স্বীকাৰ কৰে। সেইটোৰেই আপোনালোকৰ সমস্যা ।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ**- माননীয় উপাধ্যক্ষ মহোদয়, ঠিক আছে, বাজেটত যেতিয়া এনেকৈ লিখিব, এই খিনি মাটিৰ পৰা উচ্ছেদ কৰি খিলঞ্জীয়া মানুহক দিয়া হৈছে। তাৰমানে উচ্ছেদ কৰাখিনি খিলঞ্জীয়া নহয় নেকি? এতিয়া আমি যাক বঢ়াম সেইখিনি খিলঞ্জীয়া। এইটো বাজেটত সাম্প্ৰদায়িক বিষয় নহ'ল নেকি? এতিয়া যিখিনিক উচ্ছেদ কৰা হ'ল সেইখিনি খিলঞ্জীয়া নহয়। এতিয়া যিসকলক বহাম সেইখিনি খিলঞ্জীয়া। বাজেটত এইটো কোৱাৰ কাৰণে মই কৈছো। এতিয়া মোৰ কথাটো হ'ল, মই আগতেও কৈছিলো যে, এই মানুহ সকল যেতিয়া ইয়াত একেখন ষ্টেটত আছিল, তেতিয়া কিন্তু মানুহখিনিয়ে

**মাননীয় উপাধ্যক্ষ ঃ**- Try to conclude, only 2 minute left.

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ**- এতিয়া মোৰ কথাটো হ'ল, এই মানুহখিনিয়ে কিন্তু তেতিয়া জনা নাছিল, তেতিয়া বৃটিছে তেওঁলোকক ইয়াত বহাই খেতি কৰিব দিছিল। তেওঁলোকে জনা নাছিল, ইয়াত যে আমি বহি আছে এটা সময়ত ভাৰত স্বাধীন হ'ব, দেশ বিভাজন হ'ব, এটা বেলেগ দেশ হ'ব, আমি ইফালে পৰিম, আমাক খিলঞ্জীয়া বুলি নক'ব। তেতিয়া তেওঁলোকে জনা নাছিল, আৰু ইয়াৰ কোনো মানুহ যদি সিপাৰে থাকি গ'ল, দেশ বিভাজন হৈ যোৱাৰ লগে লগে তেওঁ তাৰ পৰা গুছি যাব নেকি? আজি যদি ডিব্ৰুগড়ৰ মানুহ এজন ধুবুৰীত আগত আছে, যদি ইয়াৰ মাজতে ৰাজ্য ভাগ হৈ যায়। ডিব্ৰুগড়ৰ মানুহজন ধুবুৰীত অখিলঞ্জীয়া হ'ব নোৱাৰে। কাৰণ একেখন অসমৰ।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ**- माননীয় উপাধ্যক্ষ মহোদয়, এটা কথা কেইবাবাৰো সদনত ওলাই আছে, যে বৃটিছ সকলে আনি চৰ-চাপৰিত তেওঁলোকক বহুৱাইছে। অসম চৰকাৰে এটা কথা পৰিষ্কাৰ কৰি দিয়া ভাল। বৃটিছে কাৰ সময়ত, কিমান মানুহ, কোন ঠাইত আনি কোনটো মাটিত তেওঁলোকক বহুৱাইছিল, এই কথাটো অসম চৰকাৰৰ ফালৰ পৰা সদনত পৰিষ্কাৰ কৰি দিয়া ভাল।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ**- এই কথাবিলাক যেতিয়া অন্যান্য বক্তব্যৰ পৰা আহিব, তেতিয়া ভাল। এতিয়া কথা হ'ল, माননীয় উপাধ্যক্ষ মহোদয়, মোৰ দুখটো এইখিনিতেই যে এই মানুহ সকল, আজি যদি একেখন অসম, ডিব্ৰুগড়ৰ মানুহ এজন ধুবুৰীত থাকিলে, তেওঁক অখিলঞ্জীয়া কৰিব নোৱাৰে। ধুবুৰীৰ মানুহজন ডিব্ৰুগড়ত থাকিলেও খিলঞ্জীয়া ক'ব লাগিব। গতিকে এই ক্ষেত্ৰত এই মানুহখিনিক উচ্ছেদ কৰি খিলঞ্জীয়াক দিয়া হ'ব মানে বাজেটত খিলঞ্জীয়া, অখিলঞ্জীয়া division টো এটা বিত্তীয় প্ৰতিশ্ৰুতি, এই Anticipated estimation, ইয়াত খিলঞ্জীয়া, অখিলঞ্জীয়া ৰ এনেকৈ division ৰাজনৈতিক ভাৱধাৰাৰে কথাটো আহিব নালাগিছিল। সেইটোৰে মোৰ আপত্তি, উপাধ্যক্ষ মহোদয়।

( সদনত হুলস্থুল হয়)

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ দিনত খিলঞ্জীয়াৰ আধিপত্য থাকিবই।

**মাননীয় উপাধ্যক্ষ ঃ-** Try to conclude, আপোনাৰ ৪৫ মিনিট শেষ হ'ল । পিছৰ বক্তাৰ সময় কটা যাব।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ-** মোৰ মাত্ৰ দুটা সৰু পইন্ট আছে, সেই কেইটা কৈ মই শেষ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ-** আপুনি extra কৈ গৈ থাকিলে পিছৰ বক্তাসকলৰ সময় deduct কৰি দিম। ৬৪মিনিট গোটেই পাৰ্টীৰ, ৪৫ মিনিট ক'লে।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** উপাধ্যক্ষ মহোদয় আৰু এটা কথা হ'ল যে, এই বাজেটত আমি আশা কৰা ধৰণে কিন্তু নাপালো। এই যে শিক্ষা বিভাগৰ ক্ষেত্ৰত অলপতে যিখিনি প্ৰভিন্সিয়েলাইজেশ্যন হ'ল, তেওঁলোক এই দুই তিনি মাহ ধৰি দৰ্মহা পোৱা নাই। ' আৰ ও পি' ওলোৱা নাই। কিবা এটাত চহী হোৱা নাই। লগতে কিছুমান বিদ্যালয়ত ইছ্যু ডেট কিছুমানৰ আগত, কিছুমানৰ পিছত, এই কথাবিলাক চাব লাগে। উপাধ্যক্ষ মহোদয়, এই কথাবিলাক সমাধান নোহোৱা কাৰণে আকৌ উত্থাপন কৰিবলগীয়া হৈছে। দ্বিতীয় কথাটো হ'ল যে আমাৰ বিদ্যালয়বোৰত ড্ৰপ পোষ্ট বাকী আছে। তিনিজনকৈ দিছে। শিক্ষা বিভাগে সমাধান কৰিব পাৰিব যদিহে বাজেটত পৰ্য্যাপ্ত পৰিমানৰ ধন আবন্টন দিয়ে। বিভাগে এমেণ্ডমেন্ট আনি এই সমস্যা সমাধান কৰিব পাৰিব। বাজেটত ধন নধৰিলে শিক্ষা মন্ত্ৰীয়ে কিন্তু এমেণ্ডমেন্ট বিল নানে। কাৰণ দৰ্মহা ক'ৰ পৰা দিব। এই কথাটো থাকি গ'ল। আৰু এটা কথা হ'ল এম জি এন ৰেগাত কিছুমান গাইড লাইন চেঞ্জ কৰি ৰুৰেল কনেক্টিভিটিৰ ৰোডটো ধৰিব পাৰে। পি ডব্লিউ ডি বিভাগটোও চাব লাগে। গতিকে মই উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এখন উৎকৃষ্ট বাজেট দিয়াৰ বাবে মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়ক পুনৰবাৰ ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া অসম গণ পৰিষদ দলৰ মাননীয় শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ জুলাই তাৰিখে আমাৰ বৰ্ত্তমান চৰকাৰখনৰ প্ৰথম মহিলা বিত্তমন্ত্ৰী মাননীয়া শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যিখন বাজেট দাখিল কৰিলে এইখন সঁচাকৈয়ে এখন সুন্দৰ বাজেট আৰু জনকল্যাণমুখী বাজেট। এই বাজেটে অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা পুৰণ কৰিব বুলি মই ভাবিছো। উপাধ্যক্ষ মহোদয়, আপুনিও জানে প্ৰায় ডেৰ বছৰ ধৰি ক'ভিড মহামাৰীৰ কাৰণে আমাৰ অসমৰ যিটো অৰ্থনৈতিক অৱস্থা, ইয়াতো প্ৰভাৱ বিস্তাৰ কৰিছে। কিন্তু এই ক'ভিড সৃষ্ট পৰিস্থিতিটো বিশেষভাবে আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে যি খন বাজেট দাখিল কৰিলে, আমি আশা কৰা নাছিলো যে এখন উৎকৃষ্ট বাজেট সদনত উত্থাপন কৰিব। গতিকে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক আৰু লগতে মাননীয় মুখ্যমন্ত্ৰীকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইতিমধ্যে মাননীয় বিধায়ক শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই বাজেটৰ ওপৰত মন্তব্য আগবঢ়াইছে। মন্তব্যটো হৈছে যে খিলঞ্জীয়া মানুহৰ যিটো কথা কোৱা হৈছে। এই কথাষাৰকে লৈ তেওঁ এই বাজেটক এখন সাম্প্ৰদায়িক বাজেট বুলি আখ্যা দিব বিচাৰিছে। বিশেষভাৱে, এটা কথা ঠিক যে-- কোনোবাই ক'ৰবাত বেদখল কৰিব আৰু চৰকাৰে সেই বেদখল চাই থাকিব, এইটো কিন্তু আমি কেতিয়াও নামানো। এইখন চৰকাৰেও নামানে বিশেষভাবে খিলঞ্জীয়াৰ কাৰণে এইখন চৰকাৰে কাম কৰিব। আমাৰ পাৰ্লিয়ামেন্টৰী মিনিষ্টাৰে

ইতিমধ্যে কৈছে , এইখন হৈছে খিলঞ্জীয়া মানুহৰ এখন চৰকাৰ। যাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীয়ে চিন্তা-চৰ্চা কৰি খিলঞ্জীয়াৰ বিশ্বাস আৰু সংস্কৃতি বুলি এটা নতুন বিভাগ খুলিব খুজিছে। এইটোত কিন্তু মই সচাঁকৈয়ে অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। যুগে যুগে মাননীয় মুখ্যমন্ত্ৰীৰ নাম অসমৰ সকলো খিলঞ্জীয়াৰ, সকলোৰে অন্তৰত থাকিব। এইটো মই উপাধ্যক্ষ ডাঙৰীয়া আপোনাক অৱগত কৰিছো। চৰকাৰে যিখন বাজেট উত্থাপন কৰিলে আমি চাব লাগিব চৰকাৰৰ সফলতা কিহৰ ওপৰত নিৰ্ভৰ কৰে। চৰকাৰৰ সফলতা নিৰ্ভৰ কৰে বছৰটোৰ আয় আৰু ব্যয়ৰ ওপৰত। ইতিমধ্যে মাননীয় সদস্য পদ্ম হাজৰিকাদেৱে উল্লেখ কৰিছে আৰু মইও উল্লেখ কৰিব বিচাৰিছো যে যিবিলাক বিষয় লৈ বাজেট প্ৰস্তুত কৰিছিল, সেই বাজেট বিলাক বিচক্ষনতাৰে আৰু সু-চিন্তাৰে কৰা পৰিলক্ষিত হৈছে। এই কথাটো যদি আমি চাও তেন্তে আপুনি দেখিবলৈ পাব যে ২০১৫-১৬ চনৰ পৰা উল্লেখ কৰিছে। তাৰ আগতে মই চোৱা নাই সেই সম্পৰ্কে মই ক'ব নোৱাৰিম।

কিন্তু ২০১৫-১৬ ত যদি চাওঁ তেতিয়া কিন্তু কংগ্ৰেছৰ চৰকাৰ আছিল। তেওঁলোকে যিধৰণে ব্যয় কৰিলে সেইটো উল্লেখযোগ্য । ২০১৫- ১৬ ত আমাৰ বাজেট আছিল- ৬৬,১৪২.১৭ কোটি টকা । এই টকা বাজেটত আবন্টন দিয়া হৈছিল আৰু ব্যয় কৰা হৈছিল-৪১৯৩১.৩২ কোটি টকা । ইয়াৰ যদি পাৰ্চেন্টেজ চাওঁ ৬৩.৪০ শতাংশ কিন্তু আমাৰ বিজেপিৰ মিত্ৰজোটৰ চৰকাৰ হোৱাৰ পিছত আমি যদি একাদিক্ৰমে চাওঁ তেনেহ'লে ২০১৬-১৭ চনত কিমান আবন্টন দিছে সেইটো মই ক'বলৈ নাযাও। মই পাৰ্চেণ্টেজটো এটা কথা ক'ব বিচাৰিছো। ২০১৬-১৭ ত ৭৩.৩৬ শতাংশ তাৰ মানে আমি যদি চাওঁ ২০১৫-১৬ৰ যিটো আবন্টন তাত ১০ শতাংশ বৃদ্ধি হৈছে। তাৰ পৰৱৰ্ত্তী সময়ত চাওঁ ৭৬.১০ শতাংশ, পিছত যদি চাওঁ ৭৯.০৬ শতাংশ আৰু ২০১৯-২০ চনত যাওঁ তেনেহ'লে দেখিম ৮২.৯৭ শতাংশ গতিকে বিগত পাঁচটা বছৰত এইখন চৰকাৰে যিখিনি টকা বছৰটোৰ বাজেটত আবন্টন কৰিলে, সেই আবন্টনৰ যিটো ব্যয় এইটো সন্তোষজনক। এইটোৰ ফলত আজি অসমৰ জনসাধাৰণে উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত নিশ্চয় যথেষ্ঠ উপকৃত হ'বলৈ সক্ষম হৈছে। গতিকে বিশেষভাবে আমি দেখিছো যে বিগত পাঁচটা বছৰত এই চৰকাৰখন আৰু সেই সময়ৰ বিত্তমন্ত্ৰী আৰু আজিৰ মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বৰ কাৰণেহে বিশেষভাবে এই বাজেটখন ফলপ্ৰসূ কৰি তুলিবলৈ আমি সক্ষম হৈছো। আজি বিশেষভাৱে যদি আমি চাওঁ, তেনেহ'লে এই জনকল্যাণমূলক আচঁনিসমূহৰ ভিতৰত এটা কথা মই আপোনাক ক'ব বিচাৰিছো যে, আজি জনকল্যালমূলক আচঁনিয়ে নহয় আজি অসমৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত যিধৰণে পদক্ষেপ লৈছে, আজি কোনটো বিভাগত কাম কৰা হোৱা নাই। আমি যদি চাওঁ, যে বিগত ৫ টা বছৰত গড়কাপ্তানী বিভাগত আজি উল্লেখযোগ্য কাম কৰিবৰ কাৰণে সক্ষম হৈছে। যদি আমি গ্ৰাম্য অঞ্চলত যাওঁ তেতিয়াহ'লে দেখিবলৈ পাম যে খুব কম সংখ্যকহে কেঁচা ৰাস্তা আছে। বেছিভাগ ৰাস্তা বিগত ৫ টা বছৰত প্ৰায় বহুখিনি কাম সম্পূৰ্ণ কৰিছে। বিশেষভাৱে আজি যি ধৰণে হয়তো পি ডব্লিউ ডি ডিপাৰ্টমেণ্টৰ নাম সলনি কৰি লোক নিৰ্মাণ বিভাগ কৰা হৈছে এই লোক নিৰ্মাণ বিভাগৰ জৰিয়তে আজি বিশেষভাৱে সমষ্টিসমূহৰ কাম যাতে ক্ষীপ্ৰতাৰে হয়, তাৰ কাৰণে আন্তঃগাঁথনিৰো পৰিৱৰ্ত্তন কৰা হৈছে। আজি প্ৰত্যেকটো সমষ্টিত বিশেষকৈ গুৱাহাটীৰ প্ৰত্যেকটো সমষ্টিতে এটা ডিভিজন আছে, দুটা, তিনিটা চাব-ডিভিজন আছে আৰু গ্ৰাম্যাঞ্চলৰ বেলেগ বেলেগ সমষ্টিও যদি চাওঁ তেতিয়াহ'লে হয়তো প্ৰত্যেকটো সমষ্টি নহ'লেও দুটা সমষ্টি লগ কৰি হ'লেও এটা ডিভিজন কৰা হৈছে। গতিকে এইটো কিয় কৰিছে? এইটো এই কাৰণেই কৰা হৈছে যাতে অসমৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষকৈ ৰাস্তা-ঘাটৰ উন্নয়নৰ ক্ষেত্ৰত যাতে ক্ষীপ্ৰতাৰে আমি কাম কৰিব পাৰো। এই

কাৰণেই এনেধৰণৰ প্ৰচেষ্টা হাতত লৈছে। আজি ধৰক আমাৰ যিসকল সংখ্যালঘুৰ বিধায়ক আছে, মই সংখ্যালঘু মেনশ্যন কৰিছো বুজিবৰ কাৰণে বেয়া পাব নালাগে। আজি সংখ্যালঘু অঞ্চলতো মই নিজেই জানো পি এম জি এচ ওৱাইৰ জৰিয়তে বা এচ অ' পি ডিৰ জৰিয়তেও সেই সমষ্টিসমূহতো প্ৰায় ৪০ বছৰে সম্পূৰ্ণ নোহোৱা কাম কিন্তু এই বিগত ৫ টা বছৰত এইখন চৰকাৰে কাম কৰিবলৈ সক্ষম হৈছে। এইটো যদি অস্বীকাৰ কৰে মোৰ ক'বলগীয়া নাই আৰু অস্বীকাৰ কৰিলে ভগৱানে আপোনালোকক অভিশাপ দিব। গতিকে এই কথাখিনিও কৈ থলো। সম বিকাশ, সম উন্নয়নৰ কথা এইখন চৰকাৰে কৈছে। সৰকা সাথ, সৰকা বিশ্বাসৰ কথা যিটো কৈছিল, বিগত ৫ টা বছৰত সেই কথাটো কিন্তু ৰাজ্য চৰকাৰে আখৰে আখৰে কিন্তু পালন কৰিছে। এইটো স্বীকাৰ কৰিব লাগিব। গতিকে মই আশা ৰাখিছো যে বিৰোধী দলৰ যিসকল বিধায়ক আছে তেওঁলোকৰ পৰাও আমি গঠনমূলক পৰামৰ্শ আমি বিচাৰো। কাৰণ গঠনমূলক পৰামৰ্শ আপোনালোকে যদি আগবঢ়ায়, নিশ্চয় এইখন চৰকাৰে সেই গঠনমূলক পৰামৰ্শবিলাক গ্ৰহণ নকৰাকৈ কেতিয়াওঁ নাথাকে। আপোনালোক সকলোৰে জানে যে আজি sports ক্ষেত্ৰত আমাৰ ইয়াত পদক পোৱা কিমান নেশ্যনেল খেলুৱৈ আছে, এছিয়ান গেমছ খেলা খেলুৱৈ আছে, কমনৱেল্থ খেলা খেলুৱৈ আছে, অলিম্পিক খেলা খেলুৱৈ আছে। আজি মাননীয় সদস্য দুৰ্গা দাস বড়ো ডাঙৰীয়াই এটা সুন্দৰ প্ৰশ্ন ইয়াত আনিছে। গতিকে আজি দেখা গৈছে যে মাননীয় মুখ্যমন্ত্ৰীক যেতিয়া মাননীয় সদস্য দুৰ্গা দাস বড়ো ডাঙৰীয়াই যেতিয়া এই কথাখিনি পতিয়ন নিয়াব পাৰিছে আৰু তেওঁ ও অনুভৱ কৰিছে যে হয়, এনেকুৱা ধৰণৰ সিদ্ধান্ত যদি ৰাজ্য চৰকাৰে লয়, তেতিয়াহ'লে হয়তো আমাৰ ক্ৰীড়া জগতখন আৰু যথেষ্ট পৰিমাণে আগবাঢ়ি যাব আৰু সেই কাৰণে আজি কিছু সুন্দৰ সিদ্ধান্ত আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে। ইয়াক আমি সকলোৰে স্বাগতম জনোৱা উচিত। তেনেধৰণৰ কিছুমান সিদ্ধান্ত লৈ যদি অসমখনক আগবঢ়াই লৈ যোৱা যায় তেতিয়াহ'লে নিশ্চয় অসমখন উন্নতিৰ পথত আগবাঢ়ি যাব পাৰিব। আজি আপোনালোকে জানে যে মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই এটা প্ৰস্তাৱ আনিছিল আৰু সেই প্ৰস্তাৱৰ ভিত্তিত আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিধৰণে এটা প্ৰস্তাৱ আনিছিল, সেই প্ৰস্তাৱৰ ওপৰত হয়তো সংখ্যালঘু মানুহসকলৰ কিছু শংকা আছিল, কিছু ভয় আছিল। কিন্তু আজি সেই শংকা ভয় মই ভাৱো যে আঁতৰি গৈছে। কাৰণ এই কাৰণে গৈছে যে আজি সংখ্যালঘু অঞ্চলতো কাম কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে বিভিন্ন উন্নয়নমূলক বিকাশৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে বলিষ্ঠ পদক্ষেপ ল'ম বুলি ঘোষণা কৰিছে। এই বিলাকত আমাৰ মাননীয় বিৰোধী বিধায়ক সকলেও মই ভাৱো যে, স্বাগতম জনোৱা উচিত। গতিকে এনেধৰণৰ যদি কিছুমান কাম এইখন চৰকাৰে কৰিবলৈ লয়, তেতিয়াহ'লে নিশ্চয় আমাৰ অসমখন, যি আমাৰ ভাৰতবৰ্ষৰ ভিতৰত পাঁচখন ৰাজ্যৰ ভিতৰত অসমখনো এখন অন্যতম ৰাজ্য হিচাপে গঢ় দিয়াৰ যিটো পৰিকল্পনা এই পৰিকল্পনা বাস্তৱত সফল ৰূপ দিব আমাৰ বিৰোধী দলৰ মাননীয় সদস্য সকলেও এই যিটো পাঁচখন ৰাজ্যৰ অসমখনো অন্যতম ৰাজ্য হিচাপে গঢ় দিয়াৰ যিটো পৰিকল্পনা লৈছে এই পৰিকল্পনা আপোনালোকৰ সহায় সহযোগিতা লাগিব। এতিয়া বিশেষভাৱে মই মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক এটা বিশেষ কথা ক'ব বিচাৰিছো, যে আমাৰ ঐতিহাসিক আন্দোলনৰ পটভূমি আৰু বিশেষভাৱে ছয় বছৰীয়া আন্দোলনৰ ফলশ্ৰুতিত এখন চুক্তি হৈছিল। আৰু সেই চুক্তিখন আমি বিশেষ ভাৱে ভাবো যে, এইখন চৰকাৰৰো এটা দায়িত্ব আছে। মই এইটো নকওঁ যে বিগত পাঁচটা বছৰে চৰকাৰে এই দায়িত্ব পালন কৰা নাই। যথেষ্টখিনি কাম কৰিবৰ কাৰণে এইখন চৰকাৰ সক্ষম হৈছে। কাৰণ দেখিছো, যে যিসকল আমাৰ শ্বহীদ হৈছিল সেই শ্বহীদৰ পৰিয়াল সকললৈ এককালীন পাঁচলাখ

টকা সাহায্য আগবঢ়াইছে আৰু ইতিমধ্যে এই বছৰতো আমাৰ যিসকলে গুলী খাইছিল, যিসকল গুলীত আহত হৈছিল সেই ব্যক্তিসকললৈ দুই লাখ টকাৰ এককালীন সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ঠিক তেনেকৈ আমি দেখিছো যে, আমাৰ বিদেশী নাগৰিকৰ বহিস্কৰণৰ ক্ষেত্ৰত বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত আমাৰ তিনিশখন বিদেশী ন্যায়াধীকৰণ ট্ৰিবিউনেল গঠন কৰা হৈছে আৰু ইতিমধ্যে ইয়াৰে প্ৰায় এশখন পূৰ্ণাঙ্গৰূপত কাৰ্য্যক্ষম কৰি তুলিছে, মই ভাবো যে আৰু যি দুশখন আমাৰ ট্ৰিবিউনেল আছে, এই ট্ৰিবিউনেল যাতে কাৰ্য্যক্ষম অতি সোনকালে তাৰবাবে মই বিশেষভাৱে আপোনাৰ জৰিয়তে বিত্ত মন্ত্ৰীলৈ অনুৰোধ ৰাখিলো। ঠিক তেনেকৈ অসম বাংলাদেশ সীমান্তত যি কাঁটা তাঁৰৰ বেৰ দিয়া হৈছে, ইতিমধ্যে জনামতে চৰকাৰী তথ্য অনুযায়ী আমাৰ প্ৰায় 98.35 শতাংশ কাম সম্পূৰ্ণ হৈছে। এতিয়া মাথো বাকী আছে 1.65 শতাংশ আৰু সেইখিনি বাকী আছে কৰিমগঞ্জৰ সীমান্তৱৰ্ত্তী অলপ এলেকা প্ৰায় 4.35 k.m. সেইখিনিত যদি আমাৰ ফেনচিং দিয়া হৈ যায় তেনেহ'লে আমাৰ এশ শতাংশই সৰ্ম্পূণ হ'ব। গতিকে এই কামখিনি কৰাৰ কাৰণে অতি সোনকালে ব্যৱস্থা ল'বৰ কাৰণে মই অনুৰোধ জনাইছো। তাৰোপৰি আমাৰ অসম চুক্তিৰ ছয় নং দফাটো কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত, ৰূপায়ণৰ ক্ষেত্ৰত ইতিমধ্যে আমাৰ কেন্দ্ৰীয় চৰকাৰে এখন উচ্চ পৰ্যায়ৰ কমিটি আমাৰ গুৱাহাটী হাইক'ৰ্টৰ অৱসৰপ্ৰাপ্ত ন্যায়ধীশ বিপ্লৱ শৰ্মাৰ অধ্যক্ষতাত কৰি দিছিল। ইতিমধ্যে সেই কমিটিয়ে প্ৰতিবেদন আমাৰ তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ হাতত অৰ্পণ কৰিছিল আৰু সেইটো গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছিল আৰু সেইখন যদি সম্পূৰ্ণ হৈছে তেনেহ'লে সেইখনো প্ৰেৰণ কৰি আমাৰ ৬ নং দফা, যিটো অসমীয়াৰ সাংবিধানিক ৰক্ষা-কৱচ, সেইটো যাতে সম্পূৰ্ণভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই বিশেষভাৱে অনুৰোধ জনাইছো। আৰু বহুখিনি ক'বলগীয়া আছিল, আমি একেবাৰে কম সময় পালো। তথাপিতো, বাকী যিবিলাক আঁচনি লৈছে তাৰ দ্বাৰা অসমৰ জনসাধাৰণ উপকৃত হ'ব, সেইটো সঠিক। সেয়েহে, মই আপোনাৰ জৰিয়তে মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ লগতে মাননীয় মুখ্যমন্ত্ৰীলৈ আমাৰ দলৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** পৰৱৰ্তী বক্তা ইউ.পি.পি.এল. দলৰ সন্মানীয় বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰী। আপোনাৰ দলে আপোনাক ৬ মিনিট সময় দিছে, আপুনি ৬ মিনিটত কৈ শেষ কৰিব।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী (ওদালগুৰি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত অসমৰ মাননীয় বিত্ত মন্ত্ৰী মহাশয়াই যিখিনি বাজেট দাখিল কৰিলে, তাৰ ওপৰত মই দু-আষাৰ ক'ব বিচাৰিছো। সদ্যহতে আমাৰ অসম চৰকাৰে বি.টি.এ.ডি. অঞ্চলত নতুনকৈ তামুলপুৰ জিলাৰ সৃষ্টি কৰাৰ বাবে প্ৰথমে মই আপোনাৰ জৰিয়তে অসম চৰকাৰক ধন্যবাদ দিছো । আগতে আমাৰ চাৰিখন জিলা আছিল, এতিয়া আমাৰ পাঁচখন জিলা হ'ব। লগতে, তামুলপুৰতে অসম চৰকাৰে নতুনকৈ মেডিকেল কলেজ স্থাপন কৰাৰ ঘোষণা কৰাৰ বাবেও মই চৰকাৰক ধন্যবাদ দিছো। বৰ্তমান বি.টি.এ.ডি. অঞ্চলত কেৱল এখন মেডিকেল কলেজহে আছে যিখন কোকৰাঝাৰত নিৰ্মাণৰত। গতিকে, এই দ্বিতীয়খন মেডিকেল কলেজৰ বাবে মই অসম চৰকাৰক ধন্যবাদ জনাইছো। আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহাশয়াই যিখিনি বাজেট দাখিল কৰিছে, সেইখিনি জনমুখী হৈছে আৰু বিশেষকৈ অসমত বসবাস কৰা আৰ্থিক ভাৱে দুৰ্বল বিভিন্ন জনগোষ্ঠীয় লোকসকলৰ কল্যাণৰ কাৰণে হৈছে। সেয়েহে, মই এই বাজেটৰ সমৰ্থন কৰি মাননীয় বিত্ত মন্ত্ৰী মহাশয়াক এই বাজেটখন দাখিল কৰাৰ বাবে ধন্যবাদ দিছো। ইয়াত অসমৰ উন্নয়ন তথা কল্যাণৰ কাৰণে বিভিন্ন দিশ সাঙুৰি লোৱা হৈছে।

এই বাজেটত কৃষি খণ্ডৰ উন্নয়নৰ বাবে যথেষ্ট ধন ৰাখিছে। যিহেতু অসমৰ বেছিভাগ লোক কৃষিখণ্ডত নির্ভৰশীল আৰু অসমৰ গ্ৰাম্য-অর্থনীতি কৃষিৰ ওপৰতে নির্ভৰ কৰে, গতিকে, অসমৰ কৃষি খণ্ড উন্নয়নৰ কাৰণে যি ব্যৱস্থা লৈছে তাৰ কাৰণে অসম চৰকাৰক ধন্যবাদ দিছো আৰু বিশেষকৈ এই বাজেটে অসমৰ কৃষি খণ্ডত যথেষ্ট পৰিৱৰ্তন তথা উন্নতি অনাৰ লগতে অসমৰ কৃষকসকলক আর্থিক দিশত উন্নতি কৰাৰ বাবে যথেষ্ট সহায় কৰিব। আমি দেখিছো, অসম চৰকাৰে এই বাজেটত অসমৰ নিবনুৱা সমস্যা সমাধানৰ বাবে যথেষ্ট ব্যৱস্থা ৰাখিছে। বিশেষকৈ, ১ লাখ নিবনুৱাক সংস্থাপনৰ ব্যৱস্থাখিনি দিয়াৰ যি প্ৰতিশ্ৰুতি দিছে, সেয়া চৰকাৰে কেৱল প্ৰতিশ্ৰুতি কৰি নাৰাখি বাস্তৱত ৰূপায়ণ কৰিব বুলি মোৰ চৰকাৰৰ ওপৰত সম্পূর্ণ আস্থা আছে। নিবনুৱা সমস্যাৰ সমাধান কেৱল চাকৰিৰ জৰিয়তে কৰিব পৰা নাযায়। বিভিন্ন প্ৰকাৰৰ উপায়েৰেও সমাধান কৰিব পৰা যায় আৰু এই বিষয়টো বাজেটত প্ৰতিফলিত হৈছে কিয়নো অসমৰ নিবনুৱা সকলক বিভিন্ন প্ৰকাৰে, বিশেষকৈ, আত্ম-নিয়োগৰ জৰিয়তে তেওঁলোকৰ সমস্যা সমাধানৰ কথা ইয়াত উল্লেখ আছে। অসমৰ যিসকল নিবনুৱা আছে, তেওঁলোকক Skill development ৰ প্ৰশিক্ষণ দিয়াৰ জৰিয়তে বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠা লাভ কৰাৰ এটা সুযোগ দিয়াৰ প্ৰতিশ্ৰুতি ইয়াত আছে। সেই কাৰণে, অসমৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত যে এই বাজেটে যথেষ্ট পদক্ষেপ ল'ব, সেই আশা মই ৰাখিছো। আমি দেখিছো যে এই দুটা বছৰ ক'ভিড-১৯ ৰ উপক্ৰমণৰ ফলত গোটেই দেশৰ লগতে অসমৰো আর্থিক দিশত যথেষ্ট ক্ষতি হৈছে, বহুতো প্ৰাণহানি হৈছে। এই বেমাৰত আক্ৰান্ত হৈ যিসকলে প্ৰাণ আহুতি দিবলগীয়া হ'ল, তেওঁলোকৰ আত্মীয় তথা পৰিয়ালক সকাহ দিয়াৰ বাবে যি ব্যৱস্থা ৰখা হৈছে, বিশেষকৈ, যিসকল মহিলাৰ স্বামীয়ে কৰ'ণাত মৃত্যুবৰণ কৰিলে, সেই বিধৱাসকলক প্ৰায় ২.৫ লাখ টকাকৈ আর্থিক সাহাৰ্য্য দিয়াৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। লগতে, কৰ'ণাৰ ফলত যি সকল শিশু পিতৃ-মাতৃহাৰা হ'ল, তেওঁলোকৰ ভৱিষ্যতৰ কাৰণে 'মুখ্যমন্ত্ৰী শিশু সেৱা আঁচনি' প্ৰস্তুত কৰা হৈছে যাৰ জৰিয়তে এনে শিশু সকলে শিক্ষা-দীক্ষা লাভ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা ৰখা হৈছে। সেয়েহে, আমি এই কথাত বিশ্বাস কৰিছো যে এই বাজেট বিশেষভাৱে আর্থিকভাৱে জুৰুলা তথা দুর্বলসকলৰ বাবে যথেষ্ট কল্যাণমুখী হৈছে। এইখিনিতে, মই এষাৰ কথা ৰাখিব বিচাৰিছো যে যিহেতু এই বাজেটত বি.টি.আৰ. চুক্তিৰ কথা ৰাখিছে য'ত অসম চৰকাৰো জড়িত আছে, বিশেষকৈ চুক্তিখন অসমৰ বর্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সহযোগতেই হৈছিল। গতিকে, চুক্তিত উল্লেখিত Clause and Sections, provisions খিনি implement কৰাৰ দায়িত্ব তেওঁলোকৰ আছে। সেয়েহে, এই ক্ষেত্ৰত মোৰ চৰকাৰলৈ এটাই অনুৰোধ যে এই দায়িত্বখিনি পালন কৰি সকলো provisions খিনিৰ যাতে implement কৰে। গতিকে, এই আস্থা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা বি.পি.এফৰ দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাঁও)ঃ** উপাধ্যক্ষ মহোদয় আৰু সদন। বাজেটখনত ইমানকেইটা বিষয় আছে যাৰ বাবে ৮- ১০মিনিট সময় কেতিয়াও যথেষ্ট নহয়। তথাপিও তাৰ মাজতে মই গুৰুত্বপূৰ্ণ বুলি ভৱা কেইটামান বিষয় উত্থাপন কৰিব বিচাৰিছো। আৰম্ভণিতে, মই গৃহ বিভাগৰ বিষয়ে ক'ব বিচাৰিছো। যোৱা দুই-তিনিটা দিনত গৃহ বিভাগৰ প্ৰশ্নই হওঁক বা কৰ্তন প্ৰস্তাৱেই হওঁক, আটাইকেইটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৃহ বিভাগত আমূল পৰিৱৰ্তন আনি আধুনিকীকৰণ কৰাৰ যি কথা কৈছে, এটা বছৰৰ বাজেটত বা মাত্ৰ ৫ টা বছৰ আগত ৰাখি এনেধৰণৰ যুগান্তকাৰী সিদ্ধান্ত লোৱাৰ বাবে গৃহ বিভাগৰ দায়িত্বত থকা

মুখ্যমন্ত্ৰীক মই প্ৰথমতে ধন্যবাদ জনাইছো। শিক্ষা বিভাগে চৰাঞ্চলত পিছ পৰা অঞ্চলত নতুন মহাবিদ্যালয়, বিদ্যালয় স্থাপনৰ যি ধাৰা, সেই ধাৰা যোৱা বছৰৰ পৰা এই বছৰলৈ অব্যাহত ৰাখিব বিচাৰিছে। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ এই বাজেটখনত আমি দেখিছো যে সেইটো তেওঁলোকে অব্যাহত ৰাখি আজি শ্বেৰমান আলী ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছিল সেই সমূহত শিক্ষাৰ এটা অন্তৰায় যে তেখেতসকলৰ অজ্ঞতাৰ কাৰণে বহু নঘটিবলগীয়া ঘটনা ঘটে। গতিকে এই ক্ষেত্ৰত শিক্ষা বিভাগে যদি তেওঁলোকৰ high solutation আছে, তেওঁলোকক দৰমহাও যথেষ্ট দিব লাগে সেইটো আমি জানো। কিন্তু তথাপিও শিক্ষা বিভাগে সেই এৰিয়াবিলাকত মনোযোগ দি যিবিলাক অঞ্চলত বিদ্যালয় বা মহাবিদ্যালয় নাই সেই অঞ্চল বিলাকক তেওঁলোকে গঢ় দিবলৈ চেষ্টা কৰিব বুলি মই আশা কৰিছো। মই যিহেতু জীৱনত প্ৰথম ক্ৰীড়া মন্ত্ৰী হৈছিলো আৰু যোৱা ৩৫ টা বছৰে sports organizer হিচাপে National, International Organization বিলাকত সভাপতিৰ দায়িত্বত আছিলো। South Asia,India ৰ সভাপতি। Indian Olympic ৰ ২৮ বছৰ মই Vice president হৈ আছো। ক্ৰীড়াত জাতি,ধৰ্ম, বৰ্ণৰ কথা উল্লেখ নাই। যোনে ভাল খেলিব সি পুৰস্কাৰ পাব। যাৰকাৰণে Sports paternity ত নতুনকৈ দুখন দেশ যোগদান কৰাৰ পিছত ২১৪ খন দেশে এই Sports paternity ত যোগদান কৰিছে। Sports for all- বুঢ়া-ডেকা, কনা-খোৰা, deaf & dumb সকলোৰে কাৰণে। Sports for all বুলি Mobile App খুলিলে আপোনালোকে দেখিব যে তাত কিছুমান সুন্দৰ কথা লিখা আছে। বৃদ্ধ মানুহে কিয় খেলিব লাগে বা Middle age ৰ মানুহে কিয় খেলিব লাগে। এই যি কথাবিলাক তাত উল্লেখ কৰিছে তেনে কথাবিলাকো চিন্তা-চৰ্চা কৰি মন্ত্ৰী ডাঙৰীয়াই ক'ব।

ক'ভিডৰ দৰে অতি সংকট কালত স্বাস্থ্য বিভাগ আছে আৰু আজি মাননীয় ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী হিচাপে আছে আৰু তেখেতে স্বাস্থ্য মন্ত্ৰী হিচাপে বিগত চৰকাৰৰ দিনত ক'ভিডৰ কাৰণে তেখেতৰ polularity আৰু বেছি গভীৰ হ'ল আৰু এওঁলোকৰ পাৰ্টীয়ে বাকীবিলাক বিভাগো তেখেতে ভালদৰে চলাব পাৰিব বুলি ভাৱিলে। ক'ভিড কালত স্বাস্থ্য বিভাগে ৰাইজক যথেষ্ট সকাহ দিব পাৰিছে। মই Assam Accord Signatory হিচাপে ৪২ জন স্বাক্ষৰকাৰীৰ ভিতৰত মইও স্বাক্ষৰকাৰী হিচাপে ক'ব বিচাৰিছো Assam Accord ৰ ৬ নং দফা টোৰ যিটো report, মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতাই এইমাত্ৰ কৈছে যে যদি report টো complete হৈছে পঠাব লাগে। যদি নাই হোৱা Assam Accord ৰ ক্ষেত্ৰত মই অসন্তুষ্টি প্ৰকাশ কৰিম এই কাৰণে যে দুবছৰ সময়সীমা দিছিলে। ক'ভিড কালত আমাৰ মন্ত্ৰীয়ে কৈছে যে ক'ভিডৰ কাৰণে legal advice ল'ব পৰা নাই। Legal advice ত আচলতে ক'ভিডে কোনো ধৰণৰ অসুবিধা নিদিয়ে। কিন্তু তথাপিও Assam Accord ৰ মন্ত্ৰী ডাঙৰীয়াই দুবছৰৰ ভিতৰত Central Government ৰ Nodal Agency, তেওঁলোকৰ Home Department লৈ পঠিয়ায়, তেতিয়া মই সন্তুষ্টি লভিম। ন'হলে Assam Accord লৈ মই সন্তুষ্ট নহয়।

ইয়াৰ উপৰিও নুমলীগড় শোধনাগাৰ যিটো আগৰ চৰকাৰবিলাকে আমি কৰিব লাগিছিল, নুমলীগড় শোধনাগাৰৰ যিটো ২৬ শতাংশ State share তেওঁলোকে কৰিছে এখন ধন নোহোৱা চৰকাৰে এই সাহস কৰিছে সেইটো সঁচাকৈ দুঃসাহস বুলি মই কৈছো।

Micro Finance ৰ কথা ক'ব খুজিছো। আমাৰ ছিদ্দিক আহমেদ ডাঙৰীয়া আৰু মোকো এগৰাকী দুখীয়া মহিলা বুলি ধৰক। তেওঁ লোন ল'লে। মই নল'লো। কিন্তু ছিদ্দিক

আহমেদতকৈও মই দুখীয়া। ছিদ্দিক আহমেদ ডাঙৰীয়াই আজি চৰকাৰৰ পৰা ২৫ হাজাৰ টকা incentive পাব কিন্তু মই নাপাওঁ। Loan নোলোৱাটোৱে মোৰ দোষ নেকি? গুৱাহাটী নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহাল ডাঙৰীয়াক ইয়াৰ সভাপতি পাতি দিছে। তেখেতে যাতে এই কথাটো ভাৱে। যিসকলক দিলে তাৰবাবে আমি ভাল পালো। এটা ভাল সিদ্ধান্ত লৈছে। কিন্তু মোৰ কি দোষ। লোন নোলোৱাটোৱে মোৰ দোষ নেকি? গতিকে মোৰ কথাটোও আপোনালোকে চিন্তা কৰা উচিত। ১ লাখ চাকৰি দিয়াটোৰ বাবে ধন্যবাদ দিবই লাগিব। কিন্তু মই চৰকাৰক তেতিয়াহে ভাল পাম যেতিয়া ST/SC ৰ backlog সমূহ এই সুযোগতে পূৰণ কৰিবলৈ চেষ্টা কৰিব। তাৰবাবে মই আপোনালোকক অনুৰোধ জনাইছো। আটাইতকৈ অসন্তুষ্টিৰ বিষয় হৈছে চুক্তিখনত আপোনালোকে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ণৰ কাৰণে কৃষি বিভাগৰ লগত জড়িত আটাই কেইটা sector ক গুৰুত্ব দিছে। তাত লাখ-লাখ লৰা-ছোৱালী নিয়োগ হ'ব। কিন্তু তাৰ লগে-লগে সৰু সৰু উদ্যোগবোৰে যি মধ্যমীয়া উদ্যোগ কৰিছিল যিবিলাকক MSME বুলি কয়, সেইবিলাকক আপোনালোকে ignore কৰিলে। সেইবিলাকত লক্ষ-লক্ষ employee, ক্ষুদ্ৰ ব্যৱসায়ী ক্ষুদ্ৰ Industrialist জড়িত আছিল। মই এইখিনিতে ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ কৰা সকলৰ কাৰণে বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে অনুৰোধ কৰিম যে MSME ৰ কাৰণে আপোনালোকে পৰিপূৰক হ'লেও বাজেটত তেওঁলোকক ক'ভিড কালত কিবা সহায় কৰিব পাৰে নেকি তাৰ কাৰণে অনুৰোধ কৰিছো।

উপাধ্যক্ষ মহোদয়, পানী আমাৰ কাৰণে অত্যন্ত দৰকাৰী। নিৰ্মল পানী যোগান আঁচনিটো মই বিধায়ক হোৱাৰ আগত প্ৰায় আজিৰ পৰা ২-৩ মাহ আগত কোনো গুৰুত্ব দিয়া নাছিলো।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ পৰৱৰ্তী বক্তাৰ ২ মিনিট বাকী আছে।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ-** JJM ৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষত ঘৰে-ঘৰে যি নিৰ্মল পানী যোগানৰ এক যুগান্তকাৰী ব্যৱস্থা হাতত লৈছে। আমাৰ অসমতো ইয়াৰ ওপৰত সচেতনমূলক ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। মই মোৰ পিছৰ সদস্য গৰাকীৰ ৪ মিনিটটো ৰক্ষা কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া CPI(M) দলৰ সন্মানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক ভাষণ দিবলৈ মই অনুৰোধ জনাইছো। আপোনাৰ allotted time 4 minute.

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, time টো borrow হৈছে নেকি?

**মাননীয় উপাধ্যক্ষ ঃ** নাই হোৱা। এইটো accept হোৱা নাই। আপোনাক ৪ মিনিট সময় দিয়া হৈছে আৰম্ভ কৰক।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** চাৰ, তেখেত আমাৰ মহাজোঁটৰ সদস্য। INC ৰ ফালৰ পৰা তেখেতক সময় দিয়া হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** মই ইয়াত বহি এইটো decide নকৰো। BAC ত পাচ কৰিলেহে এইটো exchange কৰিব পাৰিব। অহাবাৰ আপোনালোকে BAC ত ক'ব। তাত আপোনালোকে এই ৪ মিনিট সময়টো পাচ কৰাই ল'ব, তাত আমাৰ আপত্তি নাই। আপোনাৰ allotted time 4 minute. আৰম্ভ কৰক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰীয়ে বাজেটখন

৫ বছৰৰ perspective ত উত্থাপন কৰিছে। মোৰ জ্ঞানেৰে মই বাজেটখন যিখিনি পঢ়াশুনা কৰিলো এই বাজেটখনে ৫ বছৰত অসমৰ অসমৰ পৰিৱেশটো নিৰ্দ্ধাৰণ নকৰে। কাৰণ আমাৰ এতিয়াৰ যিটো বাস্তৱতা সেইটো হৈছে SDG index ত। অসমৰ যিটো অৱস্থা সেইটো মই বিভিন্ন ক্ষেত্ৰত ব্যাখ্যা কৰিব নাযাওঁ। এইখন বাজেটে আমাৰ বাস্তৱ উন্নত বাজেট আমাৰ সন্মুখত ৰখা নাই। কাৰণ বাজেট হ'ল ৰাজহ আৰু ব্যয়ৰ খতিয়ান। ৰাজহৰ পৰিমাণ আৰু উৎসৰ বিষয়টো গুৰুত্বপূৰ্ণ। কিন্তু বাজেটক ব্যাখ্যা কৰা হয় volume, type আৰু গুণগত ব্যয়ৰ প্ৰস্তাৱৰ ওপৰত। কাৰণ এই volume, type আৰু গুণগত ব্যয়ৰ প্ৰস্তাৱে ৰাজ্য চৰকাৰখনৰ আৰ্থিক দৃষ্টিভঙ্গী আৰু জনসাধাৰণৰ জীৱন আৰু জীৱিকাকো বাজেটখনে কেনেধৰণে প্ৰভাৱিত কৰিব সেইটো স্পষ্ট কৰি দিয়ে। ২০২১-২২ বৰ্ষত ১ লাখ ৭ হাজাৰ ৫৫৬ কোটি টকাৰ যি বাজেট কৰা হৈছে তাৰে ৮৪ হাজাৰ ৪০৬ কোটি টকা ৰেভিনিউ এক্সপেণ্ডিচাৰ আৰু ২৩,১৫০ কোটি টকা আমাৰ কেপিটেল এক্সপেনডিচাৰ ধাৰ্য্য কৰা হৈছে। ৰাজ্যৰ আৰ্থিক অৱস্থা আৰু ক'ভিড পৰিস্থিতি, বিশেষকৈ মই ক'ভিড পৰিস্থিতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছো। এই ক'ভিড পৰিস্থিতি মোকাবিলাৰ বাবে এই প্ৰস্তাৱিত পুঁজি কোনোপধ্যেই মই যথেষ্ট বুলি মই বিবেচনা নকৰো। যোৱাবাৰৰ যিখন বাজেট সেই বাজেট আছিল ১ লাখ ৩ কোটি ৭৬২ টকাৰ বাজেট। এই ক্ষেত্ৰত ৰেভিনিউ এক্সপেণ্ডিচাৰ আৰু কেপিটেল এক্সপেণ্ডিচাৰটো আপোনালোকৰ জ্ঞাত। কিন্তু যেতিয়া ৰিভাইচ এষ্টিমেটত এইটো ১ লাখ ২২ হাজাৰ ৩ শ ৪২ কোটি টকালৈকে আহিলে, ২০২১-২২ চনৰ যিখন বাজেট তাত ১ শ ২২ কোটি ৩৪২ কোটি টকাতকৈ যথেষ্ট পৰিমাণে হ্ৰাস হৈছে আৰু ১ লাখ ৭ হাজাৰ কোটি টকাৰ বাজেট ধাৰ্য্য কৰিছে। মোৰ দৃষ্টিভঙ্গীত ৰিভাইচ এচটিমেটতকৈ হাফ বাজেট উত্থাপন কৰি আমাৰ অসমৰ ক'ভিড পৰিস্থিতি আৰু অন্যান্য যিবিলাক জৰুৰী ক্ষেত্ৰ ইয়াৰ যিবিলাক দাবী সেই দাবী আমি নিশ্চিত ভাৱে পূৰণ কৰিব নোৱাৰো। সেইকাৰণে এই বাজেটে যে ৫ বছৰৰ পৰিপ্ৰেক্ষিতত আশা কৰা ধৰণে জনসাধাৰণৰ কোনো কল্যাণ সাধন কৰিব নোৱাৰে এই ক্ষেত্ৰত মই নিশ্চিত হৈছো। যোৱা বছৰতকৈ যদিও ৮ শতাংশ কেপিটেল এক্সপেণ্ডিচাৰ বেছিকৈ প্ৰস্তাৱ কৰা হৈছে কিন্তু ২০২০-২১ ৰ বাজেটৰ যিটো ৰিভাইচ এচ্‌টিমেট আৰু কেপিটেল এক্সপেণ্ডিচাৰৰ যিটো এচ্‌টিমেট তাতকৈ ১২ শতাংশ হ্ৰাস কৰা হৈছে। যদি কেপিটেল এক্সপেণ্ডিচাৰ ১২ শতাংশ হ্ৰাস কৰে তেন্তে প্ৰত্যক্ষ ভাৱে বিভিন্ন ক্ষেত্ৰত ইয়াৰ ক্ষতিকাৰক প্ৰভাৱৰ সৃষ্টি কৰে আৰু ইয়েই অৰ্থনৈতিক বিকাশত ব্যাঘাত জন্মাব। এটা কথা মই বিশেষভাৱে আপোনালোকৰ সন্মুখত দাঙি ধৰিব বিচাৰিছো যে আমাৰ কোৱালিটি অব এক্সপেণ্ডিচাৰটো কেনেকুৱা ধৰণৰ হ'ব। আমি দেখিছো যে Expenditure on Social and Economic Service ৰ যিটো developmental expenditure হয়, সেই ক্ষেত্ৰত Education, Health, water Supply, Sanitation, Housing, information etc. আৰু economic service ত agriculture, elite service, industry, Mineral, transport and communication এই দুয়ো ক্ষেত্ৰতেই চৰকাৰৰ প্ৰায়ৰিটিৰ ক্ষেত্ৰত যিটো বাজেটেৰি এলোকেশ্যন হৈছে সেই এলোকেশ্যন বৃদ্ধি হোৱা নাই। এই এলোকেশ্যন বৃদ্ধি নোহোৱাৰ ফলত এইক্ষেত্ৰত আমি দেখিবলৈ পাম যে ৰাজ্যখনে চাফাৰ কৰিব। এই ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা ৰাজ্য চৰকাৰে লৈছে নিশ্চয় পৰৱৰ্ত্তী স্তৰত হ'ব। মই এটা কথা মানিছো যে ইনফ'ৰমেশ্যন টেকন'লজিৰ ক্ষেত্ৰত আপোনালোকে বাজেট এলোকেশ্যন ১৪ শতাংশ ২০২০-২১ ৰ তুলনাত ৰিভাইচ এচটিমেটতকৈ অধিক কৰিছে কিন্তু মই প্ৰশ্নটো আপোনলোকৰ সন্মুখত তুলি ধৰিব বিচাৰিছো যে

চচিয়েল চাৰ্ভিচৰ ক্ষেত্ৰত যোৱাবাৰ যি ৰিভাইচ এচটিমেট হৈছিল সেই ৰিভাইচ এচ্‌টিমেটতকৈ এইবাৰ বাজেট এলোকেশ্যন হ্ৰাস পাইছে। শিক্ষাত -৫.৭, স্বাস্থ্যত -১৩ শতাংশ, water Supply & Sanitation ত -16%, in information technology +14%, in Welfare of ST & SC -31%, in Labour welfare -13%, in Social welfare & nutrition -24% and in other sector -6.5%, in economic service, agriculture and elite -15%, in rural development +.6%, in irrigation and flood control -6.4% হ্ৰাস কৰা আপোনলোকে নিশ্চয় দেখিছে। আজি ক'ভিড পৰিস্থিতিত স্বাস্থ্য বিভাগত -৩৪ শতাংশ, কেপিটেল এক্সপেণ্ডিচাৰ কম কৰে তেন্তে ক'ভিড পৰিস্থিতিত ৰাজ্যত কেনেকৈ মোকাবিলা কৰা হ'ব? এইখিনি কথা কৈ এই বাজেটখন যে এখন ব্যৰ্থ বাজেট আৰু এই বাজেটে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ নকৰে এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়া।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এইখন চৰকাৰৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট উত্থাপন কৰিছে এই বাজেটত দেখা যায় যে individual beneficiary ৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। কিন্তু অসমৰ যিবিলাক জ্বলন্ত সমস্যা সেইবিলাকৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হোৱা নাই। আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই এইক্ষেত্ৰত বিশদভাৱে বক্তব্য আগবঢ়াইছে। মোৰ দৃষ্টিত যিখিনি কম হোৱা বুলি ভাবিছো তাৰ ভিতৰত আছে শিক্ষা বিভাগ ইয়াৰ জ্বলন্ত সমস্যাটো হৈছে ভেঞ্চাৰ স্কুল। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে প্ৰায় তিনিটা দশক যেতিয়া গাঁৱত শিক্ষা প্ৰতিষ্ঠানৰ ব্যৱস্থা নাছিল সেই সময়ত ১৯৯১, ১৯৯২, ১৯৯৩ চনত গাঁৱৰ ৰাইজে দান-বৰঙণি দি স্কুল কৰি তাত শিক্ষকতা কৰি আহিছিল। ৩০ টা বছৰ তেওঁলোকে আশা কৰি আছিল যে চৰকাৰে স্কুল প্ৰাদেশিকীকৰণ কৰিব আৰু আমাৰ চাকৰিটো হ'ব। কিন্তু দেখা গ'ল যে বহুতো শিক্ষকে স্কুল প্ৰাদেশিকীকৰণ হোৱাৰ আগতেই অৱসৰ গ্ৰহণ কৰে। যোৱা চৰকাৰৰ দিনত শিক্ষাৰ ক্ষেত্ৰত স্কুল প্ৰাদেশিকীকৰণ কৰাৰ কাৰণে আইন সংশোধন কৰা হ'ল। কিন্তু শেষৰ ফালে দেখা গ'ল যে স্কুল চৰকাৰীকৰণ কৰা নহ'ল। এখন এখন ভেঞ্চাৰ স্কুলৰ পৰা দুজন-তিনিজনকৈ শিক্ষকক টিউটৰ হিচাপে বেলেগ স্কুলত নিযুক্তি দিয়া হ'ল আৰু বাকী তিনি-চাৰিজন শিক্ষক বঞ্চিত হ'ল। মই ভাৱো এদিন, দুদিন নহয়, এবছৰ-দুবছৰ নহয় তিনিটা দশক যিসকল শিক্ষকে চাৰ্ভিচ দিলে মানৱতাৰ খাতিৰত সেই সকলক টিউটৰ হিচাপে হ'লেও স্বীকৃতি দিব লাগিছিল কিন্তু এই কথাটো শিক্ষা বিভাগৰ কতো উল্লেখ কৰা হোৱা নাই। দ্বিতীয়তে, ৰাইট টু এডুকেশ্যন এক্টমতে ৫ কিলোমিটাৰৰ অন্তত এখন হাইস্কুল হ'ব লাগে, ১ কিলোমিটাৰৰ অন্তত এখন এল পি স্কুল হ'ব লাগে। ঠিক সেইদৰে এম ই স্কুলৰ ক্ষেত্ৰতো এটা সীমা আছে। কিন্তু ভিতৰুৱা অঞ্চলত বিশেষকৈ মোৰ সমষ্টি দক্ষিণ শালমাৰাৰ চৰ-চাপৰিত ৫ কিলোমিটাৰ কিয় ২০ কিলোমিটাৰ দূৰত্বৰ ভিতৰত এতিয়াও এখন হাইস্কুল নাই। মই যোৱা বিধান সভাতো উত্থাপন কৰিছিলো কিন্তু দেখা গ'ল এম এচ ডি পি ৰ পৰা যিটো এতিয়া নাম সলনি হৈছে 'প্ৰধানমন্ত্ৰী জনবিকাশ আঁচনি' এই আঁচনিৰ জৰিয়তে কিছু স্কুল কৰা হ'ল কিন্তু য'ত ১০০ শতাংশ মাইন'ৰিটি এৰিয়া তাত কোনো ধৰণৰ স্কুল স্থাপন কৰা নহ'ল। গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এতিয়াও ২০ কিলোমিটাৰৰ ভিতৰত এখনো হাইস্কুল নাই। মই অন্য সমষ্টিৰ কথা নকওঁ কিন্তু এনেকুৱা ধৰণৰ অৱস্থা চৰ এৰিয়াৰ বহু সমষ্টিত আছে। এম ই স্কুল নাই, এল পি ভেঞ্চাৰ স্কুল বিলাকত পঢ়া-

শুনা কৰিছিল কিন্তু তেওঁলোকৰ চাকৰি নোহোৱাৰ কাৰণে এতিয়া শিক্ষক সকলৰ কামৰ প্ৰতি অনিহা ভাৱ আহি গ'ল তেওঁলোকৰ চাকৰি নহ'ব বুলি, গতিকে মানৱতাৰ ক্ষেত্ৰত তেওঁলোকৰ চাকিৰটো হ'ব লাগে। বিশেষকৈ গাঁও অঞ্চল, ভিতৰুৱা অঞ্চল আৰু চৰ অঞ্চলত চাৰ্ভে কৰি শিক্ষা প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিব লাগে। দ্বিতীয়তে, আৰু এটা জ্বলন্ত সমস্যা বানপনী সমস্যা বুলি কয়, কিন্তু মই বানপানী সমস্যাক সমস্যা বুলি নাভাৱো, গড়াখহনীয়া সমস্যাটোৱে আমাৰ কাৰণে আটাইতকৈ ডাঙৰ সমস্যা। এইখন বাজেটত গড়াখহনীয়া সম্পৰ্কে এটা কথাও উল্লেখ কৰা হোৱা নাই। হাউচত ১২৬ জন মাননীয় সদস্যসকলে কব লাগিব যে গড়াখহনীয়া সমস্যাটো আমাৰ মূল সমস্যা। কিন্তু এই বাজেটত গড়াখহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ বক্তব্য নাপালো। হয়, তাত উল্লেখ কৰা আছে যে ১ হাজাৰ কিঃমিঃ road cum bund মথাউৰি। উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত আজিৰ পৰা ২০ বছৰ আগত দক্ষিণ শালমাৰাৰ পৰা ফকিগঞ্জলৈকে road cum bund প্ৰায় ২০ কিঃমিঃ আছিল। আমাৰ সেইদিনাখন মন্ত্ৰী মহোদয়ে যুক্তি দিছে যে এই road cum bund কৰিলে হয়তো বানটো টিকিব। হয়, টিকিব, যেতিয়া গড়াখহনীয়া হ'ব তেতিয়া road cum bund পকা ৰাস্তা কৰিলেও সেইটো কিন্তু গড়াখহনীয়া ৰোধ কৰিব নোৱাৰে। সেই কাৰণে road cum bund কৰক, যোৱা মন্ত্ৰীসভাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰেদি এক্সপ্ৰেছ হাইৱে' কৰিব বুলি ঘোষণা কৰিছিল। এক্সপ্ৰেছ হাইৱেটো নহ'ল। এইবাৰ আমাৰ চৰকাৰৰ মাননীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আমি অলপ হ'লেও কৰিম। কিন্তু মোৰ অনুৰোধ যে, এতিয়াও আমাৰ সমষ্টিত গড়াখহনীয়া অব্যাহত আছে, মন্ত্ৰী মহোদয়ক মই হাউচতো জনাইছোঁ- স্কুল প্ৰতিষ্ঠান, ঘৰ, অফিচ, আদালত গড়াখহনীয়াত জাহ গৈ আছে। ফকিৰগঞ্জ, মাটিফাতা, পাটাকাটা এই অঞ্চল বিলাকত গড়াখহনীয়া অব্যাহত আছে। মন্ত্ৰী মহোদয়ক সেইদিনা মই অনুৰোধ কৰিছিলো, তেওঁ লগে লগে বিভাগক initiative লব দিছে। কিন্তু এই সময়ত আপোনালোকে initiative লবলগীয়া তেনেকুৱা নাই, বাঁহৰ পাৰ্ফোমেন্স ৰাইজে বেয়া পায়। গতিকে আমাৰ দক্ষিণ শালমাৰা জিলাসদৰ ঠাই আজি এই গড়াখহনীয়াত শেষ হৈছে। যদি তাত পাৰ্মেনেন্ট প্ৰটেক্চন কৰিব পৰা নাযায় তেতিয়াহ'লে আমাৰ জিলা হেড কোৱাৰ্টাৰো এবছৰৰ ভিতৰতে গৈ পাই যাব। গতিকে আমাৰ এই গড়াখহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত যিটো বাজেট, এই বাজেটখনত তেনেকুৱা বিশেষ উল্লেখ নাই। তথাপিও আমি আশাবাদী, অনুৰোধ জনাও চৰকাৰক আপোনাৰ জৰিয়তে যে, আমাৰ গড়াখহনীয়াৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ মাননীয় মন্ত্ৰীক অনুৰোধ জনাইছোঁ। তৃতীয়তে, আমাৰ দুখীয়া বি পি এল পৰিয়াল বিলাকক খাদ্য সুৰক্ষাৰ অধীনত যিটো কাৰ্ড দিয়া হৈছিল বা চাবচিটি কাৰ্ড, এতিয়া ১০০ শতাংশ বিনামূলীয়া চাউল, আটাইতকৈ Best আছিল দুখীয়া মানুহ বাচি থাকিবলৈ, এতিয়া যেনেকুৱা লকডাউন চলি আছে, কাম বন নাই অকল সেই প্ৰতিমাহত প্ৰতিজনে প্ৰতি ৫ কেজিকৈ চাউল তেওঁলোকে পাই তেওঁলোক বাচি আছে। আমাৰ বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে আজি বিভিন্ন ক্ষেত্ৰত তেওঁৰ যিটো পুলিচ বাহিনী যিধৰণে দূৰ্নীতিৰ বিৰুদ্ধে তৎপৰ হৈছে, কিন্তু এই খাদ্য সুৰক্ষা আইনৰ অধীনত আজি এই ৫ কেজি মাথাই প্ৰতি চাউল দিয়া হৈছে, তাৰ পৰা ৫০০ গ্ৰামকৈ চাউল তাত কাটি ৰখা হয়। এদিন নহয়, যিদিনাৰ পৰা আইন পাছ হৈছে তাৰ পিছৰ পৰা এইটো চলি আছে আৰু এইটো জিলা উপায়ুক্তৰ পৰা আৰম্ভ কৰি তলৰ সমবায় সমিতিলৈকে ইয়াৰ ভিতৰত জড়িত। বহুত বাৰ অভিযুগ দিছো, কিন্তু কাম হোৱা নাই। গতিকে মই আশা ৰাখিছো, যা নহওঁক বৰ্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেনেকৈ তৎপৰ হৈছে গতিকে দুখীয়াৰ চাউল ৫ কেজিৰ ঠাইত ৪.৫০০ কেজি, কৰবাত ৪ কেজি চাউল

যিটো বিতৰণ কৰি আছে, এই ক্ষেত্ৰত

**শ্ৰীমিহিৰ কান্তি সোম (উদাৰবণ্ড) ঃ** আপোনালোকে ট্ৰাক ট্ৰাক চাউল দিছিল।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** ৰাইজে সেইকাৰণে আপোনালোকক বহুৱাইছে, ভাল কাম কৰিবৰ কাৰণে।

(............সদনত হুলস্থূল............)

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি মনে মনে থাকক।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** গতিকে জিৰো টলাৰেন্সটো আমি চাব বিচাৰিছোঁ, এইটো পাৰিব লাগিব, এইটোত আমাৰ সহযোগিতা আছে, পাৰিব। আমি সম্পূৰ্ণ সহযোগিতা কৰিম। গতিকে এইটো ক্ষেত্ৰত নিশ্চয় চৰকাৰে ব্যৱস্থা ল'ব আৰু এটা ভাল খবৰ, চাব চেন্টাৰ আপগ্ৰেট কৰি পি এইচ চি বনাব বিচাৰিছে। উপাধ্যক্ষ মহোদয়, তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ সময়ত আমাৰ চৰ অঞ্চলৰ কাৰণে ৰিভাৰিং হস্পিটাল কৰিছিল, ৫০ টা। তাৰ ভিতৰত মোৰ সমষ্টিটো তিনিটামান হৈছিল। হস্পিটাল হ'ল, বিল্ডিঙো হ'ল, প্ৰথম অৱস্থাত ডাক্তৰ-নাৰ্চে গৈ হাজিৰা দি উপস্থিত কৰিলে, তাৰ পিছৰ পৰা এতিয়ালৈ ডাক্তৰ-নাৰ্চৰ কোনো খবৰ নাই। গতিকে এই যে চাব চেন্টাৰ বোৰ আপগ্ৰেট কৰি পি এইচ চি হিচাপে ৰূপান্তৰ কৰিব, যদি তাত ডাক্তৰে নাথাকে, আচৰিত হ'ব উপাধ্যক্ষ মহোদয়, ধুবুৰী জিলা আটাইতকৈ পুৰণা জিলা, সেই জিলাৰ শ্ৰীহস্পিটাল যিটো এতিয়া মেডিকেল কলেজ হৈ আছে, কাম চলি আছে, এটা সাধাৰণ অপেৰেচনৰ কাৰণে তেওঁলোকে ৰেফাৰ কৰে গুৱাহাটীলৈ। ৰাইজৰ কিমান কষ্ট হৈছে, দুখীয়া ৰাইজক আজি গুৱাহাটীলৈ ৰেফাৰ কৰে, গুৱাহাটীলৈ কেনেকৈ লৈ আহে? গতিকে আমাৰ ডাক্তৰ বা বাকী যিবিলাক নাৰ্চ বা ইত্যাদি কৰ্মচাৰীৰ প্ৰয়োজন, সেইবিলাক যদি নাথাকে কেৱল হস্পিটাল বনাই কোনো লাভ নাই। গতিকে বিশেষভাৱে গুৰুত্ব দিব লাগে আমাৰ ডাক্তৰ, নাৰ্চ ইত্যাদিত। অন্য এখন আঁচনি আমাৰ বিত্ত মন্ত্ৰী বাইদেউৱে কৈছে, নামটো অসমমালা, আমি অসমৰে এটা প্ৰান্তত থাকো, আমি আশা কৰিছিলো যে আমাৰ অঞ্চলত এই অসমমালাৰ সুযোগতে আমাৰ অঞ্চলত ৰাস্তা-ঘাট হ'ব।

**শ্ৰী মানৱ ডেকা (লক্ষীমপুৰ) ঃ** দলং হৈ গ'ল ৩ হাজাৰ কোটি টকাৰ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** কেন্দ্ৰীয় চৰকাৰৰ কথা কোৱা নাই, অসমমালাৰ কথা কৈছোঁ। সেই দলং খন এই অসমমালাৰ ভিতৰত নপৰে। অসম মালাৰ ক্ষেত্ৰত সেইটো নপৰে।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** অসমত ১২৬ টা সমষ্টি, গোটেইবোৰ আপোনাৰ তালৈ নিলেইটো নহ'ব।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** কিন্তু আমি বিতৰ্কত যাব বিচৰা নাই। বিতৰ্কত যাব বিচৰা নাই যেতিয়া আপোনালোকেও আমাৰ দলত আছিল, সেই সময়তে মেঘালয় চৰকাৰ আৰু অসম চৰকাৰ দুটা চৰকাৰৰ মুখ্যমন্ত্ৰীয়ে তেতিয়া কেবিনেট সিদ্ধান্ত লৈ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙক মেমোৰেণ্ডাম দিয়াৰ পিছত তেওঁ সেইটো এক্‌চেপ হৈছিল। টকা চেনচন নেক্সট চৰকাৰে দিছে, কিন্তু তেওঁলোকে আঁচনিটো আপলোড কৰিছিল। এইটো সঁচা কথা, এইটো আপুনিও মানিব লাগিব। গতিকে অসমমালা যাতে আমাৰ, আমি অসমৰ ভিতৰতে আছোঁ, দক্ষিণ শালমাৰা সমষ্টি, মানকাচাৰ সমষ্টি, গতিকে অসমমালাটো গোটেই আমাৰ সমষ্টি বিলাকতো গৈ চুই পাই, সেইটো এটা কথা। আৰু এটা ভাল আঁচনি অৰুণোদয় আঁচনি, কিন্তু কব গলে সচাঁকৈ উৎকৃষ্ট আঁচনি, একেবাৰে দুখীয়া বিধবা যিটো guideline আছিল। বিধৱা, বিকলাঙ্গ সকলে এই আচঁনিত অন্তৰ্ভূক্ত হ'ব লাগিছিল। অত্যন্ত দূৰ্ভাগ্যৰ কথা মাননীয় উপাধ্যক্ষ মহোদয় গাওঁ বিলাক

গাওঁ সভাৰ মিটিঙ কৰি list বনাই পঞ্চায়তৰ পৰাই পঠাই দিলে, Through block DC অফিচত আহি গ'ল। DC অফিচত অহাৰ পিছত দেখা গ'ল যে গাওঁ সভাৰ পৰা যিটো লিষ্ট পঠাইছিলে, তাৰে এটা লিষ্টতো নাথাকিল। তৃতীয় পক্ষৰ পৰা বনাই দিয়া লিষ্ট মতে approve হ'ল। গতিকে, মই অনুৰোধ জনাব বিচাৰিছো বিশেষকৈ আমাৰ ধুবুৰী জিলাৰ লিষ্টখিনি তদন্ত কৰি বিহিত ব্যৱস্থা কৰক, তাত বিধৱা নাই। তাত এটা পৰিয়ালৰ তিনিজন সোমাইছে আৰু যিবিলাক আচল বিধৱা সেই সকল বঞ্চিত হ'ল। যি উদ্দেশ্যে আপোনালোকে এই আচঁনি introduce কৰিছিলে আমিও ভাল পাইছো। কিন্তু দেখা গ'ল যে বিধৱাই নাপায়, সধৱাই পালে আৰু এটা পৰিয়ালৰ দুজন তিনিজনে পাই গ'ল। এইটো এটা enquiry ৰ ব্যৱস্থা কৰিলে আমি ভাল পাম।

শক্তি বিভাগৰ আগত আছিলে ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আচঁনি। এতিয়া নামটো change হৈছে, আচঁনিখন চলি আছিলে। ২০১৮-১৯ চনত সম্পূৰ্ণ হোৱাৰ কথা আছিলে, কিন্তু এতিয়াও বহু গাওঁত সেই আঁচনি অন্তৰ্ভূক্ত হোৱা নাই। বহু গাঁও এতিয়াও হাৰিকেন, ম'মবাতি আদিৰে তেওঁলোকে চলি আছে। য'ত বৈদ্যুতিকৰণ হৈছে, কিন্তু তেওঁলোকে ভল্টেজ নাপায়, এঘন্টা দিয়ে আৰু তিনি ঘন্টা বন্ধ। ভিতৰুৱা অঞ্চলত sub-station নাই, যাৰ ফলত সেই ভিতৰুৱা অঞ্চল, চৰ অঞ্চল বিলাকত ভল্টেজ নাপায়, বহু কষ্টৰ মাজেৰে আছে। গতিকে এই বিভাগক আৰু শক্তিশালী কৰি যাতে আমাৰ ভিতৰুৱা অঞ্চল, চৰ অঞ্চলত সকলোৱে যাতে এই বিদ্যুতৰ সুবিধাতো পাই, তাৰ কাৰণে চৰকাৰক মই অনুৰোধ জনাইছো।

আৰু এটা বিভাগ আছে সংখ্যালঘু বিভাগ। যোৱা পাঁচটা বছৰে এই বিভাগে বাজেটত ধৰে, কিন্তু আমি কি পাইছো? ছাতি আৰু চাইকেল। প্ৰশ্ন কৰিলে আগৰ মন্ত্ৰীয়ে কৈছিল MSDP, প্ৰধানমন্ত্ৰী জীৱন বিকাশ যোজনা ইয়াত সাঙুৰিলে, সেইটো কি আমি বুজি নাপাওঁ। সেই বিভাগৰ কথা ৰাজ্য চৰকাৰৰ বাজেটত যোৱা পাঁচ বছৰত উত্থাপনে কৰিবই নিদিলে। মন্ত্ৰী পৰিবৰ্তন হৈছে, আমি আশাবাদী। গতিকে ছাতি আৰু চাইকেল এই যুগ এতিয়াও আছে নেকি? আমাৰ চৰকাৰে বেকাৰ সমস্যাৰ সমাধানৰ কাৰণে যিবিলাক qualified বেকাৰ সকলক চলিবলৈ সংস্থাপনৰ কাৰণে গাড়ী দিছিলে, টেক্টৰ দিছিলে, পাৱাৰ টিলাৰ দিছিলে। সেই বিলাক নাই এতিয়া ছাতি আৰু চাইকেল। এই সংখ্যালঘু বিভাগতো সৰু বিভাগ হৈ থকা নাই। অসমৰ জনসংখ্যাৰ ৩৪ শতাংশ অকল মুছলিম হলminority ৰ লগতে অন্য হলminority ও আছে। ইয়াত ৭১ কোটি টকা বাজেট ৰখা হৈছে, সেইখিনিৰে ১কোটি ২০ লাখ মানুহক কেনেকৈ সংস্থাপিত কৰিব। গতিকে বাজেটতো বঢ়াব লাগে আৰু মই ভাৱো যে আমাৰ সংখ্যালঘু বিভাগৰ দায়িত্বত থকা মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় এটা ভাল আচঁনি গ্ৰহণ কৰিব বুলি আশা ৰাখিছো। এই বাজেটখন ৰাইজৰ বাবে ভাল বাজেট হোৱা নাই। কাৰণ এই বাজেটত individual ব্যক্তিৰ কাৰণে বহুত আচঁনি লোৱা হৈছে। কিন্তু অসমত যিবিলাক জ্বলন্ত সমস্যা, এই সমস্যা সমাধানৰ ক্ষেত্ৰত আমি বাজেটখনত একো বিচাৰি নাপালো। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**উপাধ্যক্ষ মহোদয়ঃ** Thank you. Next Speaker Ganesh Limbu.

**শ্ৰীগণেশ কুমাৰ লিম্বু (বৰছলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাক বাজেট ভাষণত অংশগ্ৰহণ কৰিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। অসমৰ ইতিহাসত প্ৰথম আমাৰ মহিলা বিত্তমন্ত্ৰী মাননীয়া অজন্তা নেওগ ডাঙৰীয়ানীয়ে যি বাজেট ২০২১-২২ চনৰ দাখিল কৰিলে। আমি যদি মুলতে বাজেটৰ বিষয়ত কওঁ তেতিয়া হ'লে অসমৰ সৰ্বজন ব্যক্তিক যোগাত্মক প্ৰবাহৰে চুই যোৱা এক কল্যাণকামী দূৰদৰ্শী আৰু অসমৰ ভৱিষ্যত সঠিক দিশত আগুৱাই লৈ যোৱাৰ কাৰণে

এক জ্বলন্ত দস্তাবেজ বুলি মই ভাৱো।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ আগৰ বক্তা সকলে কৈছিলে যে আজি যি পৰিস্থিতি গোটেই বিশ্বত কভি'ড -১৯ ৰ কাৰণে অৰ্থ ব্যৱস্থা যিধৰণে বিৰূপ প্ৰবাহ বিস্তাৰ কৰিছে, তেনে এক সময়ত আমাৰ বিত্তমন্ত্ৰী মহোদয়াই আগৰ চৰকাৰৰ যি ধ্বজাবাহী উন্নয়নৰ যিবিলাক আচঁনি আছিলে, এইখন চৰকাৰে নতুন নতুন আঁচনিৰে সমাহিক কৰি যি ধৰণেৰে পূৰ্ণাঙ্গ আৰু সঠিক বাজেট উপস্থাপন কৰিলে, মই ইয়াৰ বাবে আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয় আৰু বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ জনাইছো। আমি এটা কথা নিশ্চয় কব লাগিব যে আমি যদি চাওঁ ২০২০ চনত মাৰ্চ মাহৰ আগত ক'ভিডৰ পৰিস্থিতিত আমাৰ ৰাজ্যৰ সামান্য মেডিকেল ব্যৱস্থা, সেই সামন্য সুবিধাৰে এই ৰাজ্যক সেৰা আগবঢ়াই আহিছিলো। কিন্তু আজিৰ আমাৰ চৰকাৰে এই pendamic ৰ লগত যুজিবৰ কাৰণে যি উদ্যম, যি সততা, ইয়াৰ বাবে আপুনি শুনি ভাল পাব যে ২০২০ চনত মাৰ্চ মাহৰ আগলৈকে ICU bed মাত্ৰ ৪ শ খন আছিল। তাতো ১২০ খনহে ক'ভিড unit ৰ কাৰণে উচৰ্গা কৰিছিলো আৰু যদি আমি চাওঁ অক্সিজেনযুক্ত বিচনা আছিলে মাত্ৰ ৪ শ খন। আজি আপুনি যদি চাই আমাৰ ICU bed ১৫৪০ খনলৈ বৃদ্ধি কৰিছো, আৰু অক্সিজেনযুক্ত বেড ৩৮০০ লৈ বৃদ্ধি কৰিব পাৰিছো। ইয়াৰ পৰা আমি কব পাৰো যে এইখন চৰকাৰে অন্তঃগাথঁনি উন্নয়নৰ লগে লগে কভি'ডৰ লগতে মোকাবিলা কৰিবৰ কাৰণে মেডিকেল ব্যৱস্থা যেনে ধৰণে প্ৰস্তুত কৰিছে, সেইটো সচাঁকৈ প্ৰশংসনীয়। মাননীয় উপাধ্যক্ষ মহোদয়, আমি ক'ব লাগিব এই কভি'ডত যিসকলে নিজৰ মাতৃ-পিতৃক হেৰুৱাইছে, তেনে শিশুসকলৰ কাৰণে আমি স্থায়ী পূঁজি ৭,৮১,২০০.০০ টকাৰ জমা কৰাৰ ব্যৱস্থাৰ লগতে প্ৰতিমাহে ৩৫ শ টকা beneficiary ক দিয়াৰ ব্যৱস্থা কৰিছো আৰু লগতে যেতিয়া তেওঁলোকে প্ৰাপ্তবয়স্ক হ'ব তেতিয়া তেওঁলোকৰ account লৈ এই পইচা ৰূপান্তৰ কৰাৰ ব্যৱস্থা আমাৰ এইখন চৰকাৰে কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যিয়ে নিজৰ স্বামীক ক'ভিডত হেৰুৱাইছে, তেখেতসকলৰ কাৰণেও এককালীন সাহাৰ্য্য হিচাপে ২ লাখ ৫০ হাজাৰ টকা দিয়াৰ কাৰণে আচঁনি ইতিমধ্যে বিতৰণ কৰা হৈছে আৰু যিসকলৰ নিজৰ আত্মীয়ৰ ক'ভিডত মৃত্যু হৈছে, তেখেতসকলৰ কাৰণে আমাৰ চৰকাৰে এক লাখ টকাৰ ব্যৱস্থা কৰিছে। মই ভাৱো, এইখন চৰকাৰ ভাৰতৰ অন্যান্য ৰাজ্যৰ কাৰণেও কভি'ড-১৯ ক্ষেত্ৰত উদাহৰণ হ'ব। আমি যিধৰণে ব্যৱস্থা লৈছো এক উদাহৰণ হিচাপে হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাটো নকলে মোৰ বাজেট ভাষণ অসম্পূৰ্ণ হ'ব বুলি মই ভাৱো যে অসমত নতুন প্ৰজন্মক এন্ধাৰত ঠেলি এচাম মানুহে ড্ৰাগচ সৰবৰাহ কৰি অসমত এন্ধাৰৰ পিনে ঠেলি তেওঁলোক এন্ধাৰৰ ৰজা হ'ব বিচাৰিছে। আমাৰ আই মাতৃসকলক, আমাৰ শিশুসকলৰ ওপৰত যিয়ে বেয়া দৃষ্টিৰে চায়, সেই ব্যক্তিসকলৰ ওপৰত অথবা মানৱ সৰবৰাহ কৰা ব্যক্তিসকলৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যি Zero Tolerance ব্যৱস্থা কৰিছে, মই সঁচাকৈয়ে অনুভৱ কৰো যে গণতান্ত্ৰিক ব্যৱস্থাত নিৰ্বাচিত এখন চৰকাৰৰ ওপৰত এনেধৰণৰ কামেৰে ৰাইজৰ যি ধৰণৰ আস্থা চৰকাৰখনৰ ওপৰত ই যথেষ্ট খিনি বাঢ়ি যায় আৰু মই এইখন চৰকাৰৰ এজন সদস্য হোৱা কাৰণে মই নিজেও গৌৰৱ অনুভৱ কৰো। মোৰ এই কথাষাৰ নক'লে আধৰুৱা হ'ব আমি সকলোৱে ক'বই লাগিব যে আমি যদি বাজেটৰ কথা কওঁ বা এখন চৰকাৰৰ উন্নয়নৰ কথা কওঁ, তেতিয়াহ'লে তাৰ মূখ্য কথা হ'ল আমাৰ মুঠ ঘৰুৱা উৎপাদন আৰু চৰকাৰখনে ধাৰ্য কৰা বাজেটৰ ধন কেনেকৈ খৰচ কৰিছে। ইয়াৰ দ্বাৰা চৰকাৰখন কেনেকৈ পৰিচালনা হৈ আছে, আমি এটা স্পষ্ট আভাষ পাও। ইতিমধ্যে আমাৰ ওপৰোক্ত বক্তাসকলে কৈ গৈছে মই কেৱল এটা

কথা ক'ব বিচাৰিছো যে **২০১৫-২০১৬** বৰ্ষত সেই চৰকাৰখনৰ দিনত মাত্ৰ **৬৩** শতাংশ আৰু অত্যাধিক **৪১** হাজাৰ কোটি টকা খৰচ কৰিব পাৰিছিল। তাৰ বিপৰীতে আমি যদি চাওঁ **২০১৯-২০২০** বৰ্ষত সৰ্বাধিক ৮২ হাজাৰ কোটি টকা আমাৰ চৰকাৰে খৰচ কৰিব পাৰিছে আৰু যদি ঘৰুৱা মুঠ উৎপাদন আপুনি চাই তেতিয়াহ'লে উপাধ্যক্ষ মহোদয় আমাৰ ঘৰুৱা উৎপাদন যথেষ্ট খিনি বৃদ্ধি হৈছে। ইয়াৰ পৰা মই এটা কথা উপলব্ধি কৰিব পাৰিছো যে যেতিয়াৰ পৰা মই এই বিধানসভালৈ আহিছো আৰু প্ৰতিখন বাজেটত আমাৰ চৰকাৰখনে এটা কাম কৰিছে যিয়ে বিত্তীয় ব্যৱস্থাটোৰ সংস্কাৰ কৰিছে আৰু আমাৰ যি প্ৰশাসন ব্যৱস্থাত স্বচ্ছতা আৰু transparencyৰ ব্যৱস্থা কৰি সেই একে ব্যৱস্থাৰে সেই একে সংশোধনৰে আমাৰ বিষয়াসকলে সকলোকে লগত লৈ দুগুণ অধিক খৰচ কৰিব পাৰিছে আৰু আমি অধিক resource সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো। উপাধ্যক্ষ মহোদয়, 'অসম মালা' ৰ বিষয়ে ইতিমধ্যে আমাৰ সদস্যসকলে কৈ গৈছে। মই ভাবিছো যে 'অসম মালা' ৰে অসমৰ গ্ৰামীণ অঞ্চল আৰু অসমৰ মুখ্য অঞ্চল সমূহৰ যোগাযোগৰ এক Network গঢ়ি তোলা হৈছে। মই অতি সুখী হৈছো যে মোৰ সমষ্টিত বৰছলাৰ পৰা দলগাঁৱলৈ এটা ৰাস্তা হ'ব লাগে আৰু মোৰ এই সপোন বাস্তৱত সফল হ'বলৈ গৈ আছে৷ ইতিমধ্যে এই ৰাস্তা নিৰ্মাণৰ কাম আৰম্ভ হৈ গৈছে। আমাৰ এই সদনত আলোচনা নকৰা এটা বিষয় হ'ল য'ত য'ত ৰাস্তা নিৰ্মাণ হৈ যাব, তাত নিজে নিজে সেই অঞ্চলবোৰ উন্নত হৈ আহিব। মই আপোনাক উদাহৰণ হিচাপে কৈছো যে ওৰাং অভয়াৰণ্য গুৱাহাটীৰ পৰা বেছি দূৰত নহয়। এই ৰাস্তাটোৰ নিৰ্মাণ হোৱাৰ লগে লগে আমাৰ এই ওৰাং অভয়াৰণ্যখনত আমাৰ বিভিন্ন স্থানীয় লোক আৰু বাহিৰৰ পৰ্যটক সকল ওৰাং অভয়াৰণ্যলৈ যোৱাত সহজ হ'ব। ঠিক তেনেকৈ গুপ্তেশ্বৰ দেৱালয়খনকো আমি Religious Tourism হিচাপে গঢ়ি তুলিবলৈ বিচাৰিছো। যাৰ ফলত এই গুপ্তেশ্বৰ দেৱালয়খনে এক বিশেষ মৰ্য্যদা লাভ কৰিবলৈ সক্ষম হ'ব। উপাধ্যক্ষ মহোদয়, এই বাজেটখনত যি ধৰণে উপস্থাপন কৰিছে তাৰ বাবে মই এই বাজেটখনক এখন কল্যাণকামী বাজেট হিচাপে সমৰ্থন জনাই ইয়াতে মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** অসম গণ পৰিষদ দলৰ মাননীয় বিধায়ক শ্ৰীভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীযা।

**শ্ৰীভৰেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্তমান সময়ত আমাৰ মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যোৱা **১৬** জুলাই, **২০২১** তাৰিখে যিখন বাজেট এই পৱিত্ৰ সদনৰ মজিয়াত দাঙি ধৰিলে, বৰ্তমান পৰিস্থিতিত অতিমাৰীৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ লগত খাপ খুৱাই এই বাজেটখন অতি সুন্দৰ বাজেট হৈছে। এই বাজেটত সমাজৰ একেবাৰে সৰু শিশুৰ পৰা একেবাৰে বৃদ্ধ জনলৈ আৰু প্ৰত্যেকটো জনগোষ্ঠীকে সামৰিব পৰাকৈ উন্নয়নৰ দিশত তেওঁলোকক অংশীদাৰ কৰিব পৰাকৈ আৰু প্ৰত্যেকটো সমস্যাৰ লগত একাত্ম হ'ব পৰাকৈ এই বাজেটখন উপস্থাপন কৰিছে। ইয়াত প্ৰথম কথাটো হ'ল শিশুৰ পৰা বৃদ্ধ জনলৈকে আটাইকে সামৰি ল'ব পৰাকৈ অঙ্গনবাড়ী কেন্দ্ৰ পৰা বৃদ্ধ পেন্সনলৈকে লগতে নিৱনুৱা যুৱক-যুৱতীক সামৰি এই বাজেটখন উপস্থাপন কৰিছে আৰু আমি এই বাজেটৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ লোকসকলক ইয়াৰ দ্বাৰা সাঙুৰি ল'ব বুলি ভাৱিছো আৰু যিখিনি আঁচনিৰ জৰিয়তে কামখিনি কৰিব বিচাৰিছে, ইয়াৰ জৰিয়তে আমি নিশ্চয় এঢাপ ওপৰলৈ যাবলৈ সক্ষম হ'ম । এই ক্ষেত্ৰত প্ৰথমে এটা কথা ক'ব লাগিব যে আমাৰ অঙ্গনবাড়ী কেন্দ্ৰবোৰ সদায় অবহেলিত হৈ থাকে। সৰু সৰু ল'ৰা- শিশুবোৰৰ ক্ষেত্ৰত সাধাৰণতে এটা বাকচৰ নিচিনা ঘৰত তেঁওলোকক খেলা-ধূলা কৰা ইত্যাদি এগৰাকী শিক্ষয়িত্ৰীয়ে কৰে। তেনেকুৱা সৰু সৰু ল'ৰা-ছোৱালীবোৰক আগুৱাই লৈ যাবলৈ ভাল ধৰণে ৰাখিবলৈ ফেনৰ বতাহত

যাতে থাকিব পাৰে আৰু গৰমত যাতে ল'ৰা-ছোৱালীবোৰে কষ্ট নাপাই আৰু লগতে আটাইখিনি সুবিধা দিব পৰাকৈ অঙ্গনবাড়ী কেন্দ্ৰবোৰ নিৰ্মাণ কৰিব পৰাকৈ প্ৰায় **২৫** লাখ টকাৰ ধাৰ্য্য কৰি লৈছে। মই ভাৱো আমি সমাজৰ একেবাৰে নিম্ন স্তৰৰ শিশুসকলক এটা ভাল পৰিবেশত আগুৱাই লৈ যাবলৈ বা ডাঙৰ দীঘল কৰিবলৈ আমি সক্ষম হ'ম। আৰু এই আঁচনিখনৰ জৰিয়তে সমাজৰ এটা অংশ এই শিশু সকলক আগবঢ়াই লৈ যাবলৈ আমি সক্ষম হ'ম আৰু যিয়ে পৰৱৰ্তী সময়ত এজন ভাল নাগৰিক হ'বলৈ সক্ষম হ'ব। সেই একে ধৰণে মহিলাসকলৰ ক্ষেত্ৰত এই চৰকাৰে যোৱা বছৰৰ পৰা আৰম্ভ কৰিছে 'অৰুণোদয়' আঁচনি। এতিয়া ইয়াত বহুতে কৈছে যে হিতাধিকাৰী সৃষ্টি কৰা আঁচনি সঁচা অৰ্থত মহিলাখিনিয়ে নাপালে। আচল কথাটো হ'ল - এটা পৰিয়ালত পুৰুষজনৰ লগতে মহিলা গৰাকীও পৰিয়ালটোৰ এটা অংগ হিচাপে তেঁও নিজেও কিছু অনুভৱ কৰে অৰ্থৰ নাটনিত আৰু যেতিয়া এগৰাকী মহিলাই হাতত মাত্ৰ **৮৩০** টকা আৰু এতিয়া **১০০০** টকা কৰিছে। পৰিয়ালৰ দ্বিতীয় মুৰব্বী গৰাকীৰ হাতত **৮৩০** টকা তুলি দিয়া যায়, তেতিয়া নিশ্চিত ভাৱে পৰিয়ালৰ মুৰব্বীজনক নোসোধাকৈ বা নোখোজাকৈ কিছু ধন খৰচ ঘৰখনৰ কাৰণে বা পৰিয়ালটোৰ বাবে কৰিব পাৰে। যাৰ ফলত আমাৰ সমাজৰ আটাইতকৈ নিম্ন স্তৰৰ বুনিয়াদটোৱে হ'ল ঘৰখন। সেই ঘৰখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত তেঁওৰ সহায় হব। এই আঁচনিখন আজিৰ পৰা **১০** বছৰ আগতে হোৱা হ'লে বেছি ভাল আছিল। আমাৰ এই অসমীয়া সমাজখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আমাৰ যথেষ্টখিনি সুবিধা হ'লহেতেন। বৰ্তমান পৰ্যায়ত **৮৩০** টকাৰ পৰা **১০০০** টকা কৰিছে আৰু মহিলাসকলক সবলীকৰণৰ ক্ষেত্ৰত এটা সুন্দৰ পদক্ষেপ হ'ব বুলি আমি ভাবিছো। ঠিক সেইদৰে আমাৰ যথেষ্টখিনি আঁচনি আছে। বিশেষকৈ চাহ বাগিছাৰ ক্ষেত্ৰত আমি দেখিছো মোৰ সমষ্টিতে প্ৰায় **১৪** খন চাহ বাগিছা আছে , এই চাহ বাগিছাৰ লোকসকল যোৱা **৫** বছৰৰ আগলৈকে সেই মানুহখিনি আচলতে দ্বিতীয় শ্ৰেণীৰ নাগৰিক আছিল। যোৱা **৫**টা বছৰৰ আগৰ চৰকাৰৰ দিনত চাহ বাগিছাৰ লোকসকলে এটা সন্মান পালে আৰু সমাজক মানুহ হিচাপে মূৰ দাঙি থিয় হ'ব পৰাকৈ কথা ক'ব পৰা হ'ল। প্ৰথমে আমি চাহ বাগান বোৰত থকা অতি বেয়া ৰাস্তাবোৰ **১** কোটি টকাৰে নিৰ্মাণ কৰিছো। এতিয়াও বহু ৰাস্তা আছে নিৰ্মাণ কৰিবলগীয়া আৰু সেই ৰাস্তাবোৰ পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব। এইবাৰ এখন ভাল আঁচনি লৈছে যে পাইপৰ যোগেদি তেওঁলোকক পানী যোগান ধৰিব। আমি দেখা পাইছো চাহ বাগানবোৰত প্ৰায় বেমাৰ পানীৰ কাৰণে। মোৰ ঘৰো প্ৰায় বাগানৰ কাষতে, দেখিছো, সদায় এটা বেয়া পৰিবেশত অশুদ্ধ পানী তেওঁলোকে সেৱন কৰিব লগা হয়। গতিকে ঘৰে ঘৰে যেতিয়া টেপৰ পানী যোগান ধৰা হ'ব মই ভাবো, সেইলোক সকলৰ জীৱন ধাৰণৰ মানদণ্ড কিছু উন্নত হ'ব। বিশুদ্ধ পানীৰ জৰিয়তে তেওঁলোকৰ বেমাৰ আজাৰৰ যিখিনি কথা আছে, সেইখিনিও কিছু নিৰাময় হ'ব। ঠিক সেই ধৰণে আমাৰ এই চৰকাৰখনে, গৰুখুটিত যিটো প্ৰকল্প লৈছে, সেই প্ৰকল্পৰ জৰিয়তে নিবনুৱা যুৱক সকলক আগুৱাই নিয়াৰ লগতে অসমৰ কৃষি সম্পৰ্কে বৰ্তমান পৰ্য্যায়ত যি মহামাৰী, এই মহামাৰীৰ সময়ত আমি কৃষিভিত্তিক কাম আমি ল'ব লাগিব আৰু আমাৰ যুবক সকলক এই কৰ্মবিমুখতাৰ বিৰুদ্ধে কৰ্মসংস্কৃতিৰ গঢ় দিবলৈ হ'লে, আমি ল'ৰাখিনিক একগোট কৰিব লাগিব। উপাধ্যক্ষ মহোদয় মই মোৰ সমষ্টিত যোৱাটো কাৰ্য্যকালত প্ৰায় ২১ জন নিবনুৱা যুৱকক লগত লৈ ব্ৰহ্মপুত্ৰৰ কাষৰ যিটো চাপৰি, সেই চাপৰিৰ প্ৰায় ৮০০-৯০০ বিঘা মাটিত ২১ জনৰ ৩ জন গুছি গ'ল ১৮ জন থাকিল, এই ১৮ জন ল'ৰাক কৃষি বিভাগৰ জৰিয়তে ট্ৰেক্টৰ, বীজ ইত্যাদি খিনি যোগান ধৰাৰ পাছত তেওঁলোকে তাত বন্ধা কবি, ফুল কবি, বিলাহী, বেঙেনা ইত্যাদি ৰবি শস্যৰ খেতি কৰি তেওঁ লোকে

যিখিনি ইনকাম কৰিলে সেইটো দেখি ইয়াৰ কাষৰ ল'ৰাখিনিয়ে এতিয়া আমাক সুধিছে যে আৰু তেনেকুৰা ব্যৱস্থা আমি কৰিব পাৰিম নে নোৱাৰিম ? বৰ্তমান পৰ্য্যায়ত গৰুখুটি অঞ্চলত তেনেধৰণেই এই আঁচনিখন, যিটো লৈছে, তাত eviction ৰ ভয় খাইছে, আমাৰ মাননীয় বিৰোধী দলৰ সদস্যই কৈছে, eviction কৰিব, খিলঞ্জীয়াক দিব ইত্যাদিবিলাক ওলাইছে। কিন্তু, তেনেকুৰা নহয়, য'ত আমি নিবনুৱাখিনিক আগবঢ়াই লৈ যোৱাৰ কাৰণে তেওঁলোকক বৰ্তমান সময়ত কৃষিভিত্তিক আন্দোলনটো কৰিবলৈ, অলপ আগুৱাই দিব লাগিব। মই দেখা পাইছো, মোৰ সমষ্টিত যিখিনি ল'ৰাই কোনোদিনেই খেতিৰ কথা চিন্তা নকৰে, যোৱাবাৰৰ পৰা দেখিছো তেওঁলোকে এগ্ৰিবেছ, ট্ৰেক্টৰখন লৈ, পাৱাৰটিলাখন লৈ খেতি কৰিবৰ কাৰণে উৎসাহী হৈছে, যিটো সমাজখনৰ কাৰণে ভাল। এই কামটো সম্ভৱ হ'ব আজিৰ যি খিনি এই গৰুখুটি অঞ্চলৰ, মাননীয় সদস্য পদ্ম হাজৰিকাৰ নেতৃত্বত যিটো কৰিছে, সেই ব্যৱস্থাটো দেখাৰ লগে লগে, নিবনুৱা যুৱক যুৱতীসকল উৎসাহিত হ'ব আৰু এই কামত আগবাঢি যাব। মই আশা কৰিছো, সেই একেদৰেই মহিলা সৱলীকৰণৰ ক্ষেত্ৰতো বয়ন শিল্পৰ জৰিয়তে যিটো ব্যৱস্থা কৰিব বিচাৰিছে, এইটো মই যোৱাটো কাৰ্য্যকালত মোৰ অঞ্চলত এটা এনেই পৰি থকা ঘৰ আছিল, প্ৰায় ২০০ ফুট দীঘল এটা ঘৰ পৰি আছিল, আৰু অলপ ভাঙি-চিঙি আছিল। মই মেৰামতি কৰি তাত মাত্ৰ ২০ খন তাঁতশাল দি আমাৰ দেউৰী আৰু মিচিং সম্প্ৰদায়ৰ যিখিনি মহিলা আছে, তেওঁলোকক দি তাত মই তাতশাল বোৱাইছো, আৰু আমাৰ যিটো যোৰহাটৰ য়াৰ্ণ বেংক তাৰ পৰা সূতা তেওঁলোকক মই কাপোৰ ববলৈ দিছো। ঠিক সেই ধৰণে তেওঁলোকে জনগোষ্ঠীয় সাজ, গামোছা ইত্যাদি বৈ স্ব- নিৰ্ভৰশীল হৈছে। যিটোৰ জৰিয়তে আমি এটা কৰ্মসংস্কৃতি গঢ়ি তুলিব বিচাৰিছো আৰু পাইছোৱেই সেইটোও। তাকে দেখি ওচৰৰ গাওঁ বিলাকৰ মহিলা সকলে, ছোৱালী সকলে, সেইটো কৰিব বিছাৰিছে। এই বাজেটখনৰ জৰিয়তে বয়ন শিল্প সম্পৰ্কত যি দিছে, ৰাজহ গাওঁত পুখুৰী খন্দাৰ সম্পৰ্কত দিছে, এই আটাই বিলাকৰ জৰিয়তে আমি সমাজখনক এই বাজেটৰ জৰিয়তে আগুৱাই লৈ যোৱাৰ কাৰণে নিশ্চয় সক্ষম হ'ম। মই ইয়াৰ জৰিয়তে আমাৰ বাইদেউৰে উত্থাপন কৰা বাজেটখনক অতি সুন্দৰ আৰু সকলো ৰাইজক সামৰিব পৰাকৈ জনমুখী বাজেট বুলি আখ্যা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া ভুৱন পেগু ডাঙৰীয়া। ১০ মিনিটত শেষ কৰিব।

**শ্ৰী ভূৱন পেগু (জোনাই)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰী হিচাপে পৃথিৱীযোৰা যিটো Ecomomic Slowdown বুলি কয়, এনেকুৰা কঠিন সময়ত এক সঁচা অৰ্থত চাবলৈ গ'লে এখন যুগান্তকাৰী বাজেট ইয়াত দাখিল কৰাৰ কাৰণে পোন প্ৰথমে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মই এই কাৰণেই যুগান্তকাৰী বুলি কৈছো এই যি যোৱা ডেৰ বছৰ ধৰি যিটো এটা পৃথিৱীযোৰা লকডাউনৰ এটা পৰিস্থিতি হৈ আছে, তাৰ প্ৰভাৱ গোটেই পৃথিবীতে পৰিছে, আৰু ভাৰতবৰ্ষতো পৰিছে, ৰাজ্যসমূহতো পৰিছে। উপাধ্যক্ষ মহোদয়, মই এই কেইদিন ৰাজ্যসমূহৰ ৰিপ'ট কেইটামান চাই আছিলো, কেইখন মান ৰাজ্যৰ, আমাৰ গাঁৱলীয়া ভাষাত ক'বলৈ গলে Economic Condition ইমান বেয়া। গাঁৱলীয়া ভাষাত যদি কওঁ কেকাই আছে বহুত ৰাজ্যচৰকাৰে। ইয়াত এটা ৰিপোৰ্ট মই পঢ়িলো State Governments incurred huge loss to the extent of having to cut Capital expenses as well as Government plans in the near future and finding alternative ways to pay salaries. দৰমহা দিবলৈ বিভিন্ন ধৰণৰ মাধ্যম, বিভিন্ন ধৰণৰ পন্থা গ্ৰহণ কৰিবলগীয়া হৈছে। Capital expenditure কমাই দিবলগীয়া হৈছে বহুত ৰাজ্য চৰকাৰে। The Delhi

Government has fallen 90% sort in tax collection as compared to 2019 and is planning to take loans and raise taxes in certain sectors. লোন লোৱাৰ পৰিকল্পনা কৰি আছে, টেক্স বঢ়োৱাৰ পৰিকল্পনা কৰি আছে, টেক্স কালেকশ্যন নাইকিয়া হৈ গৈছে লকডাউনৰ পৰিস্থিতিত economy slowdown হৈ গৈছে, ফেক্টৰীবোৰ বন্ধ, মানুহৰ যাতায়ত নাইকিয়া হৈছে। ইয়াত Maharastra put a hold on all new Capital works till March next year. মহাৰাষ্ট্ৰই সকলো ধৰণৰ Capital expenditure বা নতুন ধৰণৰ Construction March next year লৈকে সকলো বন্ধ কৰি দিছে। Spending under Government Development Scheme have been reduced by 67% for the car and fee scale. তাৰ মানে Government য়ে স্কীমবোৰ লোৱাত আংশিকভাৱে স্তব্ধ হৈ পৰিছে। The income of Madhya Pradesh Government has fallen by 85% in April and borrowing has increased. The Delhi Government as well as Andhra Pradesh Government imposed 72% - 75% corona extra tax on liquor. তাৰমানে বাকী ৰাজ্য সমূহৰ যি Condition এই Condition বোৰ দেখাৰ পাছত যোৱা ১ বছৰ ধৰি economy টো observe কৰি থকাৰ পাছত, এইবাৰ যেতিয়া বাজেট দাখিল কৰিব বুলি কথাটো ওলাইছে, স্বাভাৱিক কথা বাজেট অধিবেশন হ'ব, বাজেট দাখিল কৰিব। বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত মই ও ভাবি আছো তলে তলে এইবাৰ হুলস্থুল নকৰাটোৱেই ভাল হ'ব। কিবা কিবি সমষ্টিত নাপালেও লাহেকৈ অলপ ফাকি দিয়াটো দৰকাৰ হ'ব। কিয়নো এইবাৰ Situation এনেকুৱা আছে যে আমি নিজকে বুজি দিব লাগিব নিজৰ চৰকাৰ বুলি। তাৰ পাছত সকলোতকৈ ডাঙৰ concern টো আছিল উপাধ্যক্ষ মহোদয়, যে এনে পৰিস্থিতিৰ মাজত ক'ৰ পৰা টেক্স আহিব, পইচা আছে নে, নাই চৰকাৰৰ, মইটো আচৰিত, এইখন চৰকাৰে এতিয়াও যে আমাৰ চৰকাৰী কৰ্মচাৰীসকলক যে এটকাও কৰ্তন নকৰাকৈ দৰমহা দি আছে, সঁচাকৈ চাবলৈ গলে ধন্যবাদ দিব লাগিব। ভাৰতবৰ্ষৰ ভিতৰত ভাল প্ৰশাসন চলোৱা কেজৰিৱাল গৰ্ভমেন্ট, নামী দামী গৰ্ভমেন্ট আজি কেঁকাই আছে। তাৰ ওপৰিও আমাৰ সকলোতকৈ ডাঙৰ কনচাৰ্ণটো থাকে বাজেটত কিবা কৰ্ত্তন হ'ব নেকি, আমি যিহেতু পোৱা নাই বুলি ভাবি আছো। পইছা যদি নাপাও খৰছ ক'ত কৰিম? দৰমহাটো যেনেতেনে দি আছো, বাজেট যেতিয়া দিব দূৰ্ব্বল অংশটো মাৰ খাব। দুৰ্বল অংশটোক যিহেতু কোনেও বেছি গুৰুত্ব নিদিয়ে সেই হেডত পইচা কৰ্ত্তন যাব বুলি ভাবি আছিলো। directive principle of state policy- তাৰ মানে সংবিধানে এটা ডাঙৰ দায়িত্ব দি থৈছে- আমি ৱেলফেয়াৰ ষ্টেট, আমি এখন কল্যাণকামী ৰাষ্ট্ৰ -বাকী হওক নহওক কিন্তু বৃদ্ধজনক আমি চাবই লাগিব। গৰীবজনক আমি চাবই লাগিব। দিব্যাঙ্গজনক আমি চাবই লাগিব। এইটো দায়িত্ব। চৰকাৰৰ অকল বিজনেছ নহয়, অকল এক্সপেণ্ডিচাৰ, অকল মেথেমেটিকেলত নচলে- অলপ আগতে কংগ্ৰেছ দলৰ এগৰাকী সন্মানীয় বক্তাই কৈ গৈছে- হিতাধিকাৰীৰ সৃষ্টি । হিতাধিকাৰীৰ সৃষ্টি মানে কি? এইটো directive principle of state policy ত সংবিধানে দায়িত্ব দি থৈছে চৰকাৰসমূহক। আপোনালোকে দৰিদ্ৰজনক চাবই লাগিব। এই সাংবিধানিক দায়িত্বটো অসম চৰকাৰে এই ক'ভিড পৰিস্থিতিৰ মাজতো যে পালন কৰি আছে, তাৰ কাৰণে মই এইখন চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। মই আমাৰ চোচিয়েল চিকিউৰিটি নেটত কিমান মানুহ ক'ভাৰ হৈ আছে সেইদিনা লক্ষ্য কৰিছো। মানুহে কৈ আছিলে- কলাপছ্ হ'ব, ডিপ্ৰেশ্যন আহিব, দুখীয়া মানুহৰ ওপৰত মাধমাৰ পৰিব। কিন্তু

মই লক্ষ্য কৰিছো আমাৰ ৰাজ্যখনৰ দুখীয়া মানুহ এতিয়াও মাধমাৰ নপৰাকৈ যেনে-তেনে চলি যে আছে- মই লক্ষ্য কৰিছো, আমাৰ চৰকাৰৰ চোচিয়েল চিকিউৰিটি নেট যিটো সেইটো চোচিয়েল ডিপাৰ্টমেন্টৰ আণ্ডাৰত। বৃদ্ধ পেনশ্যন, ইন্দিৰা মিৰি বিধৱা পেনশ্যন, দীন দয়াল দিব্যাঙ্গ পেনশ্যন সকলো পেনশ্যন যদি আমি মিলাও অসমৰ ২৪ লাখ ৬৯ হাজাৰ মানুহক এই চোচিয়েল চিকিউৰিটি নেটে ক'ভাৰ কৰিছে। উপাধ্যক্ষ মহোদয়, তাৰ পিছত চাব - তাৰ পিছত সকলোতকৈ ডাঙৰ আঁচনিটো কি, এই বিপদৰ সময়ত মানুহে যেনেতেনে চাউলটো যদি পায় সেইটো বহুত বুলি ভাবে। লক ডাউন, ছেমি লকডাউন ফুল লক ডাউন - তাৰ মাজত এই 'অন্ন যোজনা' আঁচনিয়ে কিমান মানুহক উপকাৰ কৰিছে বুলি যদি কয়, মই সেইদিনা চালো - বাজেটত উল্লেখ আছে , ৫৮ লাখ ৯৩ হাজাৰ পৰিয়ালক প্ৰত্যোক মাহে ২৫ কে.জি কৈ চাউল এইখন চৰকাৰে চোচিয়েল চিকিউৰিটি আণ্ডাৰত দি আছে তাৰ মানে একো নহ'লেও অনাহাৰত যেন আমাৰ মানুহ মৰিবলগীয়া নহয় যেনেধৰণৰ দুৰ্যোগ নহওক কিয়। ইয়াৰে টী-গাৰ্ডেনৰ ৬ লাখ ৪৬ হাজাৰ ফেমিলী ক'ভাৰ কৰিছে। যিটো কোনো চৰকাৰৰ দিনত আগতে হোৱা নাছিল কিন্তু বি জে পি চৰকাৰৰ দিনৰ পৰা আৰম্ভ হৈছে। উপাধ্যক্ষ মহোদয় সকলোত ডাঙৰ কথা কি- অৰুণোদয় আঁচনিৰ দ্বাৰা এতিয়া - ২৬ লাখ ৬৫ হাজাৰ মহিলাৰ একাউন্টচত এতিয়াৰ পৰা ১ হাজাৰকৈ টকা কৈ সোমাব। এই কথাটো মই লক্ষ্য কৰি আছে যে ক'ভিডৰ সময়ত সাধাৰণ মানুহক নিৰাপত্তা দিব পৰাকৈ চৰকাৰৰ এই বাজেটত একো নাই নেকি? এই এক হাজাৰ টকা বিৰোধীৰ কাৰণে একোৰে নহ'ব পাৰে কিন্তু গাওঁত দৰিদ্ৰ মহিলা গৰাকীৰ কাৰণে এক হাজাৰ টকা বহু টকা । তাৰ ওপৰিও এটা ইমোশ্যনেল বিষয়- যোৱা পৰহি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশত ক'ভিডত স্বামীহাৰা মহিলাসকলক এটা আশ্ৰয় হিচাপে আঢ়ৈ লাখ টকা যিটো দিছে- সেইটোৱে বহু মানুহৰ চকু পানী উলিয়াই দিছে। গতিকে মই ভাবো যে এই চিকিউৰিটি নেটটো আৰু এক্সপাণ্ড হৈ গৈ আছে। মা- দেউতা হেৰুৱা সন্তানক চাৰে তিনি হাজাৰ টকা মাহে দিয়াৰ ব্যৱস্থা কৰিছে, দায়িত্ব লৈছে। ৭ লাখতকৈ অধিক টকা ফিক্সড ডিপোজিট কৰিছে। স্কুলত পঢ়ুৱাৰ দায়িত্ব লৈছে- লেপ টপ দিছে, তাৰ মানে চিকিউৰিটি নেটটো এইখন চৰকাৰে এক্সপাণ্ড কৰিছে- গতিকে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক শুধিবই বিচাৰিছো যে ইমানকৈ চৰকাৰবোৰে কেঁকাই আছে তেখেতে ক'ৰ পৰা টকা পাইছে? হয়, এইখন চৰকাৰে যোৱা ৫ বছৰ ধৰি খুব সুন্দৰভাবে টেক্স নেটটো ষ্ট্ৰেংথেন কৰিছে, টেক্স ফাঁকি দিয়াৰ যিখিনি লুপচ হোল আছিল সেইখিনি বন্ধ কৰাত চৰকাৰখন বিত্তীয়ভাবে শক্তিশালী হৈছে। উপাধ্যক্ষ মহোদয়, অলপ আগতে দুৰ্গা দাস বড়োয়ে কোৱাৰ নিচিনা আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই অকল সাহস কৰা নাই, দুসাহস কৰিছে তাৰ ফলত এতিয়া অসমত ২৬ লাখ মহিলাক সকাহ দিব যিসকলে মাইক্ৰ' ফাইনেন্সৰ লোন লৈ ধাৰত পোত খাই আছিলে। এতিয়া চৰকাৰে ৭ হাজাৰ ৫০০ কোটি টকা দায়িত্ব লৈ এই ২৬ লাখ মহিলাত ঋণমুক্ত কৰিব। এই মহামাৰীৰ সময়ত, এই দুৰ্যোগৰ সময়ত সাধাৰণ খাঁটি খোৱা মানুহৰ আঁচনি নহয় যদি এইটো কি হয়? এই আঁচনিবিলাক বিৰোধীয়ে অভাৰলুক কৰাটো ভাল নহয়। তাৰ ওপৰঞ্চি মোৰ এটা কথা ভাল লাগিছে- যিখিনি সৰু সৰু দোকানী-পোহাৰী আছে, প্ৰত্যেকৰে ১০হাজাৰ টকাকৈ চৰকাৰে দায়িত্ব ল'ম বুলি কৈছে। উপাধ্যক্ষ মহোদয় চোচিয়েল চিকিউৰিটি নেটত মানুহক সকাহ দিয়াৰ ওপৰিও মানুহক প্ৰমিছ দিছে। এইখন চৰকাৰে কৈছে আমি নিৰ্ব্বাচনত প্ৰতিশ্ৰুতি দিছিলো- আমি প্ৰতিশ্ৰুতি পালন কৰিম, এই সমূহ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো আমি এ লাখ চাকৰি দিম বুলি আমি মুকলি ভাবে ঘোষণা কৰিছে। শেষত উপাধ্যক্ষ মহোদয়, এক হাজাৰ নতুন পকী ৰাস্তা বনাব, মথাউৰীৰ ওপৰত ৰাস্তা বনাব। এক হাজাৰটা মডেল অঙ্গনবাড়ী

চেন্টাৰ ডেভল'প কৰিব। এক হাজাৰ হস্পিটেল নতুনকৈ বনাব। এইকিনিতো আছেই উপাধ্যক্ষ মহোদয়, এটা ডাঙৰ কথাটো হ'ল নিটি আয়োগৰ ২০১৬ চনৰ এটা ৰিপোৰ্ট আছিলে নেশ্যনেল চেম্পুল চাৰ্ভে তাত অসমৰ ক্ষেত্ৰত এটা বস্তু উল্লেখ আছে - অসমৰ ফাৰ্ম ৰিলেটেড ইনকাম হ'ল ৪৩ শতাংশ, লাইভ ষ্ট'ক ৰিলেটে্ ইনকামটো হ'ল - ১২ শতাংশ- নন ফাৰ্ম ইনকামটো হ'ল - ৪ শতাংশ - ৰেজেছ -চেলাৰী হ'ল-২১ শতাংশ। অসমৰ মানুহে হায়েষ্ট- ফাৰ্ম আৰু লাইভষ্ট'ক ইনকামৰ ওপৰত নিৰ্ভৰ কৰে। ফাৰ্ম আৰু লাইভষ্ট'ক ইনকামৰ ওপৰত নিৰ্ভৰ কৰা মানুহ তেওঁলোকে কৰা চাৰ্ভেমতে ৭১ শতাংশ। সেই ৭১ শতাংশ মানুহৰ কাৰণে এই বাজেটত আমি যদি চাওঁ- এগ্ৰিকালচাৰ ডিপাৰ্টমেন্ট - ভেটেৰীনাৰী ডিপাৰ্টমেন্ট, ইৰিগেশ্যন ডিপাৰ্টমেন্ট সকলোৰে মিলি ১৫ হাজাৰতকৈও অধিক টকা বাজেটত এই চৰকাৰে ধাৰ্য্য কৰিছে। গতিকে এক লাখ চাকৰীৰ বাহিৰেও খাটি খোৱা মানুহৰ বাবে এই ১৫ হাজাৰ কোটি টকাৰ যিটো ইনভেষ্টমেন্ট আহিছে তাৰ বাবে খাটি খোৱা মানুহে ইয়াত যথেষ্ঠ সকাহ পাব। উপাধ্যক্ষ মহোদয়, কণী উৎপাদন, মাংস উৎপাদন, গাখীৰ উৎপাদন এইবোৰ বঢ়াব লাগে বুলি যোৱা ১৫-২০ বছৰে আমি শ্লোগান দিছিলো। বাজেটত টকা ধৰিলেও কিন্তু আচল বেমাৰটোৰ ট্ৰিটমেন্ট নহয়। কিন্তু মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত , বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ নেতৃত্বত প্ৰকৃত বেমাৰৰ ট্ৰিটমেন্ট এইখন চৰকাৰে কৰিছে। আমাৰ প্ৰডাক্টিভিটি বঢ়োৱাৰ বাবে আমাৰ যিটো লাইভষ্টোক আছে তাৰ ভেলু এডিশ্যন কৰাৰ বাবে উন্নত জাতৰ বাফেলো-গাহৰী পোৱালী, গৰু , কুকুৰা এইবিলাকক স্পিচিয়েল টাৰগেট কৰি টকা ইনভেষ্ট কৰিছে। তাৰ ওপৰিও যিটো মিনিমান চাপোৰ্ট প্ৰাইচ ,কৃষকে উৎপাদন কৰাৰ পিছত ভেলু নোপোৱাৰ যিটো পুৰনি অভিযোগ আছিল, এইবাৰ ২০০ কোটি টকা এম এচ ডি পিত ৰাইচ প্ৰকিওৰমেন্টৰ বাবে দিছে । তাৰ ওপৰিও কৃষি বীমা যোজনাৰ অধীনত ৪০০ কোটি টকা দিছে উপাধ্যক্ষ ডাঙৰীয়া। এইখিনি কৈ মই শেষত চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ ইণ্ডিজেনাচ কালচাৰ ডিপাৰ্টমেন্টটো সৃষ্টি কৰি এটা যুগান্তকাৰী সিদ্ধান্ত লৈ ইয়াত ১০০ কোটি টকা ধাৰ্য্য কৰিছে। লগতে এই ক'ভিডৰ দুৰ্যোগৰ সময়ত এনে সুন্দৰ বাজেট দাখিল কৰা বাবে, গ্ৰাম্য জনগণৰ জীৱন জীবিকা স্পৰ্শ কৰি পৰিবৰ্ত্তন আনিব পৰা যিটো বাজেট দাখিল কৰিছে তাৰ বাবে চৰকাৰক পুনৰবাৰ ধন্যবাদ ও অভিনন্দন জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো -- ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য লৰেঞ্চ ইছলাৰী (ইউপিপিএল) ডাঙৰীয়াই কওক। আপোনাৰ কাৰণে ৪ মিনিট।

**শ্ৰী লৰেঞ্চ ইছলাৰী (পূব কোকৰাঝাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কাৰণে এই বাজেট পঞ্চদশ, যি অসম বিধান সভাৰ বাজেট, সেই বাজেটখন ইতিহাস হ'ল। কাৰণ অসমৰ প্ৰথম গৰাকী মহিলা বিত্তমন্ত্ৰীয়ে বাজেট দাখিল কৰিছে। আমিও বহুত আশা কৰিছিলো। বিটিআৰ চুক্তি হৈ গ'ল। বিটিআৰ চুক্তিৰ কিছুমান দফা বাজেটত আহিব। কিন্তু আমি জানো যিহেতু সমগ্ৰ বিশ্বকে ক'ভিড মহামাৰীয়ে আৰ্থিকভাৱে অতিকৈ দুৰ্বল কৰিছে, গতিকে এনেকুৱা এটা পৰিস্থিতিত আমাৰ যি বাজেট আমি আশা কৰা ধৰণে হয়তো হোৱা নাই। তথাপিতো সময়োপযোগী বাজেট বুলি ক'ব লাগিব আৰু এই বাজেটখন আমি সমৰ্থন জনাইছো। সময় যিহেতু কম অলপ স্বাৰ্থপৰ হৈ মই মোৰ নিজৰখিনিয়েই ক'ব বিচাৰিছো যাতে মন্ত্ৰীৰ কাইলৈৰ উত্তৰত আমি কথাখিনি গম পাওঁ। বড়োলেণ্ড কল্যাণ বিভাগৰ কাৰণে কিমান মঞ্জুৰী দিয়া হ'ল বাজেটত আমি দেখা নাপালো। আমি শুনিবলৈ পাইছো যে বড়োলেণ্ডত এতিয়া WPT&BC Department নাথাকিব। কি কি বিভাগ লৈ বড়োলেণ্ড কল্যাণ বিভাগ গঠন কৰা হ'ল এই কথাটো নিশ্চয় কাইলৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ

উত্তৰত আহিব বুলি মই আশা কৰিছো। ইয়াৰ পিছত কোকৰাঝাৰত ‘ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান’ গঠন কৰা হ’ল। ইয়াৰ বাজেট আমি দেখিবলৈ পোৱা নাই। যিহেতু নতুনকৈ এখন ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰা হ’ল- ইয়াৰ আন্তঃগাঁথনি, ইয়াৰ নিৰাপত্তাকে আদি কৰি ইয়াত বহুতখিনি কৰিবলগা আছে। গতিকে স্পেচিফিক ‘ৰাইমনা ৰাষ্ট্ৰীয় উদ্যান’ খনৰ কাৰণে এই বাজেটত কিমানখিনি ধাৰ্য্য কৰা হ’ল এই কথাটো যাতে আহে তাৰ কাৰণে মই আহ্বান জনাইছো। লগতে **২০০৬** চনত ভাৰত চৰকাৰে যি ST and Other Forest Dwellers Act ইমপ্লিমেণ্ট কৰিছিল, ভাৰতৰ বিভিন্ন ৰাজ্যত কেতিয়াবাই এই আইনখন বলৱৎ কৰা হ’ল। কিন্তু অসমত এতিয়ালৈকে এই আইনখন বলৱৎ হোৱা নাই। যোৱা সময়ছোৱাত আমি দেখিবলৈ পাইছো যে আমাৰ কোকৰাঝাৰ বা বিভিন্ন বড়ো অঞ্চলত ST and Other Forest Dwellers সকলে এতিয়াও ভূমিৰ পট্টা পোৱা নাই। সেই সময়ছোৱাত কোৱা হৈছিল যে চাৰ্ভে কৰিবৰ কাৰণে, যাৱতীয় কাম কৰিবৰ কাৰণে চৰকাৰৰ কোনো বাজেট নাই। গতিকে ইয়াত মাননীয় মন্ত্ৰীৰ উত্তৰত যাতে কথাখিনি স্পষ্টভাৱে আহে যে পুনৰ বন্দোবস্তী দিয়াৰ কাৰণে যি ব্যৱস্থা কৰা হৈছে ইয়াত কিমানখিনি বাজেট ধাৰ্য্য কৰা হৈছে যাতে কামবিলাক হয়। কাৰণ ইতিমধ্যে ভাৰতৰ বিভিন্ন ৰাজ্যত হৈ গ’ল। অসমতো দুই এখন জিলাত হৈছে। কিন্তু বাকী জিলা বিলাকত হোৱা নাই। গতিকে ভূমি বন্দোবস্তী নোহোৱাৰ কাৰণে বহুত অঞ্চলত স্কুল-কলেজ প্ৰাদেশিকীকৰণ কৰা হোৱা নাই। বহুত অঞ্চলত এনেকুৱা আছে যে চৰকাৰী কোনো সা-সুবিধা পোৱা নাই। শোণিতপুৰ জিলাৰ আমাৰ বড়ো অঞ্চল বিলাকতো এনেকুৱা বহুত আছে য’ত তেওঁলোকে এম এল এক ভোট দিব পাৰে, এম পিক ভোট দিব পাৰে। কিন্তু পঞ্চায়ত তেওঁলোকৰ নাই। গতিকে অতি সোনকালে আমি বিচাৰো যে ভূমি বন্দোবস্তী দিয়াৰ যিটো কাম সেই কামটো হয় তাৰ কাৰণে স্পষ্টভাৱে বাইদেউৰ পৰা কাইলৈৰ উত্তৰত আমি পাম বুলি মই আশা কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াৰ পিছত দিগন্ত কলিতা ডাঙৰীয়াই কওঁক। আপুনি ৫-৬ মিনিটত শেষ কৰিব।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ মাৰ্গ দৰ্শনেৰে, দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু লগতে আজি আমাৰ অসমৰ মহিলা বিত্ত মন্ত্ৰী বাইদেউৰ যি বাজেট ইয়াত উত্থাপন কৰিলে, সেই বাজেটৰ সমৰ্থনত মই কিছু কথা ক’বলৈ ওলাইছো। মই ক’বলৈ বিচাৰিছো যে অসমৰ ঘৰুৱা উৎপাদন ২০১৫-১৬চনত যিমান আছিল গৈ ২,২৭,৫৪৯ কোটি টকা আৰু এইবাৰ দেখিবলৈ পাইছো যে ২০১৯-২০ চনত গৈ ৩,৫১,০০০ ৰ ওপৰলৈকে বৃদ্ধি হৈছে। অৰ্থাৎ আমাৰ প্ৰায় ১১,০০ শতাংশৰ ওপৰত বৃদ্ধি পাইছে। এই কথাটোৱে কি সূচাব গৈছে যে অসমত এখন সুস্থিৰ চৰকাৰ আৰু এটা স্থায়ী সমাধানৰ চিন্তা-চৰ্চ্চা কৰিছে। আপোনালোক সকলোৱে জানে যে পণ্ডিত দীন দয়াল উপাধ্যায়ৰ একাত্মক মানৱতাৰ যি মনোভাৱ আছিল আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ যি সপোন বাস্তৱত ৰূপায়ণ কৰিবলৈ এই বাজেটখনত উত্থাপন কৰিছে। বিশেষকৈ আমি Sustainable Development Goal ৰ ওপৰত কবলৈ বিচাৰিছো, যে অনাগত দিনত এই বাজেটখনে এখন সুস্থিৰ চৰকাৰ হবলৈ সিদ্ধান্ত লবলৈ গৈছে। মই প্ৰথম বিধায়ক হৈছো। মই বিধায়ক হৈ মোৰ কিছু অভিজ্ঞতাৰ পৰা মই আপোনালোকক ক’ব বিচাৰিছো। নিৰ্বাচনৰ সময়ত যেতিয়া আমি নিৰ্বাচন খেলিবলৈ গৈছিলো, আমি দেখিছিলো যে এখন আঁচনি আমাৰ অন্তৰত বা অসমীয়া ৰাইজৰ আই মাতৃ সকলৰ অন্তৰত খুব বেছিকৈ সোমাই গৈছিল। আজি মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই সংবাদ মাধ্যমক কৈছে যে মই মাতৃ হিচাপে অসমৰ ৰাইজক মাতৃৰ

মনৰ কথা উপহাৰ হিচাপে ৰাইজক দিবলৈ বিচাৰিছো। মই এই আঁচনিখনৰ নাম ক'বলৈ গৈছো। আপোনালোক সকলোৱে জানে অৰুণোদয় আচঁনি। এই অৰুণোদয় আচঁনিখন বিশেষকৈ মই প্ৰথম বিধায়ক হিচাপে যি ঠাইলৈ গৈছো, যলৈকে গৈছো, আই-মাতৃসকলে খালী এটাই কথা কয় যে তোমালোকেএই আচঁনিখন ৰূপায়ণ কৰিছা আৰু এইখন আচঁনিয়ে আমাৰ অসমীয়া ৰাইজৰ আই মাতৃ সকলক আৰ্শীবাদ হিচাপে পাবলৈ সক্ষম হৈছো। ৮৩০ টকা অৰুণোদয় আছিল, আজি অসম চৰকাৰে এহেজাৰলৈ বৃদ্ধি কৰিছে। ইতিমধ্যে যোৱা বছৰত প্ৰায় ২০ লাখ হিতাধিকাৰীয়ে অৰুণোদয় আচঁনিৰ ধন পাবলৈ সক্ষম হৈছিল আৰু এইবাৰ আৰু কিছু বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। মই ভাবো যে অসম চৰকাৰৰ এইখন এখন হিতকাৰী আচঁনি হ'ব আৰু এই আচঁনিয়ে অসমৰ ৰাইজৰ অসমীয়া আই-মাতৃৰ আশীৰ্বাদ আমাক সকলোৱে দিবলৈ সক্ষম হৈছে। অকল এই অৰুণোদয় আচঁনিয়ে দিগন্ত কলিতা বা অকল আমাৰ শাসকীয় দলৰ বিধায়কে পোৱা নাই। আজি বহুতে সমালোচনা কৰিছে অৰুণোদয় লৈ। কিন্তু বিৰোধীয়েও সিমানে এই আচঁনিখন পাইছে। আজি তেখেত ক'বলৈ ভাল নাপাব। কিন্তু তেখেতে ক'লে off the record এইটো কথা কয় যে, অৰুণোদয় আচঁনিখন পাইছে নে? তাৰমানে এই আচঁনিখনে ৰাইজৰ মাজত এটা ডাঙৰ মেচেজ গৈছে। মই ক'বলৈ বিচাৰিছো যিহেতু সময় কম মই কিছু কিছু অংশ আপোনালোকক দাঙি ধৰিব বিচাৰিছো। আজি ক'ভিডৰ সময়ত যোৱা ডেৰ বছৰৰ আগতে যেতিয়া ক'ভিড প্ৰথম ভাৰতবৰ্ষত বা অসমত হৈছিল আমাৰ ভৰিত কঁপনি উঠিছিল। সেই সময়ত আমাৰ বিত্ত মন্ত্ৰী আজিৰ মুখ্যমন্ত্ৰীয়ে সাহসীকতাৰে নিজৰ সকলো কথা বাদ দি দিনে নিশাই ক'ভিড লৈ চিন্তা চৰ্চা কৰি ক'ভিড নিয়ন্ত্ৰণ কৰাৰ কাৰণে চেষ্টা কৰিছে। আজি কোনোবাই ভাবিছিল নে যে ৪৫ দিনত এটা আই চি ইউ গঠন কৰিব পাৰিব। দুশ বেডৰ আই চি ইউ। আমি চাইনাৰ কথা কও, তেৰ দিনত হস্পিতাল হয়। কিন্তু অসমতো প্ৰমাণ কৰি দেখুৱাইছে, যে ৪৫ দিনত দুশখন আই চি ইউ আজি গুৱাহাটী মেডিকেল কলেজত স্থাপন কৰা হৈছে। মই এটা উদাহৰণ আপোনালোকক দিছো। কোনোবাই ভাবিছিল নে যে ক'ভিডৰ সময়ত মোৰ আই বা মোৰ মাতৃ, মোৰ স্বামীক হেৰুৱাইছো আৰু স্বামীক হেৰুৱাৰ পাচত মোৰ মা বা মোৰ ভণ্টিজনীয়ে আঢ়ৈ লাখ, আঢ়ৈ লাখ টকা আচঁনিৰ কাৰণে এইবাৰ অসম চৰকাৰে ইতিমধ্যে দিছে আৰু আপুনি দেখিছে এই কেইটা দিন। কান্দি কান্দি মনৰ বেদনা লৈ এই আচঁনিৰ টকা ল'বলৈ আমাৰ আইসকল ওলাই আহিছে। কিন্তু অসম চৰকাৰৰ এনেকুৱা বহুমুখী আচঁনি আজি দুখীয়া সৰু সৰু ল'ৰা-ছোৱালীক মাহিলী চাৰে তিনি হাজাৰ টকা ভাট্টা, বিভিন্ন ধৰণৰ কথা যে এই ক'ভিডক লৈ আজি বিৰোধীয়ে বা অন্য দলে বহুত সমালোচনা কৰিছে। মই কব'লৈ বিচাৰিছো যে অসম চৰকাৰে এই সময়ত অলপ আগতে ভূৱন পেগুৱে কোৱাৰ দৰে যে আমি ভয় খাই আছিলো যে আমি আচঁনি কি পাম, কি নাপাম, কি কৰ্তন হ'ব। কিন্তু মই ভাবো যে অসম চৰকাৰে ইমান সুন্দৰ পৰিকল্পনা কৰিছে যে তাৰ কাৰণে আজি আমি অসম চৰকাৰৰ বিশেষকৈ মুখ্যমন্ত্ৰী মহোদয় আৰু স্বাস্থ্যমন্ত্ৰী আমাৰ বিত্তমন্ত্ৰী মহোদয়াক আমি গৌৰৱেৰে তেখেতসকলৰ নাম ঘোষণা কৰিছো। মই কব'লৈ বিচাৰিছো আজি এই বিপদৰ মাজত আমি নিৰ্বাচনৰ সময়ত মাননীয় মুখ্যমন্ত্ৰী, এতিয়াৰ মুখ্যমন্ত্ৰী তেতিয়াৰ বিত্ত মন্ত্ৰীয়ে বিনা কোনো কথা চিন্তা নকৰাকৈ তেখেতসকলে কৈছিল যে ঋণ মুক্ত কৰি দিম মাইক্ৰ'ফাইনেঞ্চৰ ক্ষেত্ৰত। কোনোবাই ভাবিছিল নে এইযাৰ কথা যে অসমত এই মাইক্ৰ' ফাইনেঞ্চ ঋণ মুক্ত হ'ব। আজি আপোনালোকে জানে, মুখ্য মন্ত্ৰী মহোদয়ে, বিত্ত মন্ত্ৰী হৈ থকা সময়ত যি কথা তেওঁ ঘোষণা কৰিছিল, এইবাৰ আখৰে আখৰে এই পবিত্ৰ বিধান সভাত পালন কৰিবলৈ তেখেতে আগবাঢ়িছে। আজি বিৰোধীয়ে সমালোচনা কৰিছে আৰু ঋণ পোৱাৰ

কথাটো বুজি পোৱা নাই বুলি কৈছে। আমি কৈছো যে যদি বুজি পোৱা নাই তেন্তে আপুনি সমীৰ সিন্‌হাক এবাৰ লগ কৰক আৰু তেওঁ আপোনাক সুন্দৰকৈ বুজাই দিব যে কি ধৰণে ঋণমুক্ত ব্যৱস্থা হাতত লোৱা হৈছে। কোনোবাই ভাৰিছিল নেকি যে যিসকলে নিয়মিত ভাৱে ঋণ লয়, তেওঁলোকে ২৫ হাজাৰ টকাৰ এককালীন সাহাৰ্য্য পাব। এদিনৰ পৰা ৮৯ দিনলৈ যেতিয়া ঋণ ঘুৰাই দি পৰা নাযাব তেতিয়া চৰকাৰে ২৫ হাজাৰ টকাৰ সাহাৰ্য্য দিব বুলি কোনোবাই ভাৰিছিল নেকি? এনেধৰণৰ কথাবোৰ আমাৰ ৰাইজৰ মাজলৈ ওলাই গৈছে। ৰাইজে পবিত্ৰ সদনত দেখিছে। বিৰোধীয়ে সমালোচনা কৰক কিন্তু সমালোচনা গঠনমূলক হ'ব লাগে। মই ভাবো আমাৰ এই বাজেটখন ভাৰতবৰ্ষৰ ভিতৰত সৰ্ববৃহৎ আৰু সৰ্বশ্ৰেষ্ঠ বাজেট হ'ব। মোৰ ক'বলগীয়া বহুত আছিল, কিন্তু সময় কম। আমি এইবাৰ নতুন বিধায়ক হিচাপে নিৰ্বাচিত হৈছো, সেয়েহে সকলোৰে একেলগে ক'ব বিচাৰিছো। সদৌ শেষত, মাননীয় মন্ত্ৰী মহোদয়াই উত্থাপন কৰা বাজেটখন এগৰাকী মাতৃ হিচাপে ৰাইজৰ মাজত নিজৰ মাতৃৰ মনৰ কথা ক'বলৈ ওলাইছে আৰু এই বাজেটখনক মই সম্পূৰ্ণভাৱে সমৰ্থন কৰিছো। অনাগত দিনত, বিৰোধী আৰু শাসকীয় দলে আঁচনিত সমানে ভাগ পাব, এই কথা মই বিৰোধীক ক'ব বিচাৰিছো। সদৌ শেষত, আপোনাক ধন্যবাদ জ্ঞাপন কৰি মোৰ ভাষণ সমাপ্ত কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** Next, Akhil Gogoi.আপোনাক ৪ মিনিট সময় দিয়া হৈছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, প্ৰথমে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক এটা কথা আঙুলিয়াই দিব বিচাৰিছো যে বাজেটৰ প্ৰথম পৃষ্ঠাতে এটা বহুত ডাঙৰ ভুল হৈছে। সেই ভুলটো হ'ল- লাভলীনা বুঢ়াগোঁহাই নহয়, লাভলীনা বৰগোঁহাইহে। বৰগোঁহাই, বৰপাত্ৰগোঁহাই আৰু বুঢ়াগোঁহাই আমাৰ আহোমসকলৰ খুব গুৰুত্বপূৰ্ণ উপাধি। মই ভাৱো, এই ভুলটো খুব ডাঙৰ ভুল হৈছে। অসমৰ গৌৰৱ লাভলীনাৰ নামটো ভুলকৈ যোৱাটো বৰ ডাঙৰ কথা হৈছে। গতিকে, ইয়াৰ শুধৰণি হ'ব লাগে। মই পোনে পোনে ক'ব বিচাৰিছো যে অৰ্থনীতিৰ এজন ছাত্ৰই এখন ৰাজ্যিক বাজেটক চাৰিটা মৌলিক দৃষ্টিকোণৰ পৰা সতৰ্কতাৰে পৰীক্ষা কৰে। সেই চাৰিটা দৃষ্টিকোণ হ'ল- ক) বাজেটখনে ৰাজ্যখনৰ ভিতৰৰ বা নিজা সম্পদসমূহ ব্যৱহাৰ কৰাত কেনেকুৱা সফলতা লাভ কৰিছে আৰু সম্পদ ব্যৱহাৰৰ বাবে বাজেটখনৰ পৰিকল্পনা কেনে? খ)ৰাজ্যখনৰ উন্নতিৰ বাবে কেনে ৰূপে ব্যয়ৰ পৰিকল্পনা কৰিছে? গ) ৰাজ্যখনৰ নিজা প্ৰকল্প আৰু আঁচনি লোৱা হৈছে নে? ঘ) যদিহে, ৰাজহুৱা ঋণ ল'বলগীয়া হৈছে-- ঋণ অনুপাতে ৰাজহ সংগ্ৰহ হয় নে, সেই ঋণ পৰিশোধ কৰিব পৰাকৈ ৰাজ্যখনৰ অৰ্থনীতি সক্ষম নে?

ক) ২০২১-২২ বৰ্ষৰ অসম বাজেটত ৰাজহ সংগ্ৰহ বৃদ্ধিৰ পৰিকল্পনাসমূহ কি কি? বাজেটৰ Revenue receipt শিতান পৰীক্ষা কৰো আহক। এই সংগৃহীত ৰাজহ শিতানটোৰে সকলো ধৰণৰ কৰ আৰু অনাকৰ ৰাজহ, কেন্দ্ৰীয় কৰৰ পৰা ৰাজ্যখনে পোৱা ভাগটো, দেশৰ বিতীয় আয়োগে ৰাজ্যলৈ দিয়া অনুদান আৰু কেন্দ্ৰীয় চৰকাৰে লোৱা আঁচনিসমূহৰ কাৰণে পোৱা বিত্তীয় অনুদানবোৰ এই Revenue receipt শিতানত লিপিবদ্ধ থাকে।

২০২০-২১ বৰ্ষৰ কাৰণে নিৰ্ধাৰিত ৰাজহ সংগ্ৰহৰ লক্ষ্য আছিল ৯১,৯৩১ কোটি টকা। ২০২১-২২ বৰ্ষত এই লক্ষ্য ৮৮,৭৯৭ কোটি টকা। অৰ্থাৎ, লক্ষ্য নিৰ্ধাৰণতে ৩.৩১ শতাংশ কম। টকাৰ মূল্য হ্ৰাসৰ দিশটো চালে এই হ্ৰাস আৰু কমিব। ৰাজ্যখনৰ নিজা ৰাজহ কৰ, (যেনে-আৰকাৰী কৰ) আৰু অনাকৰ ৰাজহ (যেনে- আমি সকলোৰে দিয়া বিজুলী মাচুল), ২০২০-২১ বৰ্ষত ৩০,৫১৩ কোটি টকা সংগ্ৰহৰ লক্ষ্য ধাৰ্য্য কৰা হৈছিল। ইয়াৰ বিপৰীতে ২০২১-২২ বৰ্ষৰ কাৰণে

১০.৬ % হ্ৰাস কৰি ২৭,২৭৬ কোটি টকা ৰাজহ সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ৰাজ্য এখনৰ অৰ্থনৈতিক অগ্ৰগতি হ'ল ৰাজহ উৎপাদন বৃদ্ধি হ'ব, হ্ৰাস নহয়। চৰকাৰে ৰাজ্যৰ বিকাশ সাংঘাতিক বৃদ্ধি পাইছে বুলি কয়, তেতিয়া হ'লে ৰাজ্যৰ ৰাজহ সংগ্ৰহ বৃদ্ধি পোৱা নাই কিয়? তেন্তে ৰাজ্যখনৰ উন্নতি ক'ত হেৰাই গৈছে? বিধানসভাত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে তাৰ স্পষ্টীকৰণ দিবনে? ৰাজ্যখনৰ নিজা ৰাজহৰ এনে ঋণাত্মক বৃদ্ধিৰ কাৰণ কি সেয়া বুজা লোকে সকলো বুজি উঠিব। এফালে ৰাজহ বৃদ্ধি নোহোৱাৰ বাস্তৱতা, আনফালে অৰ্থনীতিৰ অবিৰত বিকাশৰ শ্লোগান। এই সাঁথৰৰ ভেদ ভঙাৰ দায়িত্ব বিত্তমন্ত্ৰীৰ।

খ) এতিয়া আমি প্ৰস্তাৱিত ব্যয়ৰ প্ৰকাৰ আৰু পৰিমাণ পৰীক্ষা কৰো। চৰকাৰে কিমান ব্যয় কৰিব আৰু কেনেকৈ কৰিব এইটো অতি গুৰুত্বপূৰ্ণ। চৰকাৰে ব্যয় নকৰিলে আমাৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ আন্তঃগাঁথনিবোৰ গঢ়ি উঠিব কেনেকৈ? তাৰোপৰি বজাৰত টকাৰ মূল্য হ্ৰাস পোৱা আৰু সামগ্ৰীৰ অভূতপূৰ্ব মূল্যবৃদ্ধিৰ বাবেও ব্যয় বৃদ্ধি হৈ থকাটো অপৰিহাৰ্য্য। আটাইতকৈ ডাঙৰ কথা ক'ভিড অতিমাৰীয়ে যোৱা ডেৰ বছৰে জনগণৰ জীৱন-জীৱিকা সংকটাপন্ন কৰি তুলিছে। এনে সময়ত প্ৰয়োজন আছিল ব্যয়বহুল বাজেট, য'ত ব্যয় বৃদ্ধি স্পষ্ট ৰূপত প্ৰকাশ পায়। অৰ্থনীতিবিদৰ ভাষাত Expansionary Budget বা সম্প্ৰসাৰিত বাজেট। কিন্তু, আমাৰ নতুন বাজেটখনে ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবি দাঙি ধৰিছে। ২০২০-২১ চনৰ অসমৰ বাজেটখনত সংশোধিত আনুমানিক ব্যয় আছিল, ১,২২,৩৪২ কোটি টকা আৰু ২০২১-২২ বৰ্ষত সেয়া কমি হ'লগৈ ১,০৭,৫৫৬ কোটি টকা। অৰ্থাৎ যোৱা বছৰতকৈ এইবাৰৰ বাজেট ১২ শতাংশ কমকৈ ধাৰ্য্য কৰা হৈছে।

এই ব্যয়ত দুটা শিতান আছে- ৰাজহ (Revenue Expenditure) আৰু মূলধনী ব্যয় (Capital Expenditure)। দৰমহা, পেঞ্চন আদি ব্যয় হ'ল ৰাজহ ব্যয়। মূলধনী ব্যয় হ;লে সেই ব্যয় যাৰ পৰা ভৱিষ্যতৰ সম্পদ সৃষ্টি হয়, অৰ্থাৎ অৰ্থনীতিৰ বিকাশ হয়। বাজেটত মূলধনী ব্যয় লক্ষণীয়ভাৱে বৃদ্ধি পোৱা নাই।

ইতিমধ্যে খুচুৰা মূল্যবৃদ্ধি আৰু পাইকাৰী মূল্যবৃদ্ধি হোৰাহোৰে বাঢ়িছে। খুচুৰা মূল্যবৃদ্ধিৰ হাৰ ৬% আৰু পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ দুই ঘৰ অতিক্ৰম কৰিছে। ইয়াৰ অৰ্থ হ'ল, আমাৰ ৰাইজক সকাহ দিবলৈ বাজেট ব্যয় ৬% তকৈ বেছি বৃদ্ধি হ'ব লাগিব। দেশৰ সকলো গুৰুত্বপূৰ্ণ অৰ্থনীতিবিদে কয় যে এনে একগভীৰ অৰ্থনৈতিক সংকটৰ পৰা উদ্ধাৰ হ'বলৈ হ'লে আমাৰ ব্যয় শিতানত big push দিয়াৰ প্ৰয়োজন। অৰ্থাৎ, ব্যয়ত বৃহৎ বিনিয়োগৰ প্ৰয়োজন। আমাৰ নিশকটীয়া হৈ পৰা, চলিব নোখোজা অৰ্থনীতিৰ গাড়ীখনক এক Big push ৰ দৰকাৰ। দুৰ্ভাগ্যবশতঃ ২০২১-২২ বৰ্ষৰ বাজেট ইয়াৰ সম্পূৰ্ণ ওলোটা। এইবাৰৰ বাজেটত ব্যয় কিয় লক্ষ্যণীয়ভাৱে বৃদ্ধি হোৱা নাই, কথাটো সহজ, আমাৰ ৰাজহ সংগ্ৰহ যিহেতু বৃদ্ধি হোৱা নাই বা কমি গৈছে গতিকে খৰচ ক'ৰ পৰা কৰিব? অৱশ্যেই, সু-পৰামৰ্শও বিভিন্ন অৰ্থনীতিবিদে দিছে। কিন্তু, চৰকাৰে তেনে কোনো জনা-বুজা অৰ্থনীতিবিদৰ পৰা পৰামৰ্শ লয় নে? কমি অহা ৰাজহ (নিম্ন ৰাজহ) আৰু প্ৰস্তাৱিত নিম্ন ব্যয় মিলি আমাৰ অৰ্থনীতিৰ ওপৰত যে বৃহৎ মাধমাৰ পৰিব সেয়া খাটাং। বাজেটখন পঢ়িব মোৰ এনে লাগিল যে আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে ৰাজ্যখনৰ অৰ্থনীতিৰ জটিল সমস্যাবোৰৰ চৰিত্ৰ আৰু কেৰোণবোৰ ভালদৰে নুবুজাকৈয়ে বাজেতখন প্ৰস্তুত কৰিলে। এনে কঠোৰ বাক্য প্ৰয়োগ কৰাৰ বাবে মই ক্ষমা প্ৰাৰ্থী। এতিয়া মই ৰাজ্যখনৰ নিজা প্ৰকল্প আৰু আঁচনিৰ কথালৈ আহো। বাজেটখনত আঁচনি আছে। কিন্তু প্ৰকল্প নাই। বাজেটৰ আগদিনা প্ৰকাশ পোৱা Economic Survey of

Assam ৰ মতে, অসম আৰু ভাৰতৰ গড় জনমুৰি আয়ৰ পাৰ্থক্য এতিয়া চলিত মূল্যত ৪৩,৪৬৮ টকা। স্থিৰ মূল্যত এই পাৰ্থক্য ৩২,১৫৮ টকা। যোৱা ২০১১-১২ বৰ্ষৰ পৰা এই পাৰ্থক্য তীব্ৰ গতিত বৃদ্ধিয়েই পাই আহিছে। ২০১১-১২ চন আৰু ২০১৯-২০ চনৰ মাজত প্ৰায় ৯৫% বৃদ্ধি পালে। মানে, দহ বছৰ নহওঁতেই অসম আৰু ভাৰতৰ জনমুৰি আয়ৰ পাৰ্থক্য প্ৰায় দুগুণ বৃদ্ধি পালে। অৰ্থাৎ অসমৰ এজন মানুহৰ গড় উপাৰ্জন ভাৰতৰ এজন মানুহতকৈ দুগুণ কম। ইয়াৰ পিছত কিবা ক'বলৈ থকিল নে? আমি বাজেটত এনে প্ৰকল্প ল'ব লাগিব যিয়ে আমাৰ গড় জনমুৰি আয় তীব্ৰ গতিত বৃদ্ধি কৰিব। ২০২১-২২ বৰ্ষৰ বাজেটত তেনে কোনো বিশেষ ব্যৱস্থা নাই।

**মাননীয় উপাধ্যক্ষঃ** সোনকালে শেষ কৰিবলৈ চেষ্টা কৰক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, আৰু এক মিনিট সময় বিচাৰিছো।

অৰ্থনৈতিক সমীক্ষা পঢ়ি দেখিছো যে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদনক লৈ কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ অৰিহণা পূৰ্বৰ ১৯% পৰা ১৫% লৈ হ্ৰাস পাইছে। ২০১৯-২০ বৰ্ষত বাৰ্ষিক বৃদ্ধিৰ হাৰো অতিকৈ কম। মাত্ৰ ২.৩৫% হে। ৰাজ্যখনৰ অন্য এটা বৃহৎ নিয়োগকাৰী খণ্ড শস্য আৰু পশুধন খণ্ডৰো বিকাশৰ হাৰ ক্ৰমে ১.৮% আৰু ০.৬৯%। পঞ্জাৱ আৰু হাৰিয়ানাত এই খণ্ডবোৰৰ বিকাশ যথেষ্ট ভাল। উৎপাদন বৃদ্ধিৰ হাৰ নিম্ন উৎপাদিত দ্ৰব্যৰ যথোপযুক্ত মূল্য নোপোৱা অৱস্থা আৰু নিম্ন মূল্য সংযোজনৰ বাবে চৰকাৰে কোনো বলিষ্ঠ পদক্ষেপ নোলোৱাৰ বাবে আমাৰ গড় জনমুৰি আয় বৃদ্ধি শামুকীয়া হৈ আছে। ভাল চিকিৎসা নকৰিলে পৰিস্থিতি অধিক বেয়া হ'ব। বাজেটত কৃষি, শস্য, পশুধন আদিত লক্ষ্যণীয় হস্তক্ষেপ দেখা নগ'ল যিয়ে ৰাজ্যৰ জনগণৰ আয় বৃদ্ধি কৰিব পাৰে। মোৰ শেষত এটা পইণ্ট আছে, সেইটো শেষ কৰি দিব পাৰো নে?

**মাননীয় উপাধ্যক্ষঃ** সময় নাই।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** উপাধ্যক্ষ মহোদয়, মাত্ৰ এটা পইণ্ট ক'ব বিচাৰিছো।

যি সময়ত সংগৃহীত ৰাজহ হ্ৰাস পাইছে আৰু ব্যয় বৃদ্ধি পাইছে, সেই সময়ত ৰাজহুৱা ঋণৰ বোজা আকাশলংঘী হৈছে। ।২০২১-২২ বৰ্ষত অসমৰ ঋণৰ বোজা ৯৯,৫৯৪ কোটি টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে। ২০১৫-১৬ বৰ্ষত অৰ্থাৎ প্ৰয়াত তৰুণ গগৈ চৰকাৰৰ দিনত ঋণ আছিল ৩৫৬৯০.২২ কোটি টকা আৰু এইবাৰ মুঠ ৯৯,৫৯৪ কোটি টকাৰ ঋণ লোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

**মাননীয় উপাধ্যক্ষঃ** Try to conclude.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** শেষ কৰিব খুজিছো। মই আৰু কেইটামান point ত কথা ক'ব বিচাৰিছো। মাত্ৰ point কেইটা কৈ শেষ কৰিছো। ক'ভিড নিয়ন্ত্ৰণ আৰু ক্ষতিপূৰণ, নিৱনুৱা সংস্থাপন, বানমুক্ত অসম, চাহ শ্ৰমিকৰ মজুৰি, ৬ জনগোষ্ঠীৰ জনজাতিকৰণ, বিশেষ ৰাজ্যৰ মৰ্য্যাদা পুনৰ ঘুৰাই অনাৰ বিষয়ত আলোচনা। মই শেষত চৰকাৰলৈ ধন্যবাদ জনাব খুজিছো যে আমাৰ শিৱসাগৰক লৈ যি তিনিটা প্ৰস্তাৱ আনিছে তাৰবাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

(অখিল গগৈ ডাঙৰীয়াই তেখেতৰ লিখিত বক্তব্য সদনত দাখিল কৰে)।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২০২১ চনৰ ১৬ জুলাই সময় ৩ বজাত আমাৰ স্বাধীন অসমৰ প্ৰথম গৰাকী মহিলা বিত্ত মন্ত্ৰী শ্ৰী মতী অজন্তা নেওগ বাইদেউৱে বাজেটখন আমাৰ অসম বিধান সভাত দাঙি ধৰিলে। এই বাজেটখনক বহুতে বিভিন্ন ধৰণে আখ্যা দিছে। কোনোবাই কৈছে সাম্প্ৰদায়িক বাজেট, কোনোবাই কৈছে জনকল্যাণ বিমুখী বাজেট, কোনোবাই

এনদৰে বেলেগ বেলেগ ব্যাখ্যা দিছে। কিন্তু আমি এটা কথা ক'ব খোজো ২০২১-২২ চনৰ যিখন বাজেট অজন্তা নেওগ বাইদেউৰে দাঙি ধৰিলে এই বাজেটখন সম্পূৰ্ণ জনকল্যাণকামী বাজেট আৰু এই বাজেটখন সৰ্বস্পৰ্শী। সকলো ধৰণৰ মানুহৰ উপকাৰ সাধিব পৰাকৈ এই বাজেটখন প্ৰস্তুত কৰা হৈছে। এই বাজেটখন অধ্যয়ন কৰি এটা কথা আমি গম পালো যে আমাৰ হিন্দু শাস্ত্ৰত এষাৰ বেদমন্ত্ৰ আছে-

সৰ্বে ভৱন্তু সুখীনঃ
সৰ্বে সন্তু নিৰাময়াঃ।
সৰ্বে ভদ্ৰানি পশ্যান্তু
মা কচ্ছিদুঃ খভাগ্যবেত।
ঔ শান্তিঃ শান্তিঃ শান্তিঃ।।

এই শান্তি মন্ত্ৰটোৰ যোগেদি এই কথাটোক বুজোৱা হৈছে যে সকলোৰে সুখত থাকক, সকলোৰে শান্তিত থাকক, সকলোৰে নিৰাময় হওঁক। কোনেও অমঙ্গলৰ মুখামুখি নহওক। এনেধৰণৰ যি ভাৱ ব্যক্ত কৰা হয় মই এই মন্ত্ৰ ফাঁকিৰ যোগেদি আমাৰ এই বাজেটখনতো এনেধৰণৰ ভাৱ এটা প্ৰকট হৈ উঠিছে। গতিকে সেই কাৰণে মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। লগতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। অসম চৰকাৰৰ এই যি বাজেট তাৰ সৰ্বমুঠ ব্যয় হৈছে আনুমানিক ১,০৭,৫৫৬.২৯ কোটি টকা। এই বাজেটখনৰ যোগেদি সঁচা অৰ্থত এগৰাকী মমতাময়ী মাতৃৰ কৰুণাময়ী হৃদয়েৰে প্ৰস্তুত কৰা এখন বাজেট পাবলৈ সক্ষম হৈছো। দেশৰ কোটিপতি উদ্যোগী ব্যৱসায়ীজনৰ পৰা গাওঁৰ দাল-দৰিদ্ৰ, কৃষক-শ্ৰমিক জনলৈকে সকলোকে স্পৰ্শ কৰিব পৰাকৈ এইখন বাজেট প্ৰস্তুত কৰা হৈছে। তাৰোপৰি সমাজৰ তিনিটা বিশেষ শ্ৰেণী যেনে- শিশু, দিব্যাংগ আৰু মহিলা সকলৰ বাবে বিশেষভাৱে এই বাজেটত স্থান ৰখা হৈছে। তাৰবাবেও মই বাইদেউক ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত মই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো। বাজেটখন অধ্যয়ন কৰাৰ পাছত এটা কথা মোৰ মনলৈ আহিছে। এগৰাকী আমেৰিকান চিনেটে মেৰী লেন্ড্ৰিউয়ে কৈছিলে যে - A Budget should reflect the values and priorities of the Nation. আমাৰ বাজেটখন এনেকুৱা হ'ব লাগে যিখনে আমাৰ মূল্যবোধক গুৰুত্ব প্ৰদান কৰে। আমাৰ সমস্যাবিলাকক prioritise কৰি তাক অগ্ৰাধিকাৰ দিয়ে আৰু আমাৰ ৰাষ্ট্ৰৰ যিটো স্বাৰ্থ সেইটো ৰক্ষণাবেক্ষণ দিয়ে। এই কথাখিনি এইবাৰ বাজেটত প্ৰতীয়মান হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা ক'ব লাগিব যে কৰ'ণাৰ ইমান এটা সংকটৰ সময়ত যিটো ২০২০ চনৰ আৰম্ভণিৰ পৰাই সমগ্ৰ বিশ্বত প্ৰতীয়মান হৈ আছে আৰু সমগ্ৰ বিশ্বতে recession ৰ দৰে পৰিৱেশ সৃষ্টি হৈছে। এই সময়তো কিন্তু আমাৰ অসম চৰকাৰ বৈ থকা নাই। বিগত দিনবিলাকত যিমান আঁচনি প্ৰস্তুত কৰা হৈছিল সেইখিনি প্ৰায়ভাগ আমি আগুৱাই নিবলৈ সক্ষম হৈছো। এই মন্দাৱস্থাৰ মাজতো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সৱল নেতৃত্বৰ বাবে এই জনপ্ৰিয় চৰকাৰখনে সফলতা লাভ কৰিবলৈ সক্ষম হৈছো আৰু আমি সকলোৰে নিৰন্তৰ প্ৰচেষ্টাত আমাৰ ৰাজ্যখনৰ লগতে আমাৰ দেশখনক আগবঢ়াই লৈ যাম। এই মূহুৰ্তত মই আমাৰ সকলোৰে আদৰ্শ পুৰুষ মোহন ভাগবতৰ এষাৰ কথা ক'ব বিচাৰিছো। তেখেতে কবিতা আকাৰে এষাৰ কথা কৈছিল -

হে কঠিন য়হ মাৰ্গ লেকিন অনৰৱত হম বঢ় ৰহে হ্যায়
ইন প্ৰৱলতম আন্ধিয়োছে হম নিৰন্তৰ লড় ৰহে হ্যায়
সাধনা সাকাৰ কৰদে বাচ এহি নিশ্চয় ঠনা হ্যায়
চিৰ বিজয় কি কামনা হ্যায় কৰ্ম হি আৰাধনা হ্যায়।

আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক সেইটোৱে শিকাই গৈছে। আজি ২৪ ঘন্টা তেওঁ মুখ্যমন্ত্ৰী ৰ কাৰ্য্যলিয় খোলা দিছে। ইয়াৰ যোগেদি অসমত এটা নতুন কৰ্ম সংস্কৃতি সৃষ্টি হৈছে। গতিকে এনে মূহুৰ্তত মই বিৰোধীৰ যি সমালোচনা শুনিলো আপোনালোকক মই ক'ব বিচাৰিছো যে ইয়াত যিখন অষ্টাদশী মুকুতাৰ উন্নয়নী মালাখনক আপোনালোকে কেনেকৈ ব্যক্তিগত হিতাধিকাৰী সৃষ্টি হোৱা বুলি ক'ব। অন্ন সুৰক্ষা আঁচনি, অৰুণোদয় আঁচনি এইবিলাকক আপোনালোকে ব্যক্তিগত আঁচনি ক'ব খুজিছে নেকি? এই আঁচনি খনত আমি সকলো মানুহক কংগ্ৰেছ, বিজেপি, এজিপি, এআইইউডিএফ, নিৰ্দলীয় সকলো মানুহক সাঙুৰি লোৱা হৈছে। আপোনালোকে সদনত ভুল বাৰ্তা প্ৰেৰণ নকৰিব। কেৱল আলোচনাৰ নামত সমালোচনা কৰিলে নহ'ব। সমালোচনা কৰা সকলক মই কৈছো যে আপোনালোকে নিজৰ নিজৰ মুখবোৰ এবাৰ চাব। কাৰণ একালত আপোনালোক শাসনত আছিল। সেইকাৰণে এটা গালিবৰ শ্বায়েৰীৰে মই মোৰ বক্তব্য সামৰণি মাৰিব বিচাৰিছো। মই বিৰোধী সকলক ক'ব খুজিছো -

উম্ৰ ভৰ গালিব য়হি ভুল কৰতা ৰহা,
ধুল চেহেৰেপে থী, অৰ আইনা সাফ কৰতা ৰহা।

ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী জয়ন্ত বসুমতাৰী। আপুনি তিনি মিনিটৰ সময় পাব।

**শ্ৰী জয়ন্ত বসুমতাৰী (চিডলী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আৰু মাননীয় সদন। মই অসম চৰকাৰৰ যিখন বাজেট সেইখন সমৰ্থন জনাইছো। বিত্ত মন্ত্ৰী বাইদেউৱে আৰম্ভণিতে কৈছিলে যে মাতৃৰ যি মৰমভৰা হৃদয়, সেই হৃদয় লৈ অসমৰ বাজেটখন তেখেতে প্ৰস্তুত কৰিছে। এই বাজেটত অসমৰ সমাজৰ যি দূৰ্বল শ্ৰেণী, তাক আগত ৰাখি বাজেটখন প্ৰস্তুত কৰা হৈছে। ইয়াত বিশেষকৈ অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণীৰ জনগোষ্ঠীবোৰক উন্নতি কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। আমাৰ সমাজৰ অৰ্থনীতিৰ ভেটি বুলিলে agriculture বুজোৱা হয়। অসমৰ ৮০ ৰ পৰা ৯৫ শতাংশ জনসাধাৰণ কৃষিৰ লগত সম্পৰ্ক। খেতিয়ক সকলক সকাহ দিবৰ কাৰণে আৰু আৰ্থিক উন্নতি কৰাৰ কাৰণে ইয়াত বহুতো ব্যৱস্থা কৰা হৈছে। সেইকাৰণে মই বিত্ত মন্ত্ৰী বাইদেউ আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। এই বাজেট জনমুখী বাজেট। ইয়াৰ দ্বাৰা অসমৰ দুৰ্বল শ্ৰেণীক উন্নতি কৰাৰ থল আছে আৰু যুৱ চাম, বিশেষকৈ যিবিলাক শিক্ষিত নিবনুৱা আছে তেওঁলোককো সংস্থাপন দিয়াৰ কাৰণে ইয়াত ব্যৱস্থা কৰা হৈছে। সেইকাৰণে মই পুনৰবাৰ বিত্তমন্ত্ৰী বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছো। এইখিনিতে মই বিত্ত মন্ত্ৰী বাইদেউলৈ অনুৰোধ জনাম যাতে তেখেতৰ উত্তৰত এইটো স্পষ্ট হয় যে এন ডি এ ফ বি সকলৰ পুনৰ সংস্থাপনৰ কাৰণে কিমানখিনি টকা বাজেটত ধাৰ্য্য কৰা হৈছে সেইখিনি যাতে উল্লেখ কৰে। মোৰ সমষ্টি চিডলিত গৰাখহনীয়াৰ সমস্যা আছে। মই শুনিছো যে বেকী নদীৰ গৰাখহনীয়া ৰোধ কৰিবৰ কাৰণে ৫০০ কোটি টকাৰ

এটা মিছন আছে। মোৰ সমষ্টিত আই নদীকে আৰম্ভ কৰি নাঙলভাঙা আদি নদী গৰাখহনীয়াৰ কৱলত পৰি লাখ লাখ মাটি নদীৰ বুকুত জাঁহ গৈছে গতিকে এই গৰাখহনীয়া ৰোধ কৰিবৰ কাৰণে বাজেটত যদি কিবা ধাৰ্য্য কৰিব পৰা যায় তাৰ উত্তৰ ও মই নিশ্চয় বিচাৰিম। শেষত মই পুনৰবাৰ বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**সভাপতি ঃ** এতিয়া শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় সভাপতি মহোদয়, যোৱা ১৬ তাৰিখে বিধান সভাত যি বাজেট উত্থাপন কৰিলে অসমৰ ইতিহাসত প্ৰথম গৰাকী মহিলা বিত্তমন্ত্ৰী হিচাবে আমি সকলোৱে গৌৰৱ অনুভৱ কৰিছো। এই বাজেটত মহিলা সৱলীকৰণৰ প্ৰতি গুৰুত্ব দিয়াতো প্ৰতিফলিত হৈছে। এই বাজেটখন হৈছে জনকল্যাণমুখী আৰু প্ৰতিশ্ৰুতি পূৰণৰ বাজেট। মই এই কাৰণেই প্ৰতিশ্ৰুতি পূৰণৰ বাজেট বুলি কৈছো কিয়নো নিৰ্ব্বাচনৰ প্ৰাক্ক্ষণত যেতিয়া এখন চৰকাৰে ক্ষমতালৈ আহিবলৈ যি প্ৰতিশ্ৰুতি দিয়ে সেই প্ৰতিশ্ৰুতি সমূহ ৰাইজে আখৰে আখৰে পালন হোৱাতো বিচাৰে। অৰুণোদয় আঁচনিৰ যি ধন ৰাইজে পাই আছিলে সেই ধন এতিয়া বঢ়োৱাৰ কথা, ১ লাখ নিবনুৱাৰ নিযুক্তিৰ কথা, মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই দিয়াৰ কথা ইত্যাদি নিৰ্ব্বাচনৰ প্ৰাক্ক্ষণত ঘোষণা কৰা কথা এইবাৰ বাজেটত দেখিবলৈ পোৱা গৈছে। মই এই কাৰণেই এইখন প্ৰতিশ্ৰুতি পূৰণৰ বাজেট বুলি কৈছো। সভাপতি মহোদয়, এইয়া এক সময় যি সময়ত বিশ্বৰ লগতে ভাৰত তথা অসমতো অৰ্থনৈতিকভাৱে বিপৰ্য্যয়ৰ সন্মূখীন হৈছে। সেই সময়ত অসমবাসীয়ে হয়তো ভাবিছিল যে এনেকুৱা এখন বাজেট আহিব য'ত নেকি ৰাইজৰ ওপৰত কৰৰ বোজা হ'ব কাৰণ সকলোৱে দেখিছে যে অৰ্থনৈতিক ক্ষেত্ৰত একেবাৰে বিপৰ্য্যয়ৰ সন্মূখীন হৈছে। কিন্তু এটকাও কৰ আৰোপ নকৰাকৈ আজি এই বাজেটখন দিয়া হৈছে। সেয়ে মই মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। সভাপতি মহোদয়, ক'ভিড পৰিস্থিতিৰ কথা আমি সকলোৱে গম পাইছো। গতিকে যেতিয়া এজন ক'ভিডত আক্ৰান্ত হয় তেতিয়া সেই ৰোগীজনক চিকিৎসাকে আদি কৰি পৰিয়াললৈ খাদ্য সামগ্ৰী যোগান ধৰাৰ পৰা আদি কৰি স্বাস্থ্যক্ষেত্ৰত সকলোৱে কাম কৰি গৈছে। এই সময়চোৱাত বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় স্বাস্থ্যমন্ত্ৰী হিচাবে আছিলে আৰু সেই সময়ত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য সমূহত যিখিনি সাহাৰ্য্য হোৱা নাছিল সেইখিনি অসমত আমি দিবৰ কাৰণে সক্ষম হৈছিলো। ক'ভিডত আক্ৰান্ত ব্যক্তি সকলক অকল চিকিৎসা কৰাই নহয় যিসকলৰ পিতৃ-মাতৃ এই মহামাৰীত মৃত্যু হৈছে তেওঁলোকক ৭ লাখ ৮১ হাজাৰ ২ শ টকা একেলগে বেংকত ডিপোজিত কৰি যি ধৰণে তেওঁলোকক সাহাৰ্য্য দিয়া হৈছে, ঠিক একেধৰণে যিসকলৰ স্বামী এই মহামাৰীত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছে তেওঁলোকক ২ লাখ ৫০ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। যোৱাকালি আমি স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াৰ সৈতে একেলগে নগাওঁত এই মহামাৰীত মৃত্যু হোৱা লোকৰ আত্মীয়ক এই চেকসমূহ বিতৰণ কৰিছিলো আমি দেখিছিলো যে এই মহামাৰীৰ ফলত বিধৱা হোৱা মহিলাসকলে চেক লোৱাৰ সময়ত আবেগিক হৈ পৰিছিল। গতিকে এই মহামাৰীৰ সময়ত আমি এনেকুৱা এখন বাজেট দেখিবলৈ পাইছো য'ত স্বাস্থ্য আৰু শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আমি সকলোৱে জানো যে শিক্ষা আৰু স্বাস্থ্যখণ্ড হৈছে এখন ৰাজ্যৰ মেৰুদণ্ড স্বৰূপ। আমি এই দুটা খণ্ড অৰ্থনৈতিক ফালৰ পৰাই হওঁক বা অন্যান্য সকলো ক্ষেত্ৰতে আগবঢ়াই নিব পাৰো। শিক্ষাৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে বৰ্তমান সময়ত ক'ভিডৰ কাৰণে স্কুল-কলেজ সমূহ বন্ধ হৈ আছে আৰু এই বন্ধ হৈ থকা সময়তে অনলাইন ক্লাচ বিলাক হৈ আছে আৰু ভিতৰুৱা অঞ্চলত যিবিলাক ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰ্থিকভাৱে সৱল নহয়, ম'বাইল ফোন নাই

সেইসকল নৱম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এনড্ৰইড মবাইল ফোন আগবঢ়াই শিক্ষাৰ ক্ষেত্ৰত যাতে পিছপৰি নাযায় তাৰবাবে এই চৰকাৰখনে ব্যৱস্থা কৰি দিছে। আমি দেখিবলৈ পাওঁ যে শিশু অৱস্থাত প্ৰাথমিক শিক্ষাটো অংগন বাড়ী কেন্দ্ৰৰ পৰাই হয় গতিকে যি সমূহ অংগনবাড়ী কেন্দ্ৰ হ'ব সেই কেন্দ্ৰ সমূহ ২৫ লাখ টকা ব্যয় সাপেক্ষে ১০০০ টা মডেল অংগনবাড়ী চেণ্টাৰ যি সমূহ পিছত ১০ হাজাৰ স্কুললৈ ৰূপান্তৰিত কৰিব। আমি দেখিবলৈ পাইছো যে চহৰত যি প্লে স্কুল বিলাক আছে, বিভিন্ন ধৰণৰ ডাঙৰ ডাঙৰ কোম্পানী- ইউৰ' কিডচ্, কিড জি এই স্কুল বিলাকৰ সুন্দৰ ইনফ্ৰাকষ্ট্ৰাকচাৰ থাকে। গতিকে ২৫ লাখ টকাৰ আমাৰ অংগনবাড়ী স্কুল খনত যদি এটা সুন্দৰ পৰিবেশ হয় তেতিয়া আমাৰ শিশু সকল সেইখন স্কুললৈ যাব আৰু শিক্ষাৰ ক্ষেত্ৰত এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰিব। সভাপতি মহোদয়, আমাৰ ১০০০ কিলোমিটাৰ যি মথাউৰি ৰাস্তালৈ ৰূপান্তৰিত হ'ব এইক্ষেত্ৰত জলসম্পদ বিভাগতো টকা নিৰ্ধাৰণ কৰি দিয়া হৈছে। প্ৰায় ৮৯৩ কোটি টকা মই ভাৱো এই টকাতো পৰ্য্যাপ্ত নহয়, এই টকাটো বঢ়াব লাগে। যিহেতু আমাৰ এটা সমস্যা বান সমস্যাটো থাকে এই সমস্যা সমাধানৰ ক্ষেত্ৰত কিছু পুঁজিৰ প্ৰয়োজন আছে। মোৰ সমষ্টি নগাওঁৰ মাজেদি কলং নদীখন বৈ গৈছে। এই কলঙখন লৈ মধ্য অসমৰ প্ৰত্যেকগৰাকী ব্যক্তিৰ আমাৰ প্ৰাণ আছে আৰু এই কলঙখন বোৱাবৰ কাৰণে বিভিন্ন সময়ত নগাওঁৰ ব্যক্তি, সামাজিক প্ৰতিষ্ঠানে সদায় এক দাবী উত্থাপন কৰি আহিছে। ইয়াৰ আগৰ সময়চোৱাতো ১৩৫ কোটি টকা বাজটত ধৰিছিল। এইবাৰো এই কলঙখন যাতে পুনৰুজ্জীৱিত কৰিব পাৰি বোৱতি কৰিব পাৰি তাৰবাবে এইবাৰ চৰকাৰে যাতে পদক্ষেপ লয়। বিশেষকৈ এটা কথা আমি ক'ব লাগিব যে ইয়াৰ আগত প্ৰতিটো পেঞ্চন যেনে- বৃদ্ধ পেঞ্চনেই হওঁক, বিধৱা পেঞ্চনেই হওঁক বা শাৰিৰীক ভাৱে সক্ষম ব্যক্তি সকলৰ পেঞ্চনেই হওঁক আমি দেখা পাইছো যে আগৰ সময়চোৱাত মই প্ৰথমবাৰ ২০১৬ চনত যেতিয়া বিধায়ক হেচাপে নিৰ্ব্বাচিত হৈ আহো তেতিয়া মই মোৰ সমষ্টিলৈ যেতিয়া যাওঁ আৰু বৃদ্ধ সকলক লগ পাওঁ তেওঁলোকে কয় যে বোপা মোৰ বয়স ৪ কুৰিৰ দেওনা পাৰ হৈছে, কেনোবাই কোনোবাই কয় যে মোৰ বয়স ৭০ বছৰ তথাপি আমি বৃদ্ধ পেঞ্চন নাপালো। সভাপতি মহোদয়, এইখন চৰকাৰে প্ৰত্যেক গৰাকী বৃদ্ধক, শাৰিৰীক ভাৱে সক্ষম ব্যক্তি সকলৰ কাৰণেও পেঞ্চনৰ ব্যৱস্থা .কৰিছে। বিৰোধী পক্ষই সদায় বিৰোধ কৰিব লাগে কাৰণেই আজি বাজেটত বিৰোধ কৰিছে। এই সময়ত এই চৰকাৰখনে আহিয়েই কি ধৰণে এই ৫ বছৰত কাম কৰিব তাৰ এটা ইংগিত বহন কৰিছে। কৃষি, হৰটিকালচাৰ, ভেটেইনাৰী...............

**মাননীয় সভাপতি ঃ** এতিয়া সময় ৬ বাজিছে। সদনৰ সন্মতি থাকিলে আমি সময় আৰু ১৫ মিনিট বঢ়াব পাৰো।

(সদনে সন্মতি প্ৰকাশ কৰে)

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় সভাপতি মহোদয়, হস্ততাঁত-বস্ত্ৰশিল্পৰ আমাৰ যিখিনি শিপিনী আছে তেওঁলোকৰ ক্ষেত্ৰতো এটা সুদূৰপ্ৰসাৰী পদক্ষেপ লৈ তেওঁলোকক এখোজ আগবঢ়াই নিছে। আমি দেখিবলৈ পাইছো যে আত্মনিৰ্ভৰশীল যিবিলাক গোট আছিল তেওঁলোকে হাতে বোৱা সামগ্ৰী গামোচাৰ পৰা আদি কৰি পানী মেটেকাৰ পৰা বেগ বনোৱালৈকে হাতে বনোৱা বিভিন্ন ধৰণৰ সামগ্ৰী উৎপাদন কৰি বাহিৰত বিকিবলৈ সক্ষম হৈছে। আজি এইখন বাজেটত তেওঁলোকক এখন প্লেটফৰ্ম দিয়াৰ কথা চিন্তা কৰিছো। মই আশা কৰিছো যে মহিলা সকলক নিশ্চয় এই ক্ষেত্ৰত আগুৱাই নিব পাৰিম। মই বেছি দীঘলীয়া নকৰি শেষত কব বিচাৰিছো যে ক্ষুদ্ৰ ব্যৱসায় শিল্পী আৰু কাৰু শিল্পী সকললৈ যি ধৰণে এই চৰকাৰে ১ হাজাৰ টকাকৈ এই ক'ভিডৰ সময়ত এককালিন

সাহাৰ্য দিয়াৰ বাবে চিন্তা কৰিছে, মই এই ক্ষেত্ৰত চৰকাৰ খনক বিশেষকৈ ধন্যবাদ জনাব বিচাৰিছোঁ. এই শিল্পী সকলৰ সঁচাকৈ খুবেই বেয়া অৱস্থা, কাৰণ তেওঁলোকে কতো অনুস্থান কৰিব পৰা নাই। ইয়াৰ লগতে আমি আশা কৰিছো যে আমাৰ যিবোৰ Tour operator আছে, যিহেতু এতিয়া tourism বন্ধ হৈ আছে, গতিকে তেওঁলোকৰ বাবে কিবা এটা চিন্তা কৰিব পাৰি নেকি? সেইটো কৰিলে বহুত সুখী হ'ম। এইখিনি কৈ মই বাজেট বক্তৃতা সামৰণি মাৰিলোঁ।

**সভাপতি (শ্ৰীওৱাজেদ আলী চৌধুৰী ) ঃ** পৰৱৰ্তী বক্তা মানব ডেকা, ৫ মিনিট মাত্ৰ কব।

**শ্ৰী মানব ডেকা (লক্ষীমপুৰ) ঃ** মাননীয় সভাপতি মহোদয়, যোৱা ১৬ জুলাই তাৰিখে আমাৰ সন্মানীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যিখন বাজেট দাখিল কৰিছে, সেই বাজেট খনৰ লগত মোৰ সমষ্টিৰ আবেগ জড়িত হৈ আছে। আপোনালোকে যদি এতিয়া নিউজ চেনেল চাই দেখা পাব যে বিশেষকৈ যদি যোৱা কালিৰ চাই তেতিয়া দেখা পাব যে লক্ষীমপুৰত আৰতৰীয়া বিহু উৎযাপন কৰা দেখা গৈছে। তাৰ কাৰণটো কোৱাৰ আগতে মই ইয়াত কেইবাজনো ব্যক্তি জড়িত হৈ থকাটো আঙুলিয়াই দিব খুজিছোঁ। বিশেষকৈ ভৰত নৰহ ডাঙৰীয়া আছে, ইয়াত ভূৰন পেগু ডাঙৰীয়া আছে, ড° ৰনোজ পেগু ডাঙৰীয়াও আছে, আৰু তেওঁলোকে জানে যে ঘুনাহসূতী বুলি যিটো ঠাইৰ নাম শুনিছে আৰু মই নাভাৱো যে ইয়াত ৪ বা ৫ জন মানুহতকৈ বেছি মানুহৰ ঘুনাহসূতীৰ ওপৰত জ্ঞান আছে। ১৮৯৪ চনত ৰজনীকান্ত বৰদলৈয়ে যি মিৰিজিয়ৰী লিখিছিল আৰু তাত যি জংকী-পানৈৰ কথা আছিল আৰু সেই কিতাপত আজিৰ পৰা ১২৫ বছৰ আগতে সেই ঠাইৰ যি পৰিৱেশৰ কথা উল্লেখ আছিল আজিও সেই একে পৰিৱেশ সেই ঠাইত বিৰাজমান। তাত কোনো পটভূমিৰ সলনি হোৱা নাই। কিবা যদি সলনি হৈছে সেইটো হ'ল নাও কেইখনত মটৰ ইঞ্জিন লগোৱা হৈছে, আগৰ হাত নাওৰ ঠাইত। ভূৰন পেগু ডাঙৰীয়াই কোৱাৰ নিচিনা আজি এই কভিড সৃষ্ট অৰ্থনৈতিক মণ্ডাৱস্থাটো যি ধৰণে দেশৰ অৰ্থনীতিত প্ৰভাৱ পৰিছে তাৰ মাজতে বিত্তমন্ত্ৰী ডাঙৰীয়ানী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই যে সেই ঠাইত অৰ্থাৎ ঘূনাসুঁতিত এখন দলং দিছে, তাৰ বাবে বহুত বহুত ধন্যবাদ। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেইদিনা indigenous বিভাগৰ কথা কওঁতে কৈছিল যে সংস্কৃতিশালীৰ যিটো প্ৰভাৱ সেই বোৰ ঠাইত পৰা নাই, আজি হাজাৰ হাজাৰ বছৰ ধৰি য'ত এজন যুৱকে যেতিয়ালৈকে কলেজত নপঢ়ে তেতিয়ালৈকে গাড়ী মটৰ আদি দেখা নোপোৱাৰ পৰিৱেশ এটা বিৰাজ কৰে। গতিকে এইটো এটা আৱেগিক বিষয়। সেইবাবে মই চৰকাৰক ধন্যবাদ জনাইছোঁ। দ্বিতীয়তে, এই সদনতে বোধকৰো আগৰ এজন সদস্য শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই এটা কথা কৈছিল যে উত্তৰ অসমত তেজপুৰ পগলা ফাটেকৰ বাহিৰে অইন একো অনুস্থান নাই বুলি আজিৰ পৰা ১০/১৫ বছৰ আগতে কৈছিল। কিন্তু যদি এই বাজেট খন চাই তেতিয়া দেখা পাব ১৪ টা state priority project ৰ ভিতৰত লক্ষীমপুৰ সমষ্টিতে অকল ৩ টা প্ৰজেক্ট সোমাই আছে। য'ত আজিৰ পৰা ১৫ বছৰ আগতে বৃন্দাবন গোস্বামী ডাঙৰীয়াই অকল পগলা ফাটেক থকা বুলি কৈছিল আৰু কিন্তু এই খন চৰকাৰে ৪ খন জিলাত ৪ খন মেডিকেল কলেজ স্থাপন কৰিবলৈ সক্ষম হৈছে। হ'ব পাৰে এই জন মুখ্যমন্ত্ৰী কংগ্ৰেছ চৰকাৰৰ দিনত স্বাস্থ্যমন্ত্ৰী থকা সময়ত তেজপুৰ মেডিকেল কলেজ আৰম্ভ কৰিছিল। লক্ষিমপুৰ মেডিকেল কলেজৰ কাম সম্পূৰ্ণ হৈছে, বিশ্বনাথ চাৰিআলি মেডিকেল কলেজৰ কাম চলি আছে। ধেমাজি মেডিকেল কলেজৰ কাম আৰম্ভ হ'ব। ইয়াৰোপৰি ধেমাজিত ইঞ্জিনিয়াৰিং কলেজ হৈছে, Indian Institute of Agriculture Research হৈছে ধেমাজিত। গতিকে আজিৰ এইখন চৰকাৰে আগৰ চৰকাৰৰ নিচিনাকৈ উত্তৰ পাৰক অৱহেলিত কৰা নাই, তাৰ বাবে মই বিত্তমন্ত্ৰী ডাঙৰীয়ানী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক

কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মই আৰু বেছি সময় নলওঁ, কিন্তু এটা কথা কব খোজো যে অসমীয়া বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়াটোত চাওলুং চুকাফাৰ পৰা শ্ৰীমন্ত শংকৰদেৱৰ পৰা যদি আমি আহি থাকো লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা পদ্মনাথ গোহাঞি বৰুৱাৰ বিষয়ে কওক বা গোপীনাথ বৰদলৈৰ বিষয়ে কওক, আমি যদি এটা গতানুগতিক ধাৰাত আহি থাকো আৰু লগতে হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ কথাকে কওক সকলোৰে কিন্তু মহৎ অৱদান আছে এই বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত। তেওঁলোক প্ৰত্যেকে একোজন সাধাৰণ মানুহ হিচাপে থাকি তেওঁলোকে অসমৰ মহীৰুহ বা Legand হিচাপে অসমৰ মানুহৰ ওচৰত পৰিগণিত। আজি আমি ৰাজনৈতিক দল বিলাকে ৰাজনৈতিক ব্যক্তি সকলে যেতিয়া চৰকাৰ চলাও এটা ৰাজনৈতিক দৃষ্টি ভঙ্গী ৰখা হয়, ভোটৰ লগত আমি এটা ৰিলেট কৰি ৰাখো। সেইটো অপ্ৰিয় হলেও সত্য কথা। কিন্তু আজি যিটো Indigenous Faith and Culture বিভাগ বনোৱা হৈছে তাত কোনো ভোটৰ ৰাজনীতি জড়িত নহয় আৰু এই বিভাগ খুলি মুখ্যমন্ত্ৰী মহোদয়েও নিজকে Legand হিচাপে অসমৰ মানুহৰ ওচৰত এই বিধান সভাৰ মজিয়াত আত্মপ্ৰকাশ কৰিছে। কোনোবাই কিবা ক'ব পাৰে কিন্তু ইতিহাসে কব, কাৰণ আমাৰ অসমত থকা বিভিন্ন জাতি জনগোষ্ঠীৰ প্ৰতি তেখেতৰ যি সহমৰ্মিতা আমি দেখিছো যেনে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া মন্ত্ৰী আছিল তেতিয়াও তেখেতে যি সময়ত জনগোষ্ঠীয় এলেকা বোৰত যায় তেতিয়া ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ লগতো একাত্ম ভাৱে কথা পতা দেখিছো, বিভিন্ন জনগোষ্ঠীয় নেতাৰ লগতো কথা পতা দেখিছোঁ আৰু তেওঁ হাড়ে হিমজুৱে সেই কৃষ্টি-সংস্কৃতি, আমাৰ ইতিহাস আৰু ইতিবৃত্ত জানিব বিচাৰে। সেই চেষ্টা অকল চেষ্টা হিচাপে নাৰাখি তেখেতে আজি এটা বিভাগ খুলি ১০০ কোটি টকাৰ পুঁজি আৱন্টন দিবলৈ সাহস কৰিছে। যিটো সাহস মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ সদনত দাঙি ধৰিছে। সেই কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ দিয়াৰ লগতে মই কব বিচাৰিছো যে অসমৰ ইতিহাসত তেওঁলোকৰ নাম সোণালী আখৰে লিপিবদ্ধ হৈ থাকিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া তৰংগ গগৈ ডাঙৰীয়া।

**শ্ৰীতৰংগ গগৈ (নাহৰকটীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৬ জুলাই তাৰিখে এই পবিত্ৰ সদনত যি খন বাজেট উত্থাপন কৰা হৈছে তাৰ ওপৰত দুষাৰ কবলৈ আৰু পোন প্ৰথম বাৰৰ বাবে হোৱা অসমৰ মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জনাব বিচাৰিছো আৰু লগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছোঁ। কাৰণ যি ধৰণে এই বিগত ৫০ দিনত তেখেতৰ তত্বধানত এই বাজেটখন বনোৱা হ'ল তাৰ বাবে পুনৰবাৰ তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈ আহিছো আৰু প্ৰথম বাৰৰ বাবে বাজেট ভাষণত বক্তৃতা ৰাখিব পাইছো। ইয়াৰ আগতে এনেধৰণৰ বাজেট ভাষণ টি ভি ত হে দেখা পাইছিলোঁ। বিধান সভাৰ প্ৰথম বাজেট খনতে নিৰ্বাচনত যি প্ৰতিশ্ৰুতি দিয়া হৈছিল, যি কথা কোৱা হৈছিল নিৰ্বাচনৰ প্ৰচাৰত, সেই কথা আজি আখৰে আখৰে এই বাজেটত যি ধৰণে দেখুৱালে তেনেধৰণে আগতে মই কেতিয়াও দেখা পোৱা নাছিলোঁ। যদি ভালকৈ আপুনি চাই দেখিব যে বিভাগ অনুযায়ী তেখেতে এক লাখতকৈ বেছি চাকৰি অৰ্থাৎ ১.৪৩ লাখ চাকৰি তেখেতে দেখুৱাই দিলে with post. সেই কাৰণে মই ভাৱো যে সকলোৱে বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনোৱাটো উচিত। তেখেতে অকল কথাৰে নহয় লিখিত আকাৰেও কিমান পদ কত হ'ব দেখুৱাই দিছে। মই নাহৰকটীয়া সমষ্টিৰ বিধায়ক হিচাপে আপোনাক জনাব বিচাৰো যে মাইক্ৰফাইনেন্সৰ যি ঋণ মাফৰ কথা ইয়াত আলোচনা কৰি আছে সেই আলোচনাৰ ওপৰত আমি

প্ৰায় ২ বছৰ আগৰ পৰাই কাম কৰি আহিছিলো সেই সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মা ডাঙৰীয়া বিত্তমন্ত্ৰী হৈ থাকোতে উজনি অসমত এটা ডাঙৰ আন্দোলন হৈছিল, বিমল বৰা ডাঙৰীয়া হয়তো ইয়াত উপস্থিত নাই, তেখেতৰ সমষ্টি ৰাজগড়ত এটা ডাঙৰ আন্দোলন আৰম্ভ হৈছিল। ঠিক তেনেকৈ মোৰ সমষ্টি নাহৰকটীয়াতো এটা বৃহৎ আন্দোলন হৈছিল, প্ৰায় ১৫-২০ হাজাৰ মহিলা ৰাস্তালৈ ওলাই আহিছিল কাৰণ এই ক্ষুদ্ৰ বিত্তীয় অনুষ্ঠান বিলাকৰ অনিয়ম বা লোন মাফৰ কাৰণে আন্দোলন আৰম্ভ হৈছিল। যেতিয়া আমি দেখা পালো সেইবোৰ মহিলাৰ বহুত দল সংগঠনে লগত লৈ বিপথে পৰিচালনা কৰিলে।

কা' আন্দোলন আহিল, কা' আন্দোলনত নমাই লৈ যোৱা হ'ল আৰু কোৱা হ'ল যে লোণ মাফ হ'ব। শেষত দুই তিনি বছৰত দেখিলো যে আন্দোলন একো নহ'ল, তেতিয়া আমাৰ চৰকাৰৰ ওচৰত আহিলে। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে যোৱা বছৰৰ বিধান সভাত এনেকুৱা এখন আইন আনিছে, কিন্তু মই জনাব বিচাৰো যে এই লোণ মাফৰ লগত নহয় এখন আইনো আনিছো। আইনখনত লিখা আছে Assam Micro Finance Institution (Regulation of Money Lending) Act, 2020 । এই আইনত ৪ হাজাৰ কোটি টকা যি অনিয়মৰ যোগেদি Micro Finance Company বিলাকে লৈছিলে, তাৰপৰা আমি ঘুৰাই লৈছো। কাৰণ যি অনিয়ম RBI Guidelines violate কৰিছিলে, সেই violate ৰ জৰিমনাতে ৪ হাজাৰ কোটি টকা কোম্পানীয়ে নিজে মাফ কৰিছে। লগতে বিত্তমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাও যে ৭,৫০০ কোটি টকা ধাৰ্য্যও কৰিছে।

মাননীয় উপাধ্যক্ষ মাহোদয়, যিহেতু উজনি অসমৰ বিধায়ক, ইয়াত Irrigation ৰ আচঁনি আছে যে PM Kisan Sinchai Yojana, ১০ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কক আমি Tube-Well দিবলৈ চেষ্টা কৰিছো। মই নামনি অসমৰ বিধায়ক সকলক অনুৰোধ কৰিব বিচাৰো যিহেতু মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই আজি নতুন প্ৰস্তাৱ দিছে যে আমি উজনি অসমৰ বিধায়ক নামনি অসম যাম আৰু নামনি অসমৰ বিধায়ক উজনি অসম যাব। গতিকে মই অনুৰোধ কৰিম যে ক্ষুদ্ৰ চাহ খেতিয়কসকলক গৈ এবাৰ চাই আহিব। আমাৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে economy তো কেনেকৈ উন্নত কৰিছে , কেনেকৈ প্ৰত্যেক এক বিঘা মাটিত যদি ভালকৈ খেতি কৰে প্ৰায় ২৫ শ কেজি চাহপাত উৎপাদন কৰিবলৈ সক্ষম হয়। ইয়াৰ দৰতো কেতিয়াবা ৪০ টকা বা কেতিয়াবা ১৫ টকা হয়। যদি ইয়াৰ এভাৰেজটো ২০ টকাকৈ চাওঁ এক বিঘা মাটত প্ৰায় ৫০ হাজাৰ টকাৰ ব্যৱসায় এজন খেতিয়কে কৰিব পাৰে। যদি এজন ব্যক্তিৰ দহ বিঘা মাটি আছে, এক বছৰত ৫ লাখ টকাৰ তেখেতে ব্যৱসায় কৰিব পাৰে। ঠিক এনেধৰণে ১০ বিঘা মাটিত সৰু ব্যৱসায় কৰা জনক ভাবি চাওঁক যে economy টো কিমান growth হ'ল। ক্ষুদ্ৰ চাহ খেতিয়ক সকলক Tube-Well, Solar, electric ৰ যোগেদি বহুতে সহায় কৰিব। এই পানী দিয়াৰ বাবে এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলক বহুত সহায় কৰিব।

মই বিত্তমন্ত্ৰী ডাঙৰীয়ানীক আৰু মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰো, কাৰণ এটা বস্তু উল্লেখ পালো যে খেলা-ধুলাতো কিমান দৰকাৰী আমাৰ যুৱ-প্ৰজন্মৰ কাৰণে। Sports ত উল্লেখ কৰা আৰু ইয়াত লিখা হৈছে যে গাওঁ পঞ্চায়ত অনুযায়ী ব্লক, জিলাসমূহত আমি Rural Sports কৰিম। যিহেতু real talent বিলাক ওলাই আহে সৰু সৰু গাওঁবিলাকৰ পৰা, এই সকলক talent charge কৰাৰ কোনো মাধ্যম নাছিলে। আজি মই ধন্যবাদ জনাইছো যে Rural level তএই ধৰণৰ খেল পৰিচালনা কৰিবলৈ লৈছো আৰু মই আশা কৰো আগন্তুক

সময়ত এই হুRural sports ৰ যোগেদি আৰু বহুখিনি প্ৰতিভা লৈ আহিব। কাৰণ মূখ্যমন্ত্ৰী ডাঙৰীয়াই আজি ঘোষণা কৰি গৈছে, আগন্তুক সময়ত National Game, Common Wealth Game, Olympic Game ত ম'ডেল কঢ়িয়াই আনিব, আমি তেখেতসকলক চৰকাৰী চাকৰি দিম। এই চৰকাৰী চকৰিৰ লোভতে হওঁক, কিন্তু যেতিয়া খেলুৱৈ সকলে গাঁৱে গাঁৱে খেলা আৰম্ভ কৰিব, মই ভাৱো যে চৰকাৰে সহায় কৰাৰ বাবে বহু খেলুৱৈ ওলাই আহিব পাৰিব।

বহুখিনি নকওঁ, প্ৰথম বিধায়ক হিচাপে সময় দিয়াৰ বাবে ধন্যবাদ জনাইছো। কিন্তু শেষত বিত্তমন্ত্ৰী ডাঙৰীয়া আৰু মূখ্যমন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিম, যিহেতু নাহৰকটীয়া সমষ্টিৰ বিধায়ক আৰু এটা আচঁনি ইয়াত পাইছো Construction of Government Colleges, School, Stadium। গতিকে মোৰ নাহৰকটীয়া বৃহৎ চাচনি মৌজা হয়, তাত চৰকাৰী কলেজ নাই। মই ভাৱো এই আচঁনিৰ জৰিয়তে চৰকাৰী কলেজ এখন চাচনিতো হয়, খুবেই আনন্দিত হ'ম আৰু মূখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতু Stadium ৰ কথা কৈছে নাহৰকটীয়াতো যাতে এখন Stadium হয়, মই তাকে ধন্যবাদ জনাম।

**মাননীয় উপাধ্যক্ষ** ঃ Thank you। আমাৰ আজিলৈ আৰু কোনো সদস্যই বক্তব্য ৰাখিব নোৱাৰিব, সময় উকলি গৈছে। যিখিনি বাকী সময় ৰৈ গৈছে কংগ্ৰেছ দলৰ **৭২** মিনিট, বিজেপিৰ **১৫০** মিনিট, এজিপিৰ **১০** মিনিট, এ আই ইউ ডি এফৰ **১৫** মিনিট, ইউ পি পি এলৰ **৭** মিনিট আৰু বিপিএফৰ **২** মিনিট আছে।

গতিকে আজি সদন অহা **২০.০৭.২০২১** তাৰিখৰ পূৱা **৯.৩০** বজালৈ স্থগিত ৰখা হ'ল।